# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS
UNDER SOVEREIGN DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA

## BUDGET SESSION

NO. : 10

The 29th March, 1993

Price : 30.00 Only.

# CONTENTS

BUDGET SESSION

**NO. : 10**

Dated, the 29th March, 1993


| | | Page |
|---|---|---|
| 1. | *Questions and Answers* | *1-39* |
| 2. | *Announcement from the Chair* | *40-41* |
| 3. | *Voting on Demands for Grants* | *41-143* |
| 4. | *Statement by Chief Minister* | *144-145* |
| 5. | *Adjournment* | *145* |
| 6. | *Annexure - I and II* | *146-160* |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

*Monday, March 29, 1993.*

*The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair .*

## STARRED QUESTIONS AND ANSWERS

*(To which oral replies were given )*

*Mr. Speaker :* The position of Oral and Written Questions for 29-3-93 are as follows :

Oral Questions from Sl. Nos. 141 to 160
Written Questions from Sl. Nos. 323 to 343

Oral Questions No. 142 of Home Department has been deferred to another date.

Written Questions No. 343 of Political Department has been deferred another date.

Written Question Nos. 332 & 337 of Sport Department have been deferred to another date.

(Starred Question No. 141 was not taken up as the Questioner was not present in the House, when called for and starred Question No. 142 was deferred)

***শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ তাৰিখৰ মোৰ এটা তৰা চিহ্নিত প্ৰশ্ন আছিল, আজি ২৯ তাৰিখে দিয়া হব বুলি চেক্ৰেটাৰীয়ে কৈছিল।

***মাননীয় অধ্যক্ষ ঃ*** যোৱা ২২ তাৰিখৰ প্ৰশ্ন লেপচ হৈ গৈছে। আপুনি পিছত মোক লগ ধৰিব।

Now starred Question No. 143.

## বিষয় ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে ক্ষতিপুৰণ দিয়াৰ নিৰ্দ্দেশ।

***শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ***

* ১৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৰহাট জিলাৰ টিয়ক বিধান সভা সমষ্টিৰ উত্তৰ দুলীয়া গাওঁৰ যুৱক প্ৰকাশ বৰাৰ পিতৃ ভালিৰাম বৰাক ৫০,০০০.০০ (পঞ্চাশ হাজাৰ) টকাৰ ক্ষতিপুৰণ দিবলৈ সেনা কৰ্ত্তৃপক্ষক তথা ভাৰত চৰকাৰৰ নিৰ্দ্দেশ দিয়াৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ)গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই বিষয়ে ক্ষতি পুৰণৰ নিৰ্দ্দেশ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে গ্ৰহণ কৰিবনে ?

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) হয়, অৱগত।

(খ) যিহেতু ক্ষতিপুৰণ দিবলৈ সৈন্য বাহিনীক নিৰ্দ্দেশ দিছে সেইহেতুকে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰিবৰ বাবে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ প্ৰতিলিপি বিচাৰি যোগাযোগ কৰিছে।

***শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে প্ৰতিশ্ৰুতি দিয়ামতে আলফা উগ্ৰপন্থী সকলে চৰকাৰৰ ওচৰত আত্ম সমৰ্পণ কৰিছে। ঠিক সেইদৰে চৰকাৰে প্ৰতিশ্ৰুতি দিয়ামতে চন্দ্ৰ প্ৰকাশ বৰাৰ নিকটতম পৰিয়ালক ১ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া,হাইকোৰ্টে যিটো ৰায় দিছে সেইমতে আমি কৰিবলৈ বদ্ধ পৰিকৰ। এই কথাটোৰ কাৰণে আমি যোগাযোগ কৰি আছো।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চ ন্যায়ালয়ে যিটো নিৰ্দ্দেশ দিছে সেইটো ৰাজ্য চৰকাৰে কেতিয়া দিয়াৰ ব্যৱস্থা কৰিব। যোগাযোগটো কেতিয়া সম্পূৰ্ণ কৰিব জনাবনে?

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি হাইকোৰ্টৰ পৰা প্ৰতিবেদন বিচাৰিছো। সেই প্ৰতিবেদন পোৱাৰ পিছতহে আমি দিয়াৰ ব্যৱস্থা কৰিব পাৰিম।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়,জানুৱাৰীৰ প্ৰথম সপ্তাহতে নিৰ্দ্দেশ দিছিল যদিও আজি প্ৰায় তিনি মাহ হল একো ব্যৱস্থা লোৱা নাই। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লবনে?

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো ২৯ ফেব্ৰুৱাৰীতহে ইনজাংচন হৈছে।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চন্দ্ৰপ্ৰকাশ বৰা নিৰুদ্দেশ সম্পৰ্কে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সদনত এটা বিবৃতি আদিৰ পৰা অন্ততলৈকে দিব লাগে।

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ** সদনত বিবৃতি দিব পৰা হব।

* **শ্ৰীবুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ জানুৱাৰী তাৰিখে মৰিগাওঁ জিলাত ৩ জন লোকক আলফা উগ্ৰপন্থীয়ে হত্যা কৰে। যি সকল লোক আলফা বা উগ্ৰপন্থীৰ হাতত মৃত্যু বৰণ কৰিছে তেওঁলোকৰ পৰিয়ালক ১ লাখ টকা সাহাৰ্য্য হিচাবে আগবঢ়োৱা এখন আঁচনি ৰাজ্য চৰকাৰে হাতত লৈছে। সেই আঁচনিমতে মৰিগাওঁ জিলাৰ ৩ জন লোকৰ পৰিয়ালক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা হৈছে।

* **শ্ৰীজয় নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিনৰ আগতে চৰকাৰে

---

* Speech not corrected

ঘোষণা কৰিছে যে চৰকাৰৰ নীতি অনুসৰি যি সকল মানুহ উগ্ৰপন্থীৰ গুলিত বা পুলিচৰ দোষৰ কাৰণে মৃত্যু বৰণ কৰিছে সেই সকলৰ পৰিয়ালৰ কোনো উপযুক্ত মানুহ থাকিলে পুণৰ সংস্থাপণৰ ব্যৱস্থা কৰিব আৰু ১ লাখ টকা মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিব। এই কথাটো আপোনালোকে পলম কৰিছে কিয়? চম্পাৰাম নাথ মোৰ সমষ্টিৰ মানুহ তেওঁক দুবৃত্তই গুলিয়াই মাৰিছে। আপোনালোকে তেনেধৰণৰ লোকৰ পৰিয়ালক সাহায্য দিছে পুণৰ সংস্থাপণ দিছে। গতিকে এই মানুহ জনৰ পৰিয়ালক ক্ষতিপুৰণ সাহায্য বা সংস্থাপণৰ ব্যৱস্থা কৰিব লাগে।

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে - উগ্ৰপন্থী গুলিত মৰিলে তেওঁলোকৰ পৰিয়ালক ১ লাখ টকা আৰু চাকৰি দিয়া কথা সত্য কিন্তু পুলিচ ফায়াৰিঙত মৰিলে টকা দিয়াৰ কথাটো মই চাব লাগিব।

* ***শ্ৰীশশকমল সন্দিকৈ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, হাইকোৰ্টে দিয়া নিৰ্দ্দেশ মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্ৰফুল্ল গগৈক হাইকোৰ্টে ২ লাখ টকা ক্ষতিপুৰণ দিয়াৰ নিৰ্দ্দেশ দিছে। তেনে ক্ষতিপুৰণৰ সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া,হাইকোৰ্টে দিয়া নিৰ্দ্দেশ কাৰ্য্যকৰী কৰা হব।

*Mr. Speaker :* Now starred Question No. 144.

## Re : Number of Daily Newspapers

***Shri Sashakamal Handique asked :***

144. Will the Chief Minister be pleased to state :

(a) The number of Daily Newspaper Published in Assam?

(b) Whether Government advertisement is equally distributed to each of the Dailies?

(c) If not, the reason thereof ?

***Shri Hiteswar Saikia (Chief Minister) replied :***

(a) Altogether 21 (twenty one) daily newspapers are published in Assam.

---

* Speech not corrected

(b) No.

(c) Realese of Advertisements are Governed by the existing policy of the Government on the subject.

***Shri Sashakamal Handique :*** Sir, in reply to my question Honourable Chief Minister replied that the release of advertisement are governed by the existing policy. What are those existing policy for that release of the advertisements?

***Shri Hiteswar Saikia (Chief Minister) :*** Sir, the existing policy is by the Government decision held on 21-8-86

**Policy for release of Advertisement**

**General Policy**

(A) Advertisement are not intended to be a measure of financial assistance and no Newspaper can claim advertisements as a matter of right. The primary objective behind releasing Government advertisements is to secure the widest possible coverage keeping in view the special needs and the targeted audience of the message contained in the advertisement. In pursuance of the broader social objective of the Government, weighted as far as possible will however be given to :

(a) Small and Medium newspaper.

(b) Language papers.

(c) Paper in backward areas.

(d) District paper.

(B) The General Policy which governs the release of advertisements within the fund available will be as follows :

(a) There must be widest possible coverage.

(b) Pulling power of the papers in the areas intended to be covered will be considered.

(c) political affiliation of a newspaper will not be taken in to

account but one that does not show regard to journalistic ethics will not be issued advertisements. The paper's no-adherence to the ethics will be judged by any of the following tests :

(i) Report inputs to a person on statements he or she did not make.

(ii) Baseless, motivated, malicious, securrilous or absence reports.

(iii) Roports, designed to inflame communal passion or preaching violence or lawlessness.

(iv) Reports repungnant to socially accepted conventions of public decency and morals.

(v) Non-publication or publication in mutilated or tendencious manner of Government Press notes, handouts and communiques.

These are the guidelines given by the Government.

***Shri Sashakamal Handique :*** Sir, The guidelines as mentioned by the Honourable Chief Minister are lengthy one. However, it is seen that most of the newspaper in Assam are deprived from the benefit of getting the Government advertisements and as a result general people think that there are discrimination in the matter of releasing the advertisements. Therefore, may I draw the attention of the Honourable Chief Minister to this matter so that the discriminatory attitude of the Government in realing the advertisements is done away with.

***Shri Hiteswar Saikia (Chief Minister) :*** So far my knowledge goes to discrimination is meted out to anyone. If the Honourable Member could give me a particular case where discrimination is meted out, I will certainly look into it.

***Shri Holiram Terang :*** Sir, may I know from the Honour-

able Chief Minister what was the amount of advertisement released to the newspapers, namely, Gati Samay Prabha, Business Relation, Alok, Prantajyoti and Sonar Cachar?

* ***Shri Hiteswar Saikia (Chief Minister) :*** This piece of information is not with me at the moment. I can place it on the table of the House later on if the Honourable Member so desires.

* ***Shri Holiram Terang :*** If it is so, Sir, I would like to have the information containing the amount of advertisements released for the last three years to Gati, Samay Prabha,Business Relation, Aolk Prantajyoti and Sonar Cachar compared to the advertisements released to other newspapers.

* ***Shri Hiteswar Saikia (Chief Minister) :*** I will place them on the table of the House.

* ***শ্ৰীনজমুল হক*** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত যিবোৰ বাতৰি কাকত প্ৰকাশ হয় সেইবোৰত চৰকাৰী বিজ্ঞপ্তি বেছিকৈ প্ৰচাৰ হোৱা দেখা যায়। মুখ্য মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কিবা কব নেকি?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)*** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো মোৰ মনত নাই । এই ক্ষেত্ৰত মই পিচত চাই দিম।

* ***মৌলানা আব্দুল জেলিল ৰাগিবী*** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছোঁ যে ক্ষুদ্ৰ বাতৰি কাকত বঢ়োৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পলিচী আছে চৰকাৰী বিজ্ঞাপনৰ ক্ষেত্ৰত ক্ষুদ্ৰ বাতৰি বিলাকক অগ্ৰাধিকাৰ পাব লাগে। এইটো সচাঁনে? যদি সচাঁ হয়, তেন্তে প্ৰশ্ন কৰ্ত্তাই দৈনিক কাকত সম্পৰ্কে যি প্ৰশ্ন কৰিছে আমাৰ সাপ্তাহিক আৰু অৰ্দ্ধ সাপ্তাহিক যিবোৰ বাতৰি কাকত প্ৰচাৰ হৈ আছে সেইবোৰ চৰকাৰী জাননী, বিজ্ঞাপ্তি আদিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পায় নেকি?

মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে এটা কথা কব বিচাৰিছো যে এনে কিছুমান অভিযোগ দেখা যায় যে অসমত যি বোৰ বাতৰি কাকত চলি আছে সেইবোৰে চৰকাৰী বিজ্ঞাপ্তি আদিৰ ক্ষেত্ৰত বঞ্চিত হয় আৰু এই কাকত বোৰৰ প্ৰচাৰ ৩০০ বা ৪০০ নাইবা, কেতিয়াবা ১০০ মানহে চৰকাৰী বিজ্ঞাপ্তি আদি লৈ চলি আছে। তেওঁলোকে অফিচাৰ বিলাকৰ লগত যোগাযোগ কৰি বিজ্ঞাপ্তিবোৰ লৈ যায়। এনেয়ে বাতৰি কাকতৰ অভাৱ। এইটো সচাঁ নেকি?

---

* Speech not corrected

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কৈছোঁৱেই যে এই ক্ষেত্ৰত জন সংযোগৰ লাইন আছে ১৯৪৪ চনৰে পৰা এই ধৰণেই বিজ্ঞাপ্তি আদি দিয়া হয়। গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে যে বাতৰি কাকতবোৰ কম সেইটো সচাঁ নহয়। এই ক্ষেত্ৰত কওঁ কেন্দ্ৰীয় চৰকাৰৰ এটা মেচিনাৰী আছে। কথাবোৰ মেচিনাৰীৰ লগত সংলগ্ন আছে আমাক সেই মতে জনাই দিয়ে আৰু আমিও সেই মতে কাম কৰোঁ।

***Mr. Speaker :*** Now starred Question No. 145.

## বিষয় ঃ ধুবুৰী মহকুমাৰ সুবিধাৰ্থে কৰা সংলগ্ন গাওঁ।

***শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ***

১৪৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গন্দাধৰ নদীৰ পশ্চিম পাৰৰ গোসাই গাওঁ মহকুমাৰ গাওঁ সমুহ সাধাৰণ প্ৰশাসনীয় সুবিধাৰ্থে ধুবুৰী মহকুমাৰ লগত সংলগ্ন কৰাৰ বাবে চৰকাৰে বিবেচনা কৰিব নে?

(খ) এই প্ৰসন্দত উক্ত গাওঁ সমুহৰ ৰাইজৰ বহুদিনীয়া দাবী সম্বন্ধে চৰকাৰে ওৱকিবহাল নে?

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) হয়।

* ***শ্ৰীআলাউদ্দিন সৰকাৰ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰোঁ যে গোটেইখিনি গাওঁ সংলগ্ন কৰাৰ কথাটো বিবেচনাধীন হৈ আছে বুলি কৈছে সেইটো হয়টো হওঁতে দেৰী হব পাৰে, সেয়ে সোনকালে কৰিবৰ কাৰণে মুখ্য মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিবনে?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ধুবুৰী মহকুমাৰ গাওঁ কেইখন হ'ল - (১) চোটগুমা- ১, (২) চোটগুমা-২, (৩) কাইমমাটি, (৪) ভোলাৰ খাছ, (৫) বেলপাৰা, (৬) পাকৰি গুৰি, (৭) বেন্যাগুৰি - ১, (৮) বৈন্যাগুৰি -২, (৯) বেলগুৰি, এই গাওঁ কেইখন ধুবুৰী মহকুমাৰ লগত সংলগ্ন কৰিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰতিবেদন পালে চৰকাৰে বিবেচনা কৰি চাব।

* ***শ্ৰীআলাউদ্দিন সৰকাৰ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী আৰু গোসাইগাওঁৰ মানুহ খিনিয়ে বৰ কষ্ট পাই আছে। ধুবুৰীৰ পৰা মাত্ৰ ডেৰঘন্টা লাগে কিন্তু গোসাইগাওঁ এদিন বা দুদিন কেতিয়াবা তিনিদিন লাগি যায় কোকৰাঝাৰলৈ যাবলৈ। চৰকাৰে এই

---

* Speech not corrected

মানুহখিনিৰ কথা অলপ চিন্তা কৰি চাব লাগে, বৰ কষ্ট পাই আছে। ইয়াত কোনো ডেভেলপমেন্ট আজিলৈকে হোৱা আমি দেখা নাই। আনকি তেল খিনিও সময় মতে আহি পাব নোৱাৰে। এই ঠাইখিনি পশ্চিম বন্দৰ তেনেই ওচৰত কিন্তু পশ্চিম বন্দৰইও ইয়াত কোনো সা-সুবিধা নিদিয়ে অসমৰ সীমাত হোৱা কাৰণে। সেয়ে মুখ্য মন্ত্ৰীৰ ওচৰত অনুৰোধ কৰিছো এইটো সোনকালে কৰাৰ ব্যৱস্থা কৰি দিয়ে যেন।

* *শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ* মাননীয় অধ্যক্ষ ডাঙৰীয়া, শীঘ্ৰেই এই ব্যৱস্থা কৰিব পৰা যাব।

*Mr. Speaker :* Now starred Question No. 146.

## বিষয় ঃ ৰাজ্য খনত দ্ৰুতগতিত বাঢ়ি অহা নাৰী ধৰ্ষণৰ ঘটনা।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ*

১৪৬। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নাৰী ধৰ্ষণৰ অপৰাধত অভিযুক্ত সকলক উপযুক্ত শাস্তি প্ৰদানৰ বাবে অদালতত দ্ৰুতগতিত গোচৰ পৰিচালনাৰ বাবে চৰকাৰে এটা বিশেষ গোট গঠনৰ ব্যৱস্থা কৰিবনে?

(খ) নাৰী ধৰ্ষণৰ বলি হোৱা সকলক সামাজিক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) ২৮/১২/৯২ ত যোৰহাটত ৰেখা দত্ত নামৰ নৱম মান শ্ৰেণীৰ এগৰাকী ছাত্ৰী আৰু এমাহৰ পাচত মাইনা ৰায় নামৰ ৪০ বছৰীয়া এগৰাকী মহিলাক দলবদ্ধ ভাৱে ধৰ্ষণ কৰা কাৰ্য্যৰ লগত জড়িত ব্যক্তি সকলক আইন মতে শাস্তি বিহা হলনে আৰু যদি হোৱা নাই কিয়?

* *শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) এনে প্ৰস্তাৱ সদ্যহতে লোৱা হোৱা নাই।

(খ) ধৰ্ষিতা নাৰীৰ সামাজিক নিৰাপত্তা দিয়াৰ বাবে যদিও চৰকাৰে নিৰ্দ্দিষ্ট আঁচনি সদ্যহতে লোৱা নাই, তথাপি এনে নাৰীৰ সমস্যাবোৰ সমাধান কৰিবলৈ জিলা আৰক্ষী সদৰত একোটাকৈ 'নাৰী কেন্দ্ৰ' (Woman's Cell) খোলাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু নলবাৰী জিলাত সৰ্ব্বপ্ৰথমে এনে কেন্দ্ৰ স্থাপনৰ দিহা কৰা হৈছে। পৰৱৰ্ত্তী পৰ্য্যায়ত চিহ্নিত জিলাৰ আৰক্ষী সদৰত নাৰীৰ প্ৰতি কৰা অবিচাৰ সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ এনে কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ আছে।

**(গ)** দুয়ো ক্ষেত্ৰতে অভিযুক্ত সকলক কৰায়ত্ব কৰি হাজোতলৈ প্ৰেৰণ কৰা হৈছে আৰু আৰক্ষীৰ তদন্ত এতিয়াও অব্যাহত আছে।

* ***শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী :*** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰো যে নাৰী ধৰ্ষণৰ দৰে যি সামাজিক ব্যাধি আছে সেই বিলাকৰ ক্ষেত্ৰত হাইকোৰ্টৰ যি প্ৰচিডিওৰ আছে এই প্ৰচিডিউৰ বৰ বেছি দীঘলীয়া। অৱলা নাৰী বা যুৱতী এগৰাকীয়ে এইদৰে দীঘলীয়া পদ্ধতিৰ পিছত্তে সেই পৰিয়ালটোৱে ন্যায় নাপায়। সেই কাৰণে মই প্ৰশ্নটো কৰিছিলো যে দ্ৰুত গতিত এইটো কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কিবা নিৰ্দ্দেশ বা ব্যৱস্থা আদি কৰি নাৰী ধৰ্ষণৰ নিচিনা ঘৃননীয় কাৰ্য্যৰ প্ৰকৃত দোষীক শাস্তি পাবৰ কাৰণে এই পদ্ধতি বিলাকক অলপ দ্ৰুততৰ কৰাৰ ব্যৱস্থা কৰিব পাৰিনে? এই ক্ষেত্ৰত সদায়ে বিৰোধী বা বিপক্ষই যথেষ্ট সময় পায় আৰু আইন জীৱীৰ সহায়ত নিজক সৰুৱাবৰ ব্যৱস্থা কৰিব পাৰে। সেয়ে এই কেচবোৰ দ্ৰুত গতিত সমাধান কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

* ***শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) :*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো খৰখেদাকৈ কৰিবলৈ হলে বিশেষ কোৰ্টৰ ব্যৱস্থা কৰিব লাগিব। এই বিষয়ে বিবেচনা কৰা হব।

* ***শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী :*** মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট জিলাত ৩ টা নাৰী ধৰ্ষণ হৈছে। ২ টা দিনত হৈছে আৰু এটা ৰাতি হৈছে। এই নাৰী ধৰ্ষণৰ তাত কিছুমান উগ্ৰপন্থী জড়িত হৈ আছে। তেওঁলোকক চৰকাৰে যাতে শাস্তি দিয়াৰ ক্ষেত্ৰত প্ৰটেকচন নিদিয়ে সেইটো মোৰ ১ নম্বৰ প্ৰশ্ন। আৰু যিসকসক কৰায়ত্ব কৰি হাজোতলৈ প্ৰেৰণ কৰা হৈছে সেই সকলক যাতে বেলত নিদিয়ে।

* ***শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) :*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো কথা কৈছে তাত এস্কটিমিষ্ট জড়িত হৈ থকা নাই। এজন চাহ বাগানৰ মালিক জড়িত আছে আৰু দ্বিতীয়তে কেইজনমান ডেকা ল'ৰা, শিক্ষিত ল'ৰা জড়িত হৈ আছে। কোনো এস্কমিমিষ্ট জড়িত হৈ থকা নাই। তৃতীয় যিটো কথা কৈছে সেইটো ৰেকৰ্ড মোৰ হাতত নাই। যি বিলাকক এৰেষ্ট কৰা হৈছে তাৰ বিৰুদ্ধে কেচ আৰম্ভ কৰা হৈছে।

* ***শ্ৰীপ্ৰমোদ গগৈ :*** মাননীয় অধ্যক্ষ মহোদয়, নাৰী ধৰ্ষণ অসমত যিবিলাক হৈছে চিভিলিয়ান ড্ৰেচত থাকিব / 'মিলিটেৰী ফৰ্চৰ' দ্বাৰা ধৰ্ষণ হৈছে। শিৱসাগৰৰ অ. এন.জি. চি'ত চি. আৰ. পি. এফ. কৰ্ত্তব্যত থকা অৱস্থাতে নাৰী ধৰ্ষণ হৈছে। পুলিচে এইটো কেচ লৈছে। কিন্তু যিবিলাক আৰ্মী, চি. আৰ. পি. এফ. এওঁলোকৰ ক্ষেত্ৰত কেচ লোৱা অসুবিধা হৈছে। গতিকে মোৰ প্ৰশ্ন হৈছে নাৰী ধৰ্ষণৰ লগত যিবিলাক জড়িত তেওঁলোক

চিভিলিয়ানেই হওঁক বা মিলিটেৰীয়েই হওঁক তৎকালীন ভাৱে ব্যৱস্থা কৰাৰ কাৰণে 'স্পেচিয়েল কোৰ্টৰ' ব্যৱস্থা কৰিবনে? আজি ক্ৰাইম ইমান বাঢ়িছে যে আজি ৰাতিপুৱা অৱশ্যে এইটো নাৰী ধৰ্ষণৰ লগত জড়িত নহয়। আমাৰ সদনৰ এজন প্ৰাক্তন বিধায়ক শ্ৰীগোলাম ওচমানী শিলচৰৰ পৰা আহিছে। তেখেত থাকে হাউচিং কলনীত মোৰ ঘৰৰ ওচৰতে। ৰাতিপুৱা ৪.৩০ বজাত তেখেতৰ ঘৰৰ সন্মুখত কোনোবাই আক্ৰমণ কৰিছে, তেওঁক জখম কৰিছে। এৰিষ্ট্ৰোকেট বেগটো কাঢ়ি লৈ গৈছে। গতিকে এনে ধৰণৰ 'ক্ৰাইম' নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিবনে? মোৰ এটা আনষ্টাট প্ৰশ্নৰ উত্তৰত আজি কৈছে যে গুৱাহাটীত 'ক্ৰাইম' নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে মই কওঁ 'ক্ৰাইম' নিয়ন্ত্ৰণ কৰাৰ চৰকাৰৰ প্ৰচলিত আইন ব্যৱস্থাৰ উপৰিও সেইটো মই বাদ দিবলৈ কোৱা নাই। বিশেষকৈ নাৰী ধৰ্ষণৰ ক্ষেত্ৰত 'স্পেচিয়েল কৰ্টৰ' ব্যৱস্থা কৰিবনে? আৰু গোলাম ওচমানী ডাঙৰীয়াৰ আক্ৰমণৰ সংক্ৰান্তত অনুসন্ধান কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

* ***শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, গগৈ ডাৰৰীয়াই যিটো 'স্পেচিয়েল কৰ্টৰ' কথা কৈছে সেইটোৰ ওপৰত ব্যৱস্থা লোৱা হব। লগতে ওচমানী ডাঙৰীয়াৰ যিটো কথা কৈছে তাৰ ওপৰতো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। এতিয়া আমি দেখিছো গুৱাহাটীত যিবিলাক ডকাইতি হৈছে বা অন্যান্য যিবিলাক ক্ৰাইম হৈছে তাত প্ৰায়েই ছাত্ৰ সকল জড়িত হৈ আছে। গতিকে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ হলে সকলোৰে সহায় সহযোগিতাৰ প্ৰয়োজন হব। নাৰী ধৰ্ষণৰ যিটো কথা কৈছে তাৰ বাবে 'স্পেচিয়েল কৰ্টৰ' ব্যৱস্থা কৰিম।

* ***দেৱান জয়নাল আবেদিন ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে বৰ্ত্তমানলৈকে কিমান জন লোক এই বিলাকত জড়িত আছে আৰু কিমান জনক শাস্তি দিয়া হৈছে।

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এইটো তথ্য বৰ্ত্তমান মোৰ হাতত নাই।

* ***শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, নাৰী ধৰ্ষণৰ কথাটোত আজি যিয়েই মুখ্য মন্ত্ৰী নাথাকক একেই উত্তৰ দিব। যদি আজি সমাজ পৰিবৰ্ত্তন নহয়, সামাজিক ভাৱে যদি পৰিবৰ্ত্তন নহয় এইটো নাইকীয়া কৰিব নোৱাৰে। সেইকাৰণে মই কব বিচাৰিছো যে এইটো যাতে পুণৰ বিপিত নহয়। যোৱা বিধান সভা চলি থকা অৱস্থাতে যোৰহাটত সন্ধিয়া ৪ টা বজাত চাৰাগুৱাৰ আলফাই বন্দুক দেখুৱাই মানুহৰ ঘৰৰ পৰা টকা-পইচা লৈ গৈছে। সেয়েহে মই কওঁ যে ক্ৰাইম কৰা লোক সকল ছাত্ৰই হওঁক বা

* Speech not corrected

ৰাজনৈতিক নেতাই হওঁক বা আলফাৰ চাৰাগুৰেই হওঁক কোনো যাতে সাৰি যাব নোৱাৰে তাৰ কাৰণে মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো।

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, আইনত সকলো সমান। আলফাই হওঁক বা অন্যান্য কোনোবাই হওঁক তাৰ ক্ষেত্ৰত মই নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

* ***Shri Holiram Terang :*** Since this is very important, may I know from the Honourable Chief Minister during the last three years or even earlier times, how many Government employees both Police and Civillians are involved in rape molestation and how many of them are convicted?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগে প্ৰশ্ন কৰিব লাগিব।

* ***শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মহোদয়ৰ পৰা তিনিটা প্ৰশ্ন কৰিম আশাকৰো আটাইকেইটা উত্তৰ একেলগে দিব। ১৯৯১ চনৰ পৰা অৰ্থাৎ এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পৰা বৰ্ত্তমানলৈকে কিমান গৰাকী নাৰী ধৰ্ষণ হৈছে আৰু কিমান কেইটা কেচ থানাত লিপিবদ্ধ হৈ আছে। আৰু কিমানক শাস্তি দিয়া হৈছে? দ্বিতীয়টো হ'ল যি গৰাকী নাৰীক ধৰ্ষণ কৰিছিল তেওঁৰ হাচবেণ্ড আহি পোৱাৰ পিচতো বন্দুক দেখুৱাই ধৰ্ষণ কৰিছিল। কথা হৈছে যদি চাৰাগুৰ কৰা আলফাই হয় তেনেহলে তেওঁলোকৰ হাতত কেনেকৈ বন্দুক থাকিল ? তৃতীয়তে লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াৰ অঞ্জুমনি বৰাৰ পৰিয়ালক ১৯৯১ চনৰ পৰা ১৯৯৩ চনলৈকে কোনো সাহাৰ্য্য আজিলৈকে দিয়া নাই। কিয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা নাই জনাবনে ?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, কিমান গৰাকী নাৰী ধৰ্ষণ কৰা হৈছে তাৰ হিচাপ মোৰ হাতত নাই । পিচত মই এই তথ্য সদনত প্লেচ কৰিম। দ্বিতীয়তে কথা হৈছে চাৰাগুৰ কৰা আলফাৰ হাতত বন্দুক থাকিব পাৰে নেকি ? থাকিব পাৰে। কাৰণ আমাৰ বহুতে অবৈধভাৱে বন্দুক ৰাখে। গতিকে চাৰাগুৰ কৰা আলফা এজনে বন্দুক ৰাখিব পাৰে। তাৰ পিচত অঞ্জু বৰাৰ পৰিয়ালে টকা পাইছে।

* ***শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ*** চাৰাগুৰ কৰাৰ পিচত চিজ্ কৰা হোৱা নাই নেকি ?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** এই বিলাক চিজ্ কৰা হৈছে।

---

* Speech not corrected

* ***শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ*** অধ্যক্ষ মহোদয়, মিনু দাস নামৰ ছোৱালীজনীৰ ককায়েকো কালি আহিছে আৰু কৈছে যে তেওঁৰ পৰিয়ালে টকা পোৱা নাই।

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এইটো ব্যৱস্থা কৰিম।

*Mr. Speaker :* Now starred Question No. 147.

## বিষয় ঃ পঞ্জীয়ণ ভূক্ত কৰা ৰিস্কা।

* ***শ্ৰীনগেন শৰ্মাই সুধিছে ঃ***

১৪৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২ চন আৰু ১৯৯২-৯৩ চনৰ ভিতৰত গুৱাহাটী পৌৰ নিগমৰ অধীনত কিমান সংখ্যক লোকক ৰিস্কা চলোৱাৰ বাবে পঞ্জীয়ণ ভূক্ত কৰা হৈছে?

(খ) উক্ত লোক সকলক পঞ্জীয়ণ কৰাৰ ক্ষেত্ৰত নিয়ম নীতি মনা হৈছে নে?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) ১৯৯১-৯২ চনত ৯ হাজাৰ ৯ শ ৯৫ জন আৰু ১৯৯২-৯৩ চনত ১০ হাজাৰ ৫ শ জন, সৰ্ব্বমুঠ ২০ হাজাৰ ৪ শ ৯৫ জন লোকক ৰিস্কা চলোৱাৰ বাবে অনুজ্ঞপত্ৰ প্ৰদান কৰা হৈছে।

(খ) ১৯৬৯ চনৰ গৌহাটী পৌৰ নিগম আইন (১৯৭৩ চনৰ অসম আইন / বিধি১) ৰ উপবিধি অনুসৰি নিৰ্দ্ধাৰিত প্ৰ - পত্ৰযোগে পোৱা আবেদনৰ ভিত্তিত ৰিস্কা চালক সকললৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হয়।

* ***শ্ৰীনগেন শৰ্মা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, যিসকল ৰিস্কা চালকক ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ সময়ছোৱাত পঞ্জীয়ণ ভূক্ত কৰা হৈছে তেওঁলোক অসমীয়া নে অনা অসমীয়া? দ্বিতীয়তে তেওঁলোক ভাৰতীয় নে অ ভাৰতীয়? তেওঁলোকক অনুজ্ঞা পত্ৰ দিয়া সময়ত নাগৰিকত্বৰ প্ৰমাণ পত্ৰ চোৱা হয় নে?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, প্ৰ-পত্ৰত নাগৰিকত্বৰ বিষয়ে তেনে ধৰণৰ কোনো ব্যৱস্থা নাই। প্ৰ-পত্ৰত থকা ধৰণে সকলো পাৰ্টিকুলাৰ ছোৱা হয় আৰু প্ৰ-পত্ৰত থকা ডিক্লাৰেচনৰ ভিত্তিতে অনুজ্ঞা পত্ৰ দিয়া হয়। ডিক্লাৰেচনৰ পৰীক্ষা কৰাৰ কোনো ব্যৱস্থা নাই। সেইটো কৰা হব।

* ***শ্ৰীনগেন শৰ্মা*** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰিস্কা চালক সকল অসমীয়া নে অনা অসমীয়া আৰু ভাৰতীয় নে অভাৰতীয়?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ(পৌৰপ্ৰশাসন মন্ত্ৰী)*** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোক অসমীয়া বুলি কোনো ধৰণৰ কথা নাই। ৰিস্কা চালক সকলৰ ভিতৰত বিহাৰী, বেঙ্গলী আদি বহুতো মানুহ আছে।

* ***শ্ৰীনগেন শৰ্মা*** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত যি ২০ হাজাৰ ৰিস্কা চালকক অনুজ্ঞা পত্ৰ দিয়া হৈছে তাৰ ভিতৰত ১৮ হাজাৰে বিদেশী নাগৰিক হব। ইয়াৰ ইমান লোকক অনুজ্ঞাপত্ৰ দিয়া হোৱা নাছিল। যোৱা ২ বছৰত ২০ হাজাৰ লোকক ৰিস্কা চালকৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে। ইয়াৰ ১৮ হাজাৰ বিদেশী নাগৰিক হব। মহানগৰীৰ মাজ মজিয়াত পৌৰ নিগমে ইয়াত সহায় কৰিছে। এই ক্ষেত্ৰত আমি প্ৰত্যাহ্বান জনাইছো। ৰিস্কা চালক সকলক সুধিলে ২০ হাজাৰৰ ভিতৰত ১৮ হাজাৰে তেওঁলোক বৰপেটাৰ ওচৰৰ বুলি কয়। গতিকে তেওঁলোক বিদেশী নাগৰিক। এই ২০ হাজাৰ ৰিস্কা পঞ্জীভূক্ত ৰিস্কা চালকৰ অনুজ্ঞাপত্ৰ সম্পৰ্কে তদন্ত কৰিব নে নকৰে? যদি তেওঁলোকৰ নাগৰিকত্বৰ প্ৰমাণ পত্ৰ নাই সেই বিলাক বাতিল কৰা হব নে নহয়?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ*** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ১৮ হাজাৰ বিদেশী নাগৰিকৰ কথা কৈছে। বিদেশী নাগৰিক চিনাক্তকৰণৰ বিষয়ে কি ব্যৱস্থা আছে সেই বিষয়ে মাননীয় সদস্য জনে মোতকৈ বেছি ভালকৈ জানে। বৰপেটাত থাকিলে কাৰণে কি বৰপেটাৰ সকলো মানুহে বিদেশী নাগৰিক নেকি? তেখেতে এই ক্ষেত্ৰত চেলেঞ্জ কৰিছে। তেখেতে বিধিগত ভাৱে, আইন গত ভাৱে চেলেঞ্জ কৰক। তেখেতে মোতকৈ সেই প্ৰক্ৰিয়াৰ বিষয়ে বেছি ভালকৈ জানে।

* ***শ্ৰীচন্দন কুমাৰ চক্ৰৱৰ্তী*** ঃ মাননীয় সদস্য গৰাকীয়ে কৈছে যে ৰিস্কা চালক সকলৰ ১৮ হাজাৰে বিদেশী। তেখেতে এটা কথা কৈছে যে ৰিস্কা চালক সকলৰ বেছি ভাগেই বৰপেটাৰ। মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোক বৰপেটাৰ হ'লে কি বিদেশী নাগৰিক হব নেকি?

* ***শ্ৰীবদন বৰুৱা*** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিসকল ৰিস্কা চালকক লাইচেন্স দিয়া হৈছে সেইবিলাক ৰিনিউ কৰা হৈছে নে নাই সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী)*** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ হাতত তথ্য নাই। তেখেতে যদি জানিব বিচাৰে তেন্তে মই জনাম।

---

* Speech not corrected

* ***শ্ৰীএছাহক আলী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে আমাৰ যি কেইজন মাননীয় সদস্যই কৈছে যে এই ৰিস্কা চালক আটাইকেইজন লোকেই বিদেশী। মই জনাত যি কেইজন মানুহে ইয়াত ৰিস্কা চলাবলৈ আহে সেই মানুহ খিনি নদী ভঙা মানুহ। মই বৰপেটাৰে মানুহ। গতিকে মই জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ে ৰাজহ মন্ত্ৰী জনাই এই নদী ভঙা মানুহ খিনিৰ তদন্ত কৰি মানুহ খিনি ঘৰ-বাৰী আৰু মাটি দিয়াৰ ব্যৱস্থা কৰিব নে নাই? মাননীয় সদস্যজনে বৰপেটাৰ মানুহ খিনিক বিদেশী বুলি কৈছে। বৰপেটাৰ মানুহ খিনি কি বিদেশী নেকি?

* ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় জনাবনে যে যি ৰিস্কা চালক সকলক লাইচেঞ্চ দিয়াৰ সময়ত পুলিচ ভেৰিফিকেছন কৰা হয় নে নহয়? আৰু দ্বিতীয়তে, আমি দেখিবলৈ পাইছো যে এজন ৰিস্কা চালকৰ অনুজ্ঞা পত্ৰৰ দ্বাৰা ১০/১৫ জন লোকে ৰিস্কা চলাই আছে। সেই বিষয়ে কিবা ব্যৱস্থা লৈছে নেকি?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, পুলিচ ভেৰিফিকেছন কৰা নহয়। কাৰণ যিবিলাক প্ৰ-পত্ৰ দিয়া হয় আবেদনকাৰীয়ে সেই বিলাক চহী কৰি দিয়ে। I am an Indian citizen. We can accept the declaration. কিন্তু সেই ডিক্লাৰেচনৰ পিছত প্ৰকৃততে নাতিগত ভাৱে আদালতৰ জৰিয়তে নাগৰিকত্বৰ প্ৰমান পত্ৰ দিয়াটো পৌৰ নিগমৰ কাম নহয়। দ্বিতীয়তে, এখন অনুজ্ঞা পত্ৰৰ দ্বাৰা ১০/১৫ খন ৰিস্কা চলাব নোৱাৰে। যদি কোনো লোকে বে-আইনী ভাৱে তেনে কৰিছে মই নাজানো। ব্যৱস্থা লোৱা হব।

* ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী মহোদয়ে জনাব লাগে পুলিচ ভেৰিফিকেছন কৰা হব নে নহয়?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) ঃ*** মাননীয় শৰ্ম্মা ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে ৰিস্কাচালক সকলক লাইচেঞ্চ দিয়াৰে পুলিছ ভেৰিফিকেচন কৰা হব। পুলিছ ভেৰিফিকেছন হলেই সমস্যাৰ সমাধান নহয়।

* ***শ্ৰীজয়নাথ শৰ্ম্মা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, কথা হৈছে ৰিস্কাৱালা বিলাকক সুধিলে বৰপেটাৰ বুলি কয় এইটো নোহোৱা নহয়। এই ২০ হাজাৰ ৰিস্কাচালকৰ পুলিচ ভেৰিফিকেছনৰ যোগেদি আইনৰ সুৰুঙাৰ কথা কৈছে সেইটো সামাজিক দায়বদ্ধতা বুলি ধৰিব লাগে। এই ২০ হাজাৰ ৰিস্কাচালকৰ পুলিচ ভেৰিফিকেছন কৰাৰ নিৰ্দ্দেশ দিয়ক। আপোনালোকে ভেৰিফিকেছনৰ ব্যৱস্থা কৰক। এই সকলোবোৰ ব্যৱস্থা কৰিবনে নাই?

---

* Speech not corrected

* ***শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, পুলিচ ভেৰিফিকেছন হব লাগে, এইটো ভাল পৰামৰ্শ বুলিয়েই কব লাগিব। এই ২০ হাজাৰ ৰিস্কা চালক সকলোৱেই ভাৰতীয় নাগৰিক। অসমত বসবাস কৰা সকলো ভাৰতীয় নাগৰিক। এই সকলোকে ফটো সহ আইডেন্টিকাৰ্ড দিয়াৰ ব্যৱস্থা নকৰে কিয়? এই সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিব বুলি আশা কৰিলো।

* ***শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** মই ভাৱো, এই ক্ষেত্ৰত সকলোৰে সিদ্ধান্ত লব লাগে।

* ***শ্ৰীআব্দুল জেলিল ৰাগিবী ঃ*** অধ্যক্ষ মহোদয়, গুৱাহাটীৰ ৰিস্কাৱালা, থেলাৱালাৰ পুলিচ ভেৰিফিকেছনৰ কৰাৰ যিটো আশ্বাস দিছে, এইটো ব্যৱস্থা কৰা হব। মই ভাৱো গিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে ৰিস্কা ৱালা সকলক প্ৰমান পত্ৰ দিয়াৰ ব্যৱস্থা কৰিব নে নকৰে। আমাৰ পৌৰ প্ৰশাসন মন্ত্ৰী ডাঙৰীয়াই লগতে জনাব নে? গুৱাহাটী পৌৰ নিগমৰ অন্যান্য যি সকল কৰ্ম্মচাৰী আছে তেওঁলোক বিদেশী লোক নে ভাৰতীয় নাগৰিক, এই ক্ষেত্ৰত পুলিচ ভেৰিফিকেছন হলে ভাল হয়। অকল ৰিস্কাৱালা আৰু থেলাৱালাৰ ক্ষেত্ৰত কৰিলেই নহব। সকলোৰে হব লাগিব।

* ***শ্ৰীআলাউদ্দিন সৰকাৰঃ*** মাননীয় সদস্য গৰাকীয়ে ৰিস্কাচালক সকল অসমীয়ানে অনা অসমীয়া, বিদেশী নে ভাৰতীয় মানুহ বুলি কৈছে। তদুপৰি মূলত বৰপেটাৰ ওচৰৰ বুলি কৈছে। বৰ ভাল। তেখেতে ধুবুৰীলৈকে যে যোৱা নাই এই যিটো ভাষা সেইটো অসমীয়া ওচৰা-ওচৰি, বঙালী ভাষাৰো ওচৰা-ওচৰি। অসমীয়া কলেই পিউৰ অসমীয়া সেইটো নহয়। যি সকলে ভালদৰে অসমীয়া কব নোৱাৰে তেওঁলোকৰ দুভ্যাৰ্গ। মোৰ সমষ্টি ধুবুৰীৰ পৰা তিনি কিলোমিটাৰ আঁতৰত। চৰকাৰে তেওঁলোকক পৰিচয় পত্ৰ দিয়াৰ কথা ঘোষণা কৰিছিল, পৰীক্ষা নীৰিক্ষা কৰি এই বিষয় হাতত থকা বুলিও কৈছিল। কিন্তু দুখৰ কথা মানুহ খিনিৰ জন্দিছ হৈ হালধীয়া হৈ যায়। তেখেতে কৈছে অসমত লাখ লাখ বিদেশী আছে। কোনোবা এজন মানুহে লুংগী পিন্ধিলেই থেলাৱালা, ৰিস্কাৱালা বুলি অপমান কৰা, বাৰে বাৰে বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত তেওঁলোকক কৰা অপমান বন্ধ কৰিব লাগে।

* ***শ্ৰীশশ কমল সন্দিকৈ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিব বিচাৰিছো, সেই প্ৰশ্নটো ৰিস্কা চালকৰ ক্ষেত্ৰত দেখা গৈছে বহুতো ক্ৰিমিনেল আছে। তেওঁলোকে অন্যান্য ৰাজ্যত গভাইত ক্ৰাইম কৰি ইয়ালৈ আহে পুলিচ ভেৰিফিকেছন কৰিলে সেই বিলাক মানুহ ধৰা পৰি যাব। পুলিচ ভেৰিফিকেছন কৰিলে অকল বিদেশী নাগৰিকেই

---

* Speech not corrected

নহয়, আইন শৃঙ্খলা ৰক্ষা পৰিব। তেওঁলোকে অন্যান্য ৰাজ্যত ক্ৰাইম কৰি আহি ৰিস্কা চলাবলৈ আৰম্ভ কৰে আৰু লাহে লাহে ইয়াতো ক্ৰাইম কৰিবলৈ আৰম্ভ কৰে। গতিকে মন্ত্ৰী ডাঙৰীয়াই পুলিচ ভেৰিফিকেছনৰ ব্যৱস্থা কৰিব লাগে।

* *শ্ৰীদেৱানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন মন্ত্ৰী) ঃ* শশকমল সন্দিকৈ ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো কৰা হব। তেখেতে যিটো মনোযোগ আকৰ্ষণ কৰিছে সেই বিষয়ে যথেষ্ট সময় উপযোগী হৈছে। ইয়াৰ তৎকালীন ব্যৱস্থা কৰা হব।

* *Mr. Speaker :* Now Starred Question No. 148. Honourable Member Ramendra Narayan Kalita.

## বিষয় ঃ অসম ফ্লাইং ক্লাব।

* *শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ*

১৪৮। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ফাইং ক্লাবটো গোটেই পূৰ্ব্বাঞ্চলৰ একমাত্ৰ পাইলট প্ৰশিক্ষণ প্ৰতিষ্ঠান হোৱা হেতু বৰ্ত্তমানলৈকে ইয়াৰ জৰিয়তে পূৰ্ব্বাঞ্চলৰ কিমান জন ল'ৰা ছোৱালীয়ে ভাৰতীয় বিমান বিভাগত সংস্থাপিত হৈছে?

(খ) বৰ্ত্তমানলৈ ভাৰতবৰ্ষৰ ভিতৰত কোন কোন ৰাজ্য চৰকাৰে ফ্লাইং ক্লাৱ প্ৰাদেশীকৰণ কৰিছে তাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগত নে?

(গ) অসমৰ ফ্লাইং ক্লাৱটো প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহন কৰিব নে?

(ঘ) অসমৰ ফ্লাইং ক্লাবটো R. G. Barua Pilot Institute নামেৰে পূৰ্ণাঙ্গ প্ৰতিষ্ঠান হিচাবে গঢ় দি Technical Education ৰ অধীনলৈ নিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

* *শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ) য়ে উত্তৰ দিছে ঃ*

(ক) ১৩ জন।

(খ) হয়। কেৰেলা, ৰাজস্থান, কৰ্ণাটক, বিহাৰ, পশ্চিম বন্দ্ব, উৰিষ্যা, উত্তৰ প্ৰদেশ ৰাজ্য চৰকাৰে প্ৰাদেশীকৰণ কৰিছে। ইয়াৰ উপৰিও আন্দামান নিকোবৰত চৰকাৰীকৰণ কৰা হৈছে।

(গ) বৰ্ত্তমানে এনে প্ৰস্তাৱ বিবেচনাধীন হৈ থকা নাই। উপযুক্ত প্ৰস্তাৱ আৰু পুঁজি সাপেক্ষে ভৱিষ্যত বিবেচনা কৰা হব পাৰে।

(ঘ) এনে সিদ্ধান্ত লোৱা হোৱা নাই।

* ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** চাৰ ইতিমধ্যে বহুকেইখন ঠাইত ফ্লাইং ক্লাৱ প্ৰাদেশীকৰণ কৰা হৈছে। অসমত যিটো ফ্লাইং ক্লাৱ আছে, এইটো প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে লব নোৱাৰে নেকি? যি ১৩ জন পাইলটে সুবিধা পাইছেনে উৰণত। যোৱা দুবছৰ বন্ধ হৈ আছিল। ইতিমধ্যে ৪০ জন যুৱক আৰু ৫ গৰাকী যুৱতীয়ে প্ৰশিক্ষণ লবৰ কাৰণে আবেদন কৰিছে, তেওঁলোকে প্ৰশিক্ষণ লবৰ কাৰণে আগ্ৰহেৰে বাট চাই আছে। কিন্তু এতিয়ালৈকে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হোৱা নাই। সেই কথা মন্ত্ৰী মহোদয়ে জনাব নেকি?

* ***শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী), ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ ঃ*** এই ৪৫ গৰাকী প্ৰশিক্ষণ কাৰীৰ প্ৰশিক্ষণৰ কথাটো দৃষ্টিগোচৰ হোৱা নাই, এইটো বিচাৰ কৰিম।

* ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** আমাৰ দুখন উপজান আছে এখন পুস্পক আৰু শ্বেতক। যি ৪৫ গৰাকী যুৱক যুৱতীয়ে প্ৰশিক্ষণ লব বিচাৰিছে তেওঁলোকৰ ফিজ চেন্ট্ৰেল গৰ্ভৰমেন্টে দিব। উৰণ পৰিচালনা সমিতি গঠন কৰিব লাগে। এইখিনি পৰিচালনা এতিয়ালৈকে অজ্ঞাত। এই বিষয়ে চৰকাৰে যি ধৰণৰ ব্যৱস্থা লব লাগে। সেই ধৰণে ব্যৱস্থা লোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে গোটেই বিষয়টো বিবেচনা কৰি এই বছৰৰ পৰা প্ৰাদেশীকিকৰণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লাভ কৰিব নোৱাৰে নেকি? কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে নেকি?

* ***শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ) ঃ*** এই বিষয়ে সবিশেষ দিব পৰা নাই।

* ***শ্ৰীহিতেশ্বৰ ডেকা ঃ*** অসম ফ্লাইং ক্লাৱত যিসকল প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ লয় সেইসকল প্ৰশিক্ষাৰ্থীক ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা বৃত্তি দিয়াৰ কিবা ব্যৱস্থা আছে নেকি? অসম ফ্লাইং ক্লাৱটো ব্যৱসায় ভিত্তিত চলোৱাৰ কাৰণে চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰিব নেকি? তাৰোপৰি এই প্ৰতিষ্ঠানৰ জৰিয়তে ইতিমধ্যে ১৩ গৰাকী প্ৰশিক্ষাৰ্থীক নিযুক্তি দিয়া বুলি মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে, সেয়েহে এইটো ব্যৱসায়ীক ভিত্তিত চলোৱাৰ বাবে চৰকাৰে ব্যৱস্থা লব নেকি?

* ***শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ ব্যৱসায়ীক ভিত্তিত চলোৱাৰ বাবে চিন্তা কৰা নাই। ভৱিষ্যতে চিন্তা কৰা হব।

* ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই যি কেইটা প্ৰশ্ন মাননীয় মন্ত্ৰী মহোদয়ক কৰিছিলো সেই কেইটাৰ উ ত্তৰ মই পোৱা নাই। মাননীয় মন্ত্ৰীয়ে মোৰ প্ৰশ্নত মনোযোগ দিয়া নাই। এই উৰণ সংঘটোত বহুত খেলিমেলি হৈছে। তাত অফিচাৰ, পাইলট, ইনষ্ট্ৰাক্টৰ আদি সকলো আছে। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব নিদিয়াৰ কাৰণে তাত বহুতো দূৰ্নীতি হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে এইবিলাকৰ এটা তদন্ত কৰিব নেকি? তাৰোপৰি এই উৰণ সংঘটো প্ৰদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিব

নেকি?

* **মাননীয় অধ্যক্ষ ঃ** এই বিলাক প্ৰশ্নৰ উত্তৰ আগতে দিয়া হৈছে।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিকেইটাৰ তথ্য পাইছো সেই তথ্যৰ ওপৰত ভিত্তি কৰিহে মই প্ৰশ্ন কৰিছিলো। তাৰ উত্তৰ মই পাব লাগে।

* ***Mr. Speaker*** **:** You please tell me the specific question. You are speaking so much that I cannot also follow. Tell the specific point. At least what you want, what you want to know from the Honourable Minister. Please say specifically otherwise it will be difficult.

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উৰণ সংঘত যি ব্যভিচাৰ চলিছে, যি দূৰ্নীতি চলিছে এইবিলাকৰ ক্ষেত্ৰত তদন্ত কৰি ব্যৱস্থা লব নেকি? অধ্যক্ষ মহোদয়, মই দাঙি দিয়া নাই আৰু এই বছৰৰ ভিতৰতে প্ৰদেশীকৰণ কৰাৰ ব্যৱস্থা লব নেকি? কাৰণ ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত এই উৰণ সংঘ প্ৰাদেশীকৰণ কৰা হৈছে।

* **শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ) ঃ** মাননীয় সদস্য গৰাকীয়ে ক'ৰ পৰা তথ্য পাইছে মই নাজানো। তাত যদি কিবা ব্যভিচাৰ, দূৰ্নীতি হৈছে তেন্তে মই তদন্ত কৰি ব্যৱস্থা লম। প্ৰদেশীকৰণ কৰাৰ ক্ষেত্ৰত পুঁজিৰ কথা আছে। গতিকে পুঁজি সাপেক্ষে এইটো কৰা হব।

* ***Mr. Speaker*** **:** Now Starred Question No. 149. Honourable Member Shri Suren Swargiary.

## বিষয় ঃ আদালত স্থাপন।

* ***শ্ৰীসুৰেণ স্বৰ্গীয়াৰী সুধিছে ঃ***

১৪৯। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বজালী মহকুমাৰ অধীনত এখন বিচাৰ আদালত স্থাপন কৰা হৈছে নেকি?

(খ) যদি হৈছে, বিচাৰ আদালতখনৰ শুভ উন্মোচন কেতিয়া আৰু কোন স্থানত কৰা হৈছে?

(গ) এই আদালত খনত বিচাৰ কৰ্ত্তা আৰু অন্যান্য বিষয়া কৰ্ম্মচাৰী সকলক

---

* Speech not corrected

নিযুক্তি দি কাৰ্য্য পৰিচালনা কৰা হৈছে নেকি?

(ঘ) যদি হোৱা নাই, তাৰ কাৰণ কি?

(ঙ) এই আদালত খনৰ দ্বাৰা কেতিয়াৰ পৰা কাৰ্য্য পৰিচালনা কৰা হব?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) আদালতৰ স্থান সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত লোৱাৰ পিছতহে এই বিষয়ত আগবাঢ়িব পৰা যাব।

(ঙ) এই বিষয়ত চৰকাৰে এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই।

* ***শ্ৰীসুৰেন স্বৰ্গীয়াৰী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰত কৈছে যে প্ৰশ্ন নুঠে। মন্ত্ৰী মহোদয়ৰ ওচৰত প্ৰশ্ন নুঠিব পাৰে, কিন্তু আমাৰ ৰাইজৰ মাজত প্ৰশ্ন উঠিছে। আদালতৰ স্থান সম্পৰ্কে কোনো চূড়ান্ত সিদ্ধান্ত লোৱা নাই বুলি কৈছে। কিন্তু চৰকাৰী ভাৱে এই আদালত স্থাপন কৰাৰ কাৰণে পাঠশালাত স্থান নিৰ্ণয় কৰিছিল। কিন্তু পিছত পাঠশালাৰ পৰা পাটাচাৰকুছিলৈ এই আদালত স্থানান্তৰ কৰিব লাগে বুলি টোকা এটা গ'ল। আৰু এতিয়া মন্ত্ৰী মহোদয়ে কৈছে স্থান সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত হোৱা নাই। এই সম্পৰ্কে এটা স্পেচিফিক সিদ্ধান্ত লব নেকি?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, আদালত পতাৰ চূড়ান্ত সিদ্ধান্ত আছে। কিন্তু আদালতৰ স্থানৰ সম্পৰ্কত চূড়ান্ত নোহোৱালৈকে এই বিষয়ত আগবাঢ়িব পৰা নহব।

* ***শ্ৰীসুৰেন স্বৰ্গীয়াৰী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, চূড়ান্ত সিদ্ধান্ত কিমান দিনৰ ভিতৰত লব।

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, বজালী আৰু পাটাচাৰকুছিৰ মহকুমাৰ কেন্দ্ৰস্থল য'ত হব তাতেই আদালত পতা হব। এই মহকুমাৰ কেন্দ্ৰস্থললৈ তাৰ ৰাইজৰ মাজতহে মতবিৰোধ চলি আছে। গতিকে মহকুমাৰ কেন্দ্ৰস্থলৰ স্থান সঠিক হোৱাৰ পিছতহে আদালতৰ স্থান সম্পৰ্কে সিদ্ধান্ত লোৱা হব।

* ***শ্ৰীকৃষ্ণ কান্ত লহকৰ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়ালৈকে এই চূড়ান্ত সিদ্ধান্ত লোৱা হব? আজি তিনি বছৰে হল আৰু কিমান বছৰ লাগিব?

---

* Speech not corrected

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চলৰ বাইজে যেতিয়াই মহকুমাৰ কেন্দ্ৰস্থলৰ স্থান নিৰ্ণয় কৰিব তেতিয়াই আদালতৰ স্থান সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত লোৱা হব।

* ***মাননীয় অধ্যক্ষ ঃ*** এতিয়া তৰাচিহ্নিত প্ৰশ্ন নং ১৫০।

## Re : Demand of Goalpara Municipal Employees.

***Shri Dewan Joynal Abedin asked :***

150. Will the Minister Municipal Administration be pleased to state :

(a) Whether the Government is aware that the employees of Goalpara Municipality are agitating for the fulfilment of some of their long standing demands?

(b) Whether it is a fact that the said Municipal Employees are not receiving their salaries for the last 14 months?

(c) What measures the Government is contemplating to meet the legitimate demands of the employees of Goalpara Municipality?

(d) Whether the newly elected Municipal Body has started functioning?

***Shri Debananda Konwar (Minister) replied :***

(a) & (b) The employees of Goalpara Municipality have been agitating as some of them have not been paid their salaries by the Municipal Board.

(c) It is the responsibility of the Municipal Board to pay its employees and Government have released the normal grants that are due to the employees.

(d) Not yet.

***Shri Dewan Joynal Abedin :*** Sir, Will the Honourable Min-

ister kindly answer since when the elected Municipality is not functioning and when it will function? Will he also answer what are the demands of the employees of the Goalpara Municipality?

***Shri Debananda Konwar (Minister, M. A. D.) :*** Municipal Board of Goalpara is being formed shortly. As regards the demands of the employees of the Municipal Board, Sir, as you know, they have many demands including the question of provincialisation of their services and the Municipal Board has not been able to pay the salaries to the Municipal employees regularly.

***Shri Dewan Joynal Abedin :*** Sir, Will the Minister answer what measures have the Government taken so far to meet the demands of the employees that means their major demands to clear their payments and will he also answer whether it is a fact that Goalpara Municipal Board has not yet been formed as majority of the members are non-Congress (I)?

***Shri Debananda Konwar (Minister, M. A. D.) :*** No, certainly not.

(Starred Question Nos. 151 to 160 could not be taken up for disposal as the Question Hour was over. However the said Questions deemed to have been laid on the table of the House with replies)

### বিষয় ঃ মনোনিত সভাপতি।

* *শ্ৰীচন্দন কুমাৰ চক্ৰৱৰ্তীয়ে সুধিছে ঃ*

১৫১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন টাউন কমিটিত চৰকাৰৰ দ্বাৰা মনোনীত ব্যক্তি সভাপতি (চেয়াৰমেন) হৈ আছে?

(খ) বাকী থকা টাউন কমিটিৰ নিৰ্ব্বাচন কেতিয়া অনুষ্ঠিত হ'ব?

* *শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) অসমৰ মাত্ৰ এখন টাউন কমিটিত চৰকাৰৰ দ্বাৰা মনোনীত ব্যক্তি সভাপতি হৈ আছে।

(খ) বিধিমতে প্ৰতি বছৰে জানুৱাৰী মাহত ভোটাৰ তালিকা সংশোধন কৰিব লাগে। এই সংশোধনৰ কাম সম্পূৰ্ণ হলেই বাকী থকা টাউন কমিটি সমূহৰ নিৰ্ব্বাচন পাতিব পৰা যাব।

## বিষয় ঃ বাসুগাওঁ Police Station ৰ অন্তৰ্গত পঞ্চায়ত।

* *শ্ৰীফনীভূষণ চৌধুৰীয়ে সুধিছে ঃ*

১৫২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ মহকুমাৰ বিদ্যাপুৰ, চিকিবিকি, বামুনিটিলা, তিলকগাওঁ আদি গাওঁ পঞ্চায়ত সমূহ কোকৰাঝাৰ জিলাৰ বাসুগাওঁ Police Station ৰ অন্তৰ্গত হৈ থকাটো সচাঁ নে?

(খ) যদি সচাঁ হয়, উক্ত গাওঁ পঞ্চায়ত সমূহ বঙাইগাওঁ মহকুমাৰ যিকোনো পুলিচ ষ্টেচনৰ অন্তভূক্ত কৰাৰ ব্যৱস্থা কৰিব নেকি?

* *শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) হয়, সচাঁ।

(খ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

## বিষয় ঃ পৌৰ সভাৰ কৰ্ম্মচাৰীৰ সা-সুবিধা।

* *শ্ৰীমুনীন মহন্তই সুধিছে ঃ*

১৫৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৌৰ সভা আৰু নগৰ সমিতি সমূহত কাম কৰি থকা কৰ্ম্মচাৰী সকলৰ সা-সুবিধা আৰু দৰমহা ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ লগত একে নেকি?

(খ) যদি নহয়, একে অৱস্থালৈ নিয়া সম্পৰ্কে চিন্তা কৰিবনে?

(গ) নগৰ সমিতি আৰু পৌৰ সভাৰ কৰ্ম্মচাৰী সকলৰ চাকৰী চৰকাৰীকৰণ সম্পৰ্কে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিবনে?

✳ *শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) পৌৰ সভা আৰু নগৰ সমিতি সমূহে তেওঁলোকৰ কৰ্ম্মচাৰী সকলৰ ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ নিৰিখত দৰমহা আৰু বানচ দিয়ে। অন্যান্য সা-সুবিধা সমূহ একেদৰে নিদিয়ে, অৰ্থাৎ দৰমহা একে কিন্তু সা-সুবিধা একে নহয়।

(খ) এই বিষয়ে পৌৰ সভা আৰু নগৰ সমিতি সমূহে চিন্তা কৰিব লাগে।

(গ) পৌৰ সভা আৰু নগৰ সমিতি সমূহৰ কৰ্ম্মচাৰী সকলৰ চাকৰী চৰকাৰীকৰণ সম্পৰ্কীয় বিষয়টোৰ বিভিন্ন দিশ পৰীক্ষা কৰি থকা হৈছে।

## বিষয় ঃ গহপুৰত ফায়াৰ ব্ৰিগেড কাৰ্য্যালয় স্থাপন।

✳ *শ্ৰীকোশেশ্বৰ বৰুৱাই সুধিছে ঃ*

১৫৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গহপুৰত এটা ফায়াৰ ব্ৰিগেড খোলাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

(খ) যদি লোৱা নাই, অতি সোনকালে লোৱাৰ ব্যৱস্থা কৰিব নে?

✳ *শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) বৰ্ত্তমান গহপুৰত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ এটা খোলাৰ বাবে কোনো আঁচনি চৰকাৰৰ হাতত নাই।

(খ) চৰকাৰৰ আৰ্থিক অৱস্থা সুচল হলে এই সম্পৰ্কে বিবেচনা কৰি চোৱা হব।

## বিষয় ঃ গোৱালপাৰা পৌৰ সভা আৰু লক্ষীপুৰ কমিটি।

✳ *শ্ৰীনজমূল হকে সুধিছে ঃ*

১৫৫। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ গোৱালপাৰা পৌৰ সভাৰ আৰু লক্ষীপুৰ টাউন কমিটিৰ নিৰ্বাচন কেতিয়া অনুষ্ঠিত হৈছিল আৰু উক্ত পৌৰ সভা আৰু টাউন কমিটি আজিলৈকে গঠন নোহোৱাৰ কাৰণ কি?

(খ) লক্ষীপুৰ টাউন কমিটিত চৰকাৰে মনোনীত কৰা সদস্যৰ নাম কি আৰু এওঁলোকৰ মাজত অনুসূচিত জাতিৰ সদস্যৰ নাম আছেনে?

* ***শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) গোৱালপাৰা জিলাৰ গোৱালপাৰা পৌৰ সভা আৰু লক্ষীপুৰ টাউন কমিটিৰ নিৰ্বাচন যথাক্ৰমে ১৫/৬/৯২ আৰু ১৪/৬/৯২ তাৰিখে অনুষ্ঠিত হৈছিল। কিছুমান বিধিগত অসুবিধা সৃষ্টি হোৱাত উক্ত পৌৰ সভা আৰু টাউন কমিটি গঠন কৰিব পৰা নাই উক্ত পৌৰ সভা আৰু টাউন কমিটি দুখন অনতি পলমে গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ) লক্ষীপুৰ টাউন কমিটিৰ চৰকাৰে মনোনীত কৰা সদস্য দুজন হ'ল - (১)শ্ৰীঅৰুন কুমাৰ চৌধুৰী আৰু (২) শ্ৰীবচিৰুদ্দিন আহমেদ।

এওঁলোকৰ এজনো অনুসূচিত জাতিৰ পৰা নহয়, কাৰণ নিৰ্বাচিত সদস্যৰ ভিতৰত অনুসূচিত লোক আছে।

## বিষয় ঃ ভূমি সংৰক্ষণ বিভাগৰ পকী বান্ধ ধ্বংস।

***শ্ৰীমিলন বড়োই সুধিছে ঃ***

১৫৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভবানীপুৰ সমষ্টিৰ বিজনী মৌজাৰ পকালাগি, বতিয়ামাৰী, উল্টাখুণ্ডাক (Gully Erosion) নিয়ন্ত্ৰণ কৰাৰ বাবে অসম ৰাজ্যিক ভূমি সংৰক্ষণ বিভাগৰ জালাহ সংমণ্ডলৰ দ্বাৰা ১৯৮৯ ইং চনত নিৰ্মাণ কৰা পকী বান্ধটো (Concrete Drop) ১৯৯২ ইং চনত বাৰিষা ধ্বংস হোৱাটো চৰকাৰে জানেনে ?

(খ) যিহেতু এই পকী বান্ধটো (Concrete Drop) ভঙাৰ ফলত বাঘমাৰা পাম, ৰিহাবাৰী পাম, পকালাগি, বতিয়ামাৰী আৰু হাঁহচৰা আদি গাৱৰ জনজাতিও ধৰ্মীয় সংখ্যালঘু খেতিয়কৰ শ শ বিঘা মাটি উক্ত উল্টাখুণ্ডাৰ খহনীয়াত জাহ গৈছে। তাৰে লক্ষ্য ৰাখি ইয়াক অহা বাৰিষাৰ আগতে পুণৰ নিৰ্মাণ কৰিবনে ?

(গ) আৰু ক্ষতিগ্ৰস্থ খেতিয়ক সকলক আৰ্থিক সাহাৰ্য্যৰ ব্যৱস্থা তৎকালীন ভাৱে কৰিবনে ?

* ***শ্ৰী ৰচিদুল হকে (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) হয়।

(খ) এই পকী বান্ধটো মেৰামতি কৰিব পৰা অৱস্থাত নাই। নতুন বান্ধ নিৰ্মাণ কৰাৰ বাবে চিন্তা কৰি থকা হৈছে। কিন্তু চলিত বছৰত পূঁজিৰ নাটনি হোৱাৰ বাবে নতুন বান্ধ

তৈয়াৰ কৰাৰ সম্ভাৱনা নাই। উপযুক্ত বিভাগীয় অনুদান পালে কামটো হাতত লোৱা হব।

(গ) এই বিভাগৰ এনেকুৱা কোনো ব্যৱস্থা নাই।

## বিষয় ঃ খেলাধুলাৰ সামগ্ৰী বিতৰণ।

* *শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ*

১৫৭। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰত খেলৰ সামগ্ৰী কিনোতে মুঠ কিমান টকা খৰচ হয় ?

(খ) উক্ত খেলৰ সামগ্ৰীবোৰ কাক আৰু কিদৰে বিতৰণ কৰা হয়। (খেলৰ সামগ্ৰী যিসকল ব্যক্তি, ক্লাব আৰু সন্থাক দিয়া হয় তেঁলোকৰ নাম সহ তথ্য সদনৰ মেজত দাখিল কৰিব।)

* *শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) মুঠ ৩১,০৯,৮২৫.০০ টকা।

(খ) ৰাজ্যৰ বিভিন্ন সন্থা, সংঘ, অনুষ্ঠান, প্ৰতিষ্ঠান আদিক নানা খেলৰ সামগ্ৰী ক্ৰীড়া বিষয়া ও বিধায়ক তথা মন্ত্ৰী সকলৰ জৰিয়তে বিতৰণ কৰা হয়। খেলৰ সামগ্ৰী বিতৰণৰ এখন তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See the Annexure - I)

## বিষয় ঃ শিলচৰ মিউনিসিপাল ইলেকচন।

* *শ্ৰীপৰিমল শুক্ল বৈদ্যই জিজ্ঞাসা কৰছেন ঃ*

১৫৮। মাননীয় পৌৰ প্ৰশাসন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) শিলচর মিউনিসিপাল ইলেকচন পিছিয়ে দেওয়ার কারণ কি ?

(খ) বৰ্ত্তমান সরকার উক্ত স্থানে ইলেকচন করার সিদ্ধান্ত নিয়েছেন কি ?

(গ) যদি নিয়ে থাকেন, তবে কবে ?

* *শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগের মন্ত্ৰী) য়ে উত্তর দিবেন ঃ*

(ক) শিলচরের তৎকালীন অস্বাভাবিক পরিস্থিতির জন্য আইন শৃঙ্খলা ভংগ হইবার আশাংকায় নির্বাচন পিছইয়া দেওয়া হইয়াছে।

(খ) এবং (গ) ভোটাৰ তালিকাৰ সম্পূৰ্ণ সংশোধন সম্পন্ন হইলে এবং অন্যান্য অসুবিধা দুর হইলেই শিলচৰে নিৰ্বাচন অনুষ্ঠিত হইবে।

## বিষয় ঃ বাবি মাৰ্কেট বিল্ডিং।

* *শ্ৰীবদন চন্দ্ৰ বৰুৱাই সুধিছে ঃ*

১৫৯। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দিশপুৰ গনেশগুৰি চাৰিআলিত অৱস্থিত হস্ততাঁত বিভাগৰ সঞ্চালক আৰু ৰেচন বিভাগৰ সঞ্চালকৰ কাৰ্য্যালয়, ষ্টেটফেডৰ বিক্ৰীকেন্দ্ৰ আৰু অন্যান্য কাৰ্যালয় আৰু দোকান থকা 'বাবি মাৰ্কেট বিল্ডিং' নামৰ সাত মহলীয়া ঘৰটোৰ কেইমহলালৈ গুৱাহাটী পৌৰ নিগমৰ "ঘৰবন্ধা" অনুমতি আছে?

(খ) (ক)ত উল্লেখিত ঘৰটোৰ, ভূমি, ১ম, ২য়, ৩য় আৰু ৪ৰ্থ মহলাৰ ক্ৰমে মজিয়া কালি কিমান? (চৰকাৰৰ ওচৰত অনুমতিৰ বাবে আবেদন কৰা তথ্যৰ ভিত্তিত)

(গ) ঘৰটোৰ কেইটা হোল্ডিং আছে আৰু হোল্ডিং নম্বৰ কি কি?

(ঘ) 'গ'ত উত্তৰ দিবলগীয়া হোল্ডিংবোৰ কোন কোন লোকৰ নামত আছে?

* **শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ঘৰটোৰ কেৱল ভূমি মহলা (Ground Floor) নিৰ্মাণৰ অনুমতিহে আছে।

(খ) অনুমোদিত নস্কা অনুসৰি ঘৰটোৰ ভূমি মহলা (Ground Floor) ৰ মজিয়া কালি ৩ হাজাৰ ৪৯ বৰ্গফূট। ১ম মহলাৰ পৰা ৪ৰ্থ মহলালৈ (1st Floor to 4th Floor) নস্কা অনুমোদনৰ বাবে আবেদন কৰা মতে মজিয়া কালি এনেধৰণৰ -

১ম মহলা ৩ হাজাৰ ১শ ৬১ বৰ্গফূট।

২য় মহলা ৩ হাজাৰ ১শ ৬১ বৰ্গফূট।

৩য় মহলা ৩ হাজাৰ ১শ ৬১ বৰ্গফূট।

৪ৰ্থ মহলা ৩ হাজাৰ ১শ ৬১ বৰ্গফূট।

উক্ত ৪ মহলাৰ নস্কা অনুমোদন হোৱা নাই।

(গ) ঘৰটোৰ মুঠতে ৬ টা হোল্ডিং আছে। হোল্ডিং নম্বৰ সমূহ হ'ল - ৫শ ১২, ৫শ

১৩, ৬শ ২৮, ৩শ ৪, ৮শ ৩১ আৰু ৮ শ ২৮।

(ঘ) (গ)ত উল্লেখ কৰা প্ৰতিটো হোল্ডিং নম্বৰৰ বিপৰীতে দেখুওৱা লোক সকল হ'ল -

৫১২ - মিচ চাইৰাবানু বেগম।

৫১৩ - মিচ আবিদা বেগম।

৬২৮ - বাহাৰ আলি।

৩০৪ - বাহাৰ আলি।

৮৩১ - বখ্‌টিয়াৰ আলি আহমেদ।

৮২৮ - আফ্‌টাৰ আলি আহমেদ।

## Re : Assam Police.

***Shri Parameswar Brahma asked :***

160. Will the Chief Minister be pleased to state :

(a) The total strength of the Assam Police? (Detail Category wise may be furnished on the table of the House).

(b) What steps have been taken up to fulfil the long-standing backlong of SC/ST in the Department?

***Shri Hiteswar Saikia (Chief Minister) replied :***

(a) Strength of the Assam Police
Gazetted - 463.
Non - Gazetted - 48,869.

(See the annexure - II)

(b) All efforts including special drives for recruitment are

being made to fill up the backlong.

Unstarred Question And Answers

## বিষয় ঃ VIP সকলৰ লগত থকা দেহৰক্ষীৰ সংখ্যা।

*শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ*

৩২৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মন্ত্ৰী বিধায়ক ও অন্যান্য VIP সকলৰ দেহৰক্ষী সকললৈ প্ৰয়োজনীয় পোচাক পৰিচ্চদ আৰু ভ্ৰমণ বানচ দিয়া হয়নে?

(খ) যদি হোৱা নাই তাৰ কাৰণ কি?

(গ) ১৪/১২/৯২ তাৰিখত তৰাবিহীন প্ৰশ্ন নং ৬৫ ৰ উত্তৰত 'সম্পূৰ্ণ ভ্ৰমণ বানচ খিনি আদায় দিয়াৰ ব্যৱস্থা কৰা হব বুলি দিয়া আশ্বাস মতে ব্যৱস্থা লবনে?

(ঘ) যদি লয়, কেতিয়ালৈকে উক্ত দেহৰক্ষী সকলৰ পাব লগা সম্পূৰ্ণ ভ্ৰমণ বানচ আদায় দিয়া হব।

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) হয়।

(খ) প্ৰশ্ন নুঠে।

(গ) পুঁজিৰ প্ৰাপ্যতা (availability) সাপেক্ষে আদায় দিয়া হব।

(ঘ) 'গ' ত কোৱা মতে।

## বিষয় ঃ ১৯৯১ চনৰ জুলাই মাহৰ পৰা চুৰি আৰু ডকাইতি।

*শ্ৰীপ্ৰমোদ গগৈয়ে সুধিছে ঃ*

৩২৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীত ১৯৯১ চনৰ জুলাই মাহৰ পৰা এতিয়ালৈকে কিমান চুৰি আৰু ডকাইতি হৈছে?

(খ) এনে সমাজ বিৰোধী কাম নিবাৰণৰ বাবে চৰকাৰে কেনে আঁচনি গ্ৰহণ কৰিছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰীত ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ভাৰতীয় দণ্ডবিধিৰ ৩৯৫, ৩৯৬, ৩৯৭ ধাৰাৰ অধীনত ৮৬ টা ডকাইতি ৩৯২, ৩৯৪ ধাৰাৰ অধীনত ১৩৫ টা ডকাইতি আৰু একে দণ্ডবিধিৰ ৩৭৯, ৩৮০, ৩৮১,

৪৫৭/৩৮০, ৪৬৮/৩৮০ ধাৰাত ২৫৩৪ চুবিৰ গোচৰ আৰক্ষীয়ে পঞ্জীভূক্ত আৰু ৰুজু কৰিছে।

(খ) এনে অপৰাধ নিবাৰণৰ বাবে মহানগৰ আৰক্ষীয়ে মহানগৰৰ বিভিন্ন পথ-উপপথত ভ্ৰাম্যমান পহৰাদাৰীৰ দল নিযুক্ত কৰি চোকা পহৰাৰ ব্যৱস্থা কৰাৰ উপৰিও অপৰাধী আৰু অপৰাধীৰ আশ্ৰয়স্থলৰ ওপৰত সতৰ্ক নিৰীক্ষণৰ ব্যৱস্থা কৰিছে। পূৰ্বতে গ্ৰেপ্তাৰ হোৱা দাগী আচামীৰ ওপৰতো আনবৰত চকু ৰখা হৈছে। জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবেও বিভিন্ন প্ৰচাৰ মাধ্যম তথা আলোচনাৰ মাজেৰে চেষ্টা অব্যহত ৰখা হৈছে। বাছ-আস্থান, ৰেল-ষ্টেচন, বজাৰ-হাট, জনবহুল ঠাইত সততে নিৰীক্ষণ কৰা হৈছে।

## বিষয় ঃ ধুবুৰীত সাম্প্ৰদায়িক সংঘৰ্ষ।

*শ্ৰীপানীৰাম ৰভাই সুধিছে ঃ*

৩২৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ আদাবাৰী, চাগলচৰা, আমেৰভিঠা গাওঁৰ শান্তিৰাম নাথ, জলেশ্বৰ নাথ, কমলেশ্বৰ নাথ, দুলাল নাথ, নাগৰ নাথ, ধৰ্ম্মকান্ত পাঠক, অমল্য পাঠক ভবেন্দ্ৰ নাথ, অৰ্জুন চন্দ্ৰ নাথ, ৰঞ্জিত চন্দ্ৰ নাথ, খনীন চন্দ্ৰ নাথ, অতুল চন্দ্ৰ নাথ, মুকুল চন্দ্ৰ নাথ, মনু চন্দ্ৰ নাথ, ধিক চন্দ্ৰ নাথ, মাধৱ চন্দ্ৰ নাথ আদি ব্যক্তি সকল ৮/১২/৯২ ইং তাৰিখৰ সম্প্ৰদায়িক সংঘৰ্ষৰ পাছত ঘৰবাৰি এৰি পলাই যাব লগা হোৱাটোৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অবগত বৰ্ত্তমানে উক্ত লোক সকল কত আছে আৰু চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে?

*শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰদিছে ঃ*

(ক) হয়।

(খ) উক্ত লোকসকল ধুবুৰী চহৰত তেওঁলোকৰ নিজৰ আত্মীয়ৰ ঘৰত আৰু কিছুমান লোক ভাড়াঘৰত বসবাস কৰি আছে। চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ নিৰাপত্তাৰ ব্যৱস্থা কৰি তেওঁলোকক নিজ নিজ ঘৰলৈ ঘুৰি যাবলৈ কোৱা হৈছে। কিন্তু তেওঁলোকে নিজ নিজ ঘৰলৈ উভতি যাবলৈ মান্তি হোৱা নাই।

## বিষয় ঃ মন্ত্ৰীৰ হেলিকেপ্তাৰ ব্যৱহাৰ।

*শ্ৰীদিলীপ কুমাৰশইকীয়াই সুধিছে ঃ*

৩২৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পাছত মুখ্য মন্ত্ৰীকে আদি কৰি কোন কোন মন্ত্ৰীয়ে কিমান বাৰ হেলিকাপ্তাৰ ব্যৱহাৰ কৰিছে?

(খ) হেলিকাপ্তাৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰৰ নিৰ্দ্দেশাৱলী কিবা আছে নেকি?

(গ) হেলিকাপ্তাৰ ব্যৱহাৰ কৰাৰ বাবদ অসম চৰকাৰে ভাৰতীয় বায়ু সেনা বাহিনীক কিমান টকা দিব আছে?

(ঘ) প্ৰতি ঘন্টাত হেলিকাপ্তাৰ ব্যৱহাৰৰ বাবদ কিমান টকা পৰিশোধ কৰিব লাগে?

*শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰদিছেঃ*

(ক) ১৯৯৩ চনৰ পৰা বৰ্ত্তমানলৈকে মুঠ ৬৯ বাৰ।

(খ) ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ নিৰ্দ্দেশাবলী বৰ্ত্তমানে বলবত আছে।

(গ) ১৯৬১ চনৰ পৰা বৰ্ত্তমানলৈকে সৰ্ব্বমুঠ ১.০৫ কোটি টকা ভাৰত চৰকাৰৰ বায়ুসেনা বিভাগক দিব লগা আছে। (১৯৬১ চনৰ পৰা ১৯৭৬ চনলৈকে বকেয়া সমেত)।

(ঘ) বৰ্ত্তমানে প্ৰতি (ভাড়া) ঘন্টাৰ বাবদ চেকেণ্ডৰ বাবে ১৮,৮৯৬.০০ টকা আৰু এম, আই (৮) ৰ বাবে ৩২,১৯০.০০ টকা পৰিশোধ কৰিব লাগে।

## বিষয়ঃ চেলেংহাট অঞ্চলৰ নতুন আউটপোষ্ট স্থাপন।

*শ্ৰীমতী ৰূপম কুৰ্ম্মীয়ে সুধিছে ঃ*

৩২৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগা পাহাৰৰ সীমান্ত বৰ্ত্তী অঞ্চল মৰিয়ণি সমষ্টিৰ ন-কাছাৰিৰ আৰক্ষী চকীটো স্বয়ং সম্পূৰ্ণ আৰক্ষী থানালৈ ৰূপান্তৰিত কৰি চেলেংহাট অঞ্চলত এটি নতুন আউটপোষ্ট পতাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিবনে?

*শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰদিছে ঃ*

(ক) বৰ্ত্তমান তেনে কোনো ব্যৱস্থা গ্ৰহন কৰা হোৱা নাই।

## বিষয়ঃ যান বাহন নিয়ন্ত্ৰণ শাখা।

*শ্ৰীনগেন শৰ্মাই সুধিছে ঃ*

৩২৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আৰক্ষী বিভাগত যান বাহন নিয়ন্ত্ৰণ কৰা এটা শাখা আছে নেকি?

(খ) যদি আছে গুৱাহাটী মহানগৰীত এই শাখাটোৱে যান বাহন নিয়ন্ত্ৰণ কৰাৰ

ক্ষেত্ৰত নিয়ম অনুসাৰে কাম কৰি আছেনে? এই বিষয়ে চৰকাৰ অৱগতনে?

(গ) গুৱাহাটী মহানগৰীৰ মহাত্মা গান্ধী ৰোড, জি. এচ. ৰোড আৰু দীনেশ গোস্বামী ৰোডত পথৰ দুয়োফালে গাড়ী ৰাখি থোৱাটো বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(ঘ) জি. এচ. ৰোড, এ. টি. ৰোড, দীনেশ গোস্বামী ৰোডত যন্ত্ৰ চালিত যান বাহন চলাচলৰ সুবিধাৰ্থে ৰিস্কা, থেলা, ঘোঁৰা গাড়ী আদি চলোৱাতো বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) হয়, আছে।

(খ) হয়, নিয়ম অনুসাৰে কাম কৰি আছে।

(গ) গুৱাহাটী মহানগৰীৰ মহাত্মা গান্ধী ৰোড, জি. এচ. ৰোড আৰু দীনেশ গোস্বামী পথত দুয়োফালৰ পৰা যান বাহন চলাচল কৰাৰ বাবে পথৰ দুয়োফালে যান বাহন ৰখাটো বন্ধ কৰিব পৰা নাই যদিও ঠাই বিশেষে পাৰ্কিঙৰ ব্যৱস্থা কৰি এফালেহে যান বাহন ৰখাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) জি. এচ. ৰোড, এ. টি. ৰোড, দীনেশ গোস্বামী পথত দিনটোৰ ব্যস্ত সময়ৰ ১০ ঘন্টাৰ বাবে থেলা, ঘোঁৰা গাড়ী আদি নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ গৌৰান্দ্বপুল।

***শ্ৰীধ্ৰুৱ কুমাৰ সেন জিজ্ঞাসা কৰিছেন ঃ***

৩২৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) কাৰ্য্যবাহী অভিযন্তা অভয়াপুর বিভাগের (Executive Engineer P. W. D. National Highway Division). অধীনে ৩১ নং পথে যে গৌরান্দ্বপুল আছে তাহা গত ২২/১১/৯২ ইং তারিখে দুস্কৃতি কারীর দ্বারা ধ্বংস প্রাপ্তর সময় গৌরান্দ্বপুলে কোন নিরাপত্তার (Security) ব্যৱস্থা ছিলে কি?

(খ) যদি নিরাপত্তার (Security) র ব্যৱস্থা ছিলে তবে নিরাপত্তা রক্ষী বাহিনীর কি ভূমিকা ছিলে?

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) হয়।

(খ) কৰ্ত্তব্যৰত হাবিলদাৰ আৰু গৃহৰক্ষী লোক সকল ৩০/৪০ জন বড়ো উগ্ৰপন্থীৰ

আকস্মিক আক্রমণ আৰু গুলি চালনাত আহত হোৱাত উগ্রপন্থীয়ে দলংৰ তলত বোমা স্থাপন কৰি বিস্ফোৰণ ঘটাইছিল।

## বিষয় ঃ মন্ত্রী আৰু বিধায়কৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ হিচাব সম্পর্কে।

* *শ্রীনজমূল হকে সুধিছে ঃ*

৩৩০। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রতিজন মন্ত্রী আৰু বিধায়কৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ হিচাব ৰাজহুৱা ভাৱে ঘোষণা কৰাৰ ব্যৱস্থা চৰকাৰে গ্রহণ কৰিবনে?

(খ) মন্ত্রী বিধায়ক সকলে যিকোনো ধৰণৰ সম্পত্তি ক্রয় কৰাৰ বাবে চৰকাৰৰ পৰা আগতীয়া অনুমতি লোৱাৰ ব্যৱস্থা কৰা হবনে?

* *শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে ঃ*

(ক) মন্ত্রী আৰু বিধায়কৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ হিচাব আন বিষয়া কর্ম্মচাৰীৰ দৰে ব্যক্তিগত সম্পত্তি। এই হিচাব সমূহ গোপনীয় কৈ ৰখা হয়। গতিকে ইয়াক ৰাজহুৱা ভাৱে ঘোষণা কৰাৰ প্রশ্ন নুঠে।

(খ) এই বিষয়টো এতিয়াও বিবেচনা কৰা হোৱা নাই।

## বিষয় ঃ বিজনী মহকুমাৰ মাটি অধিগ্রহণ।

* *শ্রীভূপেন ৰায়ে সুধিছে ঃ*

৩৩১। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিজনী মহকুমাৰ সদৰ কার্য্যালয়ৰ বাবে মাটি অধিগ্রহণ কৰা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে সদৰ কার্য্যালয়ৰ (S. D. O. Office) নির্ম্মাণৰ ব্যৱস্থা চলিত বিত্তীয় বছৰত লবনে?

(গ) উক্ত সদৰ কার্য্যলয়ৰ বাবে টকা মঞ্জুৰী দিয়াৰ ব্যৱস্থা লৈছেনে?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) কোনো মাটি অধিগ্ৰহণ কৰা হোৱা নাই, কিন্তু বিজনী নগৰৰ ১০৩১ নং দাগৰ ৩২ বিঘা ১ কঠা ৯ লেচা গ্ৰাম্য চৰনীয়া সংৰক্ষিত (ভি. জি. আৰ.) মাটি আৱন্টনৰ ব্যৱস্থা লোৱা হৈ আছে।

(খ) বিজনী মহকুমাৰ সদৰ কাৰ্য্যালয় নিৰ্ম্মাণৰ চলিত বিত্তীয় বছৰত কাম আৰম্ভ কৰাৰ উদ্দেশ্যে মুঠ ১,০১,২৮,০০০/- (এক কোটি এক লাখ আঠাইশ হাজাৰ) টকাৰ পৰিকল্পনা আৰু প্ৰাক কলনলৈ ইতিমধ্যে প্ৰশাশনীয় অনুমোদন জনোৱা হৈছে।

(গ) উক্ত কামৰ বাবে চলিত বিত্তীয় বছৰত ১৫.০০ লাখ টকাৰ বিত্তীয় মঞ্জুৰী দিয়া হৈছে।

**(Unstarred Question No. 332 was deffered)**

## Re : Diphu Greater water supply scheme.

*Shri Dipendra Rongpi asked :*

333. Will the Minister of Municipal Administration be pleased to state :

(a) When was the Diphu Greater Water supply scheme taken under the Public Health Engineering Board from Diphu Public Health Engineering Division?

(b) When was the said scheme suppose to be completed?

(c) The reason for delay in completing the scheme?

*Shri Debananda Konwar (Minister) replied :*

(a) The Greater Diphu Water supply scheme (Immediate phase) was taken over by Assam Urban Water Supply and Sewerage Board with effect from 25/11/89 from Diphu Urban Water Division under Public Health Engineering Department.

(b) The scheme was supposed to be completed by 31/3/92.

But the scheme has already been Commissioned on 13/01/91 by partial completion of the Project and since then water is supplied to the town from this scheme.

(c) The reasons of delay of 100% completion is due to various site problems. There was alignment problem at site particularly in respect of laying of the clear water gravity main from water treatment plant to the existing 9 lakh litres capacity reservoir through the heart of town. These problems have since been solved in consultation with Local P. W. D. Officials, Town Committee and private land owners to be affected while laying the pipe line. The scheme will be completed in all respects during the financial year, 1993-94.

## বিষয় ঃ আদালত, হাইকোর্টত অধিবক্তাৰ সংখ্যা।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী আৰু শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ*

৩৩৪। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন আদালত ও হাইকোৰ্টত মুঠ কিমান সংখ্যক অধিবক্তাক চৰকাৰে নিযুক্তি দিছে?

(খ) উক্ত অধিবক্তা সকলৰ বাবে ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বিত্তীয় বছৰত কিমান টকা চৰকাৰে আদায় দিলে আৰু কিমান টকা অনাদায় আছে?

(গ) এই সময়ছোৱাত এডভোকেট জেনেৰেল আৰু অতিৰিক্ত এডভোকেট জেনেৰেলৰ মাননী কিমান হৈছিল?

*শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) য়ে উত্তৰদিছে ঃ*

(ক) মুঠ ২৯০ জন।

(খ) ১৯৯১-৯২ বিত্তীয় বছৰত মুঠ ৪০,১৪,৫২৬ টকা আৰু ১৯৯২-৯৩ চনত মুঠ ৪০,৭৪,৭৯৭ টকা আদায় দিয়া হৈছে। এতিয়ালৈকে মুঠ ২৭,২৬,৪৮৮ টকাৰ বিল অনাদায় হৈ আছে।

(গ) এই সময়ছোৱাত এডভোকেট জেনেৰেলৰ (১৯৯২ চনৰ মে মাহৰ পৰা ইং ১৮/১/৯৩ তাৰিখ পৰ্য্যন্ত সময়ছোৱা বাদে) মুঠ ৩,৬০,৫৩৩ টকা মাননী হৈছিল আৰু অতিৰিক্ত এডভোকেট জেনেৰেলৰ ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বিত্তীয় বছৰত মুঠ ৮,৪৫,০০৬ টকা মাননী হৈছিল।

## বিষয় ঃ প্ৰেমানন্দ শইকীয়াৰ পৰিয়াললৈ বিশেষ পেঞ্চন।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ*

৩৩৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ দতমা আৰক্ষী চকীৰ উপ-পৰিদৰ্শক প্ৰেমানন্দ শইকীয়া কৰ্ত্তব্যৰত অৱস্থাত ১/৭/৮৯ তাৰিখে সন্ত্ৰাসবাদীৰ ব'ম নিক্ষেপত মৃত্যু হোৱাত চৰকাৰে তেওঁৰ পৰিয়ালৰ বিশেষ পৰিয়াল পেঞ্চনৰ কথা ঘোষণা কৰাটো সত্যনে?

(খ) যদি সত্য, বৰ্ত্তমানেও পৰিয়ালটোৱে উক্ত পেঞ্চন নোপোৱাৰ কাৰণ কি?

(গ) স্বৰ্গীয় শইকীয়াৰ ভগ্নী শ্ৰীমতী প্ৰভা শইকীয়াক এই সন্দৰ্ভত এটা চৰকাৰী চাকৰি দিবৰ বাবে দিয়া নিৰ্দ্দেশ আজিও কাৰ্য্যকৰী নোহোৱাৰ কাৰণ কি?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) সত্য নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) বিবেচনাধীন হৈ আছে।

## Re : Coal Reserve of Dibrugarh District.

*Shri Sasha Kamal Handique asked :*

336. Will the Minister of Mines & Minerals be pleased to state :

(a) Whether the Government is aware of the fact that there are vast reserves of coals in the Tipam Hill of Dibrugarh District?

(b) If so the steps taken by the state Government to conduct servey of the area?

*Shri Hiteswar Saikia (Chief Minister) replied :*

(a) Yes Sir, there is coal in the area. But the extent is likely to be limited.

(b) In 1991-92, Directorate of Geology & Mining, Assam had carried out a preliminary survey. There is a programme to carry out further servey in 1993-94.

**(Unstarred Question No. 337 was deferred)**

## বিষয় ঃ সাংস্কৃতিক সঞ্চালকালয়ত প্ৰতিযোগিতা।

*শ্ৰীমুনিন মহন্তই সুধিছে ঃ*

৩৩৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম সাংস্কৃতিক সঞ্চালকালয়ে ৰাজ্য খনৰ বাহিৰলৈ এটি নাট্যদল পঠাবৰ বাবে প্ৰস্তুতি চলাই ১৭ ফেব্ৰুৱাৰীত বিজ্ঞাপন দি ১৮ ফেব্ৰুৱাৰীত প্ৰ-পত্ৰ সংগ্ৰহ আৰু ১৯ ফেব্ৰুৱাৰীত প্ৰতিযোগী দল নিৰ্ব্বাচনৰ বাবে প্ৰাথমিক প্ৰতিযোগিতাৰ দিন স্থিৰ কৰাটো সঁচানে? যদি সঁচা ইমান খৰটকীয়া কৰাৰ কাৰণ কি?

(খ) এইটো সঁচানে যে ১৯ ফেব্ৰুৱাৰীত উক্ত প্ৰতিযোগিতা বন্ধ ৰখা হৈছে?

(গ) যদি সঁচা ইয়াৰ কাৰণ কি?

*শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰদিছে ঃ*

(ক) হয়, সাংস্কৃতিক সঞ্চালকালয়ৰ চিঠিৰ নং চি, এ, ই ১৫/৯৩/৯, তাং ১২ ফেব্ৰুৱাৰী' ৯৩ তাৰিখে নাট্যদল বাচনিৰ বাবে বিজ্ঞাপনটি বাতৰি কাকতত ১৪ আৰু ১৫ ফেব্ৰুৱাৰী' ৯৩ তাৰিখে প্ৰকাশ কৰাৰ কাৰণে তথ্য আৰু জনসংযোগ বিভাগলৈ যোৱা ১২ ফেব্ৰুৱাৰী' ৯৩ তাৰিখে প্ৰেৰণ কৰা হয়। উক্ত বিজ্ঞাপনটিত ১৭ ফেব্ৰুৱাৰী' ৯৩ তাৰিখে প্ৰ-পত্ৰ জমা দিয়াৰ দিন ধাৰ্য্য কৰা হৈছিল। ১৪ আৰু ১৫ ফেব্ৰুৱাৰী' ৯৩ তাৰিখে বিজ্ঞাপনটি প্ৰকাশ নোপোৱাত পুণৰ ১৬ ফেব্ৰুৱাৰী' ৯৩ তাৰিখে সাংস্কৃতিক সঞ্চালকালয়ৰ ফালৰ পৰা তথ্য আৰু জনসংযোগ বিভাগলৈ বিজ্ঞাপন প্ৰকাশৰ কাৰণে লিখা হয়। সময় তাকৰ হোৱাৰ কাৰণে এই বিজ্ঞাপনটি প্ৰ-পত্ৰ জমা দিয়াৰ তাৰিখ ১৮ ফেব্ৰুৱাৰী' ৯৩ কৰা হয় আৰু নাট্যদল বাচনিৰ বাবে প্ৰাথমিক প্ৰতিযোগিতাৰ দিন ১৯ ফেব্ৰুৱাৰী' ৯৩ কৰা হয়।

(খ) হয়।

(গ) সাংস্কৃতিক পৰিক্ৰমা বিভাগে তেওঁলোকৰ চিঠি নং ই, চি, এ ৯৬/৯২/৫৭, ১৯/২/৯৩ তাৰিখে নাট প্ৰতিযোগিতাৰ দিন সলনি কৰা বুলি জনায় আৰু ব্যৱস্থাপকৰ লগত যোগাযোগ কৰি সুবিধা জনক দিন ধাৰ্য্য কৰি দল বাচনিৰ প্ৰাথমিক প্ৰতিযোগিতাৰ পতিবলৈ কয়। এনে কাৰণতে ১৯/২/৯৩ তাৰিখৰ প্ৰতিযোগিতা বন্ধ ৰখা হয়।

## বিষয় ঃ দত্ত তদন্ত আয়োগৰ ৰিপোৰ্ট।

*শ্ৰীমুনিন মহন্তই সুধিছে ঃ*

৩৩৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা এক জুনত লামডিংত পুলিচৰ গুলিত মৃত্যু হোৱা ঘটনা সম্পৰ্কে তদন্ত কৰিবলৈ গঠিত হোৱা দত্ত তদন্ত আয়োগে ৰিপোৰ্ট দাখিল কৰাটো সত্য নেকি?

(খ) যদি সত্য হয়, ৰিপোৰ্টত সন্নিবিষ্ট বিষয় ৰাজহুৱা ভাৱে চৰকাৰে প্ৰকাশ কৰিছে নেকি আৰু যদি কৰা নাই ইয়াৰ কাৰণ কি?

(গ) চৰাকাৰে ইয়াৰ প্ৰতিবেদন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিবনে?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) হয়।

(খ) আৰু (গ) গোপনীয়তা ৰক্ষাৰ খতিৰত প্ৰকাশ কৰিব পৰা নাযায়।

## Re : Case No. 49/92 U/S 302/326 of Morigaon.

*Shri Munin Mahanta asked :*

340. Will the Chief Minister be pleased to state :

(a) Whether the Govt. is aware of the Case No. 49/92 U/S 302/326 of Morigaon Police Station for murder of a family on 8.3.92 at the Official residence of an Assistant Engineer.

(b) If so, whether all the culprits were so far arrested?

(c) What is the present position of the case?

*Shri Hiteswar Saikia (Chief Minister) replied :*

(a) Yes.

(b) Yes, the accused person was arrested by the Police.

(c) The case is at present under trial at Morigaon Court.

## বিষয় ঃ অগ্নিকাণ্ডত ধ্বংস হোৱা শাক-পাচলি বজাৰ।

*শ্ৰীমুনীণ মহন্তই সুধিছে ঃ*

৩৪১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯/১/৯৩ তাৰিখে মৰিগাওঁ নগৰ সমিতিৰ দৈনিক বজাৰৰ শাক-পাচলি মহল অগ্নি সংযোগ হৈ ধ্বংস প্ৰাপ্ত হোৱা সম্পৰ্কে চৰকাৰ অৱগত নেকি?

(খ) বৰ্ত্তমানলৈকে এই শাক-পাচলি বজাৰখন কিমান বাৰ অগ্নি কাণ্ডৰ দ্বাৰা বিধস্ত হৈছে?

(গ) এই দোকানী সকলৰ সুবিধাৰ বাবে বজাৰ খন ওখকৈ স্থায়ী ভাৱে নিৰ্ম্মাণ কৰিবৰ বাবে আৰ্থিক অনুদান দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যদি কৰে, এই বিত্তীয় বছৰতে ব্যৱস্থা গ্ৰহন কৰিবনে?

*শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) হয়।

(খ) পাচ বছৰ।

(গ) আৰু (ঘ) ক্ষতিগ্ৰস্ত দোকানী সকলৰ পুনঃ সংস্থাপন আৰু দোকানৰ পুনঃ নিৰ্ম্মাণৰ বাবে ৰাজহ বিভাগে বিহিত ব্যৱস্থা লব।

## বিষয় ঃ গোৱালপাৰা পৌৰ সভাৰ অধীনত থকা ঘৰ ভাৰাৰ নিৰিখ।

*শ্ৰীনজমুল হ'কে সুধিছে ঃ*

৩৪২। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা পৌৰ সভাৰ অধীনত থকা পুৰণা চক বজাৰৰ দোকান ঘৰবোৰ ৪০ বছৰ আগত মাত্ৰ ৬০ টকাত মাহিলী ভাৰাত বন্দোৱস্তী দিয়া হৈছিল, সেই ভাৰাৰ নিৰিখ বৰ্ত্তমান বৃদ্ধি কৰাৰ কিবা প্ৰস্তাৱ চৰকাৰৰ আছেনে?

(খ) উক্ত চক বজাৰৰ পুৰণা বন্দোৱস্তী থকা দোকানী সকলে নিজে দোকান নকৰি নতুন দোকানীক বন্দোৱস্তী দি মাহিলী ১০০০ টকা ভাৰা আদায় কৰি থকাৰ বিষয়ে চৰকাৰে জানেনে আৰু যদি নেজানে তেন্তে তদন্ত কৰি ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহন কৰা হবনে?

*শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) প্ৰতি বছৰে নিবিদা যোগে উচ্চতম ডাকোতাৰ লগত পুৰণা চ'ক বজাৰ খন

এবছৰৰ বাবে বন্দোৱস্তী দিয়া হয়। এই বজাৰৰ দোকানী সকলে দৈনিক ২ টকাকৈ "টল" (Toll) দিয়ে। ৪০ বছৰ আগতে এই "টল" (Toll) ১ টকাতকৈও কম আছিল।

(খ) আৰু (গ) হয়। এই বিষয়টো পৌৰ সভাৰ বিবেচনাধীন হৈ আছে।

**(Unstarred Question No. 343 was deferred)**

***Announcement from the Chair.***

*Mr. Speaker :* Question Hour is over. Before I proceed to item No. 2 of the list of business for today, I would like to inform the House that I have received a notice signed by Honourable Members, Sarbashri Prafulla Kumar Mahanta, Holiram Terrang, Promode Gogoi, Bhrigu Kumar Phukan, Hitendra Nath Goswami, Sashakamal Handique, Parameswar Brahma and Kali Ranjan Deb stating that only the following grants viz.

1. Council of Ministers
2. Education
3. Flood Control
4. Power
5. Hill Areas
6. Roads and Bridges (PWD)
7. Medical and Public Health
8. Welfare of Scheduled Caste, Schedule Tribes and others

will be taken up for discussion during the Voting on Demands for Grants on 29/3/93 and 30/3/93.

This has been decided unanimously by all the leaders of Legislative parties/groups under the signature of the above Honourable Members.

But, I have received Cut Motion notices from various Honourable Members almost in all the Grants including the above mentioned 8 Grants.

Now, I want to be guided by the feelings of the House as to whether only the 8 Grants as mentioned above would be discussed by moving the Cut Motion notices one by one or all the Grants for which Cut Motions notices have been tabled, could be called upon for moving the Cut Motions.

If the 8 Grants as decided unanimously are to be discussed then the Cut Motion notices tabled in other Grants may have to be treated as withdrawn.

I hope the House would agree that the Cut Motion notices in other Grants except these 8 Grants as decided unanimously may be treated as withdrawn.

***Shri Promode Gogoi :*** Mr. Speaker Sir, we will take up these 8 Grants only and the Cut Motion on other Grants will be treated as withdrawn.

(The House has agree to the above decision)

## *Voting on Demands for Grants.*

***Mr. Speaker :*** Now Item No. 2. Voting of Demands for Grants. Grants No. -1, Honourable Chief Minister to move.

***Shri Hiteswar Saikia (Chief Minister) :*** Mr. Speaker Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 4,38,84,000/- be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March, 1994, for the Administration of "State Legislature".

***Mr. Speaker :*** There is no Cut Motion. I now put the Motion before the House for approval. The Motion is "That a sum of Rs. 4,38,84,000/- be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year

ending the 31st March, 1994, for the Administration of "State Legislature".

(Voices : yes, yes)

The Motion is passed. Grant No. 1 is passed.

Before moving to Grant No. 2, I would like to draw the attention of the Honourable Members that Cut Motions signed by Honourable Members from different groups as appeared against their names, each and every Member are not to move their Cut Motions. If one Member moves the Cut Motion, it will be taken as moved by other Honourable Members also from different groups. After that, other Honourable Members will speak one by one. Only one Member from each group will speak first and after that, if there is available time, other Members also can speak.

Now Grant No. 2. Honourable Chief Minister to move.

***Shri Hiteswar Saikia (Chief Minister) :*** Mr. Speaker Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 1,35,52,000/- be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March, 1994, for the Administration of "Council of Ministers".

***Mr. Speaker :*** There are as many as 4 Cut Motion notices in this Grant standing in the name of Honourable Member (1) Shri Zoii Nath Sarma, Shri Jatin Mali, Shri Dilip Kumar Saikia, Shri Sahidul Alom Choudhury, Shri Nagen Samra, Dr. Kamala Kalita, Shri Atul Bora, Shri Bharat Chandra Narah (2) Shri Promode Gogoi, Shri Sashakamal Handique, Shri Giasuddin Ahmed, Shri Alauddin Sarker, Shri Munin Mahanta, Shri Nizamuddin Khan (3) Shri Pranab Kumar Nath, Shri Chittendra Nath Mazumdar, Shri Parimal

Suklabaidya, Shri Mission Ranjan Das, Shri Dhruba Kumar Sen. and No. (4) Shri Badan Barua, Shri Pani Ram Rabha, Shri Ramendra Narayan Kalita, Shri Hiteswar Deka. I now request the mover of the Cut Motion to move their Cut Motions one by one.

* *Shri Zoii Nath Sarma :* Mr. Speaker Sir, I beg to move that the total provision of Rs. 1,35,52,000/- under Grant No. 2 in respect of "Council of Ministers" at pages 1-6 of Volume II, Part -IV of the Budget be reduce to Rs. 1.00, i.e., the amount of the whole Grant of Rs. 1,35,52,000/- do stand reduced to Rs. 1.00.

* *Mr. Speaker :* I now call upon Honourable Member Shri Zoii Nath Sarma to speak.

* *শ্ৰীজয় নাথ শৰ্মা ঃ* মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীয়ে মন্ত্ৰী সভাৰ খৰছৰ কাৰণে যি ১ কোটি ৩৫ লাখ ৫২ টকাৰ দাবী মঞ্জুৰী আনিছে এই সম্পৰ্কে মই পোন প্ৰথমে আপোনাক এটা প্ৰশ্ন সুধিব খুজিছো যে বাজেট এষ্টিমেটত দাবী মঞ্জুৰী আছে ১ কোটি ৩৫ লাখ ২ হাজাৰ টকা আৰু মুখ্য মন্ত্ৰী মহোদয়ে গ্ৰান্ট মুভ কৰিছে ১ কোটি ৩৫ লাখ ৫২ হাজাৰ টকা গতিকে ইয়াত ৫০ হাজাৰ টকা মুখ্য মন্ত্ৰী মহোদয়ে বেছি দেখুৱাইছে। এই খেলিমেলি কিয় হৈছে এটা 'ক্লেৰিফিকেচন' হব লাগে।

* *শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ* মাননীয় অধ্যক্ষ মহোদয়, এইটো মই চাব লাগিব। মোক অলপ সময় লাগিব।

* *শ্ৰীজয়নাথ শৰ্ম্মা ঃ* অধ্যক্ষ মহোদয়, এই ২ নং মঞ্জুৰীটো আলোচনা কৰিব নোৱাৰে। এইটো 'উইদ্ৰ' কৰিব লাগিব।

* *শ্ৰীপ্ৰমোদ গগৈ ঃ* মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ যি 'এষ্টিমেটৰ লগত দাবী মঞ্জুৰীৰ এমাউন্টটো একে হব লাগে। মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যিটো খেলিমেলিৰ কথা কৈছে, আৰু যদি সেইটোৱেই হৈছে তেন্তে মুখ্য মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত এটা 'ক্লেৰিফিকেচন' দিব লাগে। এই গ্ৰান্টটো এতিয়া মুভ কৰিব নালাগে। উইদ্ৰ কৰিব লাগে।

* *শ্ৰীজয়নাথ শৰ্ম্মা ঃ* মাননীয় অধ্যক্ষ মহোদয়, এইটো চাচপেণ্ড কৰিব লাগিব আৰু ফ্ৰেচ গ্ৰান্ট মুভ কৰিব লাগিব।

* *Shri Giasuddin Ahmed :* I think there is a easy solution. If the Cut Motion is accepted there the problem is solved.

---

* Speech not corrected

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** ইয়াত ৫০ হাজাৰ টকা বেলেগে দেখুৱা হৈছে। It is shown against Sixth Scheduled (Rupees fifty thousand) সেই কাৰণে এইটো লগ লাগি ২৯৫০ টকা হৈছে।

* ***শ্ৰীজয়নাথ শৰ্মা ঃ*** গ্ৰান্ট দুটা। সেয়ে টোটেল কৰি দেখুৱাব লাগে। ইয়াত ডিচক্ৰেচনাৰী ১২ লাখ ৫০ হাজাৰ টকা আছে। ইয়াৰ উত্তৰত দেখুৱা হৈছে ৫০ হাজাৰ টকা। এইটো ক্লিয়াৰ কৰি দেখুৱাব লাগে। ইয়াত ৫০ হাজাৰ টকা দেখুৱাইছে Discretionery Grants by the Ministers against Sixth Scheduled. ৬ চিডিউলৰ ৰুলত ডিচক্ৰেচনাৰী গ্ৰান্টৰ কথা নাহে।

* ***Shri Hiteswar Saikia (Chief Minister) :*** 50,000/- shown against Sixth Scheduled.

* ***শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এইটো কাৰেক্ট কৰিব লাগিব। যিহেতুকে ৬ চিডিউলত এইটো নাহে।

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** সেইটো শুধৰাই লোৱা হব।

* ***শ্ৰীজয়নাথ শৰ্মা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, কাউন্সিল অৱ মিনিষ্টাৰৰ বিভিন্ন হেডত চেলাৰী হেডত ২৪ লাখ টকা, এন্টাৰটেনমেন্টৰ বাবে ৩ লাখ ৮০ হাজাৰ টকা, ডিচক্ৰীচনাৰীত ১২ লাখ ৫০ হাজাৰ টকা, টুৰৰ কাৰণে ২৯ লাখ ২২ হাজাৰ টকা, ৬৫ লাখ ৬০ হাজাৰ টকা ইয়াৰ উপৰি মুখ্য মন্ত্ৰী মহোদয়ে ডিচক্ৰীচনাৰী গ্ৰান্টৰ ৫০ হাজাৰ টকা ৬ চিডিউলত দেখুৱাইছে।

অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে অসম এখন অৰ্থনৈতিক ভাৱে পিচপৰা ৰাজ্য। গতিকে পৰিকল্পনা বৰ্হিভূত (নন প্লেন) শিতানত স্বাভাৱিক ভাৱে যিমান পাৰি সিমান মিতব্যয়ীতাৰ ব্যৱস্থা কৰিব লাগে। যোৱা বছৰ আপোনালোকে ১১ লাখ ৫৬ হাজাৰ ধৰিছিল। কিন্তু খৰছ হ'ল ১১ লাখ ১৫৬ হাজাৰ টকা। কিন্তু এই বাৰ ২৪ লাখ টকা ধৰা হৈছে। প্ৰায় দুগুন ধৰিলে। ১১ লাখ টকা অভাৰ এচটিমেট কিয় কৰিলে ? আজি মই কেইটামান কথাৰ প্ৰতি মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মন্ত্ৰী হোৱাৰ পিছত তেওঁলোকে নিজৰ নিজৰ সমষ্টিৰ কথালৈ ব্যস্ত নাথাকি সামগ্ৰিক ভাৱে ৰাজ্য খনৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য কৰিব লাগিব। কিন্তু আমি লক্ষ্য কৰিছো প্ৰতি গৰাকী মন্ত্ৰীয়ে নিজৰ সমষ্টিলৈ ব্যস্ত হৈ আছে। গোটেই ৰাজ্যখনৰ সামগ্ৰিক স্বাৰ্থৰ বাবে ব্যস্ত হোৱা নাই। আজি মই মুখ্য মন্ত্ৰী মহোদয়ক কেইটামান কথা সুধিব বিচাৰিছো। ডিচক্ৰিচনাৰী ফাণ্ডৰ নামত ২ লাখ টকা মুখ্য মন্ত্ৰীৰ আছে। মই জনাত যোৱা বিত্তীয় বছৰত মুখ্য মন্ত্ৰী

---

* Speech not corrected

মহোদয়ে এই টকাৰ পৰা বিভিন্ন লোকক দিছে। ইয়াৰ ভিতৰত মই দেখিছো, অৱশ্যে সকলো তথ্য বৰ্ত্তমান মোৰ হাতত নাই কিন্তু মুখ্য মন্ত্ৰীয়ে স্বীকাৰ কৰিব লাগিব। এই আৰ্থিক সাহাৰ্য্য শি ৱসাগৰ জিলাত বেচিকৈ দিছে। আনকি এখন এল, পি, স্কুলৰ চিঠিত দিয়া আছিল যে মেডিকেল সাহাৰ্য্য দিয়া হৈছে বুলি কোৱা হৈছে। এতিয়া কথা হ'ল এল, পি, স্কুল খনৰ বেমাৰ হোৱা নাই। স্কুলখন বনাবলৈ হে দিয়া হৈছে। এই ধন দুৰ্দশাগ্ৰস্ত লোকক দিয়াৰ বাবেহে কিন্তু তেওঁলোকে মেল মিটিং আদিত যাওঁতে কৰবাত ৰাইজে ধৰিলে এই টকা স্কুল, কলেজ, মন্দিৰ আদি বনাবলৈ দিয়ে। তেনেকৈ খান্দাদান হাইস্কুলত এবাৰ এটা শান্তি যাত্ৰা কৰিছিল। এই শান্তি যাত্ৰা সৰ্বভাৰতীয় দলীয় শান্তি যাত্ৰা আছিল। তেতিয়া ৰাইজে বিচৰাত ২০ হাজাৰ টকাৰ অনুদান দিয়া হৈছিল। কিন্তু সেই টকা আজিলৈকে দিয়া হোৱা নাই। মন্ত্ৰী সকলে সমষ্টিৰ কৰবাত ৰাজহুৱা সভালৈ গৈ আৰু এই সাহাৰ্য্য আপোনালোকে দিছে। মন্ত্ৰী মহোদয়ে কৈছে যে এই সাহাৰ্য্য বিশেষ সাহাৰ্য্য পুজিৰ পৰা দিছে। কিন্তু মই জানিব বিচাৰিছো যে এই সাহাৰ্য্য দিওতে আপোনালোকে কি পলিচি এডোপ কৰিছে? যি দুই লাখ টকা ডিচক্ৰিচনাৰী গ্ৰান্টৰ আছে তাৰ পৰা কেনচাৰ বেমাৰীকো সাহাৰ্য্য দিয়া হৈছে। এনে ধৰণৰ দুৰ্দশাগ্ৰস্ত লোকক এই টকা দিব লাগে। কিন্তু তাকে নকৰি আপোনালোকে ৰাজনৈতিক স্বাৰ্থত এই অনুদান দিয়াৰ ব্যৱস্থা কৰিছে। এই বিষয়ে মই মুখ্য মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে আপোনাৰ এই সাহাৰ্য্য পুজিৰ পৰা কেনচাৰ ৰোগটো যি জনে সাহাৰ্য্য পায় তাতো ডিচক্ৰিপেনচি হয়। এবাৰ এজন কেনচাৰ বেমাৰীৰ বাবে মই মুখ্য মন্ত্ৰী মহোদয়ৰ হাতত এখন দৰ্খাস্ত দিছিলো। সেই বেমাৰী জনক ৫০০ টকা মাত্ৰ দিয়া হ'ল। কিন্তু সেই একে কেনচাৰ বেমাৰীকে নাজিৰা সমষ্ঠি হ'লে ৫০০০ টকা পৰ্য্যন্ত দিয়া হয়। এই ডিচক্ৰেপেনচি কিয় কৰে? মই বাৰে বাৰে কৈছো যে সাহাৰ্য্য ভিত্তিক যিটো অনুদান দিয়া হয় সেইটো ৰাজনৈতিক দৃষ্টি ভন্দীৰে নাচাই সামগ্ৰিক ভাৱে ৰাজ্য মুখ্য মন্ত্ৰী হিচাপে চোৱা উচিত বুলি ভাৱো। এই বিষয় টোত গুৰুত্ব আৰোপ কৰি বিশেষ ভাৱে দৃষ্টি দি যাতে ১২৬ টা সমষ্টিত সমানে সাহাৰ্য্য পায় তাৰ বাবে দৃষ্টি নিক্ষেপ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, লটাৰীৰ প্ৰফিটৰ পৰা যিটো সাহাৰ্য্য পোৱা হয় সেইটো যাতে ১২৬ টা সমষ্টি সমানে ভগাই দিয়া হয় তাৰ বাবে মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মুখ্য মন্ত্ৰীৰ সাহাৰ্য্য পুজিৰ বাবে সমালোচনা হব নালাগে। যিহেতুকে আমি অভিযোগ কৰিব লাগিলে তেখেতকেই কৰিব লাগিব এইটো আমি অভিযোগ কৰিছো যাতে প্ৰশ্ৰয় আৰু ক্ৰটি নহয়। শ্ৰীভূপেন ৰয়ে মোলৈ এখন চিঠি দিছে যিহেতুকে তেওঁ ব্যক্তিগত ভাৱে নকয়। মই শিক্ষা বিভাগৰ ওপৰত কেতিয়াও কোৱা নাছিলো। বিশেষকৈ শৰৎ বৰকটকীৰ ওচৰত মোৰ কোনো

অভিযোগ নাছিল। কিন্তু যোৱা ২৬/২/৯৩ তাৰিখে ৰিটায়াৰ হব খোজা দিয়াৰ জৰিয়তে ২৭ জন লোক এপইন্টমেন্ট দিছে। শিৱসাগৰ জিলাত ২৭ জন নিযুক্তি দিছে। ফৰেষ্ট বিভাগত আমাৰ চিপাজাৰৰ পৰা দিয়া সাক্ষাৎকাৰৰ হৈ মই এদিন চি, চি, এফকো লগ ধৰিছিলো কিন্তু তেওঁ কলে যে মেৰিট বেচিচতে হব। শুনি ভাল পালো। মেৰিট বেচিচত হলে ভাল কথা। কিন্তু পিচত দেখিলো দৰঙত দুজন নলবাৰীত এজন আৰু শিৱসাগৰত ২৭ জন লোকে নিযুক্তি পালে। ধুবুৰীত এজনো নাই। কিয় ধুবুৰী অসমৰ ভিতৰত নহয় নেকি? কিয় নাজিৰাত ২৭ জন আৰু চিপাজাৰত দুজন হ'ল? মই চিপাজাৰৰ কথা কৈছো কাৰণ চিপাজাৰৰ সামগ্রিক খবৰ মোৰ হাতত আছে। এই কাম বিলাক অত্যুৎসাহী হিচাবে কৰা হৈছে।

কোনোবা মন্ত্রী আৰু বিষয়াই বেচি অত্যুৎসাহী হৈ কাম কৰা যেন অনুমান হৈছে। মাননীয় পাবলিক হেলথ্ মিনিষ্টাৰ ডাঙৰীয়া সদনত উপস্থিত থকা হ'লে ভাল আছিল। আমি যি দেখিছো পাবলিক হেলথ্ শিতানত নাজিৰাত কিমান দিছে আৰু মন্দলদৈত কিমান দিছে সেইটো চালেই মন করিব পাৰিব কিমান অত্যুৎসাহী হৈ কাম কৰিছে। মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ অজ্ঞাতে কোনোবা মন্ত্রী বা বিষয়াই এই কাম বিলাক অত্যুৎসাহী হৈ কাম কৰিছে। মুখ্য মন্ত্রী মহোদয়ে সদনত কৈছে যে ১৯৮৬ চনৰে পৰা একচেচ এল, অ, চিলৈ আছে, কিন্তু একচেচ এল, অ, চি আৰু ভূৱা এল, অ, চি টোৰ মাজত পাৰ্থক্য আছে। কিয়নো বাজেটত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেই অনুপাতে কিবা ইমাৰজেন্সীৰ কাৰণে বেচি টকা প্রয়োজন হ'লে কনটিজেন্সী ফাণ্ডৰ পৰা লৈ সেই টকাটো বেচিকৈ খৰচ কৰিব পাৰে কিন্তু সেই টকটোও পিচত সদনত ৰেগুলাইজ কৰি পাচ কৰি লব লাগে। কিন্তু আচৰিত কথা যে বাজেটত কেনো প্রভিজন নথকাকৈ বেআইনী ভাৱে ফাইনেন্সিয়েল কোনো ৰুলচ এণ্ড ৰেগুলেচন নোহোৱাকৈ ভূৱা এল, অ, চিলৈ টকা উলিয়াটো কিমান ভয়ঙ্কৰ কথা হৈছে সেইটো বিশেষ ভাৱে মন কৰিব লগীয়া কথা। নিয়মানুসাৰে বাজেটত পাচ নোহোৱাকৈ কোনো টকা খৰচ কৰিব নোৱাৰে। অৱশ্যে কন্টিজেন্সী ফাণ্ডৰ পৰা টকা লৈ পিচত সদনত ৰেগুলাইজ কৰি লব পাৰে। এই চিচটেমটো ১৯৭১ চনৰ পৰা ১৯৮৩ চনলৈ প্রায় ৬০০ কোটি টকা এই সময়চোৱাৰ ভিতৰত এল, অ, চিলৈ উলিওৱা হৈছে। সেই টকাটো প্রাক্তন মুখ্য মন্ত্রী প্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই বাজেটত ৰেগুলাইজ কৰিবৰ কাৰণে এডিচনেল বাজেট লৈ আহিছিল। তেতিয়া তেওঁলোকে কৰি থকা দোষৰ প্রায়চিত কৰিব লগীয়া হৈছিল আৰু তেতিয়া শৰৎ সিংহ ডাঙৰীয়া আছিল সদনত এটা হুলস্থুল পৰিবেশৰ সৃষ্টি হৈছিল। মাননীয় মুখ্য মন্ত্রী মহোদয়ে ২০০ কোটি টকাৰ এল, অ, চিৰ কথা কৈছেনে একচেচ পেমেন্টৰ কথা কৈছে? কিন্তু বাজেটত নিৰ্দ্ধাৰিত টকাতকৈ বেচি টকা খৰচ কৰিছে।

বাজেটত প্ৰভিজন নথকাকৈ ভূৱা এল, অ, চিঁলৈ ইমান বৃহত পৰিমানৰ টকা খৰচ কৰিছে সেই সম্পৰ্কত এখন কাগজ মোৰ হাতত আছে সেইখন মই আপোনাৰ জৰিয়তে দিব বিচাৰিছো আৰু আশা কৰিছো ইয়াৰ এটা ফটো কপি মোক দিব। কিন্তু আচৰিত কথা ১৯৮৬-৮৭ চনত নন প্লেনত এল, অ, চি লবলৈ পালে মই ইয়াৰ এটা তদন্ত দাবী কৰিব বিচাৰিছো। মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো বেংকিং ট্ৰেজাৰীত কেচ টকা ৰাখিব নোৱাৰে। আৰু ৰিৰ্জাভ বেংক অৱ ইণ্ডিয়ায়ো এইটো এলাও নকৰে উদাহৰণ স্বৰূপে দিশপুৰ ট্ৰেজাৰীত হাৰ্ড কেচ জমা ৰাখিব নোৱাৰে, কিন্তু শিৱসাগৰৰ ট্ৰেজীৰীত হাৰ্ডকেচ ৰাখিছে, এতিয়া কথা হ'ল আলফাৰ পৰা গোৱা টকা বিলাক ক'ত ৰাখিছে? মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে চিকৰেট ৰক্ষা কৰিবৰ কাৰণে এই টকটো ক'ত ৰাখিছে সেইটো নকয়। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ নিৰ্দ্দেশ মতে হাৰ্ডকেচ ৰাখিব নোৱাৰে, এই সম্পৰ্কত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই অনুসন্ধানো কৰিব পাৰে যে হাৰ্ডকেচ কিয় ট্ৰেজাৰীত ৰাখিছে? ১২ লাখ টকা সিৱসাগৰৰ ট্ৰেজাৰীত আছে, কোনে কোন তাৰিখে আছে সেইটো মই তাৰিখ হিচাবত দিব পাৰো। ১২ চেপ্তেম্বৰত ৮ কোটি টকা ভূৱা এল, অ, চি দি উলিয়াই দিছে। মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

- "Banking Treasury and non-Banking Treasury"....
- This is the instruction of the Reserve Bank of India....
- Dispur Treasury is Banking Treasury....
- Sibsagar is a non Banking Treasury....
- RBI has to institute an enqury into....
- There is a false LOC of Rs. 8 crores....

There are two separate issues. One excess expenditure incurred by the Department which can be regularised in due course of time and another is a fraud case with a criminal intention.

বানপানীৰ সময়ত মই মন্দ্বলদৈত গুদাম বিচাৰি হাবাথুৰি খাব লগা হ'ল। ক'তো গুদাম নাপালো, গৰুৰ খাদ্য নাপালো কিন্তু পিচত ২২ লাখ টকা খৰচ কৰা বুলি গম পালো। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ হস্তক্ষেপ থকাৰ কাৰণে হৈছে। ৰাজহুৱা টকা এনে ভাৱে অপচয় হৈছে। ৮ কোটি টকাৰ ভুৱা এল, অ, চি, দিয়া হৈছে, গতিকে এই বিষয়টোলৈ মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এতিয়া মোৰ সমষ্টিৰ দুটামান কথা মই কব বিচাৰিছো। এতিয়া নেশ্যনেল হাই-ওৱেৰ কাযত চৰকাৰী মাটি নোহোৱা হ'ল। প্ৰায় ৩ হাজাৰ বিঘা মান মাটি তাত ৰখা হৈছিল কিন্তু একে ৰাতিৰ ভিতৰতে এজন মানুহৰ নামত একেটা পৰিয়ালকে সেই মাটি সমবায় কৰাৰ বাবে পট্টন দিয়া হ'ল।

অধ্যক্ষ মহোদয়, এতিয়া কথা নাই বতৰা নাই ডি, চিয়ে মাটিৰ এলটমেন্ট দিছে একে ৰাতিৰ ভিতৰতে লেণ্ড এডভাইজৰী বৰ্ডৰ জৰিয়তেই মাটি লিজত দিছে। একেটা পৰিয়ালৰ ভিতৰতে আৰু একে ৰাতিৰ ভিতৰতে তেওঁলোকে এখন সমবায় কৰিছে। আৰু এই সমবায় কৰা মুৰব্বী জন হ'ল মন্দ্বলদৈৰ কংগ্ৰেছ কমিটিৰ সভাপতি। এতিয়া কথা হ'ল এই চৰকাৰী মাটিখিনি ৰাখিছিল ভৱিষ্যতে নেশ্যনেল হাইওৱেৰ কাযত কোনো অনুষ্ঠান, ইণ্ডাষ্ট্ৰীজ আদি কৰাৰ বাবে মাটিৰ প্ৰয়োজন হব পাৰে বুলি। এই উদ্দেশ্যৰে মাটিখিনি ৰখা হ'ল। কিন্তু কথা নাই বতৰা নাই একে ৰাতিৰ ভিতৰতে এই মাটিখিনি লিজত দিলে। অধ্যক্ষ মহোদয়, মানুহৰ সকলো কথাৰে এটা সীমা থাকিব লাগে। সকলো কথা এই সীমা অতিক্ৰম কৰিব নালাগে। আৰু এটা কথা যে আমাৰ মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে যেন এই বদিয়াখাচৰ মাটিখিনি যেন কোনো চচাইটিক নিদিয়ে আৰু এই মাটিখিনি প্ৰিজাৰ্ভ কৰাৰ বাবে মই অনুৰোধ জনালো। মন্দ্বদৈত যিখন ফোহোৰা পিজিয়াৰ আছে তাত ৰাইজৰ গৰু মহ বিলাক চৰে। এই পি, জি আৰৰ বাবে হাইকোৰ্টে এটা অৰ্দাৰ দিছে যে, তাত যিবিলাক মানুহ আছে তেওঁলোকৰ বেদখলক উচ্ছেদ কৰা হওক আৰু সেই উচ্ছেদকাৰী সকলক বেলেগ ঠাইত মাটি দিয়ক। হাইকোৰ্টে অৰ্দাৰ পাছ কৰাৰ পিছতে পাবলিক গোৱালৈ আহি কেচ কৰিলে আৰু তেওঁলোকক ভি, জি, আৰ বা পি, জি, আৰত মাটি মাটি দিয়াৰ বাবে অনুৰোধ কৰিলে। গতিকে এই ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মাটিখিনি ৰখাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, এতিয়া মই কৃষি সম্পৰ্কে ২/৩ টা কথা কব বিচাৰিছো। মই ভাৱো যে, এগৰাকী মন্ত্ৰীৰ এটা ইমেজ, প্ৰতিচ্ছবি ৰাইজৰ আগত ধৰ্ম্ম নিৰপেক্ষ হব লাগে। বাইদেউৰ প্ৰতি মই কেতিয়াও কোনো প্ৰশ্ন অনা নাই। এইটো হৈছে ৰতন কুমাৰ সাহা এণ্ড ব্ৰাদাৰ্চ, ধুবুৰীৰ। মন্ত্ৰী মহোদয়লৈ চিঠি দিছে আৰু এই চিঠিত লিখিছে যে, দুজন অফিচাৰ লগ লাগি ৰতন কুমাৰ সাহাৰ কৃষি গোদামটো গুচাই অফিচাৰ এজনৰ সম্পৰ্কীয় কোনোবা এজন মানুহক গোটেই গোটেই গুদামটো চিফট্ কৰিবলৈ দিছে। মই দুখ পাইছো যে মন্ত্ৰী গৰাকীৰ নিৰ্দ্দেশতে এই গুদামটো বেলেগ ঠাইলৈ অনা হৈছে। গতিকে মই কৃষি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহন কৰে। এইবিলাক কামত আপোনালোক ব্যস্ত হব লাগে কিয় ? অধ্যক্ষ মহোদয়, এতিয়া মই সকলো মন্ত্ৰীকে এটা কথা কব বিচাৰিছো। আপোনালোকে এখন গাড়ী এচ, এ, দিৰ পৰা পাইছে। মই মাজতে এচ, এ, দিৰ পৰা গাড়ী বিচাৰি নাপালো। সুনিবলৈ বিচাৰিছো এতিয়া আপোনালোকক নতুন গাড়ী লাগে আৰু আহিছে বুলি সুনিছো। আপোনালোকে এচকৰ্টৰ নামতো গাড়ী পায় আৰু এদিশ্যনেল গাড়ী এখনো পায়। মই এখন গাড়ীৰ ৰিপোৰ্ট এচ, এ, দিত বিচাৰিছিলো নাপালো। এখন নতুন গাড়ী আনিলে ১ লাখ ৮৫ হাজাৰ টকা লাগে আৰু মেৰামতি কৰোতে লাগে ১০ লাখ ৮৫ হাজাৰ টকা। এনে এখন

গাড়ীৰো উদাহৰণ আছে। আমাৰ এচ, এ, দিব মন্ত্ৰী মাননীয় মুখ্য মন্ত্ৰী, গতিকে তেখেতক মই অনুৰোধ কৰিছো কিমান মন্ত্ৰীৰ কিমান গাড়ী আছে, কিমান গাড়ী মেৰামতি কৰা হৈছে সেই সকলোবিলাক তালিকা কৰি চাওক। তেতিয়া দেখা যাব যে, গাড়ী কিনাতকৈ মেৰামতি কৰাৰ খৰছ বেছি। তাৰোপৰি আপোনালোক দিল্লীলৈ কিয় ইমান যাব লাগে? কথা নাই বতৰা নাই দিল্লী যায়। মই শুনিবলৈ পাইছো অৱশ্যে চাৰজেক্টটো ৰেটিফিকেচনৰ ওপৰত কৈছো যে, এজন মন্ত্ৰীয়ে বিদেশৰ পৰা টকা আনিছিল আৰু ধৰাও পৰিছিল কিন্তু শেষত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমনমোহন সিঙৰ হস্তক্ষেপত এইটো এস্কটাৰনেল মিনিষ্টাৰে মাফ কৰিলে। এইটো ৰাজ্যখনৰ কাৰণে দুখ জনক কথা। আনকি আপোনালোকে দিল্লী আৰু চিমলালৈ গৈ হনিমুন কৰাৰো কথা শুনিবলৈ পাইছো। টি, এ, কোন মন্ত্ৰীয়ে কিমান কিমান টকা লৈছে হিচাপ কৰক। আপোনালোকৰ এনে মন্ত্ৰীও আছে যি নিজৰ সমষ্টিৰ বাহিৰে আন কোনো সমষ্টি দেখাই নাই। মই ভাৱো সমষ্টিলৈ যোৱা কাৰণে টি, এ, দিব নালাগে। এইটো আপোনালোকে সিদ্ধান্ত লওক, ইয়াৰ পিছত যি মন্ত্ৰী সভাই নহওক লাগে তেওঁলোকেও এই সিদ্ধান্ত মতে কাম কৰিব। গতিকে সমষ্টিলৈ যাওতে আপোনালোকে টি, এ, নলব। আমি আগতেই কৈছিলো সমষ্টিলৈ যাওতে টি, এ, নলও। সমষ্টিলৈ যোৱা মন্ত্ৰী সকলেও টি, এ, বন্ধ কৰিব লাগে। অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা কব বিচাৰিছো যে, আমাৰ মন্ত্ৰী সকলে উপাধী লওতে সবধান হব লাগে। যি কোনো উপাধী দিলেই লব নালাগে। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে স্বৰ্গদেউ উপাধী লওতে মই এদিন ক্ষোভতে মতা নাই। কোনোবাই দিলেই লব লাগে নেকি? মাননীয় মন্ত্ৰী বিজিত শইকীয়াদেৱক 'ভাৰত গৌৰৱ' উপাধী দিছে। এই উপাধীয়ে মুখ্য মন্ত্ৰীৰ সকলো উপাধী চুপাৰহিত কৰিব। আজি বহুতো উদ্যোগ বন্ধ হৈ গ'ল। আশোক পেপাৰ মিলো খুলিব পৰা নাই। মন্ত্ৰীক ঠগাই গুচি গ'ল। এজন মন্ত্ৰী ঠগাই গুচি গৈছে। অশোক পেপাৰ মিলৰ কাৰণে তিনিটা জেনেৰেট লাগে। সস্তা দামত দিব লাগে বুলি মন্ত্ৰীয়ে অনেষ্টলি লিখি দিলে। এটাৰ দাম ৩ কোটি টকা। সৰ্বমুঠ ৯ কোটি টকাৰ বিপৰীতে ১২ লাখ টকা দি কিনিছে। কিনি উঠি মানুহ হেৰাল। দালামিঞা নাই। দালমিঞাক ঘুৰাই আনিব নোৱাৰে। আনহাতে মেমোৰেণ্ডাম অৱ আণ্ডাৰষ্টেণ্ডিংত চাইন কৰিছে। তেওঁ নাই ক'ত গ'ল? এনেকুৱা ঠিকনা নোহোৱা মানুহৰ লগত এগ্ৰিমেন্ট কৰিছিল নেকি? এখন চৰকাৰক ব্যৱসায়ীয়ে ঠগাই যাব পাৰে। আপোনালোকৰ উদ্দেশ্য ভাল হয় নে নহয়? গ্লাছ ফেক্টৰী বন্ধ হৈছে। পানামা চিগাৰেট ফেক্টৰী বন্ধ হওঁ হওঁ। আচৰিত হব প্ৰাগবচিমিৰ পৰা চিমেন্ট দিম বুলি ৩০ লাখ টকাৰ পাৰ্মিচন লৈছে। চিমেন্ট কিনা নাই। কোনোৱা মন্ত্ৰীৰ ফোন আছে। ৩০

লাখ টকাৰ পেমেন্ট কৰিছে। চিমেন্ট যোগান নধৰে। শ্ৰীবদন বৰুৱাই আজি প্ৰশ্ন কৰিছিল। পৌৰ প্ৰশাসন মন্ত্ৰীয়ে কৈছে ৭ তলাৰ বিল্ডিং আছে। সেই বিল্ডিংতে ৰেচম আৰু হেণ্ডলুম টেক্সটাইলৰ অফিচ আছে তাৰ গ্ৰাউণ্ড ফ্লৰৰ পাৰ্মিচন আছে। ওপৰৰ মহলা বিলাকৰ নাই। একচন লৈছে নে নাই ? পাৰ্মিচন নোলোৱাকৈ আমাৰ সন্মুখত সকলো ৰাজনৈতিক নেতাৰ সন্মুখত ৭ তালাৰ বিল্ডিং হৈছে। আপোনালোকে মনে মনে আছে। ৰাইজক দিয়া কমিটমেন্ট ৰক্ষা কৰিব পৰা নাই। আপোনালোকৰ হাতত আইন আছে, সকলো শক্তি আছে, আপোনলোকে প্ৰশাসনৰ গাদীত আছে। You can administer your desire. এডমিনিষ্টেচন শব্দটো হয় নে নহয় ? A Minister can administer his desire at any time. আপোনালোকৰ দিজায়াৰ নাই। আপোনালোকৰ আন্তৰিকতা থাকিব লাগিব। আজি ৰিস্কাৱালাৰ বিৰুদ্ধে কবলৈ যোৱা নাই। আমাৰ এটা সামাজিক দায়বদ্ধতা আছে। ২০ হাজাৰ মানুহক লাইচেন্স দিছে। এই মানুহ বিলাক কৰ পৰা আহিছে ? ৬ষ্ঠ বা ৫ম অমুসুচিত নপৰে যদিও আপোনালোকে বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ বিধেয়ক আনিব বিচাৰিছে। জিলা পৰিযদৰ অনুমোদন নাই তথাপি সংবিধানত নথকা স্বত্বেও এই বিল আনিম বুলি কৈছে। বেয়া পোৱা নাই। দিজায়াৰ আছে। As you desire something to do you are ready to do it. There should be some desire. যিটো অন্যায় হৈছে সেইটো বন্ধ কৰিবৰ কাৰণে দিজায়াৰ থাকিব লাগে। আপোনালোকক সদায় গালি পাৰি ভাল নাপাওঁ। সিদিনা এজন মন্ত্ৰীৰ কথা কবলৈ নাপালো, জাণ্ডোৰ খাই উঠিল। গোটেই কথাটো গাত পাতি ললে। পেপাৰৰ বন্ধু এজনে দিছে মন্ত্ৰীৰ পি, এচ, সম্পৰ্কত। এতিয়া আমাৰ শ্ৰীজেহিৰুল ইচলাম ডাঙৰীয়া জলসিঞ্চন মন্ত্ৰী। মই জলসিঞ্চন মন্ত্ৰী থাকোতে ফাইল এটাত চিমেন্টৰ কথা দেখিছো। ৫২ লাখ টকাৰ চিমেন্ট দিয়া নাই। মাইনৰ ইৰিগেচনৰ চিফ ইঞ্জিনিয়াৰে বেলতলাৰ কেইজন মানুহক এই টকা দিছে কেচটো পুলিচক দিছিল। পুলিচক মাতি আনি সোধা হ'ল কিয় একচন লোৱা নাই। ৫২ লাখ টকাৰ কথাটো কিয় ধৰা নাই। শেষত কলে ইনভেষ্টিগেচনত থকা বিষয়াক মাতি আনি দিও। ৰিটায়াৰ কৰাৰ সময়ত চিফ ইঞ্জিনিয়াৰে বাৰে বাৰে ফোন কৰিছে ফল' কৰিব নালাগে। চেক্ৰেটৰীৰ দায়িত্বত থকা চিফ ইঞ্জিনিয়াৰক চাচপেণ্ড কৰা হৈছিল। ৩০ তাৰিখত ৰিটায়াৰ কৰিব, মানৱতাৰ খাতিৰত ২৯ তাৰিখে ৰি-ইন্সটেট কৰি ৰিটায়াৰমেন্ট বেনিফিট দিয়া হৈছে। এতিয়া স্কেলিচন উলিয়াইছে। He is about to retire. He was put under suspention. A paper report published in "Sentinel", "Rupees Seventy Five Lakhs Scandal Hits Dhansiri Project". ধনশিৰি প্ৰজেক্ট আঠ কোটি টকাত আৰম্ভ হৈছিল। এতিয়া গৈ গৈ এশ কোটি টকা হৈছে, অথচ পানী দিব

পৰা নাই। এতিয়া শুনিলে আচৰিত হ'ব ধনশিৰিৰ ওচৰে পাজৰে থকা ভাৰতীয় লোক সকলে ভূটানক পানীৰ বাবদ ফিজ দি আছে। ভূটানৰ ওপৰত নদী আছে বাবে সেই অঞ্চলৰ ট্ৰাইবেল, নন-ট্ৰাইবেল লোকসকলৰ পৰা তেওঁলোকে টেক্স লৈ যায়। চৰকাৰে গম নাপায় ফিজ দি আছে - পানী পোৱাৰ কাৰণে। টেক্স সংগ্ৰহ কৰে ভূটান চৰকাৰে। এই বিষয়ে মই আগতেও কৈছিলো আৰু আজিও মুখ্য মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিলো। মই জলসিঞ্চন মন্ত্ৰীক অনুৰোধ কৰিছো এই বাতৰিটো এবাৰ পঢ়ক। তাত চাৰ্কোলাৰৰ কথা আছে। সিদিনা প্ৰশ্নোত্তৰত কৈছে প্ৰায় ২ কোটি টকাৰ স্কেলেচন হৈছে। সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱা বুলি কৈছে। এই গোটেই কথা বিলাক চাওক। গোটেই বিলাক বেয়া কাম কৰিছে সেইটো কব খোজা নাই। এই বেয়া কথাবিলাক ওলাইছে, তদন্ত কৰাৰ ব্যৱস্থা কৰক। তদন্ত কৰা বিষয়ত পশু পালন বিভাগৰ তদন্তৰ কথা সোধাত কোৱা হ'ল যে মুখ্য মন্ত্ৰীয়ে তদন্ত দিছে। তেতিয়া কলে যে তদন্ত মানে ৰেগুলেৰাইজ কৰাৰ সুবিধা পাম বুলি মোক ক'লে। তদন্ত কৰা মানে যিমান বিলাক স্কেণ্ডেল আছে তাক ৰেগুলাৰাইজ কৰা। হেণ্ডলুম টেক্সটাইলৰ জগন্নাথ শৰ্মাৰ কথা কওঁতে কলে যে আপোনালোকৰ দিনত হেন তেন। আপোনালোকে হেন তেন কিয় কৰে? এইটো বেয়া টেণ্ডেন্সী। এ, জি, পিয়ে বেয়া কৰিছিল বুলি আপোনালোকে বেয়া কৰিব নেকি? ৰাজহুৱা বক্তৃতাত চৰকাৰৰ পক্ষে কোৱাৰ কাৰণে কৰ্মচাৰীয়ে বেয়া পালে। মোৰ বিৰুদ্ধে সকলো বাতৰি কাকতত লিখিছে। চৰকাৰে টকা কৰ পৰা দিব, দেৱলীয়া, পইচা দিব নোৱাৰে। আমাৰ কৰ্ম্মচাৰীসকলে মোক ভূল বুজিলে। জয়নাথ শৰ্ম্মা বিৰোধী পক্ষৰ মানুহ হৈ এনেকুৱা কিয় কয়? মই বিৰোধী পক্ষৰ মানুহ বুলি লগাই দিব নোৱাৰো। আমি দেখিছো চৰকাৰ দেৱলীয়া। সিদিনা বিত্তমন্ত্ৰী শ্ৰীজীৱকান্ত গগৈ দেৱে চৰকাৰ পাৰ্টিক বচালে। ২৮৩ কোটি টকাৰ দেফিচিত ভাল ভাৱে চালে আৰু বেচি হব। অথচ ক্লজিং বেলেন্সত ১২০ কোটি টকা চাৰপ্লাচ দেখুৱাইছে। সিদিনা চেক্ৰেটেৰী আৰু মই বিচাৰি দুটা ফটোষ্টেট মেচিনত পেপাৰ পোৱা নাই। কম্পিউটাৰত টাইপ কৰিব বিচৰাত জনালে যে কম্পিউটাৰৰ পাৰ্টচ্ নাই। সকলোৱে জানে যে বিত্তীয় সংকট হৈছে। বাৰে বাৰে আমাক দোষ দি আছে। ১৯৮৩-৮৫ চনত কিমান ল'ন লৈছে। আপোনালোকে যিমান ল'ন লৈছে তাক আঢ়ৈৰে হৰণ কৰিলে আমাৰ যোৱা ৫ বছৰতকৈ আপোনালোকে বেচি লৈছে। আমি বেচি ল'ন লোৱা নাই। ল'ন লোৱাটো ধাৰাবাহিক পদ্ধতি। Plan কাত কৰা হৈছে, লছ কি হৈছে। প্লেন চেঞ্জ হৈছে। ১০,০০০ হাজাৰ কোটি টকাৰ পৰা ৯০০ কোটি টকা ফ্ৰি পাব। শতকৰা ৯০ ভাগ মঞ্জুৰী আৰু শতকৰা ১০ ভাগ ৰিন হ'লে অৰ্থাৎ বাজেটৰ ষ্ট্ৰাকচাৰ হলে ৰাজ্যখনে ভৱিষ্যতে বৰ সকাহ পাব। সকলো কথাই ৰাজনৈতিক দৃষ্টিকোনৰ পৰা চালে শুদ্ধ নহয়।

*(Honourable Speaker vacated the Chair at 10-47 A.M. and Mr. Deputy Speaker occupied it)*

উপাধ্যক্ষ মহোদয়, দুই এটা ৰাজহুৱা কামত মন্ত্ৰী সকলৰ লগত অহা যোৱা কৰোতে চিনাকী হৈছে এতিয়া তেওঁলোকৰ কথা কলে বেয়াই পাব। এটা কথা আমি কবই লাগিব। তেখেত সকলে দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া বুলি কৈছে - দলৰ ভিতৰতে হওঁক বা বাহিৰতে হওঁক। আমি সকলোৱে জানো যে কোনো এজন বিষয়া দুৰ্নীতিত ধৰা পৰিলে যি চৰকাৰৰ দিনত পৰে তাৰ পৰবৰ্ত্তী চৰকাৰৰ ওচৰত চেল্টটাৰ বিচাৰে বা ৰাজনৈতিক চেল্টটাৰ লয়। ১৯৮৫-৮৬ চনতো একে হৈছিল। আমাক আহি ধৰিছিল আমি কংগ্ৰেছ চৰকাৰৰ ভিক্তিমাইজ পাৰচন। মই তেতিয়াও আমি মহন্ত ডাঙৰীয়াক কৈছিলো যে চাব দেই সাবধান। আচল চোৰ বাচি যাব। মই এটা উদাহৰণ দিছো - ধনশ্ৰী প্ৰকল্পলৈ আমি অল পাৰ্টি গৈছিলো। তেতিয়া শিক্ষা মন্ত্ৰীয়ে ৰাজহুৱা ভাৱে তাৰ কাৰ্য্যবাহী অভিযন্তা জনক গালি পাৰিলে। আমি তাৰ পিচত আহি বিধান সভাত ধৰাত তেখেতে কৈছিল যে সেই বিভাগীয় ফাইলটো তেখেতে নিজৰ হাতত ৰাখিছে। সান্ধ্য বাতৰিত ওলাল তেতিয়াও কলে যে ফাইল তেওঁ ৰাখি থৈছে। আমাৰ মন্ত্ৰী ডাঙৰীয়াই প্ৰকাশ্যে গালি পাৰিলে তাৰ পিচত যে গম পালো যে ফাইটো হেনো ৰিলিজ কৰি দিছে আৰু তাৰ কাৰণে মুখ্য মন্ত্ৰীয়ে নিৰ্দ্দেশ দিছে অথচ বিভাগীয় মন্ত্ৰীয়ে তলা লগাই থোৱা বুলি কৈছিল। এতিয়া মুখ্য মন্ত্ৰীৰ নিৰ্দ্দেশত ঘুৰাই দিয়া বুলি কৈছে। কথা বিলাক চাব-ট্ৰাক আৰু চাইনবোৰ্ড কিনা সংক্ৰান্তত মন্ত্ৰী আফজালুৰ ৰহমানক মই নিজে এই বিধান সভাৰ মজিয়াত শ্লোগান দিছিলো - গলি গলি মে চোৰ হ্যায়, আফজালুৰ ৰহমান চোৰ হ্যায়। মই টেবুলত উঠি সেই কথা কৈছিলো কিন্তু আজি আফজালুৰ ৰহমানে সেই একে শ্লোগান দিছে মুখ্য মন্ত্ৰীৰ বিৰুদ্ধে, তেওঁ বিবৃতি দিছে। ট্ৰাং কিনাত যদি মুখ্য মন্ত্ৰী জড়িত হবলগীয়া হয় তেনেহলে এইটো হৰ দুভ্যাৰ্গৰ কথা। যদি মুখ্য মন্ত্ৰী ট্ৰাং কিনিব যোৱা নাই তেনেহলে ভাল কথা কিন্তু হলে বেয়া কথা। আজি প্ৰাগবচিমিৰ কথা আলোচনা হৈছে। প্ৰাগবচিমিত কোনো মন্ত্ৰীয়ে প্ৰমোটাৰ চেয়াৰ কিনিব নোৱাৰে। জেনেৰেল চেয়াৰ কিনিব পাৰে কিন্তু মন্ত্ৰীয়ে প্ৰমোটাৰ চেয়াৰ কিনিব নোৱাৰে। এই প্ৰমোটাৰ চেয়াৰ কিনাৰ কাৰণে মন্ত্ৰী জড়িত হ'ল কেলেঙ্কাৰীত। এই প্ৰাগবচিমিত প্ৰাইভেট উদ্যোগীয়ে সহায় কৰিছে। কিন্তু বৰ্ত্তমানৰ যিটো খেলিমেলি তাৰ কাৰণে এই উদ্যোগটোৱে চাফাৰ কৰিছে। এই খেলিমেলি যদি মাৰিব পৰা নাযায় তেনেহলে বাহিৰৰ কোনো উদ্যোগপতিয়ে ভৱিষ্যত অসমত আনি উদ্যোগ প্ৰতিষ্ঠান ব্যৱস্থা নকৰে। ফলত প্ৰাইভেট ইণ্ডাষ্ট্ৰি বিলাক কলুটেড হব আৰু ইণ্ডাষ্ট্ৰিজ গ্ৰোথত চাফাৰ কৰিব। প্ৰাগ বচিমি উদ্যোগটো আজি চিপাঝাৰত আছিল বুলি কোৱা বুলি ভুল নাভাবিব কিন্তু তেওঁলোকে সুৰক্ষা দিব নোৱাৰিলে ভৱিষ্যতে কোনো উদ্যোগপতি অসমলৈ আহিবলৈ সাহস নকৰিব।

গতিকে ইয়াৰ এটা আৰহাৱাৰ সৃষ্টি কৰক যাতে বেয়া নাপাব - অৱশ্যে মন্ত্ৰী সকলৰ ক্ষেত্ৰত বেলেগ কথা কিন্তু এজন বিধায়কে আন এজন বিধায়কৰ বিৰুদ্ধে কোৱাটো উচিত নহয় যদিও কবলৈ বাধ্য হৈছো। আমাৰ বিধান সভাৰ এজন বিধায়কৰ নাগৰিকত্বৰ সম্পৰ্কত দিস্পুট হৈছে। গতিকে এই বিষয়টো মুখ্য মন্ত্ৰীয়ে তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে নাই? মই এখন চিকিমৰ পৰা চিঠি পাইছো। আমাৰ এজন বাসিন্দা নেপালী বাসিন্দা। তেখেতে নেপালত ১০ লাখ টকাৰ সা-সম্পত্তি কিনা বুলি কাগজত পাইছিলো আৰু তাৰ সেই চিঠিৰ ফটোকপি এটা মোৰ হাতত আছে। ১৯৮৫ চনত চিকিমত তেওঁ তাৰ তালিকাত নাম ভৰ্ত্তি কৰিবলৈ লওতে তাৰ জনতা পাৰ্টিৰ প্ৰাৰ্থী এগৰাকীয়ে আপত্তি কৰাত সেইটো কৰিব নোৱাৰিলে। তাৰ পিছত তেওঁ অসমলৈ আহিল, অসমখনটো ৰাম ৰাজ্য আপোনালোকে জানেই গতিকে ইয়াত আমি ভোটাৰ তালিকাত নাম সোমাই দিলে, নাম নহয়। এজন বিধায়কে আন এজন বিধায়কৰ বিৰুদ্ধে কোৱা প্ৰটোকল নহয় কিন্তু আমি কাগজত পাইছো। মুখ্য মন্ত্ৰীয়ে এই বিষয়ে তদন্ত কৰা উচিত। তেখেতৰ দৰদৰ কি প্ৰয়োজন। তেখেতৰ দলত ৬৬ জন বিধায়ক আছে এতিয়া যেনিবা ৬৫ জন হ'ল তাৰ পৰা কি লোকচান হব। এইটো এটা উদাহৰণ হৈ থাকিব। বিদেশী হয় নে নহয় কব নোৱাৰো কিন্তু তদন্ত কৰাত কি আপত্তি আছে? ১৯৮৫ চনত নেপালত বসবাস কৰিছিল তাৰ প্ৰমানপত্ৰ আছে মই মুখ্য মন্ত্ৰীৰ জ্ঞাতাৰ্থে ফটোকপি এটা তেখেতৰ হাতত দিম।

এতিয়া উপাধ্যক্ষ মহোদয়, মই বড়োলেণ্ড সম্পৰ্কত দুটামান কথা কব বিচাৰিছো। এই সম্পৰ্কত এটা চেটেলমেন্ট লাগে, কিন্তু আপোনালোকে কৰা নাই। এইটো লৈ আপোনালোকে ৰাজনীতি কৰিছে। আমি শুনিবলৈ পাইছো এতিয়া আপোনালোকে বড়োলেণ্ড দিয়াৰ পিছত কেইবাটাও সৰু সুৰা ঘটনা হৈছে। যি মুলা বাঢ়ে দুপাততে চিন। আপোনালোকে কোনো নিৰাপত্তা দিব পৰা নাই। চৌধুৰী পৰিয়াল এটা চাৰিবছৰৰ আগতে কোকৰাঝাৰত আছিল। আজি দুবছৰৰ আগতে ককায়েকক মাৰিছে আৰু দুবছৰৰ পিচত এতিয়া ভায়েকক মাৰিলে। এতিয়া গোটেই পৰিয়ালটোৱে নিৰাপত্তাৰ অভাৱত এভেক্চন হৈ ফুৰিছে। এই চৌধুৰী পৰিয়ালটোক চৰকাৰে এতিয়াও নিৰাপত্তা দিব পৰা নাই। বড়োলেণ্ড কাউন্সিল কৰাৰ কাৰণে যিবোৰ ডাঙৰ ডাঙৰ সমাৰোহ পাতিছে তাত আমি ভাল পাইছো। কিন্তু আমি চাই আছো যে কিমানে আপোনালোকক চাৰাণ্ডাৰ কৰিছে। আত্মসমৰ্পণ মানি আমি আপোনালোকক ঠগোৱা নাইনে? এতিয়ালৈকে মাত্ৰ ১১ জনে আত্মসমৰ্পণ কৰিছে। এই ১১ জনৰ হাততহে অস্ত্ৰ - শস্ত্ৰ আছিল নে? মীমাংসা কৰিবলৈ আপোনালোকে একপক্ষ দৃষ্টিভন্দি ললে নহব। দুই পক্ষ হব লাগিব। এতিয়া ওদালগুৰিৰ

কবিৰালী নামৰ গাওঁত ১৮/২০ টা পৰিয়াল নাই। তেওঁলোক নিৰাপত্তা বিচাৰি মন্দ্বলদৈত আছেহি। তেওঁলোকক এতিয়া কোনে নিৰাপত্তা দিব? আন এটা কথা হ'ল বড়োলেণ্ড কাউন্সিলৰ ভিতৰত যিসকল নন্‌বড়ো আছে তেওঁলোককো নিৰাপত্তা পাবৰ কাৰণে কেইটামান ৰিজার্ভ চিট দিয়ক। মাত্র কেইজনমানক নমিনেচন কৰি আনিলে নহব। য'ত শতকৰা ৩০ ভাগ অনাবড়োলোক আছে তেওঁলোককো ইলেকচন কৰাৰ সুবিধা দিব লাগে। আমি চিন্তা কৰিছো মন্দ্বলদৈৰ সমস্যা। মন্দ্বলদৈৰ যিবিলাক এলেকা বড়োলেণ্ডৰ ভিতৰত পৰিছে আৰু তাত যি শতকৰা ৩০ ভাগ অনুসুচিত জাতিৰ লোক আছে তেওঁলোকৰ কাৰণেও একোটা ৰিজার্ভ চিত কৰি দিব লাগে। কাৰণ তাত বহুতো দুৰ্বল শ্ৰেণীৰ লোক আছে তেওঁলোকেও নিৰাপত্তা পাব লাগিব। গতিকে বড়োলেণ্ড কাউন্সিলৰ ভিতৰত য'ত শতকৰা ৩০ ভাগ নন্‌বড়ো মানুহ আছে তেওঁলোকক ৰিপ্ৰেজেন্ট কৰাৰ কাৰণে একোটা চিট ৰিজার্ভ কৰি দিয়ক। যাতে তেওঁলোকেও ৰাজনৈতিক ভাৱে কন্টেষ্ট কৰাৰ সুবিধা পায়। এনে ধৰণৰ সিদ্ধান্ত আপোনালোকে কিয় নলয়? আপোনালোকে এইটো কথা যদি খোলাখুলি ভাৱে গোটেই অসমৰ মানুহক কয় তেতিয়াহ'লে অসমৰ মানুহে আপোনালোকক বেয়া নাপায়। কাৰণ এইটো কথা সকলোৱে জানে যে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীৰাজেশ পাইলট আহি ৰাতাৰাতিৰ ভিতৰতে বড়োলেণ্ড অট'নমাচৰ কথা ইমপজ কৰিছে আৰু আপোনালোকে এই গোটেইবিলাক মানি লৈছে। এইকথা আপোনালোকে ৰাজহুৱা ভাৱে কৈ দিয়ক। কিন্তু আপোনালোকে নকয়। কাৰণ শ্ৰীৰাজেশ পাইলটৰ প্ৰতি আপোনালোকৰ মৰম আছে কিন্তু অসম ভাঙি যোৱাৰ ক্ষেত্ৰত আপোনালোকৰ মৰম নাই। অসম ৰক্ষা কৰাৰ কাৰণে মৰম আছে এইটো ভাল কাম কৰিছে। কিন্তু অসম ভন্দ্ব কৰি ৰক্ষাৰ ষড়যন্ত্ৰ কৰাত ভয়ৰ আৱশ্যক আছে। আজি আপোনালোকে কোনটো ধাৰামতে বড়োলেণ্ড কাউন্সিল দিবলৈকৈছে? আপোনালোকৰ দায়িত্ব ক'ত? কিমানখিনি এইটোত নিৰাপত্তা আছে? আজি নন্‌বড়ো মানুহ বিলাকৰ ক্ষেত্ৰত কি কৰিছে? এই গোটেই বিলাক মানুহৰ অৱস্থা কি হব? আজি নন্‌বড়ো মানুহ বিলাকৰ পৰা একেটা কথাই শুনি আছো ননবড়ো লোকৰ নিৰাপত্তা ক'ত? আপোনালোকে যিটো প্ৰভিজন ৰাখিছে 'পাৰ্টেনিং টু দি লেণ্ড এণ্ড লেংগুৱেজ' - এইটো ক'ত ৰাখিছে?

* ***শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ*** উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই যিটো কৈছে সেইটো 'আণ্ডাৰ আৰ্টিকুল ২০' ত আছে, 'অল ৰাইট পাৰ্টেইনিং টু দি লেণ্ড এণ্ড লেংগুৱেজ', স্পষ্টকৈ আছে।

---

* Speech not corrected

* ***শ্ৰীজয়নাথ শৰ্মা ঃ*** কিন্তু এইটোৱে কি মিনিং কৰিছে? যদি প্ৰকৃত অৰ্থত বুজাইছে তেতিয়া হলে ভাল কথা। কিন্তু এটা স্পষ্ট মিনিং হোৱা উচিত। কাৰণ আপোনালোকে জানেই আইনত শব্দবোৰ ঠিকমতে নাথাকিলে বহুত অৰ্থ হৈ যাব পাৰে। শব্দবোৰ ইফাল সিফাল হলে দিগদাৰ। গতিকে এইটোৰ দ্বাৰা আপোনালোকে অসম বিভাজন কৰাৰ কাৰণে সচাকৈ বীজ ৰূপন কৰিছে তেতিয়াহলে ইয়াৰ 'ৰেটিফিকেচন' আনক। আমি বড়োলেণ্ডৰ মানুহৰ অন্তৰত আঘাট নিদিও। তেওঁলোকৰ সমস্যা সমাধান হওক। তাত আমাৰ আপত্তি নাই। কিন্তু আজি তেজপুৰত কি হৈছে? ওদালগুৰিত কি হৈছে? আৰু বৰপেটা, নলবাৰীত কি হৈছে? সেইবিলাক জুকিয়াই চাওক। আমি কোনো ক্ষেত্ৰত মাইণ্ড এপ্লাই নকৰো। ৰাজনৈতিক স্বাৰ্থ ৰক্ষাৰ কাৰণে বহুত কিবাকিবি আপোনালোকে কৰিছে। অধ্যক্ষ মহোদয়, এইটো কথা আপোনাৰ অথৰিটিত হাত দিয়া নহয় যে আমি মন্ত্ৰী সকললৈ প্ৰশ্ন দিও, সেইটো বিধানসভাৰ পৰা পঠোৱা হয় আৰু তাৰ কিছুমানৰ উত্তৰ আছে কিন্তু কেতিয়াবা প্ৰশ্নোত্তৰ দিয়া যদি অসুবিধা হয় তেতিয়া হলে উত্তৰ নপঠায়। এইটো সাধাৰণ প্ৰশ্নৰ কথা কিন্তু যিটো আমি চৰ্ট নটিচ কুৱেচন দিওঁ সেইটোৰ উত্তৰ কিয় নাহে? সাধাৰণ প্ৰশ্নোত্তৰ পঠাবলৈ ১০ দিন সময় লাগে। কিন্তু আজি ১৫ দিনেও কিয় তাকৰীয়া প্ৰশ্নৰ উত্তৰ অহা নাই? আজি নিৰ্বাচনী আয়ুক্তই কি উত্তৰ দিয়ে নাজানো। কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে নিৰ্বাচনী আয়ুক্তই যিবিলাক গাইড লাইনটো ডিচ ৰিগাৰ্ডহে কৰিছে। এই সম্পৰ্কত কিবা প্ৰশ্ন সুধিলে উত্তৰ দিবলৈ ইচ্ছা নকৰে। ইচ্ছা নকৰাৰ কাৰণে বহু সময়ত পুলিচে মতিভেচন কৰে সেইকাৰণে আপোনালোকৰ এই বিলাক কাৰ্য্যত আমাৰ সন্দেহ আছে। আমি তেনে কাৰ্য্যক গৰিহনা দিওঁ। আপোনালোকে মাইন'ৰিটিৰ ক্ষেত্ৰত ১৯৯০ চনৰ যিটো ৰিভাইজড্ লিষ্ট তৈয়াৰ কৰিছে আৰু সেই সম্পৰ্কত নিৰ্বাচনী আয়ুক্তই যিবিলাক পইন্ট উল্লেখ কৰিছে সেই বিলাক ৰাজহুৱা ভাৱে প্ৰকাশ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আজি এই কাউন্সিল অৱ মিনিষ্টাৰৰ ক্ষেত্ৰত যিটো টকা ধৰিছে, সেইটো এটকালৈ হ্ৰাস কৰিব লাগে বুলি মই নকও, কলে আপোনালোকৰ চলাফিৰা বন্ধ হৈ যাব। যোৱাবাৰ যিটো টকা ধৰা হৈছিল এইবাৰ তাতকৈ ইমান বেছি টকা কিয় ধৰিব লগা হ'ল এইটো চিন্তা কৰিব লগীয়া বিষয়।

উপাধ্যক্ষ মহোদয়, সিদিনা মুখ্য মন্ত্ৰীয়ে সদনত কৈছে যে ৬০ জন মন্ত্ৰী তেখেতে কৰিব পাৰে। কিন্তু তেখেতে ৰুলিং পাৰ্টিৰ সদস্যৰ সংখ্যা কৈছে নে টোটেল সদস্যৰ কথা কৈছে সেইটো হলে কোৱা নাই। কিন্তু তেখেত সকলৰ পাৰ্টিৰ ফালৰ পৰা এক নীতি কৰিছে যে ১০ জন সদস্যৰ ভিতৰত এজন মন্ত্ৰী হব লাগে। এই হিচাবে চালে অসমে মন্ত্ৰী

মাত্ৰ ১০ জন মানহে পাব। সিদিনা ৬০ জন কৰিব পাৰো বুলি কৈছে। এতিয়া মন্ত্ৰী সভাৰ সদস্য সংখ্যা হৈছে ৩৯ জন। কালি বাতৰি কাকতত শ্ৰীজীৱ কান্ত গগৈ আৰু শ্ৰীনকুল দাস ডাঙৰীয়াৰ কিবা কথা ওলাইছে অৱশ্যে তেখেত সকলে ভয় খাব নালাগে। সেয়ে উপাধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে খৰচ ক'ত কমাব পাৰি কাউন্সিল অৱ মিনিষ্টাৰচ শিতানতে কমাব পৰা যায়। আপোনালোকে এইটো হেডটে কিছু টকা কাৰটেইল কৰক। গোটেই টকাটো কমাবলৈ কোৱা নাই, আপোনালোকৰ গাড়ীৰ কাৰণে যি অতিৰিক্ত খৰচ হয়, ইয়াত কমাওক। সিদিনা টেলিফোনৰ কথা কওতে মুখ্য মন্ত্ৰীয়ে টেলিফোনত কমাব নোৱাৰো বা বন্ধ কৰিব নোৱাৰো বুলি কৈছে। টি, এত কিছু খৰচ কমাওক - আপোনালোকে বেছিকৈ ফুৰা চকা কৰাটো কিছু কমাওক। বোম্বাই, দিল্লীলৈ যোৱাটো সঘনে যোৱাটো বন্ধ কৰক। এই ক্ষেত্ৰত নীতিগত ভাৱে এক সিদ্ধান্ত লওক। আৰু মই মাননীয় মুখ্য মন্ত্ৰীক এটা কথাৰ প্ৰতি অনুৰোধ কৰো তেখেতে যাতে তেখেতেৰ সাহাৰ্য্য পুজিৰ টকা সকলো সমষ্টিতে সমানে বিতৰণৰ ব্যৱস্থা কৰে। আৰু এটা কথাৰ প্ৰতি মই মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো সেইটো যদি আমি যদি কোনোবা মন্ত্ৰীৰ বিৰুদ্ধে কিবা কেলেংকাৰীৰ অভিযোগ উত্থাপন কৰো, মুখ্য মন্ত্ৰীয়ে যেন বিষয়টোৰ প্ৰতি আন্তৰিকতাৰে মনোযোগ দিয়ে আৰু আমাক তাৰ সদুত্তৰ দিয়ে। এইখিনি কথা কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***Mr. Dy. Speaker :*** Mr. Promode Gogoi to speak.

***Shri Promode Gogoi :*** Sir, I beg to move that the total provision of Rs. 135,52,000 under Grant No. 2 in respect of 'Council of Ministers' at pages 1-6 of Volume II, Part IV of the Budget be reduced to Rs. 135,52,000 do stand reduced to Rs. 100.

উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কাউন্সিল অৱ মিনিষ্টাৰৰ ক্ষেত্ৰত মই কেৱল তিনিটা কথাহে বা বিষয়ৰ ওপৰতহে কিছু বক্তব্য উত্থাপন কৰিব খুজিছো। যোৱা বছৰৰ পৰা এতিয়ালৈকে এই ১ বছৰৰ ভিতৰত মন্ত্ৰী পৰিষদৰ যি কাৰ্য্য কালাপ হৈছে সেই কাৰ্য্যকালাপে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত, ৰাজ্য খনৰ দুৰ্নীতি নিবাৰণৰ ক্ষেত্ৰত চৰকাৰে কিমান সফলতা লাভ কৰিছে বা কৰিব পাৰিছেনে নাই সেইটো নিজেই বিচাৰ কৰি চালেই হব। আজি এইটো আমি বিচাৰ কৰিব লাগিব মন্ত্ৰী পৰিষদক টকা দিয়াৰ ক্ষেত্ৰত। আমাৰ ৰাজ্যখনত ১২৬ জন সদস্য আছে। এনে এখন সদনত ৩৯ জন মন্ত্ৰীৰ প্ৰয়োজন আছেনে নাই? আৰু দুজন সদস্য লোৱা হব, তেতিয়া মন্ত্ৰীৰ সংখ্যা ৪১ জন হব -ইয়াৰ প্ৰয়োজন আছেনে? ৬০ জনীয়া মন্ত্ৰী পৰিষদৰ প্ৰয়োজন

আমাৰ আছেনে নাই আজি এইটো বিচাৰ কৰি চাব লাগিব। ইতিমধ্যে আমাৰ মুখ্য মন্ত্ৰীয়ে অৰুণাচল প্ৰদেশ, মিজোৰাম, নাগালেণ্ড, মেঘালয় আদি ৰাজ্যত কিমান মন্ত্ৰী আছে তাৰ এক উল্লেখ কৰিছে। এইবোৰ ৰাজ্যত সদস্যৰ তুলনাত মন্ত্ৰীৰ সংখ্যা বেচি এইটো নুই কৰিব নোৱাৰি। কিন্তু আমি সেইটোকে মডেল হিচাবে গ্ৰহন কৰিম নেকি? আজি যদি আমি মনিপুৰ ৰাজ্যলৈ যাও তেন্তে দেখিম যে বিৰোধী পক্ষৰ তিনিজনৰ সদস্যৰ চি, পি, আইৰ ৩ জন আৰু কুকি নেচনেল কাউন্সিলৰ এজন সদস্যৰ বাদে বাকী সকলোবোৰেই মন্ত্ৰী হৈছে। তাত এইটো হবই কিয়নো তাত ৰুলিং পাৰ্টিৰ সংখ্যা গৰিষ্ঠতা নাই। গতিকে নিৰ্দ্দলীয় সদস্যক মন্ত্ৰী সভাত অৰ্ন্তভূক্ত কৰিবই লাগিব। এইটো আমাৰ কাৰণে ভাল আদৰ্শ হব পাৰে বুলি ভবাটো উচিত হবনে? ইতিমধ্যে ভাৰতৰ ৰাজ্য বোৰত মন্ত্ৰী সভা গঠন সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে ১:১০ নীতি গ্ৰহন কৰিব লাগে বুলি কৈছে। অৰ্থাৎ ১০ জন সদস্যৰ ভিতৰত এজন মন্ত্ৰী হব লাগে। পুৰণি অসমত কিন্তু ইমান ডাঙৰ মন্ত্ৰী সভা নাছিল। তেতিয়া কিন্তু উত্তৰ পুৰ্বাঞ্চলৰ ৬ খন ৰাজ্যই অসমৰ লগত আছিল। অসমত প্ৰথম যেতিয়া মন্ত্ৰী সভা গঠন কৰা হৈছিল তেতিয়া কিন্তু ইয়াৰ সদস্যৰ সংখ্যা মাত্ৰ ৯ জন আছিল। তেতিয়া কিন্তু বৃহত অসম আছিল আৰু এতিয়া অসম ভাগ ভাগ হৈ ক্ষুদ্ৰ অসম হল। সেই তেতিয়া ৯ জন সদস্যৰ মন্ত্ৰী সভাই যিমান কাম কৰিছিল এতিয়া ৩৯ জন মন্ত্ৰী হৈ কৰা কাম কাজৰ গতিগোত্ৰ কিবা বিশেষ সফলতা লভিছে বুলি কব নোৱাৰি। উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান অসমত বিভিন্ন কাৰণত মন্ত্ৰী সভাৰ সদস্যৰ সংখ্যা কিছু পৰিমাণে বৃদ্ধি কৰিব লগীয়া হব পাৰে। কিন্তু ৰাজ্যৰ এনে এক আৰ্থিক অৱস্থাত এনে এখন বৃহত মন্ত্ৰী সভা গঠনৰ কোনো প্ৰয়োজন নাছিল। আৰু এনে এক বৃহত মন্ত্ৰী সভা গঠনৰ দ্বাৰা আমাৰ ৰাজ্যৰ ৰাজহৰ এক বৃহত অংশ মন্ত্ৰী সকলৰ ভৰণ-পোষণ, ভ্ৰমণ বানচ, তেখেত সকলৰ চিকিউৰিটিৰ বাবদ আদিত খৰছ কৰিবলগীয়া হৈছে। সেয়ে মই কও আমাৰ অসমৰ ৰাজ্যৰ কাৰণে এনে এখন বৃহত মন্ত্ৰী সভাৰ কোনো প্ৰয়োজন নাছিল। অৱশ্যে এই মন্ত্ৰী সভা কমোৱাৰ সম্ভাৱনা বৰ্ত্তমান নাই বৰং ই আৰু বৃদ্ধিহে হব পাৰে। শাসকীয় দলৰ এই বৃহত আকাৰৰ মন্ত্ৰী সভাখন নীতিগত ভাৱে সঠিক বুলি কব নোৱাৰি। ৰাজ্যখনৰ বৃহত স্বাৰ্থৰ খাতিৰতে ইমান ডাঙৰ মন্ত্ৰী সভাৰ সম্প্ৰসাৰণৰ প্ৰয়োজন নাছিল। দ্বিতীয় কথা উপাধ্যক্ষ মহোদয়, সদনত আমি সদস্য সকলে আলোচনা কৰিছিলো, মুখ্য মন্ত্ৰীয়ে স্বীকাৰো কৰিছিল যে বিভাগীয় কেলেংকাৰীত জড়িত টকাৰ পৰিমাণ প্ৰায় ২০০ কোটি টকা হব বুলি আৰু এতিয়া ওলাইছে এই কেলেংকাৰীৰ টকা ৪০০ কোটি টকা হব বুলি। কেৱল ভেটেৰীনেৰী বিভাগৰে এনে কেলেংকাৰীৰ টকা ৭০ কোটি টকা হব বুলি মুখ্য মন্ত্ৰীয়ে কৈছে। এতিয়া

---

* Speech not corrected

গম পোৱা যে জল পৰিবহণ বিভাগৰ ৩০ কোটি টকাৰ কেলেংকাৰীৰ কথা। গড়কাপ্তানি বিভাগে ২০ কোটি টকা এল, অ', চি নোহোৱাকৈয়ে খৰচ কৰিছে। অনান্য বিভাগতো এনে দূর্নীতি হৈছে।

উপাধ্যক্ষ ডাঙৰীয়া, এই চৰকাৰৰ দিনত ইমান এটা বিত্তীয় কেলেংকাৰী কিয় হ'ল? সদনে সেই কথা বিবেচনা কৰা উচিত। অসমৰ যিটো সংসদীয় গণতন্ত্র সেইমতে আজি পৰ্য্যন্ত ইমান ডাঙৰ এটা কেলেংকাৰী হোৱা নাই। য'ত ৰাজহৰ চাৰিশ কোটি টকা অপচয় হব পাৰে। এল, অ', চি নোহোৱাকৈ খৰচ কৰিব পাৰে। এসময়ত এই সদনতে মোৰ চনটো ঠিক মনত নাই, খুব সম্ভৱ ১৯৬৭-৬৮ চনত হব কিজানি, এনেকৈ এটা কেলেংকাৰীৰ অভিযোগ সমবায় বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামীৰ বিৰুদ্ধে সদনত তদন্ত হৈছিল আৰু তেখেতে পিচত পদত্যাগ কৰিবলগীয়া হল। বৰ্ত্তমানৰ এই কেলেংকাৰীৰ লগত কোন জড়িত সেইটো কথা কবলৈ নাযাও কিয়নো মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেখেতে তদন্ত কৰিব। কিন্তু ইমান এটা বৃহত কেলেংকাৰী সদন কমিতিয়ে কিয় তদন্ত কৰিব নোৱাৰে? ভাৰতবৰ্ষত যিটো চিকিউৰিটি স্কেম হ'ল সেইটো চি, বি, আইয়ে তদন্ত কৰাৰ উপৰিও ভাৰত চৰকাৰে সদন কমিতি কৰিবলৈ ৰাজী হ'ল আৰু সদন কমিতিয়ে তদন্ত চলাই আছে আৰু বাকী মন্ত্ৰী বিলাক যি বিলাক জড়িত বুলি পায় সেই সকলোৰো সাক্ষ্য লব। খুব সম্ভৱ অহা মাহত সদন কমিতিয়ে প্ৰতিবেদন দাখিল কৰিব আৰু আমি গম পাম কোন কোন জড়িত আৰু কোন আছে। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আমি বিচাৰিছো চৰকাৰে বিভাগীয় তদন্ত কৰাৰ লগে লগে এই বিষয়টো যিহেতু ৰাজহৰ ধনৰ প্ৰায় চাৰিশ কোটি টকা জড়িত আৰু তদন্ত হলে হয়তো দেখা যাব এই এহাজাৰ কোটি টকাও হব পাৰে তাত আচৰিত হবলগীয়া একো নাই। আমাৰ বাজেটৰ ধনৰ মুঠ প্ৰায় ছয় হাজাৰ কোটি টকাৰ ভিতৰত এক হাজাৰ কোটি টকাই যদি এনেধৰণে অপচয় হয় তেতিয়া হলে ৰাজ্য খনৰ উন্নয়ণ কেনেকৈ চলিব? ৰাজ্য খনৰ প্ৰশাসন কেনেকৈ চলিব? সেই কাৰণে এই বিত্তীয় কেলেংকাৰীৰ এটা নিৰপেক্ষ তদন্ত কৰা একান্ত প্ৰয়োজন। আৰু সেই তদন্তৰ প্ৰতিবেদনৰ কাৰণে যদি লোক সভাত সদনত কমিটি কৰি দিব পাৰে তেনে হলে আমাৰ ইয়াতো এটা সদন কমিটি গঠন যদি কৰা হয় আৰু সেই সদন কমিটিক সম্পূৰ্ণ অধিকাৰ দিয়া হয় যে যি বিলাক ইয়াৰ লগত জড়িত যি কোনো বিষয়া বা যি কোনো মন্ত্ৰীয়েই হওক তেওঁলোকক তদন্ত কৰি সাক্ষ্য লোৱাৰ অধিকাৰ সেই কমিটিক দিয়া হওক যেনেকৈ চিকিউৰিটি স্কেম তদন্ত কৰাৰ কাৰণে সংসদীয় কমিটিক অধিকাৰ দিয়া হৈছিল।

উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান মন্ত্ৰীসভা, ৰাজ্যপালৰ ভাষণ আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াৰ

বক্তৃতাতো কৈছে যে চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি বিলাক পালন কৰিব। সেই বিষয়ে আমাৰ কথা আমি কবলৈ নাযাওঁ কিন্তু যোৱা ২৪ মাৰ্চত শাসক দলৰ কিছুমান সদস্যই প্ৰধানমন্ত্ৰীক লগ পাই এখন স্মাৰক পত্ৰ দিছে। সেই স্মাৰক পত্ৰখন আমি দেখা নাই কিন্তু স্মাৰক পত্ৰত যি বিলাক কথা বাতৰি কাকতত প্ৰকাশ পাইছে, আমি ২৮ মাৰ্চৰ আজিৰ বাতৰি কাকতত প্ৰকাশ পোৱা কথা পঢ়ি দিব বিচাৰিছো "বিসম্বাদীৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে ৰাওৰ স্থিতিৰ ওপৰত" শীৰ্ষক বাতৰিত "প্ৰধান মন্ত্ৰীৰ হাতত দাখিল কৰা স্মাৰক পত্ৰখনত বিসম্বাদী বিধায়কসকলে কৈছে যে বিগত ২১ মহীয়া কাৰ্য্যকালত ৰাজ্য চৰকাৰখন নিজৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি সমূহ ৰক্ষা কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে"।

উপাধ্যক্ষ ডাঙৰীয়া আমি কলে হয়তো কব যে বিৰোধী পক্ষই কৈছে কিন্তু এই স্মাৰক পত্ৰখন যি সকলে দিছে সেই সকল শাসক গোষ্ঠীৰ। অন্যহাতে আজিও সদস্য আৰু অন্যক দিয়া নাই কংগ্ৰেছ সভাপতিকো দিয়া নাই আৰু প্ৰধানমন্ত্ৰীক পত্ৰখন দিছে। আজি তেখেতসকলৰ দলৰ মাজত প্ৰধান মন্ত্ৰী যেতিয়া দুৰ্নীতিৰ পৰা যদি দলে কোৱা বুলি কব পাৰে কিন্তু স্মাৰক পত্ৰখনৰ কথা কাগজত প্ৰকাশ হোৱা মতে এইটো কথা কৈছো যে উক্ত বাতৰি কাকততে একেই শীৰ্ষক বাতৰিৰ আন এঠাইত লিখিছে "আনহাতে যোৱা ডিচেম্বৰ মাহত নগাওঁ আৰু ধুবুৰীৰ সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰাত চৰকাৰ ব্যৰ্থ হোৱা জনৈক মন্ত্ৰী প্ৰাগবছিমি কেলেংকাৰীত জড়িত থকা পশুপালন বিভাগত ভূৱা এল, অ', চি দাখিলৰ জৰিয়তে ধন আত্মসাত আদিয়ে চৰকাৰৰ ভাৱমূৰ্ত্তি তেনেই ম্লান কৰিছে। ইয়াৰ বাহিৰেও বন বিভাগ, পথ যাতায়ত আৰু গ্ৰাম্য উন্নয়ণ বিভাগৰ কেইবাকোটি টকা কেলেংকাৰীত মুখ্য মন্ত্ৰী প্ৰত্যক্ষ ভাৱে জড়িত থকাৰ অভিযোগ বিসম্বাদী সকলে উত্থাপন কৰিছে। যিহেতু মুখ্য মন্ত্ৰীও জড়িত আছে কাজেই সেই বিলাক কাগজত ওলোৱা মতে প্ৰধান মন্ত্ৰীয়ে তদন্ত কৰিব। সেইটো তেখেত সকলৰ ভিতৰুৱা কথা। শাসক দলৰ কংগ্ৰেছৰ মানুহে কি তদন্ত কৰে জানিব নোৱাৰো আৰু জনাৰ কাৰণে চেষ্টাও নকৰো কিন্তু সদনত আমি এই কথা আমি জানিব পাৰিছো যে শাসক দলৰ কিছুমান সদস্যই লিখিত ভাৱে প্ৰধানমন্ত্ৰীৰ ওচৰত চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনিছে। কংগ্ৰেছক যদি দিলেহেতেন তেনেহলে কবলগীয়া নাছিল কিন্তু স্বয়ং প্ৰধান মন্ত্ৰীক দিছে আৰু অসম মন্ত্ৰী পৰিষদৰ বিৰুদ্ধে দিছে গতিকে সেই বিলাক জনাৰ আমাৰ অধিকাৰ আছে। যদি কংগ্ৰেছ সভাপতিক দিলেহেতেন তেনেহলে আমাৰ কব লগীয়া নাছিল কিয়নো তেখেত সকলৰ দলৰ কথা যি তদন্ত কৰে কৰিব পাৰে কিন্তু এই ক্ষেত্ৰত সেইটো নহয় সেই কাৰণে আমি এই কথা বিলাক আমাক জনাব লাগে। সেই অভিযোগ বিলাক সম্পূৰ্ণ চৰকাৰৰ বিৰুদ্ধে

গতিকে সদনে সেইটো জানিবৰ অধিকাৰ আছে। সেই কাৰণে সেই কথা বিলাক সোপা হৈ থকা নাই আৰু নানা বাতৰি কাগজত প্ৰকাশ পাইছে। আজিৰ বাতৰি কাকতত আৰু ওলাইছে। এইখিনি আজিৰ বাতৰি নামৰ কাকতত ফটোষ্টেট কৰি কৰি প্ৰকাশ হৈছে। আজিৰ বাতৰি কাকতৰ ২৯ মাৰ্চ সংখ্যাত "গোৱালপাৰা পশুপালন বিভাগত ত্ৰিশ কোটি টকাৰ ভূৱা এল, অ, চি" শীৰ্ষক বাতৰিত পঞ্চায়ত বিভাগৰ কোটি টকীয়া কেলেংকাৰীত ৰাজ্যিক মন্ত্ৰী জনা জড়িত আৰু আনকি মুখ্য মন্ত্ৰীও প্ৰত্যক্ষ ভাৱে জড়িত বুলি প্ৰকাশ পাইছে। আগতে আমি আগৰ অভিযুক্ত মন্ত্ৰী জনাৰ কথা কৈছিলো কিন্তু এতিয়া আমাৰ ৰাজ্যিক পঞ্চায়ত মন্ত্ৰীৰ বিৰুদ্ধেও অভিযোগ উত্থাপিত হৈছে। এই বিলাক কথা হয়নে নহয় সদনত জনোৱা উচিত। তদন্ত হোৱা উচিত আৰু যিবিলাক পঞ্চায়ত বিভাগৰ চাইন বোৰ্ড কিনা হৈছে ফাইল বাকচ আদি কিনা হৈছে সেই বিলাকৰ লগত মুখ্য মন্ত্ৰীও জড়িত বুলি কোৱা হৈছে যে তেখেতৰো ৰিকমেণ্ডেচন আছিল। গতিকে বৰ্ত্তমান মন্ত্ৰী পৰিষদৰ যিটো ভাৱমুৰ্ত্তি এই মন্ত্ৰী পৰিষদক গোটেই ৰাজ্য খনৰ ছয় শ কোটি টকাৰ দায়িত্ব দিয়া হৈছিল সেই মন্ত্ৰী পৰিষদখনে সামগ্ৰিক ভাৱে বা মন্ত্ৰী সকলে গাইগুটিয়া ভাৱে যদি এনেদৰে অপচয় কৰে সেই খিনি কৰাৰ পিচত এই মন্ত্ৰী সভাই পুনৰ ইমান টকা খৰছ কৰিবলৈ বিচাৰে দিয়াতো উচিত হয় নে নহয় বাৰু?

সেই কাৰণে মই কব খোজো যে বিশেষকৈ ৰাজ্য খনৰ প্ৰশাসন যন্ত্ৰটো ভাল হব যদিহে মন্ত্ৰী সভাৰ ভাৱ মুৰ্ত্তী ভাল হয়। কিন্তু বৰ্ত্তমান মন্ত্ৰী সভাখন কিছুমান কেলেংকাৰীত সোমাই পৰিছে। তেখেত সকলৰ নিজৰ সদস্য সকলেই প্ৰধান মন্ত্ৰীৰ ওচৰত অভিযোগ আনিছে আৰু যিবিলাক অভিযোগ বাতৰি কাকতত প্ৰকাশিত হৈছে সেই বিলাকে মন্ত্ৰী পৰিষদৰ ভাৱমূৰ্ত্তী জন মানসত আৰু ম্লান কৰি পেলাইছে। ইয়াৰ প্ৰভাৱ প্ৰশাসনৰ ওপৰতো পৰিব। সেই কাৰণে মই এই কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি কব খুজিছো যে মন্ত্ৰী পৰিষদৰ কাম কাজ বিলাক সন্দেহৰ ওপৰত থাকিব লাগে আৰু মন্ত্ৰী পৰিষদৰ ভাৱমূৰ্ত্তী যিমানেই ভাল হব ৰাজ্য খনৰ প্ৰশাসন যন্ত্ৰটোও সিমানেই ভাল হব আৰু তাৰ লগে লগে ৰাজ্য খনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ যিমানেই কৃতকাৰ্য্য হব তেখেত সকলৰ ভাৱমূৰ্ত্তী সিমানেই ভাল হব। সেই কাৰণে এই কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি এই কেইটা বিষয় উৎথাপন কৰিলো আৰু মই আশা ৰাখিছো মুখ্য মন্ত্ৰীয়ে যেতিয়া উত্তৰ দিব তেতিয়া এই কথা কেইটা যেন স্পষ্ট কৰি দিয়ে। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উৎথাপন কৰিলো। ধন্যবাদ।

***Shri Chittendra Nath Majumdar :*** Sir, I beg to move that

the total provision of Rs. 135,52,000 under Grant No. 2 in respect of "Council of Minister" at pages 1-6 of Volume II, Part IV of the Budget be reduced to Re. 1.00 i.e., the amount of the whole grant of Rs. 135,52,000 do stand reduced to Re. 1/-.

মহোদয়, মন্ত্রী সভার জন্য বাজেটের কাটমোশনের উপর আজ সদনে যথেষ্ট আলোচনা করা হয়েছে। আমি মনে করি যে আসাম রাজ্যের যে অর্থনৈতিক অৱস্থা সেই অৱস্থায় এই মন্ত্রীসভার এই রকম বিশাল সম্পসারণ যুক্তি সন্দ্বত হয় নি। বিশেষ করে সরকার যখন কর্মচারীদেরে মেডিকেল এলাউন্স অর্থাভাৱে সময়মত দিতে পারেন নি। মুখ্য মন্ত্রী তো তা ভাল ভাৱেই জানেন। সরকারী অর্থের এই পদ্ধতিতে ব্যয় হলে তো রাজ্যের ডেভেলাপমেন্ট ওয়ার্ক হবে না। কারণ এই মন্ত্রী সভাকেই তো রাজ্যের বিভিন্ন বিভাগে টাকা বন্টন করতে এবং খরচ করার পদ্ধতি নির্দ্ধারণ করতে হবে। বিশেষ ভাবে আমি বলতে চাই যে মন্ত্রীদের এতো ট্যুর প্রগ্রাম নিয়ে গ্রামে গঞ্জে বেশ আলোচনা হয়। প্রায়েই পত্র-পত্রিকাই দেখা যায় যে ৫০/৬০ হাজার টাকায় নির্মিত এ স্কুল ভবন উৎঘাটন করার জন্য মন্ত্রী মহোদয়কে নিমন্ত্রণ করা হয়েছে। সেই সব অনুষ্ঠানে ২০০/৩০০ লোকের ভোজনের ব্যৱস্থা করা এবং অন্যান্য ব্যয় অত্যন্ত বেশী হয়। কারণ মন্ত্রী যেখানেই যান একদল সরকারী অফিচার তাকে তুষ্ট করার জন্য তার পিছনে যান। ফলে খরচ বাড়ে। ডেভেলাপমেন্ট ওয়ার্ক সাফার করে এবং সাধারণ মানুষ ঐসব অফিসারদের সার্ভিস পায় না। তাছাড়া, এই টাকাগুলো কোথা থেকে আসে? এই সদনে আজ ৪০০ কোটি টাকায় এল. অ'. সি. কেলেংকারীর কথা উঠেছে। এই টাকাগুলোতো এভাবেই খরচ হয়েছে। ফলে সাফার করেছে ডেভেলাপমেন্ট ওৱার্ক। উপাধ্যক্ষ মহোদয়, আপনি এষ্টিমেট কমিটীর চেয়ারমেন ছিলেন। আমরা মেম্বার হিসাবে আপনার সন্দে বিভিন্ন যায়গায় বিভিন্ন বিভাগে গিয়েছি। কিন্তু একটাও বিভাগ পাইনি যেখানে টাকা পয়সা সঠিক ভাৱে খরচ হয়েছে। প্রত্যেকটা বিভাগের গাফিলাতির জন্য খরছের বহর বেড়েছে। আপনি নিজে জানেন দুর্নিতি প্রত্যেকটা বিভাগে ছেয়ে গেছে। একেবারে স্বাস্থ্য বিভাগ থেকে পশুপালন বিভাগ পর্যন্ত। এই দুর্নিতি যদি বন্ধ করা না হয় তাহলে কেবল মন্ত্রীর সংখ্যা বাড়িয়ে কি হবে? মুখ্য মন্ত্রী মহোদয় সদনে বলেছেন যে মন্ত্রী সভায় ৬০ জন নিলেও বেশী হবে না। ঠিক আছে, দুর্নীতি বন্ধ করতে পায়লে আমাদের এতে আপনি থাকবে না। যদি সরকারী টাকায় ব্যয় করার প্রতিশ্রুতি আমাদের দেন বাজেটের টকাতো কেবল ভ্রমণ ভোজ ইত্যাদির জন্য নয়।

✳ Speech not corrected

*(Mr. Speaker occupied the Chair)*

মহোদয়, আপনি জানেন যে আজ কয়েকদিন যাবৎ সে নসাসের বরখাস্ত কর্মীরা যাদের সরকার আগে প্রতিশ্রুতি দিয়েছিল যে তাদের স্থায়ী নিয়োগের ব্যৱস্থা করা হবে। এইসব কর্মচারীরা আজ হতাশ হয়ে গত ২৩ তারিখ থেকে জনতা ভবনের সামনে অনশন করেছে। এর জন্য ৬/৭ জনকে সংকট অৱস্থায় মেডিকেল কলেজে ভর্তি করা হয়েছে। অন্যদিকে শিক্ষকরাও অনশন করছে। আমি অনুরোধ করার যে এই বাজেট থেকে টাকা কর্তন করে এদের সমস্যায় সমাধাণের জন্য ব্যয় করা হউক। মন্ত্রীদের টুর্য়ের খরছ মান্থলি ফিক্স করে দেওৱা হউক। এতে বেশ কিছু টাকার সাশ্রয় হবে। সবাই জানে যে মন্ত্রীরা যখন কোনেও যায়গার যান তখন সেখানে এক আলোড়ণ সৃষ্টি হয়। তার মূল কারণ জনহিতকর নয়, কেবল মন্ত্রীকে সন্তুষ্ট করার জন্য যায় শতকরা ৫০ ভাগ যায় দালাল। আশাকরি মাননীয় মন্ত্রীরা নিশ্চয়ই এটা উপলব্ধি করেছেন। তাই আমার অনুরোধ মন্ত্রী সভায় যারা রয়েছেন তারা যেন রাজ্যের হিতার্থে কাজ করেন। সুতরাং নিজেদের জন্য যাতে অযথা সরকারী অর্থব্যয় না হয় সে দিকে দৃষ্টি রেখে মন্ত্রীরাই নিজেরা যাতে খরচ কার্টেল করেন আমি এ আশা রেখে এই কর্তণ প্রস্তাব সমর্থন করে বক্তব্য শেষ করছি।

***Mr. Speaker :*** Now Honourable Member Shri Badan Barua.

***শ্ৰীবদন বৰুৱা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তন প্ৰস্তাৱ আনিছো। ৰাজ্যখনৰ বিত্তীয় অৱস্থা সংকটাপন্ন, সেইটো সাম কটাৰ কাৰণে আমি কৰ্ত্তন প্ৰস্তাৱ আনিছো। অৰ্থনীতি বিদ সকলে গোটেই দেশৰ অৰ্থনীতি চাৰিটা খুটাৰ (পিলাৰ) ওপৰত থাকে। তাত কৈছে যে প্ৰথমটো হৈছে ৰাজ্যত যদি দূৰ্নীতি হয় সেইটো যিমান দূৰ পৰা যায় কোভাৰেজ কৰিব লাগে। তাৰ পিচত আৰু এটা খুটাৰ কথা কৈছে, যিটো কৰকাটলৰ ক্ষেত্ৰত যিমান দূৰ পৰা যায় কমাব লাগে। তৃতীয়টোৰ ক্ষেত্ৰত কোৱা হৈছে যে ওৱাচফুল খৰছ কমাব লাগে। বেছি টকাৰ আৱশ্যক নহয়, যিখিনি আছে সেই খিনিৰে হয়। চতুৰ্থটো খুটাৰ কথা কৈছে যিবিলাক টকা বিনিয়োগ কৰা হয় আমি যাতে তাৰ পৰা মুনাফা পোৱা হয় তেনে ধৰণে খৰছ কৰিব লাগে। প্ৰথম খুটাটোৰ বিষয়ে আমাৰ কৰ্ত্তন প্ৰস্তাৱক সকলে কি ধৰণে ভ্ৰষ্টাচাৰ হৈছে তাক কৈছে। দ্বিতীয়টোত কৰ কাটলৰ ক্ষেত্ৰত কৈছে যি ধৰণে ধন আদায় হব লাগে তেনে ধৰণে নহয়। নতুন বিত্ত মন্ত্ৰীয়ে চেলচ টেক্স বঢ়ালে, সেইখিনি যথেষ্ট ভাল হোৱা বুলি ভাবিছে। কিন্তু কৰ কাটলৰ ক্ষেত্ৰত কিছুমান পন্থা আমি লব লাগিব। যি বিলাক কৰ কাটল আদায় নহয় সেই বিলাক আদায় কৰিব লাগে। কৰ

কাটলৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডই ফাকি দিয়ে। কৰা কাটল যি সকলে দিয়ে তেখেত সকলক সদায় বিশ্বাসত নাৰাখে। কৰ দিব খোজা সকলৰ লগত তালাপি কৰোতে যায়, কৰ ভাগ হয়। এই ক্ষেত্ৰত যাতে এনে এটা ব্যৱস্থা কৰা হয়। এই পদ্ধতি অন্যান্য ঠাইত হৈছে। বিশেষকৈ উত্তৰ প্ৰদেশত তেনেকুৱা ব্যৱস্থা কৰা হৈছে। কৰ কাটলৰ পৰা ৰাজ্যৰ ৰাজহ আহে, ইয়াত ৮/১০ লাখ টাকৰ ব্যৱসায় বছৰি হয়, তেওঁলোকে নিজৰ কৰি লয়। এনেকৈ আমাৰ টকা বিলাক অপচয় হয়, ইয়াৰ ফলত বহুত আয় কমি যায়।

অধ্যক্ষ মহোদয়, পি, ডবলিউ, ডি,ৰ ক্ষেত্ৰত মই জেনেৰেলাইজ কৰিব খোজা নাই। পি, ডবলিউ, ডি,ৰ বেছিভাগ অভিযন্তাৰ ঘৰ বিলাক ওপৰৰ ফালে গৈ থাকে, এই ঘৰ বিলাক বন্ধাৰ বাবে টকা কৰ পৰা আহে? এই ক্ষেত্ৰত বিভাগীয় মূৰব্বী সকলক আদি কৰি মন্ত্ৰীকো সন্তুষ্ট কৰি ৰাখিব লাগে। ইয়াৰ বাবে বহুত খিনি পইচা খৰছ হয়। মই জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়াক উদ্দেশ্য কৰি কব খুজিছো, আজিকালি দীপ টিউবওৱেল বহুওৱা হয়। তাত পাক্কা থাকে, কিন্তু সেই বিলাক ভাল কৰিবলৈ ওৱৰ্কশ্বপ নাই। আনহাতে সেই বিলাক ওৱাৰ্কশ্বপ মটৰ ভাল কৰে, কিন্তু পাম্প ভাল কৰাৰ সৰঞ্জাম নাই। মই ভাবো এই বিলাক অপচয় হৈছে। এতিয়া মই চতুৰ্থ খুটাটোলৈ আহিছো, সকলো ইনভেষ্ট হয়, প্ৰডাক্টিভ হয়। আমি দেখিছো মন্ত্ৰী সকলে প্ৰায়ে ভ্ৰমণত যায়। আনকি বিয়া সবাহ হলেও ভ্ৰমণ দেখুৱায়, নাজিৰাত বিয়া হ'ল, সকলো মন্ত্ৰীয়ে ভ্ৰমণ সূচী ললে। তেওঁলোকে ভ্ৰমণসূচী ললে খৰছ হয়। এই বিলাক পাবলিক মানী। এই বিলাক অপচয় বুলি নকৈ আন প্ৰডাকশ্বনৰ নামত ব্যৱহাৰ কৰা হৈছে। এই খিনি কৈয়ে কৰ্ত্তন প্ৰস্তাৱটো বাহাল ৰাখিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Mr. Speaker :* All the Honourable Members completed the discussion. Now Mr. Kokheswar Barua.

***শ্ৰীকোখেশ্বৰ বৰুৱা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলৰ সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে তাৰ বিৰুদ্ধে মই কব খোজো চৰকাৰ এটা চলালে যি খৰছ ওলাই, মন্ত্ৰীও সৰহ কে ললে, এনেকুৱা ক্ষেত্ৰত খৰছ লাগিব। কিন্তু এই টকা বিলাক অপচয় হব নেলাগে। এই কথাটো মাননীয় বিৰোধী দলৰ সদস্য সকলেও কব আৰু আমিও কম অপচয় হব নেলাগে। কাৰণ আমাৰ পইচা তেনেকুৱাকৈ নাই। অপচয় হোৱাটো অনুচিত। কিন্তু দেশখন চলাব লাগিবই যেতিয়া মন্ত্ৰী সভাখন বহল হলে

* Speech not corrected

খৰছ লাগিবই, এইটো কৰ্ত্তন প্ৰস্তাৱ আনি এতিয়া লাভ নাই। মই ভাবো এই কৰ্ত্তন প্ৰস্তাৱ উঠাই লব লাগে। এই প্ৰস্তাৱত যি খিনি টকা ধৰা হৈছে সেই খিনি মঞ্জুৰ কৰিব লাগে। আজি দেশত শান্তি স্থাপন হল, উন্নয়ণৰ দিশত কিছু টকা ধাৰ্য্য কৰা হৈছে। এই খিনি নিয়ম মতে খৰছ কৰিব লাগে। উন্নয়ণ মূলক কাম ৰূপায়ণ কৰিবৰ কাৰণে মন্ত্ৰী সকল অলৈ তলৈ গৈ কাম চাব লাগিব সেই কাৰণে খৰচ বাঢ়িব। এইটো বেচি বুলি নাভাবি যদি কৰ্ত্তন প্ৰস্তাৱ নাকচ কৰে তেতিয়া হলে চৰকাৰ চলিবলৈ সুবিধা হব। সেই কাৰণে মই আশা ৰাখিছো কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈ মঞ্জুৰীৰ ১ কোটি ৩৫ লাখ ৫২ হেজাৰ টকা যি বিচৰা হৈছে সেই খিনি গ্ৰহণ কৰিব লাগে। আমাৰ ইয়াত যি খিনি সমালোচনা আগবঢ়োৱা হৈছে, সেই সমালোচনা খিনি পল'চি ভিত্তিত হোৱা নাই। সেইটো নিয়ম ভিত্তিত হব লাগে। বাতৰিৰ কথামতে সমালোচনা কৰিলে নিয়ম ভিত্তিত হৈছে বুলি কব নোৱাৰি। বাতৰি বা অন্যান্য ঠাইত যি বিলাক কথা ওলাইছে সেই বিলাকৰ ওপৰত ভিত্তি কৰি সেই খিনিক গুৰুত্ব নিদি প্ৰস্তাৱ উত্থাপন কৰিছে মই তাৰ বিৰোধীতা কৰি বিলখন কৰিবৰ বাবে সকলোকে অনুৰোধ জনাইছো।

***Mr. Speaker :*** Now, any other Member who would like to speak.

***শ্ৰীঅতুল বৰা :*** মাননীয় অধ্যক্ষ মহোদয়, মই বেছিকৈ কবলৈ বিচৰা নাই। আমাৰ দলৰ সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই কেইবাটাও প্ৰসন্দ উত্থাপন কৰি ভালেখিনি সময় কৈছে মই মাথো এতিয়া বিভিন্ন বিভাগক সমালোচনা নকৰি প্ৰধান প্ৰধান কেইটামান কথা কব খুজিছো। তেখেত সকলৰ দলৰ পৰা কোৱা কিছুমান কথাকে প্ৰাধান্য দি কব খুজিছো। দলৰ পৰা যি জন মন্ত্ৰীক আমি বেয়াকৈ সমালোচনা কৰিছিল দূৰ্নীতি গ্ৰস্থ মন্ত্ৰী বুলি, আফজালুৰ ৰহমান, এই মন্ত্ৰী সভাৰ পৰা যেতিয়া আতৰি গল লগে লগে তেখেতে কলে যদি মই বা আমি দূৰ্নীতি শাখা হওঁ তেনেহলে তাৰ মূল মুখ্য মন্ত্ৰী। তেওঁ বেলেগ দলৰ মানুহ নহয়। তেওঁ ইন্দিৰা কংগ্ৰেছৰ তেওঁ এজন বিধায়ক। আন দলে সমালোচনা কৰিলে কব পাৰি যে বিৰোধী দলে সমালোচনা কৰিব লাগে বুলি সমালোচনা কৰিছে। মই কৈছো তেখেতৰ দলৰ ভিতৰৰ মানুহ এগৰাকীয়ে মন্ত্ৰীসভাৰ পৰা অপসাৰিত হোৱাৰ পিছত কলে যে তেওঁ শাখা মূল হ'ল মূখ্য মন্ত্ৰী। সেই মন্ত্ৰী জন সিদিনাখনলৈকে তেখেত কেবিনেট মন্ত্ৰী আছিল। তেখেত সেই কথাটো স্বীকাৰ কৰাৰ লগে লগে আচল বাকীবোৰ সমালোচনা তল পৰি গল। এই কাৰণে তল পৰি গল যে বাকীবোৰ সমালোচনা নিশ্চয় তেখেতে কৰা সমালোচনাৰ তলত থাকিব এই কাৰণে তেখেতে সেই খন মন্ত্ৰী সভাৰ

এজন কেবিনেট মন্ত্ৰী আছিল আৰু তাৰ পিচত যোৱাকালি আৰু এগৰাকী সদস্যই এই বুলি কৈছে যে তেখেতৰ বিৰুদ্ধে কোৱাৰ উপৰিও তেখেতৰ পৰিয়ালৰ বিৰুদ্ধে বক্তব্য ৰাখিছে এইখন বাতৰি কাকতত 'আজিৰ অসম'। সেই বিধায়ক বিসম্বাদী বুলি যদিও ইয়াত উল্লেখ কৰিছে ৰামেশ্বৰ ধানোৱাৰে ইয়াত কৈছে প্ৰধান মন্ত্ৰীয়ে এইবাৰ কিবা এটা কৰিবই বুলি সম্পূৰ্ণ আশা প্ৰকাশ কৰে। চৰকাৰী কাম কাজত যে শইকীয়াৰ পতনী আৰু পুত্ৰও হস্তক্ষেপ কৰিবলৈ লৈছে, সেই কথাও প্ৰধান মন্ত্ৰীক জনোৱা হৈছে - তেওঁ কয়। এতিয়া কথা হল যে আমি দুটা কথাত সন্দেহ প্ৰকাশ কৰিছো। আমি আজি যিটো কাট ম'চন আনিব খুজিছো মন্ত্ৰীসকলৰ চলন ফুৰণত টকা পইচা লাগিবই। মন্ত্ৰী সকলে এটা প্ৰটকল মেন্টেইন কৰি চলিব লাগিব এটা ষ্টেণ্ডাৰ্ড মেন্টেইন কৰি চলি থাকিব লাগিব। মন্ত্ৰী সকলে যদি ষ্টেণ্ডাৰ্ড মেন্টেইন নকৰে তেতিয়া হলে নিশ্চয় এডমিনিষ্টেচন চলাব নোৱাৰিব। গতিকে তেওঁলোকে সেইকাৰণে কিবা বিচাৰিছে সেইটো সুকীয়া কথা। মই এই কথাটো কব বিচাৰিছো যে মন্ত্ৰী সকলৰ এই সভাখনৰ সংখ্যা বঢ়াই বুলি কোৱাৰ লগে লগে খৰছ বৃদ্ধি হৈছে। কিন্তু মন্ত্ৰী সভাৰ সংখ্যা বঢ়োৱাৰ লগে লগে খৰছ বৃদ্ধি হব কিন্তু মৰ্য্যদা হানী হব। যিমানে মন্ত্ৰীৰ সংখ্যা বাঢ়িব সিমানে মন্ত্ৰীৰ মৰ্য্যদা হানি হব। কৰ্মচাৰী বিষয়াই তেখেত সকলৰ নিৰ্দ্দেশ লাহে লাহে নমনা হব। মন্ত্ৰীৰ পৰা যেতিয়া কৰ্মচাৰী বিষয়া সকলে বেয়া ব্যৱহাৰ বা যি ধৰণে ব্যৱহাৰ বিচাৰে তেনে নেপাই, সকলো মন্ত্ৰীয়ে তেনে নকৰে তেতিয়া মন্ত্ৰী সকলৰ প্ৰতি এই কৰ্মচাৰী, বিষয়া সকলৰ এটা বেয়া ভাৰ জন্মিব - জন্মাৰ ফলত সেইটোৰ ভাগটো সকলো মন্ত্ৰীয়ে লব লাগিব। গতিকে মন্ত্ৰীয়ে বেয়া পোৱাৰ কথা কৰিবনে নকৰে তেখেত মুখ্য মন্ত্ৰীৰ কথা। তেখেত সকলৰ সেইটো খুছিমতে যি কৰে কৰক। সেইটো ৰাইজে যত জবাব দিব লাগে দিব। এতিয়া কথা হৈছে যে মই দুটা কথা কব খুজিছো। এটা হৈছে আসাম মিওজিকেল নাইট আৰু এটা কথা কব খুজিছো আমাৰ এম. এচ. লটাৰী। আমাৰ যিটো এম. এচ. এছ'চিয়েত আৰু চৰকাৰে চলোৱা লটাৰীৰ কথা কব খুজিছো। এই যে লটাৰীৰো চলি আছে এই লটাৰীটো চলাৰ কাৰণে শেষৰ যিটো নম্বৰ সেই নম্বৰটো অহা নহাটো টিৰৰ নম্বৰ ১ টকা দিলে ৮০ টকা, ১০০ টা নম্বৰ থাকে কাৰণে ১ টকা দিলে ৮০ টকা। এতিয়া ১ ৰ পৰা ১০ লৈ চিৰিজটোত থকা কাৰণে এতিয়া ১ টকা ৮ টকা পায়। ১০ টকা দিলে ৮০ টকা পায়, এইটো এটা টিৰেই হৈছে। নম্বৰ আগতে ১০০ আছিল, ১ টকা ৮০ টকা পাইছে, এতিয়া ১০ টা নম্বৰত যি কোনো এটা নম্বৰ আহিলে সেইটো ৮ টকা মানে ১ টকাত ৮ টকা পাব। এইটো প্ৰথম যোৰহাটত তামাম প্ৰচলন হৈছিল। নাগালেণ্ডে প্ৰচাৰ কৰিছিল। নাগালেণ্ডৰ পৰা খবৰটো আহে। যোৰহাতত মানুহৰ

চুৰ ডকাইতিৰ সংখ্যা বাঢ়ি গল আৰু মানুহো বহুত উচন গল আৰু সেই কথা বিলাক লৈ পেলাই গোটেই অসম সমাজখনত এটা বিশৃঙ্খল সৃষ্টি হৈছে বুলি হুলস্থুল সৃষ্টি হোৱাৰ সময়ত আকৌ আমাৰ নিজা চৰকাৰে সেই ধৰণৰ ব্যৱসায়টো কৰিবৰ কাৰণে এনে এটা অৱস্থা হল যে ২০০ কোটিত কৈ অধিক আকৌ এতিয়া ওলাইছে এল. ও. চি. ৰ কেলেংকাৰী ৪০০ কোটি টকা আৰু সিদিনাখন দিছে লটাৰীয়ে মাত্ৰ ৭২ কোটি টকা লাভ কৰিছে। এনেকুৱা হাৰাশাস্তি কৰি, উচন কৰি, পৰিয়ালক উচন কৰি মানুহে আত্মহত্যাৰ পথ লৈছে, চুৰ ডকাইতৰ সংখ্যা বাঢ়িছে আৰু মাত্ৰ ৭২ লাখ টকা উপাৰ্জ্জন কৰিছে। আকৌ এইফালে ৪০০ কোটি টকাৰ যিটো কেলেংকাৰী সেইটোৰ কাৰণে চৰকাৰে এখন সদন কমিটি পাতিবলৈ সাহস কৰা নাই। মোৰ কথা হৈছে যে সদন কমিটি এই কাৰণে পাতিব লাগে, সদন কমিটি পাতিলে সকলো দলৰ মানুহ থাকিব আৰু সেই ৰিজাল্টট বা ফলাফল ওলাব সেইটোহে মানুহে বিশ্বাস কৰিব কাৰণ বিভাগীয় ভাৱে কৰা তদন্ত আমি বিশ্বাস নকৰিম। এই কাৰণে নকৰিম কাৰণ কি কাৰণতদুজন এজদিলেচি কে. দাসক আৰু কেইদিন মানৰ পিচত দিলে এডিশ্যনেল চি. এচ. ৰাওক আকৌ হয়টো ৰাওৰ পিচত বেলেগ এজনক দিব। ভাল কৰাৰ কাৰণে দিলে নে বেয়া কৰাৰ কাৰণে দিলে। চি. কে. দাসে ভালকৈ কৰিব নোৱাৰাৰ কাৰণে তেওঁক বদলাই পেলাই এডিশ্যনেল চি. এচ. ৰাওক দিলে নে বেয়া কৰাৰ কাৰণে দিলে এই কথাটো এটা সন্দেহৰ কথা, মানুহ জনৰ প্ৰতি মানুহৰ এটা ভাব হব, এই কমিচনাৰ জনক কিয় আঁতৰাই দিলে। আকৌ ৰাওক যদি কালিলৈ আঁতৰাই দিয়ে ৰাওৰ প্ৰতিও এটা বেয়া ভাব হব। গতিকে এগৰাকী সদস্য বা এনেকুৱা এগৰাকী জেষ্ঠ সদস্যক নিদিলে ইয়াৰ পিচত আকৌ সেই জনক কিয় সলনি কৰিব লগা হল। গতিকে এই ঘটনা বিলাক ঘটিছে এইটো হাউচ কমিটিক দিয়ক। কাৰণ দুজন অফিচাৰক অদল বদল কৰি আকৌ পিচত ৩ নং ৰ জনক সদস্য আহিব। এনেকৈ অদল বদল কৰিলে কন্টিনিড়ৱাচ প্ৰছেচ হৈ থাকিব নেলাগে। এইটো সদন কমিটিক দি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া আচল কথা কব খুজিছো। যিটো লটাৰীয়ে মানুহক পন্দু কৰিছে, সমাজক পন্দু কৰিছে আৰু সেই কাৰণেই এইটো বন্ধ কৰিব লাগে। এই কাৰণেই কৈছো যে শেষ নম্বৰ লটাৰী বন্ধ ৰাখিবলৈ ৩ টা প্ৰতিষ্ঠানে সিদ্ধান্ত লৈছে। লটাৰী টিকটৰ শেষ নম্বৰ এইটো দৈনিক অসমত ওলাইছে। এইটো বন্ধ কৰাৰ কাৰণে চৰকাৰে কিয় কোনো ব্যৱস্থা হাতত লোৱা নাই? আৰু এটা কথা মই জানিব বিচাৰিছো যে এম. এচ. টো দিল্লীৰ পৰা চলি আছে। এইটো কোন হয়, কাৰ লগত ই জড়িত আছে? ইয়াত লিখিছে যে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানৰ প্ৰতি সহাৰি জনাই অসমৰ ৩ বৃহৎ

লটাৰী টিকটৰ এজেন্সীয়ে লাকী কৰ্ণাৰ, গুৱাহাটী বিকাশ এজেন্সী আৰু নাইটা এণ্ড কোম্পানীয়ে শেষ নম্বৰৰ টিকট বিক্ৰী আৰু বন্ধ ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু অসমত আন আন লটাৰী টিকট বিক্ৰী কৰা সকলৰ অনুৰূপ কাৰ্য্য ব্যৱস্থা লবলৈ আহ্বান জনাইছে। এনেকুৱা ধৰণৰ এই নিউজ ইয়াত প্ৰকাশ পাইছে। ইয়াৰ আগতে বহুত ঘটনা ঘটি গৈছে। মই আকৌ কব খুজিছো যে লটাৰীৰ মোহত পৰি মোকালমুৱা, ৰামপুৰ, দৌলাশাল আদি অঞ্চলত দৈনিক অনুষ্ঠিত লটাৰী খেলত মতলীয়া হৈ বহুত সৰ্বহাৰা হোৱাৰ উপৰিও মুল্য বান সামগ্ৰী বন্ধকত থোৱাৰ প্ৰমাণ পোৱা যায়। এই খেলত চৰকাৰী বিষয়াও আগ ভাগ লয়। দিনটোৰ ভিতৰত লাখপতি সদাগৰ হোৱাৰ লালসাত শৰ পৰা হেজাৰলৈ লটাৰী কিনাত ব্যস্ত। ফলত সকলো লোকৰ আঙঠী, ঘড়ি চাইকেল আদি বন্ধকত থব লগীয়া হৈছে আৰু ঠিক তেনেকৈ লটাৰী নামৰ জোৱা বুলি ইয়াত এইখন দৈনিক অসম কাকতত ওলাইছে। ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত দৈনিক লটাৰীৰ পোহাৰ মেলি আৰু অনাতাৰ কেন্দ্ৰ যোগে প্ৰচাৰ চলাই প্ৰায় লক্ষীমপুৰৰ এচাম মানুহক পাগল কৰি তোলাৰ লগতে কিছুমান মানুহক অসামাজিক কামতো প্ৰবৃত্ত কৰাইছে। সাধাৰণ দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰা শ্ৰমিকৰ পৰা ছাত্ৰ, যুৱক আৰু এচাম কৰ্মচাৰীৰ মাহত লটাৰী নিচাই বেয়াকৈ শিপাইছে। লটাৰী টিকট কিনিবৰ কাৰণে চুৰি, ডকাইতি কৰি ধন সংগ্ৰহ কৰা প্ৰৱণতাইও গা কৰি উঠি এচাম মানুহক বিপথগামী কৰাৰ লগতে সৰ্বশ্ৰান্ত কৰিছে। লটাৰী টিকট কিনিবলৈ পইচা বিচাৰি ঘড়ী বন্ধকত থোৱা, তামোল-পাণ আদি বিক্ৰী কৰি নিত্য নৈমিত্তিক ঘটনা ঘটিছে। এই লটাৰী নিচাতে এচাম মানুহে মাটি ভেটি পৰ্যন্ত বন্ধকত থৈ টকা আনি লটাৰী যোগে লাখপতি হোৱাৰ সপোন দেখিছে যদিও সেই সপোন সুদুৰ প্ৰসাৰত। ৰাজ্যৰ কল্যাণৰ কাৰণেই এই লটাৰী নামৰ জোৱা খেল অচিৰে বন্ধ কৰা উচিত বুলি সচেতন মহলে দাবী জনাইছে। এনেকৈ অজস্ৰ বাতৰি আছে। মই সকলোবিলাক পঢ়ি নিদিও। চমু কৰিব খুজিছো। এই বিলাক ঘটনা। দেশখনত যেতিয়া তীৰখেলা কওঁতে সিদিনাখন কথাটো কব নাজানিলে। আমাৰ মাননীয় সদস্য গহীন দাসে কোৱা কথাটো ভাল হোৱা নাই। মই পিচত গহীন দাসক কৈছো যে তুমি কথা কব নাজানা নেকি হে? কথাটো কওঁতে অলপ ভালকৈ কবা পলিটিকেলৰ মানুহ। তুমি পলিটিকেল লেংগুৱেজত কথাবিলাক কবা। তেনেকৈ কোৱাৰ কাৰণে কথাটো আনবিলাকে চিঞৰ বাখৰ কৰিলে। তুমি কথাটো অলপ বেলেগ ধৰণে বেলেগ সুৰত কব লাগিছিল। সেইটো লটাৰী আছেই। সেই যে তীৰ মাৰি লটাৰী দিয়ে সেইটো আছে তাৰ বাহিৰে এইটো

---

* Speech not corrected

চৰকাৰে চলোৱা লটাৰী। এইটো টিকটৰ শেষ নম্বৰ মিলি গলেই ১ টকাত ৮ টকা পোৱা লটাৰী। লটাৰী প্ৰচলনৰ বিৰুদ্ধে সভা পাতিছে কেৱল আঞ্চলিক ছাত্ৰ সন্থাই। এই লটাৰী বন্ধ নকৰাৰ কাৰণে কিছুমান জেগাত আত্মহত্যা কৰিছে বুলি আমি গম পাইছো আৰু মাজতে নাগালেণ্ডত লটাৰীয়ে অসমক সৰ্বশ্ৰান্ত কৰি থৈ গৈছে। তাকে অসম লটাৰীত সোমাই পৰিছে। এতিয়া সেইটো ঘটনা চলি থকা অৱস্থাতে আমি দেখিছো যে চৰকাৰে আকৌ অসম মিউজিকেল নাইট পাতিছে। সেইটো সম্পৰ্কে মই চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰিম। সেই সম্পৰ্কে চৰকাৰে আমাক জনাব লাগিব। টকা পইচাৰ কাৰণে বাজেটত ২ টকা, ১ টকা, ২ টকা, ৪ টকা, ৮ টকা, ২ শতাংশ, ৩ শতাংশ, ৮ শতাংশ হয় সেইবোৰ হেৰ ফেৰ কৰিছে বাজেটত। অমুকত অমুক কৰ লগাইছে। অমুকত এইটো ৰেহাই দিছে। এইটো এটা নাঠিং। এইটো একো কথা নহয়। দাম এটা ইফাল-সিফাল কৰি দিছে। বাজেটত মই অংশ গ্ৰহণ কৰা নাই। এইটো এটা গতানুগতিক প্ৰচেচত ইফাল-সিফাল কৰি এটা বাজেট কৰি দিছে। বাজেটৰ ওপৰত কিবা এটা কমেন্ট কৰিছে। এইবোৰ কথা মই কবলৈ নাযাও। ৪০০ শ কোটি টকা য'ত দুৰ্নীতি চলিছে বাজেটত সেই ২ অনা, ৪ অনা কথা পাতি কি লাভ হব? এতিয়া কথাটো মই কব খুজিছো যে চৰকাৰে আৰু এটা কাম কৰিছে শিল্পী সকলৰ সাহায্যাৰ্থে টকা তুলিছে। চৰকাৰে যেতিয়া টকা তোলে, এজন মানুহ যেতিয়া চীফ গেষ্ট হয়, ধৰক আপোনাক বিহু তলিলৈ মাতি আনি আপোনাক চীফ পেট্ৰন কৰি দিব। চীফ পেট্ৰন কৰা মানে মানুহজনক সন্মান এটা দিয়ে। মানুহে কিবা পাতিলে সেই অনুষ্ঠানত মুখ্য পৃষ্টপোষক হিচাবে সমাজত মান-মৰ্য্যদা আৰু টকা পইচা থকা মানুহ হয় তেতিয়া তেওঁক মুখ্য পৃষ্ঠপোষক হিচাবে নিৰ্বাচিত কৰে। যদি টকা পইচা নোহোৱা মানুহ হয় তেতিয়া মানুহ জনৰ সন্মানটোকেই মুখ্য পৃষ্ঠপোষক হিচাবে পাতি লয়। কিন্তু আমাৰ চীফ মিনিষ্টাৰ গৰাকীয়ে যিখন চিঠি দিলে সেই চিঠিখনৰ অপমানিত হৈছে। অসম মিউজিকেল নাইট '৯৩ প্ৰৱেশ পত্ৰ কিনিবলৈ ব্যৱসায়িক মুখ্য মন্ত্ৰীয়ে হেচাঁ প্ৰয়োগ কৰি ইখন সিখন চিঠি দিলে। আজিৰ অসমত এইখন ওলাইছে আৰু সেইখন ওলোৱা তাৰিখটো হৈছে ২৩ ফেব্ৰুৱাৰী। ২৫ তাৰিখে মিউজিকেল নাইট আছিল। এখেতে যি সকলক দিছিল সেইখিনি আছিল টি অকচনত আগ লোৱা মানে যিখিনি আছে প্ৰকাশ হৈছে। যিবিলাক ব্যৱসায়িক তেওঁলোকে যিবিলাক ব্যৱসায়িক ২৫ হেজাৰ টকা দিবলৈ দিছিল, পিচদিনা প্ৰতিবাদ কৰি ৫০০ টকাকে দিবলৈ সিদ্ধান্ত কৰিলে। ব্ৰকাৰ বিলাকে আকৌ ৫ হেজাৰ দিব বুলি তেওঁলোকে কিবা এটা সিদ্ধান্ত লৈছে। এতিয়া এই যে মিউজিকেল নাইট ইয়াত যিবিলাকৰ নাম কোৱা হৈছে এই মিউজিকেল নাইট ইয়াত হেড অফিচে কৰিছে কি ৰাজগড় ৰোডত

হেড অফিচ থকা আৰু মিউজিকেল নাইটটোৰ লগত মুখ্য মন্ত্ৰীৰ কি সম্পৰ্ক আছে? এইটো মুখ্য মন্ত্ৰী মহোদয়ে নিশ্চয় পতা এটা অনুষ্ঠানৰ নিচিনা। ইয়াত এটা অৰ্ডাৰ দিছে। এইখন অৰ্ডাৰৰ নিচিনাই হব। মুখ্য মন্ত্ৰীয়ে আচলতে মুখ্য মন্ত্ৰীৰ পদত থাকি ৰাজগড়ত এটা হেড অফিছ পতা প্ৰাইভেট কোম্পানী এটা, প্ৰাইভেট কোম্পানী এই কাৰণেই দিছো যে শিল্পী কেইগৰাকী মান লৈছে য'ত মই দেখিছো আপোনালোকে নাম বিলাক পঢ়িলে গম পাব। বিভিন্ন দায়িত্বত কোন কাৰ কি দায়িত্ব আছে। এই মিউজিকেল নাইট পাতি যিমান টকা উপাৰ্জন হ'ল সেই টকা শিল্পী সকলৰ হাতত যাব নে নেযাব। মোৰ মতে শিল্পী সকলৰ হাতলৈ নেযাব যেনহে লাগিছে। বহুত টকা উঠিব লাগে। এই হিচাবত মাত্ৰ পাৰ্টিকুলাৰ টি ব্ৰকাৰ সকলে টকাবিলাক নিদিও বুলি কলে। কিন্তু বাকী সকলে পইচা দিছে বুলি মই শুনিছো। বহুত লাখ টকা। বহুত কোটি টকা ইয়াত উঠিছে। এই টকাবিলাক শিল্পীয়ে পাব নে নেপাব? শিল্পী সকলৰ কাৰণে মিউজিকেল নাইটত উঠা টকা বিলাক হিচাব কৰিব লাগে। কিয় এইটো গভৰ্ণমেন্ট ফাণ্ডৰ নিচিনা হৈ ছে? এইটো আচলতে চেল টেক্স বিভাগক দিব লাগিছিল। আসাম মিউজিকেল নাইট চেল টেক্স ডি পাৰ্টমেন্টে কৰিব লাগিছিল। বা তেনেকুৱা কালচাৰ বিভাগে কৰিব লাগিছিল বা ঠিক তেনেকুৱা কোনোৱা এটা বিভাগে কৰিব লাগিছিল। আপোনালোকে কৈছিল যে টকা বিলাক আনি কালচাৰ ডিপাৰ্টমেন্টত শিল্পী ফাণ্ডত জমা থাকক। চৰকাৰে টকাটো দিব পৰা কৰিব লাগিছিল। কিন্তু এইটো কি কৰিলে প্ৰাইভেট হল নে চৰকাৰী হ'ল, তাৰ ইয়াত কোনো চিন চাব নাই। গতিকে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে মিউজিকেল নাইটটো আচলতে বে-চৰকাৰী, নে চৰকাৰী নে অদ্ধ-চৰকাৰী? এই ৩ টাৰ কোনোবা এটাৰ হব লাগিব। যদি বে-চৰকাৰী হয় তেনেহলে তাৰ ওপৰত আমাৰ চৰকাৰৰ কি কন্ট্ৰল আছে। যদি কন্ট্ৰল নাই তেনেহলে মুখ্য মন্ত্ৰীয়ে কেচাই কি ব্যৱসায়ি বিলাকৰ পৰা ২৫ হাজাৰ টকা ডনাৰ হিচাবে টকা তোলা কি অধিকাৰ থাকিব? এই কথাটোৰ স্পষ্টীকৰণ এই হাউচত কৰিব লাগে। মোৰ কথাটো হৈছে যে এম. এচ. লটাৰী এইটো বন্ধ কৰিব লাগে আৰু লগতে এম. এচ. অব আসাম এই চৰকাৰৰ লগত ৭২ লাখ টকা চৰকাৰক দি ৭২ কোটি টকা তেওঁলোকে কমাব। এইটো আচলতে বন্ধ কৰিব লাগে। কাৰণ এনেকৈ লটাৰী চলি থাকিলে আমাৰ ৰাজ্যৰ যিমান লাভ হব তাতকৈ বেছি ক্ষতিহে হব। এম. এচ. এচোচিয়েট বোলা যিটো কোম্পানী সেইটোৰ বেছি লাভ হব বুলি আমি ভাবিছো। এতিয়া মই এইখিনিৰ নিশ্চয় স্পষ্টীকৰণ পাম। এতিয়া মই কব খুজিছো মন্ত্ৰী সকলৰ চলণ-ফুৰণৰ কথালৈ। মন্ত্ৰী সকলৰ যিটো মৰ্য্যদা সেইটো মন্ত্ৰী সকলে পোৱাটো মই বিচাৰো।

তেখেত সকলৰ মৰ্যদাৰ কাৰণে বিভিন্ন সময়ত তেখেত সকলৰ মৰ্য্যদা হানি হোৱা কাম বিলাক চলি আছে। এতিয়া ধৰক, ভি. আই. পি লাইট যদি সকলোৱে ব্যৱহাৰ কৰে, মন্ত্ৰী বিলাক থাকিল কত ? গোটেই ৰাস্তাত গাড়ী চলাব নোৱাৰে ভি. আই. পি. লাইটৰ কোবত। ভি. আই. পি. ট্ৰাক আহাটো বাদ দিছো চিটি বাছ আৰু অন্যান্য গাড়ীৰ কথা বাদ দিছো, আমি বিলাকে গাড়ী চলাব নোৱাৰা হৈ গৈছো। ভি. আই. পি. লাইটৰ কোবত। মই মন্ত্ৰী হওঁতে ৬ মাহ ভি. আই. পি. লাইট জ্বলোৱা নাছিলো অন্য মানুহে অশান্তি পাব বুলি। মোৰ পি. অ. এচ. জনে মোক কৈছিল ভি. আই. পি. লাইট নজলাই নেকি ? মই কৈছিলো নজলাওঁ। নজলোৱাকে মই ভি. আই. পি.। জ্বলালে মই ভি. আই. পি. নেকি ? এনেকৈ মই ধমকি দিওঁ। পিচত যেনিবা ভি. আই. পি. লাইটো মই জলালো। কিন্তু এতিয়া চাৰিওফালে ভি. আই. পি. লাইট তাত দেখিছো মন্ত্ৰী নাই। কিন্তু ভি. আই. পি. লাইট জ্বলি আছে। মন্ত্ৰী নাই থিক আছে তেতিয়াহলে চেয়াৰমেন তেয়াৰমেন বিলাকে ভি. আই. পি. লাইট জ্বলাব পাৰে নেকি ? মই এবাৰ এটা প্ৰশ্ন কৰিছিলো, মই সিদিনা এটা আপত্তি কৰিছিলো যে চেক্ৰেটাৰীয়টত মোৰ কুৱেচনটো বেহুৰা হৈ গ'ল। মই যিটো প্ৰশ্ন কৰিছিলো সেইটো নিলিখি বেলেগ এটা কৰি দিয়াৰ কাৰণে মোৰ প্ৰশ্নটো দুৰ্বল হৈ গল। গতিকে মই উত্তৰটো দুৰ্বল পালো। উত্তৰ দিয়া জনক মই দোষ নিদিও। কাৰণ এই প্ৰশ্নটো যি জনে দুৰ্বল কৰি দিছিল সেইজনকহে মই দোষ দিছো। আগতে মই ভি. আই. পি. লাইটৰ সম্পৰ্কে প্ৰশ্ন তুলিছিলো। প্ৰশ্নটো দুৰ্বল হোৱা কাৰণে উত্তৰটো তেনেকৈ দুৰ্বল হৈ আহিছে। বিচাৰটোত একো বিচাৰি নাপালো। দুনীয়াৰ মানুহে ভি. আই. পি. লাইট জ্বলাই। চেয়াৰমেন, ভাইচ চেয়াৰমেন বিভিন্ন জন আৰু যিমান আছে মই নাম নকওঁ মই দেখিছো যে লাইটেই লাইট। মন্ত্ৰী সকলৰ এটা গ্ৰুপ আছে। যদি কিবা আছে পুলিচ বিভাগেহে জানিব। চৰকাৰখনো নিজৰ হাতত আছে যেতিয়া কোনে কোনে ভি. আই. পি. লাইট জ্বলাব পাৰে কোনে কোনে নোৱাৰে, যি সকলে নোৱাৰে ভি. আই. পি. লাইট বন্ধ কৰি দিয়ক। যিবিলাকে পাৰে তেওঁ বিলাকে জ্বলাওক। এটা কি দুটা জ্বলাওক। আপত্তি নাই। নোৱাৰা বিলাকক বন্ধ কৰি দিয়ক। কাৰণ ৰাস্তাত বহুত অশান্তি হৈছে। কাইলৈ পৰহিলৈ ভি. আই. পি. লাইটৰ মূল্য নাথাকিব। মই কৈছোদেই। ৰাতি বিপদ হব। ৰাতি নাইট চুপাৰ বিলাক চলে। গাড়ী বিলাক চলে। ভি. আই. পি. বুলি অলপমান এৰাই দিয়ে কিন্তু বেছিকৈ ভি. আই. পি. লাইট থাকিলে ভি. আই. পি. লাইটৰ মূল্য নাথাকিব। কিন্তু অন্য এটা কথা কওঁ এই যে টকা-পইচাৰ বিষয়ে জয়নাথ শৰ্ম্মাই কলে ১ লাখ ৬৫ হেজাৰ টকা ১ খন গাড়ীৰ দাম আৰু ৰিপেয়াৰ কৰোতে ১০ লাখ বা ১২ লাখ টকা খৰছ হয়। এইটোৱে হৈছে। এই বিলাক কাৰণতে তলি একেবাৰে উদং হৈ গৈছে। এতিয়া মই কৈছো মন্ত্ৰী সকলক ১০

হেজাৰ টকা দি দিব লাগে। এই ১০ হেজাৰ টকাৰে গাড়ী ৰিপেয়াৰ কৰা ১ বছৰৰ গেৰেজৰ খৰছ হয় যেন। যদি ১০ হেজাৰে নহয় ১৫ হেজাৰ দিয়ক বা ২০ হেজাৰ টকা বেছিকৈ কৈছো। যদি কমাব পাৰি সেইটো আপোনালোক ৰ কথা। কিন্তু মন্ত্ৰী সকলক মাহে খৰছ কৰিবৰ কাৰণে কিবা এটা মাহত নিদি এজন মন্ত্ৰীক যদি ২ মাহলৈ ৰাখি থয় তেতিয়া শেষ হৈ যাব। দিগদাৰ হৈ যাব। কেতিয়াবা দেখা যায় মন্ত্ৰীৰ গাড়ী বেয়া হোৱাৰ পিচত গাড়ী ৰিপেয়াৰ কৰি ললে ইফালে মন্ত্ৰী নাই। সেইটো এটা কথা। গতিকে এটা হিচাপত থাকিব লাগে। মন্ত্ৰী এজনে ১০ হেজাৰ, ১২ হেজাৰ, ১৪ হেজাৰ কিবা এটা খৰছ কৰিবলৈ দিলে চৰকাৰৰ কোটি কোটি টকা বাচি যাব। তেতিয়া লটাৰী নচলালেও হব।

মাননীয় অধ্যক্ষ মহোদয়, তে তিয়া কোটি কোটি টকা বাচি যাব লটাৰী নচলালেও হব। তেতিয়া এই ধৰণৰ কৰ কাটল বৃদ্ধি কৰাৰ এক্সেচাইজ নকৰিলেও হব। এইটো হ'ল কোনোবা ড্ৰাইভাৰে দুইহেজাৰ টকাৰ কাম কৰাই ২২ হাজাৰ টকাৰ বিল দিয়ে, মন্ত্ৰী জনে হয়তো এইটো কথা গমেই নাপালে যে ২০ হাজাৰ টকা তাত সোমাই গল। সেই কাৰণে কৈছো এইটো কৰি দিয়াক তেতিয়া এইটো কৰি দিলে মন্ত্ৰী জনে নিজে এইটো কেয়াৰ লব। নহলে ড্ৰাইভাৰে কাৰোবাৰ লগত মিলিজুলি দুইহেজাৰ টকাৰ ঠাইত বাইছ হাজাৰৰ বিল দিব। কোনোবা মন্ত্ৰী যদি ব্যক্তিগত ভাৱে জড়িত থাকে তেন্তে তেওঁ কব মোকো দে কেইহাজাৰমান। কিন্তু যি কিজন জড়িত নাথাকে তেওঁলোক লগতে এনেয়ে মৰে। গতিকে মই এইটো চাজেশ্যন দিব বিচাৰিছো যে কি ধৰণে কামটো কৰিলে ভাল হয় সেইটো কৰিবলৈ সোনকালে ব্যৱস্থা লব লাগে। আৰু এটা কথা মন্ত্ৰী সকলে যদি তেওঁলোক কংগ্ৰেছৰো হয় যদি অসমৰ স্বাৰ্থত কাম তেন্তে কংগ্ৰেছী হলেওঁ তেওঁ মোৰ বন্ধু। আৰু অসমৰ স্বাৰ্থৰ বিপৰীতে কাম কৰা জন অ. গ. পৰ হলেও তেওঁ মোৰ শত্ৰু। তেওঁ যদি মোৰ আপোন মানুহো হয় অসমৰ বিপৰীতে কাম কৰিলে সদায় তেওঁ মোৰ শত্ৰু সদায় মই তেওঁৰ বিপৰীতে চিন্তা কৰিম। সেয়ে আপোনালোক সকলোৱে অসমৰ স্বাৰ্থত উৰ্দ্ধত ৰখাটো মই বিচাৰো। কাম কৰোতে সকলোৱে অসমৰ স্বাৰ্থক ইৰ্দ্ধত ৰাখিবলৈ মই অনুৰোধ কৰিলো। কাৰণ এইখন অসমৰ ৰাজ্য চৰকাৰ আৰু এইখন চৰকাৰে যদি নাৰাখে তেতিয়া হলে কেন্দ্ৰীয় চৰকাৰে অসমৰ কথা কেতিয়াও নেভাৰে তেওঁলোকে লাহে লাহে অসমক শেষ কৰি দিব ষড়যন্ত্ৰ হৈ আছে আৰু বেচি দিন নাই। গতিকে আপোনালোকে এতিয়া চেক দিব লাগিব। চৰকাৰী দল হিচাপে বিদেশী নাগৰিকৰ ইচ্যুটো আজি ধৰক মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই কৈছিল ইয়াত যে ১৯৮৮ চনতে অসমত ৩০ লাখ বিদেশী সোমাইছে। আকৌ বাহিৰত কলে যে এইটো ভূল তথ্যৰ ওপৰত ভিত্তি কৰি কলে এইটো ঠিক নহয়।

আকৌ মুখ্য মন্ত্ৰী মহোদয় প্ৰফুল্ল কুমাৰ মহন্তই ১৯৯০ চনৰ ভোটাৰ তালিকাখন শুদ্ধ বুলি কোৱা বুলি সদায় কৈ থাকে। কিন্তু তেওঁ কৈছে যে 'মই এইটো শুদ্ধ বুলি কোৱা নাই'। ১৯৮৩ চনত যি নিৰ্বাচন হৈছিল সেইটো আমাৰ কাৰণে এটা অভিজ্ঞতা আছিল, সেই কাৰণেই নিৰ্বাচন হবলৈ দিছিলো। আমি ১৯৮৩ চনৰ যি নিৰ্বাচন হৈছিল তাত ভোট দিবলৈ গৈ আমি এখন চৰকাৰক গাদীত বহিবলৈ দিলো আৰু সেই অৱস্থাটোৰ সুযোগ লৈ দেশত এটা অৰাজকতাৰ সৃষ্টি হল। গতিকে ১৯৯০ চনত আমি সেই ভুলটো আকৌ নকৰিবলৈ ঠিক কৰি নিৰ্বাচনত অংশ লৈছিলো কিন্তু তাত এনেকুৱা এখন গৃহমন্ত্ৰনালয়ৰ চিঠিও আছে যে ভোটাৰ তালিকাত বিদেশীৰ নাম থাকিব পাৰে, নাম থাকিলেই তেওঁ স্বদেশী হৈ নাযায়। তেওঁৰ সেইখন নেচনেল ৰেজিষ্ট্ৰাৰ অৱ চাৰ্টিফিকেট নহয়। সেইখন ভোটাৰ তালিকাত নাম ভুলে চুকে সোমাব পাৰে সেইটো কাটিব পাৰি। মুখ্যমন্ত্ৰী গৰাকীয়ে যদি ইয়াত ৩০ লাখ বিদেশী আছে বুলি কৈ বাহিৰত গৈ নাই বুলি কব পাৰে তেন্তে প্ৰফুল্ল কুমাৰ মহন্তই ১৯৯০ চনতে কোৱা কথাটোকে কিয় কৈ আছে? কিবা এটা কৈছিল যদিও পেপাৰত যদি সেইটো শুদ্ধকৈ কোৱা নাই। ১৯৯০ চনৰ ভোটাৰ তালিকা বিদেশী নাগৰিকৰ নাম আছে কিন্তু আমি কণ্ডিছনেলী এইটো দিছো নিৰ্বাচন হবলৈ আৰু সেই কথাটো সত্য তাত কোনো ভেজাল নাই। চেন্ট্ৰেল গৰ্ভমেন্টে কৈ আছে বাৰে বাৰে ৰিপিট কৰি কাগজ পত্ৰও আছে বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত থাকিলেই সেই মানুহজন স্বদেশী হৈ নাযায়। তেওঁৰ নাম ভোটৰ তালিকাৰ পৰা আউট কৰিব পৰা যাব। এই বুলি কোৱা আছে। গতিকে সেই বিষয়টো আমি বিতৰ্কলৈ নানি আমি ধামধুম বিদেশী নাগৰিকৰ নাম বহিস্কাৰ মানে হেৰি কৰিব লাগে, কি কয় বা ভোটাৰ তালিকাৰ পৰা নাম কৰ্ত্তন কৰাৰ ব্যৱস্থা কৰিব লাগে। এইটো নিৰ্বাচনী আয়োগৰো যিহেতু সিদ্ধান্ত এই নিৰ্বাচনী আয়োগৰ সিদ্ধান্তটো নিশ্চয় চৰকাৰে মানি নললে আমাৰ বিকল্প হিচাপে আমি ৰাষ্ট্ৰপতি শাসন লাগে বুলি দাবী তুলিব লাগিব। এই কাৰণে কেন্দ্ৰীয় চৰকাৰ, যিখন চৰকাৰৰ ওপৰত আমাৰ ভৰষা নাই এতিয়া ভৰষা নোহোৱা চৰকাৰ খনৰ ওপৰতেই ভৰষা কৰিবলগীয়া হলে দুখৰ বিষয় হব। কাৰণ নিৰ্বাচনী আয়োগে যেতিয়া দিছে তেওঁলোকৰ ওপৰত ভৰষা কৰি এইখন চৰকাৰে বৰ্ত্তমানে বিদেশী নাগৰিকৰ নাম নাকাটে বুলি আমি নিশ্চিত। গতিকে গৰ্ভমেন্ট অৱ ইণ্ডিয়াই ইয়াত ৰাষ্ট্ৰপতি শাসন কৰি, শাসন দি তেওঁলোকৰ নিজৰ মেচিনেৰীৰে নিৰ্বাচনী আয়োগৰ মেচিনেৰী ইয়াত বহুৱাই ইয়াৰ ভোটাৰ তালিকা শুদ্ধ কৰি দিব লাগে। আৰু ইয়াৰ ভোটাৰ তালিকা শুদ্ধ কৰি দিয়াৰ পিছত তেতিয়া আকৌ কিন্তু নিৰ্বাচন হলে

---

* Speech not corrected

আপোনালোকে কিন্তু কতো মানে বহিবলৈ জেগা নাথাকিব। গতিকে মই বেছি সময় নলওঁ এটা কথা যে দূর্নীতি এইটো বেংক বিলাকত সদায় কৰবাত কাগজ পত্ৰই পাওঁ। এইটো উপাৰ্জন কৰাৰ কাৰণে এই চৰকাৰখনে বিভিন্ন ৰাস্তা লৈছে। এম. এচ. লটাৰীৰ হাত যদি হয় এম. এচ. লটাৰীৰ ৭২ লাখ টকা নালাগে। আমাৰ ৪০০ কোটি টকাৰ লেনদেনটো উলিৱাওঁচোন, তেওঁলোকৰ সা-সম্পত্তি জব্দ কৰি তেওঁলোকৰ সেই বিলাক অকশ্যন কৰোচোন। সেইখিনি কৰিবলৈ এইখন চৰকাৰৰ সৎ সাহস আছেনে? যদি সৎ সাহস আছে তেন্তে তেওঁলোকে প্ৰথম সৎ সাহসটো দেখুৱাব পাৰে সদন কমিটি বহুৱাই। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো কাট মোচনৰ সমৰ্থনত।

* ***শ্ৰীপানী ৰাম ৰাভা*** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কেইটামান কথা কব বিচাৰিছো। মন্ত্ৰী পৰিষদৰ শিতানত যিখিনি টকা ধৰা হৈছে তাৰ বিৰোধীতা কৰি মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো। এই খিনিতে মই এটা কব বিচাৰিছো যে মাননীয় মন্ত্ৰী সকলে আমাক স্থানীয় বিধায়ক সকলক সেই ঠাইলৈ গলে কোনো গুৰুত্ব দিয়া দেখা নাযায়। আমিও ৰাইজৰ প্ৰতিনিধি। বিৰোধী দলৰ সদস্য হলেও আমিও ৰাইজৰ কাম কৰিবলৈকে আহিছো। কিন্তু মন্ত্ৰী সকলে আমাক বিধায়ক সকলক কোনো গুৰুত্ব দিয়া দেখা নাযায়। সেয়ে মই এই কৰ্ত্তন প্ৰস্তাৱ আনিছো যাতে বিৰোধী দলৰ হলেও আমাৰ নিজৰ সমষ্টি আদিলৈ গলে আমাক স্থানীয় বিধায়ক সকলক যাতে গুৰুত্ব দিয়ে। আমাৰ সমষ্টিবোৰৰ যি অভাৱ অভিযোগ আছে সেইবোৰ পূৰণ কৰিব লাগে আৰু সেই ক্ষেত্ৰত আমাক আমাৰ মতামতক গুৰুত্ব দিব লাগে। আমাৰ মন্ত্ৰী পৰিষদক টকা দিয়াত আপত্তি নাই কিন্তু আন এটা কাৰণত আপত্তি আছে সেইটো হল দূৰ্নীতিৰ দক্ষতাৰ ক্ষেত্ৰত। যোৱা দুবছৰে দক্ষতাপূৰ্ণ ভাৱে কোনো কাম এই চৰকাৰে কৰিব নোৱাৰিলে। সেই কাৰণেই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো। সকলোতে অভাৱ, অভিযোগ আছে, খোৱা পানী নাই, পথাৰত পানী নাই খেতিৰ কোনো সা-সুবিধা নাই আদি নানা অভাৱ আছেই। যোৱা দুবছৰে এই বিলাক দক্ষতাৰে পূৰণ কৰিব পৰা নাই কিন্তু দূৰ্নীতিৰ ক্ষেত্ৰত বৰ দক্ষতা দেখুৱাইছে সেইটো আমি বুজিছো, দেখিছো। আনকি কিছু ক্ষেত্ৰত মন্ত্ৰী, বিধায়ক আৰু ৰাজনৈতিক কৰ্মীও জড়িত হৈ পৰিছে। কেইদিন মানৰ আগতে ২০০ কোটি টকাৰ কেলেঙ্কাৰী ইয়াত প্ৰকাশ হৈ গৈছে ইয়াত স্বীকাৰ কৰা কথাই এইটো প্ৰমানিত কৰি দিছে। সেই কাৰণেই কৈছো দূৰ্নীতিৰ ক্ষেত্ৰত যিমান দক্ষতা দেখুৱাইছে সেইখিনি কামৰ ক্ষেত্ৰত দেখুৱাব পৰা নাই। সেয়ে মই কব খুজিছো এই ১ কোটি ৩ লাখ টকা কংগ্ৰেছৰ বিধায়ক আদিৰ পুণৰ সংস্থাপনৰ কাৰনে ব্যৱস্থা কৰিবলৈহে বিচৰা হৈছে।

ছাৰ, নদীত বানপানীৰ খহনীয়া হয় আৰু ঘৰ দুৱাৰ উছন্ন হৈ যায়। তেতিয়া চৰকাৰে ৫ হাজাৰ, বা ১ হাজাৰ, দুহেজাৰ আদি টকা দিয়াৰ ব্যৱস্থা কৰে পুণৰ সংস্থাপনৰ কাৰণে। এতিয়া ছাৰ, ৰুলিং পাৰ্টীৰ খহনীয়া আৰম্ভ হৈছে সেয়ে এই ১ কোটি ৫৩ লাখ টকা ৰুলিং পাৰ্টীৰ মানুহৰ পুণৰ সংস্থাপনৰ কাৰণেহে দিবলৈ বিচৰা হৈছে। গতিকে মই এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি এই কেইটা কথা উত্থাপন কৰিলো।

* ***শ্ৰীচন্দন সৰকাৰঃ*** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো মই বিৰোধীতা কৰিছো। আচলতে মন্ত্ৰী সভাৰ খৰছৰ বাবে ১,৩৫,৫২,০০০ টকা ধৰিছে সেইখিনি আচলতে বেচি হোৱা নাই। কমহে হৈছে। বিৰোধী পক্ষৰ সদস্য সকলে বহুতে তেখেতসকলৰ অভিমত ইয়াত দাঙি ধৰিছে। এইটো কব লাগে কাৰণেই কৈছে বুলি ভাবিছো। কিন্তু এখন চৰকাৰ চলিবলৈ হলে টকা লাগিবই। টকা নহলে কোনেও চৰকাৰ চলাব নোৱাৰে। এনেকুৱা কম খৰছ কোনো মন্ত্ৰী সভাতে আগতে হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি ২/৩ বছৰৰ ৰেকৰ্ড চালেই গম পাব এজন মন্ত্ৰী দিল্লীলৈ কিমান বাৰ গৈছিল। ক'ত ক'ত আছিল, কেনে ধৰণৰ বিল দিছিল সেইখিনি চালেই ওলাই পৰিব। মই আজি ৰুলিং পাৰ্টিত আছো বুলিয়েই যে কৈছো এনে নহয়। আজি আমাৰ মন্ত্ৰী সকল অপ্ৰয়োজনীয় কামত দিল্লী, বোম্বাইত যোৱা নাই। মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে যে নিজৰ সমষ্টি বা অন্য সমষ্টিলৈ নিৰ্দ্দিষ্ট দিনতকৈ বেছি যাব নোৱাৰিব। দিল্লী আদিলৈ গলে মুখ্য মন্ত্ৰীৰ অনুমতি লৈহে যাব পাৰিব। দিল্লীলৈ মন্ত্ৰী যাব লগীয়া হব পাৰে কিয়নো দিল্লীয়েই সকলো কাম কৰে। 'প্লেনত উঠিলে টকা খৰছ হবই। প্লেনত এবাৰ গলে ৭/৮ হেজাৰ টকা দৰকাৰ হয়। ট্ৰেইনত গলে ২ হেজাৰ টকা খৰছ হয়। খৰছ কম বেচি পৰিমাণে হবই। সেয়েহে মই ভাবো মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লব লাগে আৰু মন্ত্ৰী সভাখনৰ কাম-কাজ কৰিবৰ কাৰণে সুযোগ দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা কেইজনমান মাননীয় সদস্যই মন্ত্ৰী সভাখন বৰ ডাঙৰ হৈছে বুলি কব খুজিছে। যাৰ কাৰণে বহুতো টকা পইচা খৰছ হৈ গৈছে। কিন্তু কাম কৰা মনোভাৱ থাকিলে এইখন চৰকাৰ একো ডাঙৰ হোৱা নাই। আজি বাতৰি কাকতত যিবিলাক কথা ওলাইছে আমাৰ পাৰ্টিৰ ভিতৰত ভিতৰুৱা কাজিয়া থাকিব পাৰে, দলৰ মাজত হব পাৰে। দলৰ নীতি-নিয়ম উলংঘা কৰাৰ কাৰণে এইবিলাক খেলি-

---

* Speech not corrected

মেলি হব পাৰে। মই আজি সময় পালে ৫ ঘন্টা সময় এই সম্পৰ্কত কব পাৰো। মোক ইমান সময় কবলৈ নিদিব। আমাৰ প্ৰতি বিৰোধী পক্ষৰ সদস্য সকলৰ আশ্বাস নেথাকিব পাৰে কিন্তু অসমৰ জনসাধাৰণৰ আশ্বাস আছে। নহলে মন্ত্ৰী সভা গঠন কৰা আজি ইমান দিন হ'ল ক'তো এজন মন্ত্ৰী বা বিধায়কক ৰাইজে ঘেৰাও আদি কৰা নাই। আপোনালোকে কব বিচাৰিছে যে ৰুলিং পাৰ্টিৰ বিধায়কে দূৰ্নীতি কৰিছে - আপোনালোক সাধু নেকি? বিধান সভাত কথা কোৱাৰ সকলোৰে অধিকাৰ আছে।

মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত বহুতো কথাই ওলাইছে। সেইখিনিৰ কথা কিমান দূৰ সত্যতা আছে চালি জাৰি চাব লাগিব। বাতৰি কাকতে খবৰ পৰিবেশন কৰিবই। তেওঁলোকৰ দোষ নাই। কিন্তু বাতৰিটো যিজনে দিয়ে সেইটোহে চাব লাগিব। বাতৰি কাকতৰ ওপৰত মই কবলৈ নেযাওঁ। (ভইচ আপোনালোকৰ ১১ জন বিধায়কে কৈছে) ১১ জনেই হওঁক বা ৫১ জনেই হওঁক এইটো পাৰ্টিৰ ভিতৰুৱা কথা। আজি মই কব পাৰো যে আমাৰ মন্ত্ৰী সকলে একো বেয়া কাম কৰা নাই। গতিকে মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে অনা কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ কাৰণে অনুৰোধ জনালো। তেখেত সকলে মন্ত্ৰী সভাক কাম কৰিবলৈ সুযোগ দিব লাগে। তেখেত সকলৰ যদি উন্নয়ন মূলক চাজেচন আছে সেইবিলাক আমি শুনিব লাগিব। শেষত আমাৰ মাননীয় মন্ত্ৰী সকলে যাতে কোনো ধৰণৰ বেচি টকা খৰছ নকৰে তাৰ প্ৰতি লক্ষ ৰাখিবলৈ অনুৰোধ জনালো আৰু বাজেটত যি টকা ধৰিছে তাৰ পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* *শ্ৰীযতীন মালি ঃ* মাননীয় অধ্যক্ষ মহোদয়, মই 'কাট-মোচন' দিছিলো। কাট-মোচনটোৰ গুৰুত্ব বেচি আছিল। কাট-মোচনৰ ওপৰত বহুতে কৈ আছে।

* *মাননীয় অধ্যক্ষ ঃ* কাট-মোচনৰ ওপৰত আপুনিও কব। আমাৰ আপত্তি নাই। সকলো পক্ষৰ সদস্য সকলে কৈ যাওঁক। চি. পি. এম. ইনডিপেণ্ডেন্ট ফালৰ পৰা এক এক কৈ কৈ যাওঁক। আমাৰ আপত্তি নাই।

* *শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ* 'পইন্ট অৱ ইনফৰমেচন' চাৰ। আজি মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে আমাৰ মাজত মিল নাই বুলি কৈ গৈছে কিন্তু আমি এতিয়া দেখিছো তেখেত সকলৰ মাজতো মিল নাই। (গণ্ডগোল......)।

* *মাননীয় অধ্যক্ষ ঃ* মই আগতেই কৈছিলো যে আপোনালোকে এজন এজনকৈ সকলোৱে কব। 'ইট ইজ ইয়ৰ বিজিনেছ'।

* *শ্ৰীযতীন মালী ঃ* মাননীয় অধ্যক্ষ মহোদয়, ২ নম্বৰত মোৰ কাট-মোচন আছে।

মই কব বিচাৰিছিলো।

✳ ***মাননীয় অধ্যক্ষ ঃ*** ২ নম্বৰ ১ নম্বৰ বুলি কথা নাই। সকলোৱে কব পাৰিব।

✳ ***শ্ৰীপ্ৰমোদ গগৈ ঃ*** আমাৰ হাতত কালিলৈ দিনটো আছে। ডিমাণ্ড হৈছে ৯ টা। মই কৈছিলো যে সকলো দলৰ এজন এজনকৈ কওঁক। সকলোৰে কোৱাৰ অধিকাৰ আছে ঠিক। কোৱাহে হ'ব বাকী একো নহ'ব।

✳ ***শ্ৰীযতীন মালী ঃ*** কাট-মোচনৰ ওপৰত কিয় গুৰুত্ব দিছো সেইটোৰ ওপৰত বেক গ্ৰাউণ্ড আছে।

✳ ***মাননীয় অধ্যক্ষ ঃ*** এবাৰ এটা সিদ্ধান্ত ললে সুবিধা হয়। সেয়েহে মই কৈছো সকলোৱে কৈ যাব।

✳ ***শ্ৰীযতীন মালী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে মন্ত্ৰী পৰিষদৰ শিতানত ১৯৯৩-৯৪ চনৰ বাজেটৰ ২য় খণ্ডৰ ৪ৰ্থ অংশৰ ১ - ৬ পৃষ্ঠাত থকা মন্ত্ৰী পৰিষদৰ শিতানৰ ২ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১৩৫,৫২,০০০ টকা এটকাৰে হ্ৰাস কৰা হওঁক। এই বিষয়টো মই কৰ্ত্তন প্ৰস্তাৱৰ জৰিয়তে সদনৰ মজিয়াত আলোচনা কৰিব বিচাৰিছো। কথাটো হৈছে এইটো যে এখন ৰাজ্যত মন্ত্ৰীসভাৰ দায়িত্ব বা গুৰুত্বপূৰ্ণ ভূমিকা কৰা তেখেতসকলৰ কাৰ্যক্ৰমণিকা চাল-চৰণ বা কাৰ্য্যপদ্ধতি এই গোটেই বিলাক কথা অতি মনকৰিবলগীয়া। আমি দেখিছো যে প্ৰত্যেক খন ৰাজ্যতে একোখন মন্ত্ৰী পৰিষদ থাকে। এই মন্ত্ৰী পৰিষদখনে গোটেই ৰাজ্যখনৰ জনসাধাৰণৰ সামগ্ৰিক চিন্তা ধাৰা নীতিৰ জৰিয়তে ৰূপায়িত কৰে। গণতান্ত্ৰিকভাৱে দলপতি গৰাকী তেখেতৰ ইচ্ছামতে নিজে তেখেতৰ মন্ত্ৰী পৰিষদৰ সংখ্যা বৃদ্ধি বা হ্ৰাস কৰিব পাৰে তাত বাধা আৰোপ কৰাৰ কাৰণ দেখা নাই। এই অধিকাৰৰ ভিত্তিত আমাৰ এই ৰাজ্যখনৰ মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া ডাঙৰীয়াই তেখেতৰ মন্ত্ৰী পৰিষদ গঠন কৰিছে। সময়ে সময়ে মন্ত্ৰী সভাৰ কলেবৰ বৃদ্ধি কৰিছে। মন্ত্ৰী পৰিষদৰ্ আচৰণ বিধি, ষ্টাইল অৱ ফাংছনিং আদিৰ প্ৰতিফলন জন্সাধাৰণৰ ওপৰত কেনেকৈ প্ৰভাৱ পেলাই সেইবিষয়ে কব বিচাৰিছো। আমি দেখিছো, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া সদনৰ মজিয়াত এটা যুক্তি দি প্ৰতিপন্ন কৰিব বিচাৰিছিল তেখেতৰ মন্ত্ৰী পৰিষদ কিয় বঢ়াব লগা হ'ল। মন্ত্ৰী পৰিষদৰ কলেবৰ বৃদ্ধিৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই যুক্তি দিছিল যে তেখেতৰ এই বৃদ্ধি যুক্তি সংগত হৈছে কাৰণ তেখেতে কৈছে যে হাৰিয়ানাৰ বিধান সভাত বিধায়কৰ সংখ্যা ৫০ জন তাৰ ভিতৰত মন্ত্ৰীৰ সংখ্যা ৩৩ জন, পঞ্জাৱত বিধায়কৰ সংখ্যা ৮৭ জন মন্ত্ৰী সংখ্যা ২৪ জন, অৰুণাচল প্ৰদেশত ৬০ জন বিধায়কৰ ভিতৰত ২৭ জন মন্ত্ৰী, নগালেণ্ডত ৬০ জন বিধায়কৰ ভিতৰত মন্ত্ৰীৰ সংখ্যা ২১ জন এই

হিচাবত অসমত মন্ত্ৰী পৰিষদৰ সংখ্যা ৬০ জন হলেও সমালোচনা উৰ্দ্ধত থাকিব বুলি তেখেতে যুক্তি দাঙি ধৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মনত আছে যে বিত্তীয় সংকটৰ সময়ত অসম ৰাজ্যতো বিত্তীয় সংকট হৈছে। সমগ্ৰ ভাৰতবৰ্ষতে বিত্তীয় সংকট হৈছে। এই বিত্তীয় সংকট হ্ৰাস কৰাৰ এক পৰ্যায় হিচাবে ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীয়ে ৰাজ্যসমূহক এটা নিৰ্দ্দেশ দিছিল, এটা অনুৰোধ কৰিছিল এইটো আমাৰ মনত আছে। ব্যয় সংকোচন কৰাৰ বাবে ৰাজ্যসমূহত থকা মন্ত্ৰীৰ সংখ্যা এক দশমাংশলৈ হ্ৰাস কৰি আনিব লাগে। প্ৰধান মন্ত্ৰীৰ এই কথা আমি নিশ্চয় সকলোৰে জানো। ভাৰতবৰ্ষৰ এগৰাকী প্ৰধান মন্ত্ৰীৰ আপিল ৰাজ্যৰ মুৰব্বীসকলে মন্ত্ৰী পৰিষদৰ গঠনৰ যিটো কথা এই কথাটো পালন নকৰাটো ঠিক হোৱা নাই বুলি ভাবিব পাৰি। আমাৰ মুখ্য মন্ত্ৰীয়ে মন্ত্ৰী পৰিষদ গঠন সম্পৰ্কত প্ৰধান মন্ত্ৰীৰ যি অনুৰোধ সেই অনুৰোধ হয় গুৰুত্ব দিয়া নাই নহয়, কাণসাৰ দিয়া নাই। প্ৰধান মন্ত্ৰীৰ কথামতে সৰ্ব্বমুঠ সদস্য সংখ্যাৰ এক দশমাংশ কৰিবলৈ হ'লে অসমৰ মন্ত্ৰী পৰিষদৰ সংখ্যা মাত্ৰ ১৩ জন হোৱাটোহে যুগুত হব। যদিহে তেখেতৰ কথা মানি চলা হয়। মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে তেখেতৰ যুক্তি দিবনে ? মন্ত্ৰী পৰিষদ গঠন সম্পৰ্কত জনসাধাৰণে বিভিন্ন ধৰণৰ কথা কৈছে। এইবিলাক আমাৰ কথা নহয়। বিভিন্ন বাতৰি কাকতত লিখিছে। মন্ত্ৰী পৰিষদ গঠন সম্পৰ্কত দৈনিক অসম কাকতৰ সম্পাদকীয়ত লিখিছে 'শেহতীয়াকৈ অসম মন্ত্ৰী সভাৰ সালসলনি তথা পুণগঠন সম্পৰ্কত ইতিমধ্যে বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমৰ কংগ্ৰেছ আই বিধায়িনী দলৰ মাজত আভ্যন্তৰীণ মতানৈক্য ক্ৰমে স্পষ্ট হৈ উঠিছে। সাধাৰণ দৃষ্টিত আৰু সামগ্ৰিকভাৱে ৰাজ্যখনৰ বৰ্ত্তমানৰ দুৰ্য্যোগজনক বিত্তীয় পৰিস্থিতিত মন্ত্ৰীৰ সংখ্যা বঢ়াই কংগ্ৰেছ আই বিধায়িনী দলৰ সদস্য সংখ্যাৰ শতকৰা পঞ্চাশ ভাগৰ অধিকক মন্ত্ৰীসভাত লবলগীয়া হোৱাটোৱেই সুস্পষ্টভাৱে দলীয় কন্দলৰ কথা সূচায়। শহকীয়া মন্ত্ৰীসভাৰ দুই চাৰি গৰাকী সদস্যৰ বিৰুদ্ধে চৰম দুৰ্নীতি আৰু সাম্প্ৰদায়িক বিদ্বেষত লিপ্ত থকাৰ অভিযোগ নিজৰ দলৰে একুৰি সাত গৰাকী বিধায়কে মুখ্যমন্ত্ৰীৰ দৃষ্টিলৈ আনিছিল। অথচ তেনেসকলৰ ক্ষমতাধিস্থ ব্যক্তিৰ প্ৰায়বোৰকে মন্ত্ৰীসভাত আগৰ বিভাগতে নাইবা সামান্য দপ্তৰ সলনিৰেই ৰখা কথাই হয় দুৰ্বলতা, নহয় সেইসকলৰ লগত সংযোগ নাইবা উপদলীয় দৃষ্টিৰ ইংগিত দিছে। এই একেখন কাকতৰ একে সম্পাদকীয়তে আকৌ তলত লিখিছে 'মন্ত্ৰীসভাখনৰ দক্ষতা বৃদ্ধি কৰি তাৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণক অধিক ভালকৈ সেৱা কৰাৰ বাবেই মুখ্যমন্ত্ৰীয়ে তেওঁৰ মন্ত্ৰীসভাৰ সালসলনি কৰিলে বুলি কোনেও নাভাবে। নিকা ভাৱমুৰ্ত্তি নথকা

* Speech not corrected

সকলক আঁতৰ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা ললে বুলিও কোনেও পতিয়ন যোৱা নাই। দলৰ মাজত ভাৰসাম্য ৰক্ষা কৰি নিজৰ নেতৃত্বৰ সবল কৰাই বোধহয় ঘাই কথা। অসমৰ ৰাইজৰে দুৰ্ভাগ্য যে বিত্তীয় সংকটত জৰ্জৰিত হোৱা সত্বেও এতিয়া ৩৯ জনকৈ মন্ত্ৰীৰ ব্যয় বহন কৰিবলগীয়া হ'ব। মন্ত্ৰী আৰু বিধায়কৰ অনুপাত সম্পৰ্কে বিভিন্ন কমিটীৰ পৰামৰ্শবোৰ চুৰাপাতনিলৈ দলিয়াই পেলোৱা হ'ল। এই কথা সম্পাদকীয়ত লিখিছে। তাৰ পিছত মন্ত্ৰী পৰিষদ গঠন সম্পৰ্কত আৰু লিখিছে জনজাগৰণৰ নামত কাকতখনৰ সম্পাদকীয়ত 'মন্ত্ৰী সভাৰ সালসলনিৰ ধৰণ ৰাইজৰ আশা আকাঙ্খাৰ সম্পূৰ্ণ বিপৰীত হ'ল। মন্ত্ৰীসভাৰ কলেবৰ দেখি এইটো সুনিশ্চিতভাৱে কব পাৰি যে মুখ্যমন্ত্ৰীয়ে যোগ্যতা আৰু গুণতকৈ সংখ্যাৰ ওপৰতেই গুৰুত্ব বেচি দিলে। এইটো অসমৰ ৰাইজৰ কাৰণে নিশ্চয় দুৰ্ভাগ্যৰ কথা। প্ৰধান মন্ত্ৰীৰ যিটো নিৰ্দ্দেশ ইয়াত প্ৰতিফলন কৰা নাই। আকৌ মন্ত্ৰী পৰিষদ সম্পৰ্কত জনক্ৰান্তি কাকতত লিখিছে 'নৈতিক স্খলন আৰু ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ যিদৰে আছে, ঠিক সেইদৰে অবাধ দুৰ্নীতি আৰু কৰ্ত্তৃত্ববিহীনভাৱে চাকৰি-বাকৰি, ঠিকা-ঠুকলি দিয়াৰ অভিযোগ মুখ্যমন্ত্ৰীলৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, আমি আগতে কৈছে যে মুখ্যমন্ত্ৰীৰ মন্ত্ৰী পৰিষদ গঠন কৰাৰ সম্পূৰ্ণ কৰ্ত্তৃত্ব আছে। কিন্তু তথাপি আমি আশা ৰাখিছো যি মন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ নাথাকে তেনে লোককহে মন্ত্ৰী পৰিষদত ৰাখিব লাগে। এই বিষয়ে ৰাইজৰ লগতে আমিও আশা ৰাখিছো। আমি মন্ত্ৰী পৰিষদৰ কাম-কাজৰ আলোচনা কৰিছো এটা ভাল ভাব ৰাখিহে যাতে ভবিষ্যতে তেওঁলোক ভাল হয়। বিভাগীয় মন্ত্ৰীৰ কাম-কাজত দুৰ্নীতিৰ ভাৱ মুৰ্ত্তি গোটেই বিভাগৰ ওপৰতেই প্ৰভাৱ পৰে। সেয়েহে মই অনুৰোধ কৰিছো এই দুৰ্নীতি সম্পৰ্কে যিবিলাক কথা ওলাইছে সেইবিলাক বিতংভাৱে আলোচনা কৰিব লাগে। মুখ্যমন্ত্ৰী এতিয়া কঠোৰ হব লাগিব কাৰণ মন্ত্ৰী সকলৰ সম্পৰ্কত যিবিলাক কথা ওলাইছে আৰু মুখ্য মন্ত্ৰী সম্পৰ্কত যিবিলাক কথা বাতৰি কাকতত ওলাইছে সেইবিলাকৰ লগে লগে স্পষ্টীকৰণ প্ৰকৃত তথ্যসহ বাতৰি কাকতত দিব লাগে। কিন্তু সেইখিনি কৰা বৰ্ত্তমানো দেখা নাযায়। গতিকে মই অনুৰোধ জনাইছো কাকতত ওলালে স্পষ্টীকৰণ দিব লাগে। মন্ত্ৰী সকলৰ বহুতৰে কথা কাকতত ওলাইছে। আগৰ পশুপালন বিভাগৰ মন্ত্ৰী কোনো নীতি নিয়ম নেমানি নিজৰ বিভাগৰ দায়িত্বশীল বিষয়া সকলক মাতি আনি এল. ও. চি. ইচু কৰাৰ কথা বাতৰি কাকতত ওলাইছে।

* ***শ্ৰীনকুল দাস (ক্ষেম মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই স্পষ্টীকৰণ দিছো। বাতৰি কাকতত যিবিলাক কথা ওলাইছে সেইবিলাকৰ কোনো ভিত্তি নাই। যদি মাননীয় সদস্য গৰাকীয়ে প্ৰমাণ দিব পাৰে মই ৰিজাইন দিম।

* ***মাননীয় অধ্যক্ষ*** **:** যিবিলাক কথাৰ কোনো প্ৰমান নাই সেই বিলাক ইয়াত উত্থাপন কৰিব নালাগে। You can not bring any wild fact কাকতত যি লিখিছে সেইবিলাক এক্সপাঞ্জ কৰি দিছো।

* ***শ্ৰীযতীন মালী*** **:** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মনত আছে বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেট সম্পৰ্কত যি বক্তব্য দিছিল সেই বক্তব্য তেখেতে কিছু তথ্য সম্পৰ্কে বাতৰিৰ উদ্ধৃতি দিয়াৰ তেখেতৰ কথা প্ৰতিফলন কৰাৰ কথা আমাৰ মনত আছে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, এইটো ইদিট'ৰিয়েল হে।

* ***শ্ৰীযতীন মালী*** **:** মাননীয় অধ্যক্ষ মহোদয়, মই যি উত্থাপন কৰিছো সেয়াও সম্পাদকীয়হে। যিবিলাক সমালোচনা হৈছে সেইবিলাক মন্ত্ৰীসকলে হজম কৰিব পাৰিব লাগিব।

* ***ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী)*** **:** মাননীয় অধ্যক্ষ মহোদয়, বাজেট অধিবেশনত উত্থাপন সম্পৰ্কে উপাধ্যক্ষ ডাঙৰীয়াই এটা ৰুল দিছিল। বাতৰিত ওলোৱা কথা ইয়াত আনিব নোৱাৰিব। এই ৰুলৰ বিষয়ে আজি মই আপোনাৰ দৃষ্টিগোচৰ কৰিলো। মাননীয় সদস্য গৰাকীয়ে এইবিলাক বক্তব্য বাতৰিৰ পৰা আনিছে।

* ***মাননীয় অধ্যক্ষ*** **:** বাতৰিৰ কথা আপোনালোকে সদনত You can not bring the fact from paper. It is not a true fact. বাতৰি কাকতত ওলোৱা যিবিলাক কথাৰ সত্যতা আছে তেনে কথাহে সদনত অনা ভাল। প্ৰমান নাথাকিলে উত্থাপন কৰিব নালাগে।

* ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী*** **:** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো। বাতৰি কাকতত দিয়া সকলোবোৰ কথাই অবিশ্বাস কৰিব নোৱাৰি। বাতৰি কাকত সমূহত দিয়া তথ্য বিলাকৰ ওপৰত এটা ডিবেট হব লাগে। বাতৰি কাকতৰ তথ্যখিনি মন্ত্ৰী সকলে মিছা বুলি কয়। বাতৰি কাকতত দিয়া তথ্য চিঠি নং আমাৰ লগত থাকে। That is the procedure to conduct the procedure of the House.

* ***শ্ৰীজয়নাথ শৰ্ম্মা*** **:** অসম বিধান সভা কাৰ্য্যপৰিচালনা আৰু নিয়মাৱলী ৩০১ আৰু ৫৪ নিয়ম অনুসৰি পৰফৰমা পিন্ট কৰা আছে। সদনত এইবিলাক নটিচলৈ আনিব পাৰে। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে বাজেট দাখিল কৰা সময়ত তেখেতৰ খিনি বাতৰি কাকতৰ পৰা পঢ়ি দিছিল। তাৰ মানে এইটো নহয়, কি শাসক দলৰ সপক্ষে ৰাখিলে

---

* Speech not corrected

উত্থাপন কৰিব পাৰে, বিৰোধী য়ে কলে সদনত কব নোৱাৰে।

* ***শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ*** ৫৪ নং নিয়ম অনুসৰি দিয়া আছে।

* ***মাননীয় অধ্যক্ষ ঃ*** এভজদ অন্ ১২ ত দিয়া আছে। আমাৰ শৰ্ম্মা ডাঙৰীয়াই যিটো কৈছে That not be the mentality of all. We should act very responsibility.

* ***শ্ৰীযতীন মালী ঃ*** মাননীয় মন্ত্ৰী মহোদয়ে মন্ত্ৰী পৰিষদৰ সম্পৰ্কে কাকত পত্ৰত যি সমালোচনা হৈছে সেইটো ভাল কথা হোৱা নাই। মন্ত্ৰী সকলৰ সম্পৰ্কে পেপাৰত যিটো ওলাইছে সেইটো মন্ত্ৰী সকলে হজম কৰিবলৈ চেষ্টা কৰিব লাগে। অধ্যক্ষ মহোদয়, মন্ত্ৰীৰ উপস্থিতিত ভূমিহীনক মাটি দিম বুলি (পলাশবাৰী সমষ্টি) ৰাইজক মতা হৈছিল, সেই নিমন্ত্ৰণ অনুসৰি ভূমিহীন কৃষককে ধৰি সমগ্ৰ ৰাইজ সভাত উপস্থিত হৈছিলহি, কিন্তু মন্ত্ৰী মহোদয়ে ক'লে এই সময়খিনিত যাৱতীয় কাগজ পত্ৰ অনা নহ'ল, বিভাগীয় কাম-কাজ সম্পূৰ্ণ নহ'ল সেই কাৰণে মাটি দিব পৰা নহল। শেষত হিতাধীকাৰীসকলে নিৰাশ হৈ ঘৰলৈ ঘূৰি যাব লগা হ'ল। এই বিলাক কেনে ধৰণৰ কথা। এই বিষয়ে মুখ্য মন্ত্ৰী মহোদয়ে চাব লাগে। সমবায় সম্পৰ্কত যি বিলাক হৈ আছে সেই বিলাক অতি জঘন্য কাম হৈ আছে। অধ্যক্ষ মহোদয়, শ্ৰীকনক ঠাকুৰীয়াৰ নামৰ যিজন মানুহক এ. জি. পি. চৰকাৰৰ সময়ত নিলম্বিত কৰা হৈছিল সেইজন মানুহকেই বৰ্ত্তমানো চেকেট্ৰৰী হিচাবে কাম চলাই আছে। এই বিলাক মানুহে নিজৰ ব্যক্তিগত মুনাফাৰ কাৰণেহে অফিচত আছে। এনেকুৱা মানুহৰ পৰা সমবায়ে কোনো ভাল ফল আশা কৰিব নোৱাৰে। এওঁলোকৰ পৰা লোকচান হোৱাৰহে ভয় আছে। গতিকে এই সম্পৰ্কে বিহীত ব্যৱস্থা লবলৈ অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, এজন মন্ত্ৰীয়ে নিজেই নাগৰিকৰ চাৰ্টিফিকেট দিছে যাতে এইবিলাক নহয় তাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি নিক্ষেপ কৰিলো। যোৱা ডিচেম্বৰ - জানুৱাৰী মাহৰ সময়ত নগাওঁ, ধুবুৰীত্ সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল। সেই ক্ষেত্ৰত শাসক দলৰ্ এগৰাকী বিধায়ক শ্ৰীৰাগিবী দেৱে কৈছে অৰ্দ্ধেন্দু দেৰ ভৰিৰ তলৰ মাটি নাথাকিব। যদিহে তেওঁ (ৰাগিৱীৰ) মুখ খোলে। শাসকদলৰ পৰা ভৱিষ্যতে যাতে এনে ভূমিকালোৱা নহয় তাৰ বাবে মুখ্যমন্ত্ৰীৰ দৃষ্টি ৰাখিব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়, দূৰ্নীতি প্ৰতিৰোধ সম্পৰ্কত প্ৰথম অবস্থাত ভাল ষ্টেপ্ত লৈছিল এতিয়া লাহে লাহে দেখা গৈছে তেওঁ ষ্টেপ্ত ঢিলাই দিছে। ইয়াৰ পৰা এইটোৱেই বুজাই নেকি যে মুখ্যমন্ত্ৰীৰ সম্পৰ্কে ওলোৱা বাতৰি সমূহত তেখেতক নিজকে জগৰীয়া কৰা হৈছে। এই সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে সত্যাসত্য প্ৰমান কৰিব

---

* Speech not corrected

লাগে। বাতৰি কাকতত যি বিলাক কথা ওলাইছে সেইবিলাক যথাসময়ত উপযুক্ত ভাৱে খণ্ডন কৰা দেখা নাযায়। আমাৰ মুখ্যমন্ত্ৰী যিবিলাক কাৰ্য্যত জড়িত আছে, এই সম্পৰ্কে আমাৰ ৰাজ্যখনৰ জনসাধাৰণক সামগ্ৰিক ভাৱে জনাই দিব নেকি? মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে যিবিলাক দুৰ্নীতি অভিযোগ উঠিছে সেই বিলাকৰ স্পষ্টীকৰণ দিব লাগে, তথ্যসহ অভিযোগসমূহ খণ্ডন কৰিব লাগে। দুৰ্নীতি সম্পৰ্কে যিবিলাক বিভাগৰ তদন্ত হৈ আছে সেই বিলাক বৰ্ত্তমানো গাপদি থৈ দিয়ে। গতিকে যি ২০০ কোটি টকাৰ হোৱা LOC ভূৱা সম্পৰ্কে কেলেংকাৰীৰ অভিযোগ উত্থাপিত হৈছে সেইটো সদনৰ তদন্ত কমিটিৰ জৰিয়তে তদন্ত কৰাব লাগে, অথবা তদন্তৰ বাবে চি. বি.আইক দিব লাগে।

* ***শ্ৰীনকুল দাস (মন্ত্ৰী)* ঃ** ছাগলে নাখায় কি? পাগলে নবকে কি।

* ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ** ছাগলে চব খায় বুলি জানো। পাগল কাক কোৱা হৈছে।

* ***শ্ৰীনকুল দাস (মন্ত্ৰী)* ঃ** পাগল বুলি পেপাৰক কোৱা হৈছে।

* ***শ্ৰীযতীন মালী* ঃ** যদি ৰাস্তা-ঘাট বা কিবা অনুস্থানৰ উন্নতিৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মাতিলেই ৰাস্তা আদি কাম সমাধান হৈ যাব। মন্ত্ৰী সকলে ইতিমধ্যে বহুত স্কুল কলেজলৈ গৈছে। আনকি স্কুল কৰ্ত্তৃপক্ষক মাতি আনি কোৱা হৈছে যে 'আমাক নিমন্ত্ৰণ কৰক, আমি গৈ অনুদান দিম। আমাক স্কুললৈ নামাতে কিয়, কলেজলৈ নামাতে কিয়? মুখ্যমন্ত্ৰী মহোদয়ে স্কুল, কলেজলৈ গলেই কয় এক লাখ দিম, ২ লাখ দিম। মুখ্য মন্ত্ৰী আৰু সেই সময়ৰ শিক্ষা মন্ত্ৰী একে লগে গৈ হাই স্কুল আৰু কলেজ সমূহত এক লাখ আৰু ৫০ হাজাৰ কৈ দিম বুলি কৈ আহিছে। কিন্তু সেই টকা বিলাক দিব বৰ্ত্তমানো পাৰিছে নে? যদি দিব পৰা নাই কাৰণ ব্যাখ্যা কৰি অহা কালিৰ বাতৰি কাকতত বিবৃতি দিবনে? এনেকুৱা স্কুল, কলেজৰ মুঠ সংখ্যা কিমান কাকত যোগে জনাবনে? এই বিষয়ে মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে নবেলৰ গুৱি এম. ই. স্কুল, যিখন বৰ্ত্তমানো ভেনচাৰ হৈ আছে তাত ৫০ হাজাৰ টকা দিম বুলি কৈ আহিছিল কিন্তু আজিলৈকে সেই টকা দিয়া নাই। কথাটো ইতিমধ্যে বাতৰি কাকতত প্ৰকাশ হৈছে।

* ***মাননীয় অধ্যক্ষ* ঃ** ৰাইজে ভাল পালে আপুনি ভাল নাপাব নেকি?

* ***শ্ৰীযতীন মালী* ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথাটো হ'ল অসম চৰকাৰৰ এনেকুৱা পেডিং লাইবেলিটি কিমান আছে সেইটো আমাক ক্লিয়াৰ কৰি দিব লাগে। এতিয়া আমি শুনিবলৈ পাইছো যে মন্ত্ৰী মহোদয় সকলক সভালৈ মাতি নি স্কুল কলেজৰ

অনুদানৰ বাবে আগতীয়াকৈ কব নে নকয় সন্দেহ প্ৰকাশ কৰিছে। তাৰোপৰি মই আৰু এটা কথা কব বিছাৰিছো যে সমষ্টি সমূহত যিকোনো চৰকাৰী মিটিং হলে আগতীয়াকৈ চৰকাৰৰ ফালৰ স্থানীয় বিধায়কক জনাব লাগে। কিন্তু তেনেকুৱা কোনো প্ৰচেচ ফলো ক ৰা দেখা নাযায়। কাৰণ ১৯৯১ চনৰ ১ জুলাইৰ দিনা মিৰ্জাত সমগ্ৰ অসম ভিত্তিত বন মহোৎসব পাতিছিল। তাত মুখ্যমন্ত্ৰী আৰু আন আন মন্ত্ৰীসকল উপস্থিত আছিল। লোকেল এম. এল. এ. হিচাবে যতীন মালীক মতা নহল।
ওপৰোক্ত কথাখিনি কৈ মোৰ কৰ্ত্তন প্ৰস্তাৱৰ পুণৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* ***শ্ৰীমতী ৰেনুপমা ৰাজখোৱা*** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ ইনফৰমেচন আছে।

* ***মাননীয় অধ্যক্ষ*** ঃ এইটো আপুনি ৰেইজ কৰিব নালাগে।

* ***শ্ৰীমতী ৰেনুপমা ৰাজখোৱা*** ঃ চাৰ মই মাত্ৰ ২ মিনিট কম।

* ***মাননীয় অধ্যক্ষ*** ঃ আপুনি কব নালাগে।

* ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী*** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কব বিচাৰিছিলো আপুনি কব নিদিলে। এতিয়া কব ওলাইছো আপুনি কব দিয়া নাই। আপোনাক সন্মান কৰি এতিয়া বহিলো চাৰ কিন্তু মোক কবলৈ দিব লাগিব।

* ***মাননীয় অধ্যক্ষ*** ঃ আপোনালোকে মোক কনফিউজ কৰি দিছে। আপোনালোকে যিবিলাক ৰিজোলোচন লৈছে সেই মতে চলিলেও আপোনালোকৰ আপত্তি। আপোনালোকে কব। ইয়াৰ পাছত যাতে আপোনালোকৰ পৰা বাধা নাহে।

* ***শ্ৰীশশকমল সন্দিকৈ*** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী সভাৰ কলেবৰ বৃদ্ধি হোৱাৰ ফলত কামকাজৰ যে উন্নতি হৈছে সেইটো আমাৰ ধাৰণা নহয়। আমাৰ মাননীয় সদস্য শ্ৰীৰেনুপমা ৰাজখোৱাই বাৰে বাৰে এটা প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছিল আৰু সেইটো হ'ল নতুনকৈ অৰ্ন্তভূক্ত হোৱা এজন মন্ত্ৰী নাৰী নিৰ্য্যাতনত জড়িত হোৱা সম্পৰ্কে এইটো তথ্য মই এতিয়া ইয়াত উল্লেখ নকৰো।

* ***মাননীয় অধ্যক্ষ*** ঃ মই এই বিষয়ে লিখিত পাইছো, গতিকে আৰু কোৱাৰ দৰকাৰ নাই।

* ***শ্ৰীশশকমল সন্দিকৈ*** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মন্ত্ৰী সভাত নতুনকৈ অৰ্ন্তভূক্ত এজন মন্ত্ৰীৰ বিৰুদ্ধে নাৰী নিৰ্য্যাতনৰ এটা অভিযোগ উত্থাপিত হৈছে। এই ঘটনাটোত অসমৰ ৰাইজ পতিয়ন গৈছে নে নাই নাজানো। মন্ত্ৰীসভাৰ কলেবৰ বঢ়োৱাৰ

ফলত যে অসমৰ প্ৰশাসনৰ উন্নতি হ'ব, বিকাশ ঘটিব এনে নহয়। দূৰ্ভাগ্যজনক কথা যে আমাৰ মন্ত্ৰীসভাৰ সদস্যসকল যে ইমান দূনীতিগ্ৰস্ত হৈছে আমি নিশ্বাস লবলৈকে টান পাইছো। এই দূৰ্নীতিৰ সম্পৰ্কে কাকতে পত্ৰই বহলভাৱে প্ৰচাৰো হৈছে। অধ্যক্ষ মহোদয়, অকল মন্ত্ৰীসভাৰ সদস্যসকলৰ কাৰণেই নহয়, বিধান সভাৰ মৰ্য্যদা, অসম মন্ত্ৰীসভাৰ মৰ্য্যদা, অসমৰ ৰাইজৰ মৰ্য্যদা আৰু আমাৰ সদস্যসকলৰ যদি মৰ্য্যদা ৰক্ষা কৰিবলগীয়া হয় তেন্তে এই দূৰ্নীতিৰ এটা তদন্ত হোৱা দৰকাৰ। আমাৰ মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াই যুটীয়া সংসদীয় কমিটিৰ নিচিনাকৈ আমাৰ ইয়াতো যুটীয়া সদন কমিটি গঠন কৰি এইবিলাকৰ এটা তদন্ত কৰিবলৈ পৰামৰ্শ দিছে। গতিকে গনতন্ত্ৰৰ স্বাৰ্থৰ খাটিৰতে এইবিলাকৰ তদন্ত হ'ব লাগে। মই আশা ৰাখিছো আমাৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভাৰ সদস্যসকলে সদনৰ পবিত্ৰতা ৰক্ষাৰ কাৰণে নিজৰ নিকা ভাৱমুৰ্ত্তিৰ ৰক্ষাৰ বাবেই এই দূৰ্নীতিৰ প্ৰমান কৰিব। অধ্যক্ষ মহোদয় আমি মন্ত্ৰীসভাৰ কামকাজত সন্তুষ্ট নহয়। মন্ত্ৰীসভাৰ কামকাজবিলাক বৰ সংকীৰ্ণ। মই গড়কাপ্তানী বিভাগক এটা প্ৰশ্ন কৰিছিলো ১৯৯২-৯৩ চনত ক'ত কেনেকৈ জৰুৰীকালীন পূজিৰ ধন বিতৰণ কৰিলে। উত্তৰ আহিল তাত দেখা গ'ল এখন জিলাত চাৰেতিনি কোটি টকাৰ ভিতৰত ২ কোটি টকা দিয়া হ'ল। উত্তৰত কোৱা হ'ল যে প্ৰয়োজনৰ ভিত্তিত যি বিলাক অঞ্চলত ৰাস্তাঘাট বেচি বেয়া তাত বেচিকৈ টকা দিয়া হৈছে। অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে ৰাস্তাঘাট অসমত সকলোতে একে কিন্তু কথা হ'ল শাসক দলৰ সদস্য থাকিলে সেই অঞ্চলত বেচিকৈ টকা দিব আৰু বিৰোধী দল হ'লে কমকৈ পাব সেইটো হ'ব নালাগে। যত যত প্ৰয়োজন থাকে সেইবিলাকতহে টকা দিব লাগে। ধন আৱন্টনৰ ক্ষেত্ৰত সকলোৱে সমানভাৱে চাব লাগে। শসক দলৰ সদস্য বা বিৰোধী সদস্য বুলি আৱন্টন কৰিব নালাগে। আজি ৰাজ্যত বিচিন্নতাবাদৰ প্ৰশ্ন উঠিছে। মন্ত্ৰীসকলৰ তেনে সংকীৰ্ণ কামকাজৰ কাৰণতে মানুহে বঞ্চিত বা নিস্পেষিত বুলি ভাৱি ভাগ ভাগ হৈ যাব বিচাৰিছে। গতিকে মই আশা ৰাখিছো ধন আৱন্টনৰ ক্ষেত্ৰত মন্ত্ৰীসভাই সংকীৰ্ণতা বাদ দি সকলো অঞ্চল সমভাৱে চাব। অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰীসকলৰ ভ্ৰমণ সম্পৰ্কে কওঁ, আজিকালি আমাৰ মন্ত্ৰীসকল বা মুখ্য মন্ত্ৰী বিভিন্ন অঞ্চললৈ ভ্ৰমণত গলে সেই অঞ্চলৰ বিৰোধী পক্ষৰ সদস্যসকলে কোনো খবৰ নাপায়। আগতে এটা নিয়ম আছিল কোনোবা এজন মন্ত্ৰী কোনো এটা অঞ্চললৈ গলে সেই অঞ্চলৰ সদস্যজনক আগতীয়াকৈ খবৰ দিয়া হৈছিল, তেওঁ যি দলৰে নহওক কিয়। আজিকালি আমাৰ মন্ত্ৰীসকল কেতিয়া আহে কেতিয়া যায় আমি একো গমেই

---

* Speech not corrected

নাপাও। পিচত পিয়ন চকীদাৰৰ পৰা গম পোৱা যায় যে সেই অঞ্চললৈ এজন মন্ত্ৰী আহিছিল বা আহিব। আমি নিধিৰাম চৰ্দাৰ হৈ বহি থাকো। মন্ত্ৰী হ'লে তেওঁ গোটেই অসমৰে মন্ত্ৰী বা গোটেই ৰাইজৰে মন্ত্ৰী গতিকে কোনো দলৰ মন্ত্ৰী বা নেতা হিচাপে যাব নালাগে। অধ্যক্ষ মহোদয়, দূৰ্নীতি সম্বন্ধে মই এটা কথা কওঁ যে, অৱশ্যে কথাটো মোৰ নহয় এইটো ৰাইজৰহে। কথাটো হ'ল, আমাৰ কেইজনমান কেবিনেট মন্ত্ৰীৰ হাতত ইমান টকা আছে যে, সিমান টকা অসম চৰকাৰৰ হাততেই নাই। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীসকলক ৰাস্তাঘাট ভাল কৰাৰ কথা কলে কয় টকা নাই, জলসিঞ্চনৰ ব্যৱস্থাৰ কথা কলে কয় টকা নাই, খোৱা পানীৰ ব্যৱস্থা এইবাৰ কৰিব নেকি বুলি সুধিলে উত্তৰ আহে অহাবাৰলৈ চাম। আমি আমাৰ ৰাইজক ঠিক তেনেকৈয়ে উত্তৰ দিব লাগে। তেতিয়া ৰাইজেই আমাক কয় এইসকল মন্ত্ৰীৰ পৰা ধাৰ লৈয়েই দেখোন কামবিলাক কৰাব পাৰে। গতিকে অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী সভাৰ বিৰুদ্ধে যিবিলাক ধৰিলওক অপপ্ৰচাৰ ওলাইছে সেই অপপ্ৰচাৰ বিলাক যুটীয়া সংসদীয় কমিটিৰ নিচিনাকৈ যুটীয়া সদন কমিটি কৰি সত্য উৎঘাটন কৰি মন্ত্ৰীসভাৰ ভাৱমুৰ্ত্তি উজ্বল কৰিব বুলি আশা কৰিলো। আজি এজন মন্ত্ৰীৰ বিৰুদ্ধে নাৰী নিৰ্য্যাতনৰ প্ৰশ্ন উঠিছে। স্বয়ং মন্ত্ৰীৰ বিৰুদ্ধে লিখিত অভিযোগ দিয়া হৈছে। এনেধৰণৰ যদি অভিযোগ আহে তেন্তে মন্ত্ৰীসভাৰ ভাৱমূৰ্ত্তি উজ্বল হ'ব কেনেকৈ? আগতে এজন মন্ত্ৰীয়ে চৰকাৰক বিপদত পেলোৱাই নহয় প্ৰশাসনৰ মাজতো হতাশাৰ সৃষ্টি কৰিছিল। তেওঁ কমিচনাৰ, চেক্ৰেটাৰীক বেকাৰ কৰি ৰাখিছিল। উপ-সচিব এজনক লৈয়ে তেওঁ সকলো কাম কৰিছিল। যদি এজন উপ-সচিবেৰেই এটা বিভাগ চলাব পাৰি তেন্তে ইমান টকা দৰমহা দি আয়ুক্ত, সচিব ৰখাৰ কি দৰকাৰ। এটা প্ৰশ্নৰ সম্পৰ্কত ৰাজ্যিক পঞ্চায়ত মন্ত্ৰীক সোধাত উত্তৰত ক'লে যে ফাইল আগৰ মন্ত্ৰীৰ হাতত আছে, গতিকে উত্তৰ দিব পৰা নহ'ব। এইটো এটা উত্তৰ হ'ল নেকি? মন্ত্ৰী সকলৰ কামকাজ এনেকুৱা হ'লে ৰাজ্যখনৰ উন্নয়ন কেনেকৈ হ'ব। এইখিনি কৈ মই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত ৰখা বক্তব্যৰ সামৰণি মাৰিলো।

* ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী*** : মাননীয় অধ্যক্ষ মহোদয়, মই কবলৈ তিনিবাৰ উঠিছিলো এবাৰ মই নাছিলো। যি নহওঁক এইবাৰ মোক দুযাৰ কবলৈ দিয়াৰ কাৰণে আপোনাক মই ধন্যবাদ জনাইছো। আজি আমাৰ যিটো বিত্তীয় কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে এইটো এটকা হলেও কমাব লাগিব এশ টকা হলেও কমাব লাগিব। অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মন্ত্ৰীসভাৰ দুই চাৰিটা কথা কম। মোৰ সমষ্টিৰ কথা নকওঁ বা

ব্যক্তিগত কথা নকওঁ। অধ্যক্ষ মহোদয়, আপুনি ভালদৰে জানে, আপুনি ৰাজনীতি বিষয়ৰ অধ্যাপক আছিল। গতিকে ৰাজনীতি বিষয়ৰ অধ্যাপক হিচাপে মন্ত্ৰীসভাৰ দায়িত্ব কেনেকুৱা হব লাগে আপুনি জানিব। অধ্যক্ষ মহোদয়, মই আপোনাক তেল মাৰি কোৱা নাই। মন্ত্ৰী হলেই, ৰঙালাইট থকা গাড়ীত ঘূৰি প্ৰাইভেট চেক্ৰেটাৰী লৈ গতানুগতিকভাৱে আয়ুক্ত, সচিবৰ পৰা ফাইল এপ্ৰুভ কৰাই মন্ত্ৰীৰ দায়িত্ব নহয়। এইটো হ'ল মোৰ প্ৰথম কথা। দ্বিতীয়তে মন্ত্ৰীসকলৰ দায়িত্ব হ'ল, মুখ্য মন্ত্ৰীয়ে ভগাই দিয়া বিভিন্ন বিভাগৰ পৰা কৰ পৰা কেনেকৈ সংগ্ৰহ কৰি অলপমান ধন আনি ৰাজ্যৰ ধনৰ ভৰাল টনকিয়াল কৰিব পাৰে সেইটোত চকু দিয়াটোহে মন্ত্ৰীসকলৰ কৰ্ত্তব্য। এতিয়া আপোনালোকৰ মন্ত্ৰীসকলৰ মাজৰ পৰা অন্ততঃ এজনে থিয় হৈ কওকচোন যে 'পৰিকল্পনাৰ ধনৰ বাহিৰে অতিৰিক্ত কিবা টকা আনিব পাৰিছে নেকি?'

(ভইচ ঃ আপুনি পৰীক্ষা কৰিছে নেকি? আপুনি মন্ত্ৰী হৈ থাকোতে কিমান টকা আনিছিলে?)

আপোনালোকে মোৰ কথাটোত গুৰুত্ব দিয়া নাই। মই স্বাস্থ্য বিভাগত থাকোতে ৯.২৫ কোটি টকা আনিছিলো, স্বাস্থ্য বিভাগৰ ফাইলত এতিয়াও পাব। আপোনালোকে দিল্লীৰ পৰাওঁ টকা আনিব নোৱাৰে আৰু ষ্টেট ৰেভিনিউ ও নাই। অধ্যক্ষ মহোদয়, আমি কিছুমান মানুহৰ বিৰুদ্ধে কওতে চন্দন চৰকাৰে বাৰম্বাৰ কয় যে আমি বিৰোধী সদস্য হোৱা বাবে তেনে কৰা বুলি। বিৰোধী পক্ষ যদি নাথাকে তেন্তে সদন কেতিয়াও পূৰ্ণাংগ নহয়। আমি 'ওৱাচ ডগ' হিচাপে বিৰোধী পক্ষই সদনৰ কামকাজ পৰিচালনা কৰো। চৰকাৰৰ কিবা যদি ভূল হয় সেইখিনি ৰেক্টিফাই কৰি দিয়াটো আমাৰ দায়িত্ব। যজ্ঞ চলি থকালৈকেহে বামুন জনৰ দৰকাৰ হয়। যজ্ঞ শেষ হোৱাৰ লগে লগে বামুনটো চকুৰ ধূলিৰদৰে হৈ পৰে। আমাৰ বিৰোধী পক্ষৰ অৱস্থাও সেয়ে হৈছে। এতিয়া অধিবেশন চলি থকা বাবে আমাক গুৰুত্ব দি আছে। অধ্যক্ষ মহোদয়, আপুনিও গম পাব। আপুনি নতুনকৈ অধ্যক্ষ হৈছে। আপোনাৰ সমষ্টিত কিমান কাম হয়। অধ্যক্ষ মহোদয়, মই পঞ্চায়ত বিভাগৰ বিষয়ে কেইটামান কথা কম। অৱশ্যে আগৰ পঞ্চায়ত মন্ত্ৰীজন আজি সদনত নাই। এতিয়া ৰাজ্যিক মন্ত্ৰী যিজন আছে এই বিষয়ে তেওঁক কৈ কোনো লাভ নাই। সেই কাৰণে মই তেওঁক সমালোচনা নকৰো। মইয়ো এজন কেবিনেট মন্ত্ৰী আছিলো, গতিকে মই জানো ষ্টেট মিনিষ্টাৰ এজনৰ দায়িত্ব কিমান। যিনহওক মই কেইটামান কথা দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উপসচিব শ্ৰীএ. আৰ. লস্কৰে, আই. পি. আৰ. ডি. এন. আৰ. ই. পি. ট্ৰাইচেম ইত্যাদিৰ টকা ১৯৯১ পৰা ১৯৯২ চনৰ ডিচেম্বৰলৈকে

উইদ্ৰকৰি বহু লাখ টকা খৰছ কৰিছে। সেই টকা ক'ত কেনেকৈ খৰছ কৰিছে আয়ুক্ত, সচিব, মুখ্যমন্ত্ৰী কোনেও নাজানে। যেজন মন্ত্ৰীক খেদিলে সেইজনেহে জানে। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে সেইদিনা সদনত থকা হ'লে দেখিলেহেতেন কেনেকৈ বিল খনৰ দ্বাৰা কেনেকৈ ক্ষমতা বিকেন্দ্ৰীকৰণৰ পৰা কেন্দ্ৰীভূত কৰিব বিচাৰিছিল। আমাৰ ডাইৰেক্টৰেট দুটা আছে - পঞ্চায়ত আৰু গ্ৰামোন্নয়ন। দুটা ডাইৰেক্টৰেট থকা স্বত্বেও আৰু তাৰোপৰি আয়ুক্ত, সচিব থকা স্বত্বেও কেনেকৈ উপসচিব লস্কৰে চুপাৰচিট কৰিব পাৰে। মহাত্মা গান্ধীয়ে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কথা কৈছিল কিন্তু আমাৰ আগৰ মন্ত্ৰীয়ে ক্ষমতা কেন্দ্ৰীভূত কৰিব বিচাৰিছিল। মই নিজে দেখিছো, এই উপসচিব জনে নিজে মন্ত্ৰীৰ পেদত নিজে লিখি মন্ত্ৰীক চহী কৰিবলৈ দিছে। এটা ঘৰ বান্ধিছে কলেজৰ নামত, তাত ৩৫ লাখ টকা দিছে তাৰে ৬ লাখ টকা ৰুৰেল লাইব্ৰেৰীৰ নামত, চায়েঞ্চ লাইব্ৰেৰীৰ বাবে দিছে ২৫ হাজাৰ টকা। তাৰোপৰি বহুতকে নিযুক্তি দিছে টকা লৈ। মন্ত্ৰী হিচাপে নিযুক্তি দিছে দিয়ক। মন্ত্ৰী হ'লে দুই এটা নিযুক্তি দিব লাগিব। কিন্তু মাটি বেছি অনা টকা লৈ কিয় নিযুক্তি দিয়ে। অধ্যক্ষ মহোদয়, মই পশুপালন বিভাগৰ ওঁ দুটামান কথা কব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমানৰ ডাইৰেক্টৰ যুগল শইকীয়া আৰু প্ৰাক্তন ডাইৰেক্টৰ টি. বি. দত্ত, ধৰ আৰু পি. কে. ডেকা এই কেইজন লগ হৈ ১৬ কোটি আৰু ২২ কোটি টকা ১৯৯১ আৰু ১৯৯২-৯৩ চনৰ এটা টকা চেংশ্যন কৰাই লৈছে । They have accorded sanction without any authority. ১৬ কোটি আৰু ২২ কোটি টকা কোনো অথ'ৰিটি নোহোৱাকৈ চেংশ্যন কৰাই লৈ গ'ল। আৰু এই বিষয়ে ফাইনেন্স ডিপাৰ্টমেন্টে জানে। যেতিয়া ফাইনেন্স ডিপাৰ্টমেন্টৰ এজন লোকক সুধিলো তেতিয়া তেখেতসকলে জনালে যে এখন চিঠি লিখিছে এতিয়া জানিবৰ ব্যৱস্থা লৈছো বুলি জনালে। আন এটা কথা মই কব বিচাৰিছো আজি মেডিকেল কলেজত কিছুমান অতি মুল্যবান মেচিন অচল হৈ পৰি আছে, এতিয়াও সেই মেচিনবিলাক কামত নোহোৱাকৈ বহি আছে। আমাৰ ইয়াত এতিয়া মাত্ৰ দুজন কাৰডিওলজিষ্ট আছে, মই মন্ত্ৰী থাকোতে এবাৰ মেঘালয়ৰ শ্বিলঙলৈ যাওতে তাত থকা এজন বৰকটকী, তেখেতে তাত এখন প্ৰাইভেট হস্পিতালত কাৰডিওলজিষ্ট হিচাবে কাম কৰি আছিল তেখেতক ইয়ালৈ আনিলো। আন এটা ২ কোটি ৫০ লাখ টকাৰ মূল্যৰ মেচিন এটা ৩ বছৰমান আগতে আনিবলৈ যো-যা কৰা হৈছিল, সেই মেচিনটো কলিকতাত পৰি আছে আৰু তাৰ ডেমাৰেজ চাৰ্জ ভৰি থাকিব লগীয়া হৈছে। এতিয়াও সেই মেচিন বহা নাই বিনা কামত পেলাই

---

✳ Speech not corrected

থোৰা হৈছে। তাৰ পাচত আন এটা কথা মনকৰিবলগীয়া সেইটো হ'ল আমাৰ মেডিকেল কলেজত অৰ্থ'পেডিক বিভাগত কোনো ডাক্তৰ নাই, গগৈ বোলা এটা ডাক্তৰ আছে যিজন জুনিয়ৰ তেখেতেই দায়িত্বত আছে অথচ আমাৰ ইয়াৰে অসমীয়া ডাক্তৰ টি. ভট্টাচাৰ্য, এ. মহন্ত এইসকল এক্সপাৰ্ট অৰ্থ'পেডিক কিন্তু তেওঁলোকে ইয়াত কোনো সুবিধা নোপোৱাৰ কাৰণে বাহিৰলৈ গুচি গৈছে। উমেশ শৰ্ম্মা বোলা এজন ইংলণ্ডত আছে, সেইসকল ভাল অৰ্থ'পেডিক ডাক্তৰ তেওঁলোক অসমীয়া মানুহ তেওঁলোকক ইয়ালৈ আনিব লাগে। কেৱল মন্ত্ৰী সকলে ৰঙা লাইট লৈ ঘূৰি ফুৰিলেই কাম সমাধা নহয়। তাৰ পাছত মই কৃষি বিভাগৰ ওপৰত দুটামান কথা কব বিচাৰিছো, বাইদেউক মই ইমান দিনে কোনো কথা কোৱা নাই। আপোনালোকে এগ্ৰিকালচাৰ মাইনৰ ইৰিগেচনৰ দায়িত্ব দিয়ক মই তিনি বছৰৰ ভিতৰতে গোটেই ৰাজ্যখনত গ্ৰিণ ৰিভোলুচন আনি দিব পাৰিম। (ভইচ ঃ আপুনি এই ফালে আহক তেতিয়া দিম নহয়) সেইটো অসম্ভৱ কথা, মই নাহো। সেইকাৰণে মই কব খোজো এই কথা বিলাক চাব লাগে। আপোনালোকে কেৱল হাহি থাকিলেই কাম বিলাক হৈ নুঠিব। আপোনালোকে এটা কথা মন কৰিব নাটকত ৰজা হবলৈ হ'লে দাত কিটা থিক থাকিব লাগে, দাঁত যেতিয়াই ওলাই পৰিব তেতিয়া আৰু ৰজাৰ ভাও কৰিব নোৱাৰিব, গতিকে দাঁত থকালৈকে আপোনালোকে হাঁহি থাকিব তাৰ পিচত কি কৰিব ? মই কব বিচাৰিছো এ. জি. পিয়ে বেয়া কাম কৰিলে সেইবুলি এ. জি. পিয়ে বেয়া কাম কৰিলে আৰু ভাল কাম কৰিলে আৰু ভাল কাম কৰিলে সেই বুলি কৈ থাকিলেই জানো হব, তেওঁলোকে ভাল কৰক, আজি আমি কোৱা শুনিছো পইচা-পাতি নাই, চাকৰি-বাকৰি নাই আৰু চাকৰিয়াল সকলক দৰমহা পইচা পাতি দিব পৰা নাই, গতিকে বাজেটত নাথাকিলেও লালু প্ৰসাদ যাদবে ধমকি দি কয়লাৰ ৰয়েল্টিট বেচিকৈ আনি ৰাজ্যৰ সমস্যা সমাধান কৰাৰ কাৰণে চিন্তা কৰিছে। There is no person to assert at Delhi.

অধ্যক্ষ মহোদয়, আপোনালোকে দেখিছে আৰু সিদিনা ও মই কৈছো যে আমাৰ হাবি জংগল বিলাক কাটি খাস্তাং কৰিলে, আজিকালি কুলিৰ মাত শুনিবলৈ নাই, মাননীয় মন্ত্ৰী শৰ্ম্মা ডাঙৰীয়াই কুলিৰ মাত শুনিছো বুলি কৈছে, আচলতে সেই মাত কুলিৰ নহয় সেয়া কাউৰীৰ মাত। এইখন চৰকাৰৰ দিনত এনেকুৱা এটা অৱস্থা হ'ল যে প্ৰকৃতিয়ো ধ্বংস হৈছে অসমত তথ্য মতে ৩৩.০৩ শতাংশ হাবি জংঘল থাকিব লাগে কিন্তু এইখন চৰকাৰৰ দিনত গছ গছনি কাটি উদং কৰা হ'ল। মই সদনৰ এটা কথালৈ দৃষ্টি আৰ্কৰ্ষণ কৰিব বিচাৰিছো-এবাৰ কি হ'ল শুনক এখন ৰাজ্যত এজাক শিয়ালে হুৱা হুৱা বুলি মাতিলে।

---

* Speech not corrected

ৰজাই সুধিলে বোলে এই শিয়াল বিলাকে কিয় ইমানকৈ হুৱা দিছে? উত্তৰত জানিব পৰিলে শিয়াল বিলাকে খাদ্য খাবলৈ পোৱা নাই। অ' তেতিয়া হ'লে যোৱা ৰাজ ভঁৰালৰ পৰা খাদ্য দিয়া কিন্তু তাৰ পাচতো শিয়াল বিলাকে হুৱা দিয়াত পিচত ৰজাই সুধিলত জানিব পাৰিলে সিঁহতৰ কাপোৰ নাই। তেতিয়া ৰজাই ৰাজকোষৰ পৰা কাপোৰ দিবলৈ কলে। তাৰ পিছতো হুৱা দিওতে কলে ঘৰ নাই তেতিয়াও কলে ৰাজকোষৰ পৰা দিবলৈ কলে। কিন্তু তাৰ পিছতো যেতিয়া শিয়াল বিলাকে হুৱা দিলে তেতিয়া সুধিলে সিঁহতক ভাত, কাপোৰ, খাদ্য সকলো দিয়া হ'ল কিন্তু তথাপিতো হুৱা দিবলৈ নেৰিলে। তেতিয়া কলে যে আচলতে আপুনি গোটেই খিনি দিয়াৰ কাৰণে হুৱা দিছে। গতিকে বৰ্ত্তমান চৰকাৰৰ দিনতো এনে অৱস্থা হৈছে। শাসন যন্ত্ৰৰ কথা আৰু এটা কব বিচাৰিছো। এটা গল্প আছিল সেইটো মই কব বিচাৰিছো। (ভইচঃ আপুনি কব খোজা গল্পটো আগতেই শুনিছো) অ' তেতিয়াহলে মই আৰু গল্পটো নকও, মই সদনত নাছিলো সেইকাৰণে জনা নাছিলো। তথাপিতো এনে গল্প মই লাখ লাখ বাৰ কব পাৰিম। তাৰ পিচত মই পুলিচৰ ব্যৱহাৰৰ কথা কব বিচাৰিছো, প্ৰেচ ক্লাবত পুলিছে যিটো দেখুৱালে সেইটো অতি জঘন্য প্ৰকাৰৰ আছিল, আজি নগাওঁৰ যিজন এচ. পি. আৰু গুৱাহাটীৰ যিজন এচ. পি. তেওঁলোকৰ ব্যৱহাৰ অতি জঘন্য। মাননীয় মন্ত্ৰী শৰ্ম্মা ডাঙৰীয়া এজন বামুন মানুহ তেওঁ অসত্য কথা নকয়, তেখেতে জানে এই পুলিচ সকলৰ ব্যৱহাৰ কেনে ধৰণৰ। তেওঁলোকে প্ৰটেকচন কেনেদৰে দিব লাগে সেইটো জনা উচিত। ১৯৪৮ চন আগষ্ট মাহত এখন মিটিং হৈছিল সেই মিটিঙত ৪৩ খন ৰাষ্ট্ৰই অংশ গ্ৰহন কৰিছিল। তাত প্ৰটেকচন কেনেদৰে দিব লাগে সেই বিষয়ে ৩০ টা নিয়ম দাঙি ধৰিছে আৰু সেই কাৰণে ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰিয়েম্বলত ১০২ উল্লেখ আছে, গতিকে সেই কথা বিলাক অনুধাবন কৰি বেয়া ব্যৱহাৰ কৰা পুলিচ বিষয়া বিলাকক আতৰাই ভাল মানুহ আনিব লাগে। আন এটা কথা মই কব বিচাৰিছো সেইটো হ'ল আমাৰ ইয়াৰ পৰা ইণ্ডিয়া কাৰ্বন গুছি যাবলৈ সাজু হৈছে তেতিয়া কিন্তু আমাৰ কৰ্ম্মচাৰী যি সকলে তাত কাম কৰিছিল তেতিয়া তেওঁলোকৰ হাহাকাৰৰ অৱস্থা হব, তাৰোপৰি আমাৰ চিগাৰেট কোম্পানী এটা আছে কিন্তু তাৰ পৰা আজিলৈকে কোনো চিগাৰেট উৎপাদন হোৱা নাই। আমাৰ উদ্যোগ মন্ত্ৰীক ভাৰত গৌৰব উপাধী প্ৰদান কৰিছে, তেওঁ মুখ্য মন্ত্ৰীতকৈয়ো ওপৰলৈ গ'ল কিন্তু মন্ত্ৰী গৰাকীয়ে উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত কি কৰিছে? এই কোম্পানী বিলাক সু-প্ৰতিষ্ঠা কৰি নিবনুৱা সমাধানত কিয় মনোনিবেশ কৰা নাই।

* ***শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) ঃ*** এই কথা বিলাক এতিয়া হোৱা নাই,

মাননীয় সদস্য পাটোৱাৰী থকাৰ দিনৰে পৰা চলি আছে।

***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** মই কাগজ পত্ৰ আনি দেখুৱাব পাৰো। সময় যেতিয়া কম মই এই খিনিকে কৈ শেষ কৰিব বিচাৰিছো।

***Mr. Speaker :*** The House stands adjourned till 3 P.M. to-day.

(মধ্যাহ্ন ভোজনৰ বাবে সদন স্থগিত থাকে)

(The Assembly again met on 29th March, 1993 after lunch at 3 P.M. with Hon'ble Speaker in the Chair.)

***Mr. Speaker :*** I inform the House that Honourable Chief Minister will make a statement on an incident that took place on Joysidhi under Sootea Police Station in Sonitpur District yesterday just after 7.00 P. M. to-day.

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি ভালেকেইজন মাননীয় সদস্যই মন্ত্ৰী সভাৰ বাবে টকা বিচাৰি সদনত ভালেমান কথা আগবঢ়াইছে। মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই ভালেকেইটা অভিযোগো উত্থাপন কৰিছে। তেখেতে কৈছে, বিশেষকৈ মুখ্য মন্ত্ৰীয়ে নিজৰ সমষ্টিত চি. এম. ৰিলিফ ফাণ্ডৰ টকা বিলাব নালাগে। সকলো সমষ্টিতে টকাৰ সম বিতৰণ হব লাগে। এই কথা খিনিয়ে আমাক গাইদ কৰে। ইয়াত কৈছে যে,

The fund shall be utilised at the discretion of the Chief Minister in such a manner, as he deems fit and proper to render financial assistance, relief to deserving per persons/institutions.

(a) as relief to victims of natural calamities;

(b) for medical treatment;

(c) to any public institutions affected by natural calamities;

(d) to any public institutions considered suitable by the Chief Minister for such relief;

(e) to any other person facing poverty due to old age and physical disability;

(f) for any other reasons which may be considered fit and proper for rendering such financial assistance, relief by the Chief

Minister.

অধ্যক্ষ ডাঙৰীয়া, এই কেইটাই মুখ্য মন্ত্ৰীক অত্তুদ আৰু অসীম ক্ষমতা দিছে। কিন্তু সেই বুলিয়েই আমি এইটো মিচ ইউজ নকৰো। মই এতিয়ালৈকে অৰ্থাৎ ৩ মাৰ্চলৈকে মই দায়িত্বৰ লোৱাৰ পিচত কিমান ৰাইজক টকা দিছো তাৰ তালিকা এখন সদনত দাখিল কৰিলো। তাৰে প্ৰথম ১০ পৃষ্ঠা গাব খুজিছো। প্ৰথম পৃষ্ঠাতে ৩৫ জন মানুহক ১৫০০ শ কৰি টকা দিয়া হৈছিল। এই ৩৫ জনৰ ভিতৰত এজনহে শিবসাগৰৰ।

দ্বিতীয় পৃষ্ঠাত, ৩৪ জনৰ পৰা ৮১ জনৰ ভিতৰত ১৫০০ শ কৰি টকা দিয়া হৈছে। তাতো শিৱসাগৰৰ এজনকহে দিয়া হৈছে।

তৃতীয় পৃষ্ঠাত, ৮২ ৰ পৰা ৯৯ জনক দিয়া হৈছে তাত শিৱসাগৰ আৰু নাজিৰাৰ এজনো নাই।

চতুৰ্থ পৃষ্ঠাত, শিৱসাগৰৰ এজন আছে, নাজিৰাৰ এজনো নাই।

৫ম পৃষ্ঠাত ৩৪ ৰ পৰা ৮৩ ৰ ভিতৰত শিৱসাগৰৰ মানুহ এজন আছে। বাকী বিলাক অসমৰ বিভিন্ন জিলাৰ। নলবাৰী, গুৱাহাটী, ধুবুৰী আদি সকলোৰে লোক আছে। নাজিৰাৰ এজনো নাই। ৬ পৃষ্ঠাত ৮৪ ৰ পৰা ১০০ ৰ ভিতৰত শিৱসাগৰ, নাজিৰাৰ এজনো নাই। ৭ ম পৃষ্ঠাৰ ১ ৰ পৰা ৩৫ ৰ ভিতৰত শিৱসাগৰ, নাজিৰাৰ এজনো নাই। ৮ ম পৃষ্ঠাত ৩৪ ৰ পৰা ৮০ ৰ ভিতৰত শিৱসাগৰৰ দুজন আছে। ৯ ম পৃষ্ঠাত ৮১ ৰ পৰা ১০০ ৰ ভিতৰত শিৱসাগৰৰ ৩ জন আছে, নাজিৰাৰ নাই। ১০ ম পৃষ্ঠাত ১ ৰ পৰা পৰা ৩৪ ৰ ভিতৰত শিৱসাগৰ নাজিৰাৰ এজনো নাই। মই গোটেইখিনি গাব পাৰো। সকলোবিলাক ঠাইৰ মানুহ আছে। তেখেতে যিটো ভাবিছে সেইটো সত্য নহয়। ইয়াত বহুত পৃষ্ঠা আছে। এই গোটেইখিনি চালে দেখিব শিৱসাগৰ, নাজিৰাৰ নোলাব। গুৱাহাটী, নলবাৰী, মৰিগাওঁ, দৰং আদি সকলো ঠাইৰ লোক আছে। মই এই তালিকাখন সদনত পেচ কৰিলো। মই দায়িত্বভাৰ লোৱা ১ জুলাই ১৯৯১ চনৰ পৰা ৩১ জুলাই, ১৯৯২ তাৰিখলৈ মুখ্য মন্ত্ৰীৰ সাহায্য পুজিৰ পৰা দুই কোটি ৩১ লাখ ৭৪ হাজাৰ টকা দিয়া হৈছে। তাৰে ইউনিভাচিটি ৰ বাবে ৩০ লাখ ৪৫ হাজাৰ টকা। মোৰ সমষ্টিত ইউনিভাৰচিটি নাই। কলেজত দিয়া হৈছে ৬৭ লাখ ৫১১ টকা। মোৰ সমষ্টিত ৮ লাখ। হায়াৰ চেকেণ্ডাৰীত ২ লাখ ৮০ হাজাৰ, হাইস্কুলত ১ কোটি ৩০ লাখ। ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯২ চনৰ ৩১ জুলাইলৈকে চি. এম. ৰিলিফ ফাণ্ডৰ পৰা ২ কোটি ৩১ লাখ ৭৪ হাজাৰ টকা বিতৰণ কৰা হৈছে। এই কথাটো সঁচা নহয় যে গোটেই টকাখিনি মই লৈছো। এইখন কাগজ সদনত পেচ কৰিলো। তাৰ পিচত তেখেতে কৈছে যে শিৱসাগৰ ট্ৰেজাৰীত ১২

লাখ টকাৰ কেচ আছে। এইটো মই পিচত সদনত জনাম। নিযুক্তিৰ ক্ষেত্ৰত মই নিৰ্দ্দেশ দিছো যে সেই এলেকাৰ বিধায়ক সকলৰ লগত আলোচনা কৰি নিয়োগ কৰে যেন। তেখেতে স্বৰ্গদেউ উপাধিৰ বিষয়ে কৈছে। মই নিজে লোৱা নাছিলো, মোক দিছিল। স্বৰ্গদেউ উপাধী দিয়া সভাত মই চোলা গ্ৰহণ কৰা নাই। নতুন দৈনিক কাকতৰ বাহিৰে অন্য কাকতত এই কথাটো নিদিলে। নতুন দৈনিকত ধুনীয়াকৈ দিছে যে শইকীয়াই গ্ৰহণ নকৰিলে। মোক উপলুঙা কৰিবৰ কাৰণে নতুন দৈনিকৰ বাহিৰে আন কাকতত নিদিলে। মোক হেয় প্ৰতিপন্ন কৰাৰ কাৰণে সেইটো চলি আছে। তেখেতে ধনশিৰি প্ৰজেক্টৰ কথা কৈছে। ভাৰতৰ অন্যান্য ঠাইত দেখিছো এনেকুৱা প্ৰজেক্ট বিলাকে ক্ষতি কৰিছে। ধৰক লাংপি পাৱাৰ প্ৰজেক্ট। লাংপি প্ৰজেক্টৰ বাবে ৩৪ কোটি টকাৰ এষ্টিমেট আছিল। এতিয়া সেইটো হৈছেগৈ ১১৬ কোটি টকা। ৩৪ কোটি টকাত কামটো হব লাগিছিল। এতিয়া ১১৬ কোটি টকা খৰচ কৰাৰ পিছতো কাম সম্পূৰ্ণ হোৱা নাই। এতিয়া আৰু ১১০ কোটি টকা লাগে। সেই কাৰণে প্ৰাইভেট কোম্পানীৰ লগত যোগাযোগ কৰিছো কামটো কৰিবৰ কাৰণে। আমি ১১৬ কোটি টকা খৰছ কৰিছো আৰু খৰছ কৰিব নোৱাৰো। খৰছ কৰিলেও কামত নাহিব। বৰষূণৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰিলে যেনেকুৱা হয়, পাৱাৰৰ ক্ষেত্ৰত তেনেকুৱা হৈছে। হাইদেল প্ৰজেক্টৰ ক্ষেত্ৰত বাৰিষা যেতিয়া পানী থাকে সেই সময়ত পাৱাৰ দিব পাৰে, খৰালি দিব নোৱাৰে। আমাৰ ৰাজ্যখনত ৪শ মেগাৱাট পাৱাৰ লাগে। তাৰ ঠাইত ১২০ মেগাৱাট উলিয়াব পাৰিছো। খৰালি কমি যায়। লোগকাকত ২ মেগাৱাট দিব নোৱাৰে। আমাৰ ৰাজ্যখনত যি বিলাক নৈৰ ওপৰত নিৰ্ভৰ কৰি হাইদেল প্ৰজেক্ট কৰা হৈছে, সেই বিলাকৰ ক্ষতি হৈছে। সেই কাৰণে গেচ প্ৰজেক্টত যাব খুজিছো। বিভিন্ন ধৰণৰ আঁচনি তৈয়াৰ কৰিছে। ১১৬ কোটি টকা খৰচ কৰিও সম্পূৰ্ণ কৰিব পৰা নাই। ধনশিৰি প্ৰজেক্টৰ তিনিটা প্লেন হোৱাৰ পিছতো এক্সটেনচন দিয়া হৈছে। এতিয়া তাৰমূল্য বাঢ়ি গৈছে। মই এই বিষয়ত পিচত জনাই দিম। তেখেতে মাননীয় সদস্য এগৰাকীৰ নাগৰিকত্ব সম্পৰ্কত কোৱা কথাটো তদন্ত কৰি চাম। কাগজ পত্ৰ পাইছো। সেই সময়ৰ ৰিটাৰ্ণিং বিষয়াই ভাৰতীয় নাগৰকত্বৰ প্ৰমাণ নিশ্চয় পাইছিল। মই কাগজ পত্ৰ চাম। বড়োলেণ্ড চেটেলমেন্টৰ কথা হ'ল বড়ো চেন্টিমেন্টক অনাৰ কৰি কাম কৰিব লাগে। আমি অসমক খণ্ড বিখণ্ড কৰিব খোজা নাই। তেওঁলোকে ৫০ শতাংশ বিচাৰিছিল। আমি ৰাজ্য নিদিলো। তাৰ কাৰণে আমাৰ লগত বেয়া হৈ গ'ল। নিৰ্ব্বাচনৰ পিচত তেওঁলোকৰ লগত বন্ধুত্ব হৈছিল। বুজাপৰা হৈছিল। যেতিয়া আমি কবলৈ আৰম্ভ কৰিলো যে ৰাজ্য নিদিও, তেতিয়াৰ পৰা বিৰোধী দলৰ লগ লাগিল। কোনো কালে সহায় নিবিচাৰো।

ৰাজ্য লাগে বুলি কৈছে। আমি স্পষ্টকৈ কৈছো ৰাজ্যৰ দাবীত সমৰ্থন নিদিওঁ। শেষত যেনিবা সকলোৰে গোদ চেন্স প্ৰিভেইল হ'ল। ৰাজ্যৰ দাবী পৰিহাৰ কৰিলে। ৰাজ্যপালৰ ভাষণৰ ওপৰত কৈছো আৰু মোৰ নিজৰ অভিজ্ঞতা আছে যে মেঘালয়, নগালেণ্ড, অৰুণাচল, মিজোৰাম সৃষ্টি কৰাৰ পিচত তাত থকা নন-ট্ৰাইবেল সকলক যি ৰক্ষণা-বেক্ষণ দিব লাগিছিল, সেইখিনি নোৱাৰিলো। উপৰোক্ত ৰাজ্য কেইখনত নন-ট্ৰাইবেল সকলে মাটি কিনিব নোৱাৰে, ট্ৰাইবেলক মাটি বেচিব পাৰে। তেওঁলোকৰ লাইচেঞ্চ ৰিনিউ নকৰে, চাকৰি নিদিয়ে, নানা নিৰ্য্যাতন ভূগিছে। মই নিজে বহু ঠাইলৈ গৈছো আৰু ৰাজ্যপাল আছিলো। স্বচক্ষে দেখিছো নন-ট্ৰাইবেল সকলৰ বিপত্তি হৈছে। কংগ্ৰেছৰ অৰাজকতাৰ হিচাবে উত্তৰ পূৰ ভাৰতৰ বিভিন্ন ঠাই ঘূৰি ফুৰাত নন-ট্ৰাইবেল সকলে সেই একে কথা দুখেৰে কয় আমি সকলো ফালে বঞ্চিত হৈছো। পাহাৰি জনজাতি সকলৰ স্বাৰ্থৰ হকে, অৰ্থনৈতিক উন্নতিৰ হকে ৰাজ্য দিবলৈ গৈ সকলো সৰ্ব্বস্বান্ত হ'ল। এইবাৰ বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদত নন-ট্ৰাইবেল সকলক যিখিনি ৰক্ষণা-বেক্ষণ দিব লাগে সেইখিনি দিবলৈ চেষ্টা কৰিছো। কিন্তু ইমান সহজ নহয়। ইতিমধ্যে মেঘালয়, নগালেণ্ড, অৰুণাচল, মিজোৰামৰ জন্ম হ'ল। কাৰ্বি আংলং, উত্তৰ কাছাৰত নন-ট্ৰাইবেল সকলৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰিলো। নিশ্চয় এটা দোষ হৈ গ'ল। সেয়ে আমি চেষ্টা কৰিছো যাতে বড়োলেণ্ড স্বায়ত্ব শসিত পৰিষদত নন-ট্ৰাইবেল সকল বঞ্চিত নহয়। শ্ৰীশৰ্ম্মা ডাঙৰীয়াই এটা কথা কৈছিল আৰু একৰ্ডৰ ২০ নংত কৈছে - অজনজাতি লোকসকলৰ অধিকাৰ সুৰক্ষা অসম চৰকাৰ বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদে স্বায়ত্ব শাসিত এলেকাটোৰ ভিতৰত আজিৰ তাৰিখত ২০ ফেব্ৰুৱাৰীত যত যিদৰে যিসকল অজনজাতী লোক আছে সেইসকলৰ অধিকাৰ আৰু স্বাৰ্থ বিশেষকৈ ভূমি আৰু ভাষাৰ ক্ষেত্ৰত সুৰক্ষাৰ কাৰণে বিষয়টো যুটীয়াভাৱে নিষ্পত্তি কৰিব।

অধ্যক্ষ মহোদয়, ইয়াত মাটি আৰু ভাষাক বিশেষকৈ অগ্ৰাধিকাৰ দিয়া হৈছে। কাৰণ এই দুটা বৰ চেনজিটিভ বিষয়। কাৰণ কোনেও নিজৰ মাতৃভাষা এৰিব নোৱাৰে, কাৰণ, বহুতবিলাক কাজিয়া মাটি লৈয়ে হয়। সেই কাৰণে চুক্তি কৰোতে আমি এই বিষয় দুটাৰ ওপৰত বিশেষ গুৰুত্ব দিছো। ২০ ফেব্ৰুৱাৰী তাৰিখে আমি চুক্তি খনত চহী কৰিছো সেই তাৰিখৰ পৰা অজনজাতী লোকৰ মাটি বা নিজৰ ভাষাৰ অধিকাৰ আগৰ নিচিনাকৈ থাকি যাব। ভাৰতীয় সংবিধানে নাগৰিকত্বত যি ধৰণে অধিকাৰ দিছে বড়ো চুক্তি কৰাৰ পাছতো অজনজাতী লোকৰ অধিকাৰ সংবিধানে দিয়া ধৰণে থাকি যাব আৰু তাৰ ৰক্ষণাবেক্ষণৰ সকলো কথা চুক্তিখনত সন্নিবিষ্ট কৰা হৈছে। বড়োলেণ্ড স্বায়ত্ব শাসিত

পৰিষদত অনুসুচিত জাতী আৰু জনজাতী সকলৰ অধিকাৰ সংবিধান প্রদত্ত হিচাবেই থাকি যাব। যিবিলাক কন্ট্রোভার্চিয়েল কথা সেইবিলাকৰ ক্ষেত্রত প্রতিটো ক্লজ ঠিক কৰোতে ৰিপিটেডলী আমি সংবিধানখন পঢ়ি চাইছো আৰু প্রতিটো ক্লজতে ভাৰতীয় সংবিধানখনৰ কথা উল্লেখ কৰিছো। আমি প্রথমে প্রস্তাৱ আগবঢ়াইছিলো যে ৩৫ জন নির্বাচিত সদস্য আৰু ৫ জন চৰকাৰৰ মনোনীত সদস্য পৰিষদখনত থাকিব। আমি যেতিয়া পৰিষদ গঠন সম্পর্কত অজনজাতীয় লোকৰ লগত আলোচনা কৰিছিলো প্রতিনিধিত্বৰ সংক্রান্তত তেতিয়া অজনজাতীয় লোকসকলে মনোনীত সদস্য হব বিচৰা নাছিল তেখেত সকলো নির্বাচিত প্রতিনিধি হব বিছাৰিছিল। কোকৰাঝাৰ অঞ্চলতে বেছিকৈ অজনজাতীয় অঞ্চল পৰিছে। তাত তেখেত সকলে যেতিয়া আমাক স্মাৰক পত্র দিয়ে ৭ জন নির্বাচিত প্রতিনিধি বিচাৰিছিল অর্থাৎ ৪০ জনৰ ৭ জন অজনজাতীয় নির্বাচিত প্রতিনিধি। আমি তেতিয়া বড়ো নেতৃবৃন্দৰ লগত আলোচনা কৰোতে তেখেত সকলে এখন আসনো এৰি দিব বিচৰা নাছিল আনকি মনোনীত সদস্য তেওঁলোকে বিচৰা নাছিল। কিন্তু আপোনালোকে শুনি সুখী হব মই এই মাত্র খবৰ পাইছো অজনজাতীয় লোকৰ কাৰণে তেখেত সকলে ১০ খন আসন এৰি দিব বিচাৰিছে। অর্থাৎ তেখেতে সকলে আমাক বিশ্বাসত লব পাৰিছে। অজনজাতীয় লোক সকলৰ এতিয়া নিশ্চয় শংকা কমি যাব। তেখেত সকলক আমি অসমৰ বাহিৰলৈ যাব দিয়া নাই। আইনখন সংসদে পাছ কৰা হলে আমি হয়তো হাত দিব নোৱাৰিলেহেতেন কিন্তু আইনখন পাছ কৰিম আমি বিধান সভাত। যিহেতু আইনখন বিধান সভাই পাছ কৰিব বিধান সভাই যেতিয়াই মন যায় সংশোধন নাইবা ৰিপিল কৰিবও পাৰিব। গতিকে আইনখন পাছ কৰা সময়ত সকলো কথা সাঙুৰী লবলৈ চেষ্টা কৰা হব। পৰিষদখন গঠন কৰি আমি এটা গুৰুত্বপূর্ণ কাম কৰিছো কাৰণ তেওঁলোকে ডিভিজন বিছাৰিছিল কিন্তু আমি অসমক বিভাজন নকৰিলো। সেয়ে বিধান সভাই আইন পাছ কৰি যেতিয়া পৰিষদ গঠন কৰিছো তেতিয়া বিধান সভাই প্রয়োজন বোধে ৰিপিলও কৰিব পাৰিব। আমি তেওঁলোকক এই পৰিষদৰ দ্বাৰা ৰাজনৈতিক অধিকাৰ দিয়া নাই। The objective of the scheme is to provide maximum Autonomy within the frame of the Constitution to the sanction of economic educational, ethnic and cultural বড়ো সকলৰ সামাজিক, অর্থনৈতিক শৈক্ষিক আৰু সাংস্কৃতিক উন্নয়নৰ কাৰণে স্বায়ত্ব শাসন দিয়া হৈছে, ৰাজনৈতিক আমি তেওঁলোকক দিয়া নাই। গতিকে আমি এই বিষয়টো লৈ মুৰ ঘমাবৰ দর্কাৰ নাই, ইয়াৰ দ্বাৰা বর্ত্তমান আমাৰ মাজত যি সৎভাৱ ঘূৰাই আহিছে সি আৰু বিঘ্নিত হব পাৰে। তেখেত সকলে ৬ বছৰ আন্দোলন

কৰিলে, বহুত ক্ষয়ক্ষতি হৈছে, দুয়োফালৰ বহুত মানুহ মৰিলে। তেওঁলোকৰো বহুত ঘৰ জ্বলিলে ধৰ্ষিতা হ'ল তাৰ পিছত গিভ এণ্ড টেক অৰ্থাৎ এৰা ধৰাৰ মাজেৰে এই চুক্তিখন গ্ৰহণ কৰা হৈছে। আমি অসমখনক খণ্ডিত নকৰি যে অসমৰ ভিতৰতে তেওঁলোকৰ মাজত বুজা বুজি হব পাৰিছো সেইটোহে ডাঙৰ কথা। অজনজাতীয় লোক সকলে যাতে সুৰক্ষা পায় তাৰ কাৰণে মই আপোনালোকক প্ৰতিশ্ৰুতি দিছো।। শ্ৰীশৰ্ম্মা ডাঙৰীয়াই চৌধুৰী পৰিয়ালৰ লোকক হত্যা কৰাৰ কথা উনুকিয়াইছে এইটো বহুত দিনীয়া কথা। এই হত্যাৰ আঁৰত তেওঁলোক ৰ কিবা পুৰণা শত্ৰুতাও থাকিব পাৰে। যি কেইখন গাওঁৰ কথা কৈছে সেইখিনি মই মন্ত্ৰী মুকুট শৰ্ম্মাক চাব দিছো। মই ভাৰো বাকীখিনি কথাৰে তেখেতক সন্তুষ্ট কৰিব পাৰিছো। শ্ৰীশৰ্ম্মা ডাঙৰীয়াই নাজিৰা সমষ্টিত অতিৰিক্ত ভাৱে এল. ও. চি. নিয়া বুলি কৈছে কিন্তু নাজিৰা মহকুমাত তিনিটা সমষ্টি আছে নাজিৰা, মাহমৰা আৰু সোণাৰী। মই পুৰণা কথা কবলৈ নাযাও ১৯৮৫ চনত যেতিয়া মই নাজিৰা সমষ্টিৰ ৰিজাইন দি ৰাজ্যপাল হৈ যাওঁ তেতিয়া উপ নিৰ্বাচনত তনু কোৱঁৰ জিকিছিল আৰু কেনেকৈ জিকিছিল সকলোৱে জানে। তেতিয়া কোৱঁৰ ডাঙৰীয়া নিৰ্বাচিত হৈ আহি এই বিধান সভাতে কৈছিল যে নাজিৰা সমষ্টিৰ পৰা ৬ টা চাব ডিভিজন উঠাই লৈ গ'ল অৰ্থাৎ গড় কাপ্তানি, এন. ই. চি. পি. এইচ. ই. বান নিয়ন্ত্ৰণ, জলসিঞ্চন, বোৰ্ডাৰ। এই মহকুমা কেইটা আগতে নাজিৰাত আছিল।

অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী হোৱাৰ আগতে মহকুমাৰ পৰা ৬ টা অফিচ উঠাই লৈ গৈছে। এই কথা তনু কোঁৱৰ ডাঙৰীয়াই কৈছিল - তেখেত অৱশ্যে কংগ্ৰেছৰ বিধায়ক নহয়। তেখেতে আবেগত কৈছিল যে মোৰ সমষ্টিৰ পৰা ৬ টা অফিচ উঠাই লৈ গৈছে। তাৰোপৰি যোৱা ৫ টা বছৰত তেখেত সকলৰ শাসন কালত অসম গণ পৰিষদৰ দিনত পুলিচ বিভাগত ১০ হেজাৰ নিৰনুৱা নিয়োগ কৰিছে। কিন্তু নাজিৰাৰ পৰা এটাও পোৱা নাই। নাজিৰা মহকুমাৰ পৰা ৬ টা অফিচ উঠাই লৈ গৈছে কিন্তু ৰাষ্টা পদুলিৰ কাম এটাও হোৱা নাই, স্কুল এটাও লোৱা নাই। টকা পইচা দিয়াৰ ক্ষেত্ৰত সকলোকে সমানে দিব লাগে বুলি মাননীয় সদস্য শৰ্ম্মা ডাঙৰীয়াই কৈছে, মই ভাল পাইছো। মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ পৰা টকা দিয়াৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰী হিচাবে মই সকলোকে সমানে দিয়াত একমত। যোৱা আঢ়ৈ বছৰত আঢ়ৈ লাখ টকা উলিয়াই দিছো। কোন সমষ্টিত কিমান গৈছে সেইটো লিষ্ট খনে কব। মই কেতিয়াও সমানে নিদিওঁ বুলি নকওঁ। কাৰণ আমি গণতন্ত্ৰক বিশ্বাস কৰো। আমি বিশ্বাস কৰো যে আজি গণতন্ত্ৰক যি সকলে প্ৰতিনিধিত্ব কৰিছে আৰু যিসকল

* Speech not corrected

ৰাইজৰ পৰা নিৰ্বাচিত হৈ আহিছে সেই সকলোকে সমানে অধিকাৰ দিয়া উচিত। মাননীয় সদস্য শ্ৰীওজা ডাঙৰীয়াই কৈছিল যে সকলো সমষ্টিতে সমানে দিয়া নাই। এইটো কেতিয়াও হব নোৱাৰে। আমি কংগ্ৰেছৰ এম. এল. এ. হৈ থকা কালত তেখেতসকলে গুৱাহাটীত ১২ খন স্কুলত টকা দিছিল। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই ৪৯ খনক দিছিল আৰু শ্ৰীপ্ৰফুল্ল মহন্তই ৭৫ খনক দিছিল। এতিয়া তেখেত সকলে বুজিব পাৰিছে। মই এই সদনতেই কৈছিলো যে উন্নয়নৰ কাৰণে সকলোতে সমানে দায়িত্ব পালন কৰা হব। প্ৰকৃততে সমষ্টিসমূহত যিবিলাক ব্লক আছে সেইবিলাকক অধিক উন্নয়নৰ দায়িত্ব দিয়া হৈছিল। দুবছৰ ধৰি তেখেতসকলৰ এটা খেদ আছিল আমাৰ ওপৰত আৰু মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই সেইটো কৈছিল। আচলতে ১৯৮৩-৮৪ চনত এই সদনত যিসকল বিধায়ক আছিল সেইসকলে এল. পি. স্কুলৰ এপইন্টমেন্ট দিছিল তাত আমি পোৱা নাই বুলি আপত্তি কৰিছিল। কিন্তু অধ্যক্ষ মহোদয়, তাৰ পাছত গোটেই ৫ বছৰ আমি সকলো হেৰুৱালো। সেইকাৰণে মই সদনক কব বিচাৰিছো আৰু মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাৰ কথাটো মানি লৈছো যে উন্নয়নৰ কামত সকলোকে সমানে দিব লাগে। কাৰণ আমি গণতন্ত্ৰক বিশ্বাস কৰো। যি ধৰণেই নহওক লাগে আমি নিৰ্বাচিত প্ৰতিনিধি আমি সকলোতে সমানে হোৱাকে বিচাৰো। আমাৰ শ্ৰীমালী ডাঙৰীয়াই কৈছে যে খবৰ দিব লাগে খবৰ দিবলৈ বন্ধ কৰি দিছে। মই কৈছো যে সেইটো নিশ্চয় খবৰ দিয়া হব।

অধ্যক্ষ ডাঙৰীয়া, মই ভাবো মই শ্ৰীশৰ্ম্মা ডাঙৰীয়াৰ সকলো কথাৰ উত্তৰ দিছো আৰু তেখেতে মুখ্য নিৰ্বাচনী আয়ুক্তৰ যিটো কথা কৈছে সেইটোত কওঁ যে মুখ্য নিৰ্বাচনী আয়ুক্তই যিটো গাইড লাইন দিছে সেইটো মনা হব আৰু তেনেকৈয়ে আমি কাম কৰিম। কাৰণ আজি অসমৰ ৰাইজে বিচাৰিছে যে শুদ্ধ তালিকা এখন প্ৰস্তুত কৰিব লাগে আৰু তাত কোনো বিদেশী থাকিব নালাগে। আমি তেনেকৈহে তালিকাখন প্ৰস্তুত কৰিম। আমি যিখন তালিকা বিদেশী নাই বুলি প্ৰস্তুত কৰিম সেইখন ভোটাৰ লিষ্ট ড্ৰাফ্ট হিচাবে প্ৰকাশ কৰা হব। মই আমাৰ মাননীয় সদস্য সকলক কব বিচাৰিছো আৰু সদনক প্ৰতিশ্ৰুতি দিছো যে মুখ্য নিৰ্বাচনী আয়ুক্তই যিটো গাইড লাইন দিছে আমি সেই মতেই মানি চলিছো আৰু মানি চলিম আৰু বিদেশী নথকা তালিকা বাহিৰ কৰিম। তালিকাখনত যাতে বিদেশী নাথাকে তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰা হব। শ্ৰীগগৈ ডাঙৰীয়াই এটা কথা কৈছিল যে মন্ত্ৰী সভাখন ডাঙৰ হৈছে। মই অস্বীকাৰ নকৰো। আজি ভাৰতবৰ্ষত এনে এটা ৰাজনৈতিক পৰিবেশ হৈছে যে ভাৰতবৰ্ষত থকা বিভিন্ন জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিব লগা হৈছে। কি কাৰণত নাজানো কিন্তু আজি ভাৰতবৰ্ষত কোনোটো ৰাজ্যই শতকৰা

১০ ভাগ কথা মানিব পৰা নাই। পশ্চিমবঙ্গই হওক বা উত্তৰ প্ৰদেশ, বিহাৰেই হওক এইকথা মানিব পৰা নাই। বিহাৰত ৬৫ জন মন্ত্ৰী আছে। পশ্চিমবঙ্গত ৪৪ জন মন্ত্ৰী আছে। গতিকে কেৱল আমাৰ ৰাজ্যতেই মন্ত্ৰীসভা ডাঙৰ হৈছে এনে নহয়, গোটেই ভাৰতবৰ্ষতেই প্ৰত্যেক ৰাজ্যত শতকৰা ১০ ভাগ কথা মানিব পৰা নাই আৰু এইটো সম্ভৱো নহয়। তাতে আমাৰ ৰাজ্যখনৰ পৰিস্থিতি আৰু বেলেগ আমাৰ ৰাজ্যৰ সমস্যা আৰু বেছি। কিছুমানে কৈছে খণ্ড বিখণ্ড হৈছে কিন্তু এইটো খণ্ড বিখণ্ড নহবৰ কাৰণে সকলো সমস্যা আগত ৰাখি চৰকাৰে আইন কৰিছে।

শ্ৰীগগৈ ডাঙৰীয়াই দূৰ্নীতিৰ কথা কৈছিল, এইটো কথা নকলে মন্ত্ৰীসভাৰ ইমেজ ভাল নহব। দুৰ্নীতিৰ কথা তেখেতে যিসকলৰ কথা ৰেফাৰেঞ্চ হিচাবে দিছে সেইসকল আজি বিধান সভাত উপস্থিত হোৱা নাই। মই সেই সকলক কিয় বাদ দিব লগা হৈছে। যিসকলে মন্ত্ৰী হোৱাৰ পিছত শপত গ্ৰহণ কৰিছিল সেইসকলক কিয় বাদ দিব লগা হ'ল। অধ্যক্ষ মহোদয়, মই কেতিয়াও কোৱা নাই যে সেইসকলক দুৰ্নীতি কৰাৰ কাৰণে খেদিছে। তেখেত সকল যিদিনালৈকে মন্ত্ৰী পদত আছিল তেতিয়ালৈকে মুখ্যমন্ত্ৰী দুৰ্নীতি পৰায়ণ নাছিল। মন্ত্ৰী হোৱা দিনালৈকে মুখ্য মন্ত্ৰীৰ গুণাগুণ গাই আছিল কিন্তু যেতিয়াই মন্ত্ৰী সভাৰ পৰা বাদ দিয়া হ'ল সেইদিনাৰ পৰাই মুখ্য মন্ত্ৰী দুৰ্নীতি পৰায়ণ হ'ল। এই কথা কোনে মানিব। অধ্যক্ষ মহোদয়, যি দলেই হওঁক গণতন্ত্ৰৰ নীতি মানি শ্ৰীপ্ৰফুল্ল মহন্ত ডাঙৰীয়াও মন্ত্ৰীসভাৰ পৰা কেইজনমানক বাদ দিছিল আৰু ১২ জন মন্ত্ৰী বঢ়াই লৈছিল। এইটো ভাৰতৰ সংবিধানে পাৱাৰ দিছে, সংবিধানতেই এইটো সুবিধা আছে কাৰণে কৰিছে। অধ্যক্ষ মহোদয়, মই সেইসকলক দুৰ্নীতি কৰাৰ বাবে খেদা নাই আৰু মই কেতিয়াও কোৱা নাই যে দুৰ্নীতিৰ কাৰণে সেইসকলক খেদিছো। যদি নাম ঘৰত কোনে সোমাইছে বুলি সোধে তেতিয়া যদি মই কল খোৱা নাই বুলি উত্তৰ আহে তেনেহ'লে ভাবি চাওক কোনে দুৰ্নীতি কৰিছে। সুধিছে নাম ঘৰত কোনে সোমাইছে? উত্তৰ আহিছে মই কল খোৱা নাই।

অধ্যক্ষ মহোদয়, শ্ৰীগগৈ ডাঙৰীয়াই এখন কাগজৰ কথা কৈছে মই পাইছো। এইটো কোনো ধৰণৰ জগৰীয়া হব নোৱাৰে। ইয়াত কোৱা হৈছে এটা প্ৰতিষ্ঠানৰ তৰফৰ পৰা এক হেজাৰ বাকচ ডি. আৰ. ডি. এৰ অন্যান্য কাৰ্যালয়লৈ যোগান ধৰিবলৈ দিয়া হৈছে। হয় অধ্যক্ষ মহোদয়, এইটো দূৰ্নীতি হব নোৱাৰে। মই প্ৰেয়াৰ মে বি কনচিডাৰদ বুলি লিখি দিছো কাগজখনত। তেওঁক কামটো কৰিবলৈ দিয়াত বাধা দিয়া উচিত নহয়। এনে কৰিলে তেওঁক অন্যায়হে কৰা হব। কাৰণ তেওঁ মোক কৈছে তেওঁ আগতে এনে

বাকচ যোগান দিছে। আৰু তেওঁৰ ৰেটটো আছিল লোৱেষ্ট। তেওঁ মোৰ ওচৰত আপীল কৰিছে। এজন মন্ত্ৰীৰ কিবা অৰ্ডাৰৰ বিৰুদ্ধে মোৰ ওচৰলৈ আপীল কৰিব পাৰে সেই আপীল মই চোৱাৰ অধিকাৰ আছে। মই সকলো চাই দেখিছো যে তেওঁৰ প্ৰতি অন্যায় হৈছে। তেওঁ কৈছে যে কোনোবা এটা ইন্টাৰৰেষ্টেড পাৰ্টিয়ে তেওঁৰ বিৰুদ্ধে গৈছে, তেওঁক অন্যায় কৰিব খুজিছে। মই চাই মেলি তেওঁৰ কেচটো কনচিডাৰ কৰিবলৈ দিছো। এইটো কোনো ধৰণৰ জগৰৰ কাম হব নোৱাৰে। মুখ্য মন্ত্ৰী হিচাবে মই অন্য এজন মন্ত্ৰীৰ কাম-কাজ চোৱাৰ অধিকাৰ মোৰ আছে।

***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে সেই কাগজখন কালৈ এড্ৰেচ কৰিছিল জনাবনে ?

***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** অধ্যক্ষ মহোদয়, এইখন ডেপুটি চেক্ৰেটাৰীলৈ দিয়া হৈছে। এতিয়া মই পুনৰ শ্ৰীগগৈ ডাঙৰীয়াৰ কথালৈ আহো। তেখেতে দূৰ্নীতিৰ কথা আনিছে এই বুলি যে আমাৰ দলৰ ১০ জন মাননীয় সদস্যই আমাৰ প্ৰধানমন্ত্ৰীক যিখন স্মাৰক পত্ৰ দিছে তাত দূৰ্নীতিৰ কথা হেনো উল্লেখ কৰিছে। ইয়াত তেখেতে যিটো কথা উল্লেখ কৰিছে তাৰ কাৰণে মই জগৰীয়া নহও। এইটো কথা আমি আলোচনা কৰিছো আৰু পাৰ্টিক কনভে কৰিবলৈ দিয়া হৈছে। অধ্যক্ষ মহোদয়, মই দায়িত্ব লোৱাৰ পিছতে মই এটা নিৰ্দ্দেশ দিছিলো যে কোনো মাননীয় সদস্যই কোনো আবেদন পত্ৰ, চাকৰি বা অন্য ক্ষেত্ৰত ৰিকমেণ্ড কৰিব নোৱাৰিব। চাকৰি প্ৰাৰ্থী কোনো যুবক সদস্য সকলৰ ওচৰলৈ আহিব নেলাগে। কাৰণ অসমত ১৩ লাখ নিবনুৱা যুবক-যুবতী আছে। সকলো আহিব নোৱাৰে। সেয়ে মই ৰিকমেণ্ড কৰাৰ ব্যৱস্থাটো বন্ধ কৰিব খুজিছিলো। কিন্তু শ্ৰীগগৈক ধৰি ভালেকেইজন সদস্যই কৈছে যে এইটো বন্ধ কৰিব নেলাগে। মাননীয় সদস্য সকলৰ অধিকাৰ খৰ্ব কৰা হব বুলি মন্তব্য দিলে। গতিকে ই কাৰ্যকৰী নহ'ল। গতিকে এজন এম. এল. এই যদি এবাৰ এখন কাগজ ৰিকমেণ্ড কৰিব পাৰে তেন্তে মই চি. এম. হিচাবে ডাবোল ৰিকমেণ্ড কৰিব পাৰো। মই এটা কথাত মান্তি হৈছো যে আমি দূৰ্নীতি নিবাৰণ কৰিব লাগিব। আমি আমাৰ মন্ত্ৰী সভাৰ ইমেজ বৃদ্ধি কৰিব লাগিব। ইয়াত ২০০ কোটি ৪০০ কোটি টকীয়া কেলেংকাৰীৰ কথাও আলোচনা হৈছে। ইয়াৰ কাৰণে এখন সদন কমিটি গঠন কৰাৰ কথাও কৈছে। পাৰ্লিয়ামেন্টত জে. পি. চি. গঠন কৰি দিয়াৰ দৰে ইয়াতো সদন কমিটি গঠন কৰাৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু অধ্যক্ষ মহোদয়, জে. পি. চিয়ে যিটো কেলেংকাৰী অনুসন্ধান কৰিছে সেইটোৰ বিষয়ে প্ৰথমতে 'ইণ্ডিয়ান এক্সপ্ৰেছ'

---

* Speech not corrected

কাকতত বাতৰি প্ৰকাশ পাইছিল আৰু সেই বাতৰি সংসদৰ সদস্যই সংসদত উত্থাপন কৰি চৰকাৰৰ দৃষ্টিগোচৰ কৰিছিল। কিন্তু আমাৰ এই কেলেংকাৰীৰ ঘটনাটো মই নিজে গম পায় মই নিজে আনিছো। ডিমৌৰ যিটো কেলেংকাৰী ১ কোটি টকাৰ এল. ও. চিক ৪৩ কোটি টকা কৰিছে এইবোৰ মই গম পাই আহিছো। আমি ইলেকচন মেনিফেষ্টোত দূৰ্নীতি দূৰ কৰিম বুলি ৰাইজৰ ওচৰত প্ৰতিশ্ৰুতি দিছিলো। এইটো আমি ফুলফিল নকৰিলে ৰাইজৰ আমাৰ ওপৰত আস্থা নাথাকিব। আমি দূৰ্নীতি দূৰ কৰিবই লাগিব। আমি তাৰ চেষ্টা কৰিছো। আয়ুক্ত শ্ৰীচি. কে. দাস পশুপালন বিভাগৰ দায়িত্বত থকা আয়ুক্ত শ্ৰীচামাদাৰতকৈ জুনিয়ৰ। সেয়ে তেখেতক দিব পৰা নগ'ল। এতিয়া এই বিষয়টো অনুসন্ধান কৰিবলৈ অতিৰিক্ত মুখ্য সচিব শ্ৰীকে. এচ. ৰাওক দিয়া হৈছে। শ্ৰীৰাও, শ্ৰীচামাদাৰতকৈ চিনিয়ৰ। গতিকে অনুসন্ধানত অসুবিধা নাপায়। মই এই খিনিতে এটা কথা কব খোজো যে যদি এই অনুসন্ধানৰ ৰিপোৰ্ট গভীৰ যেন পাও তেন্তে সদন কমিটি কিয় ইয়াৰ অনুসন্ধানৰ ভাৰ চি. বি. আইক দিম। তাৰ আগতে আমি চাব লাগিব যে ই কিমান গভীৰলৈ গৈছে। এতিয়া ট্ৰেজাৰীৰ অফিচবোৰ, বিষয়াক ভালদৰে সোধ পোচ কৰিব লাগিব, অনুসন্ধান কৰিব লাগিব। মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই ভি. আই. পি. লাইটৰ কথা উল্লেখ কৰিছে, এইটো চোৰা হব। তেখেতে মিউজিকেল নাইটত মই মুখ্য পৃষ্ঠপোষক হোৱাৰ কথাও উল্লেখ কৰিছে। উক্ত অনুষ্ঠানটোৰ লগত শ্ৰীদিলীপ হাজৰীকা, শ্ৰীভূপেন হাজৰীকা, শ্ৰীগিৰীশ চৌধুৰীৰ দৰে ব্যক্তি জড়িত আছে। তেখেত সকলে আমি মোক ধৰাত মই গৈছো, মই অনুৰোধ কৰিলে টকা আহিব বুলি কোৱাত তেনেকৈ লিখিছো। কিন্তু অধ্যক্ষ মহোদয়, মই ভাৱো তেনেকৈ লিখাৰ কাৰণে কোনোৱে টকা নিদিলে আৰু পেপাৰত লিখিলে কিন্তু যদি বন্ধুত্বভাৱে কলোহেতেন তেন্তে লাখ লাখ, কোটি কোটি টকা তেওঁলোকে দিলেহেতেন। লিখিলে এক পইচাও নিদিয়ে। তেওঁলোকে লাখ লাখ, কোটি কোটি টকা আলফাক দিব পাৰে। এবাৰ এজনে ৭০ হেজাৰ টকা লৈ আহিছিল, মই নেৰাখিলো এই কেইটা টকা নহলেও আমাৰ মিউজিকেল নাইট হৈ যাব। চাহ বাগান আৰু উদ্যোগ পতিয়ে লাখ লাখ টকা আলফাক দি আহিছে। অধ্যক্ষ মহোদয়, শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যি ১২ লাখ টকাৰ কথা উল্লেখ কৰিছে এইটো বিষয়ে মই এতিয়াও জনা নাই, খবৰ লৈ জনাব পাৰিম।

অধ্যক্ষ মহোদয়, মই ইতিমধ্যে এখন চাৰ্কুলাৰ দিছো। ইংৰাজীত চাৰ্কুলাৰ খনত জনাই দিছো যে প্ৰতিজন মন্ত্ৰীয়েই ১৮ দিন জনতা ভৱনত উপস্থিত থাকিব লাগিব।

---

* Speech not corrected

মাহটোৰ বাকী ত্ৰিশ দিনৰ বাৰ দিনত সাত দিন অন্ততঃ তিনিখন জিলাত ভ্ৰমণ কৰিব পাৰিব আৰু বাকী পাঁচ দিন নিজৰ সমষ্টি বা নিজৰ জিলাখনত ভ্ৰমণ কৰিব পাৰিব। এই ধৰণে মই চাৰ্কুলাৰ ইতিমধ্যে মন্ত্ৰী সভাৰ সদস্য সকলৰ মাজত দিছো।

(ভইচ ঃ দিল্লীলৈ কেতিয়া যাব?)

দিল্লীলৈ বিশেষ কাৰণতহে যাব।

অধ্যক্ষ ডাঙৰীয়া, মই সদনত জনাব বিচাৰিছো যে আমাৰ বহুত সমস্যা আছিল কিন্তু এতিয়া আমাৰ বহুখিনি শান্তি আহিছে। আমি শান্তি কনটেইন কৰিছো। তেখেতসকলে মাজে মাজে কয় যে শান্তি হৈছে যেতিয়া আৰু টাডা কিয় লাগে আৰু চি. আৰ. পি.এফ. কিয় লাগে? অধ্যক্ষ ডাঙৰীয়া আমি শান্তি কনটেইন কৰিছো। এই আইনসমূহ অকল অসমতেই থকা নাই আন বহুত ৰাজ্যতো আছে। অসমত শান্তি কনটেইন কৰা হৈছে আৰু এই আইন বিলাক প্ৰয়োগ কৰিবৰ কাৰণে ৰখা নাই। কিন্তু স্থায়ী শান্তি নহালৈকে আইন বিলাক ৰখা হৈছে আন আন ৰাজ্যতো আছে। অধ্যক্ষ ডাঙৰীয়া, আন এটা কথা মাননীয় সদস্য সকলে কৈ থাকে। সেইটো হ'ল বদলিৰ সমস্যা। তিনি বছৰ নহলে বদলি কৰা নহব আৰু যদি তিনি বছৰৰ ভিতৰতে বদলি কৰিবলগীয়া পৰিস্থিতি কিবা বিভাগীয় মন্ত্ৰীয়ে অনুভৱ কৰে তেতিয়া হ'লে বিভাগীয় মন্ত্ৰীয়ে ঠিক কৰিব। এনেয়ে সচৰাচৰ নভেম্বৰ আৰু ডিচেম্বৰ মাহত বদলি ইফেক্টটিভ হব। তিনি বছৰ নহলে সাধাৰণতে কোনো বিষয়া বা কৰ্ম্মচাৰীক বদলি কৰা নহব। কিন্তু তিনি বছৰৰ আগতে কৰিব লগীয়া হ'লে মন্ত্ৰীসভাইহে কৰিব পাৰিব। এই বিলাক সিদ্ধান্তই আমাৰ মন্ত্ৰী সভাৰ ইমেজ বঢ়াব বুলি ভাবিছো। ইতিমধ্যে আমাৰ মন্ত্ৰীসভাৰ সদস্য সকলে শতকৰা দহ ভাগ হাৰত বেতন কম কৈ লৈ আছে।

(ভইচ ঃ আমি লেচ ড্ৰ কৰি আছো।)

(ভইচ ঃ এবছৰ হৈ গ'ল।)

(ভইচ ঃ দৰমহা নহলেও চলে।)

অধ্যক্ষ ডাঙৰীয়া, বৰা ডাঙৰীয়া নাই। লটাৰীৰ কথা কৈছিল। এইটো অসম চৰকাৰে এম. এচ. এচোচিয়েচনক দিছে। দিল্লীৰ কোম্পানী। তিনি বছৰৰ কাৰণে দিছে। অৰগেনাইজিং এজেন্ট মই কোৱা মতে তেওঁলোকে তেৰটাক দিছে আৰু এটা মাত্ৰ ইয়াতে বাকী ১২ টা বাহিৰত বিক্ৰী কৰে। এটা আসাম এক্সপ্ৰেছ আছে। মই কৈছো সেইটোও বন্ধ কৰি দিব লাগে। ইতিমধ্যে লটাৰিৰ ফাণ্ড আমি দুই কোটি উনচল্লিশ লাখ টকা পাইছো। এইটো শৰ্ম্মা ডাঙৰীয়াই কোৱা মতে বিতৰণ কৰা হব।

(ভইচ ঃ সমানে বিতৰণ কৰিব লাগে।)

* ***শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ*** এম. এচ. শব্দটোৰ কথা কব লাগে।

* ***শ্ৰীহিতেশ্বৰশইকীয়া (মুখ্যমন্ত্ৰী) ঃ*** এইটো স্পষ্টীকৰণ দিম। অধ্যক্ষ ডাঙৰীয়া, মালী ডাঙৰীয়াই কেইখনমান পেপাৰৰ উদ্ধৃতি দি কৈছিল যে মন্ত্ৰীসভা গঠনত বেয়া পাইছে। অধ্যক্ষ ডাঙৰীয়া, ষ্টেটচ্ ম্যান, হিন্দুস্তান টাইমচ, নৰ্থ ইষ্ট অৱজাৰভাৰ, হিন্দুস্তান ষ্টেণ্ডাৰ্ড, আজিৰ বাতৰি, এসাম এক্সপ্ৰেছ এই সকলো বিলাক বাতৰি কাগজেই এই মন্ত্ৰীসভাৰ কথা ভাল বুলি কৈছে। অধ্যক্ষ ডাঙৰীয়া, শ্ৰীগগৈ ডাঙৰীয়া বহুতো কথা দাঙি ধৰিছে। মোৰ বিৰুদ্ধে অভিযোগ নোহোৱা নহয়। ১৯৮৪ চনতো মই মুখ্য মন্ত্ৰী আছিলো আৰু তেতিয়াও অভিযোগ আছিল। অজস্ৰ আছিল। কলিকতাত ঘৰ আছে, বোম্বাইত ঘৰ আছে গুৱাহাটীত আছে, নাজিৰাত আছে, দিল্লীতটো আছেই। মই নিজে পাইছো অধ্যক্ষ ডাঙৰীয়া, ছমাহ আগতে এখন কাগজ পাইছো। সেই একেই কাগজ। ১৯৮৪ চনত যি কেইটা অভিযোগ এতিয়াও সেই একেই অভিযোগ। একেই ভাষা একেই চহী। ১৯৮৪ চনৰ খনো পঢ়ক আৰু এইখনো পঢ়ক দেখিব একেই ভাষা আৰু মানুহ সেই একে কিজনেই। এইবোৰ মোৰ কাৰণে ভাল হৈছে। কিয়নো অভিযোগ বোৰ প্ৰমাণ হৈ যায় আৰু তেতিয়াই ভাল। কিন্তু বিধান সভাৰ দহ জন বিধায়কে যদি মোৰ বিৰুদ্ধে অভিযোগ আনে তেতিয়াহ'লে মই চাব লাগিব। কিন্তু সেই অভিযোগ বিলাক প্ৰমাণ হৈ গ'লে আৰু মইহে নিকা বুলি প্ৰমাণিত হব। আই. বিৰ মানুহ আহি চালে, ৰ'ৰ মানুহ আহিল অজস্ৰ কিন্তু একো নেপালে।

অধ্যক্ষ ডাঙৰীয়া, আমি সিদ্ধান্ত লৈছো কেইদিনমানৰ ভিতৰতে মোৰ এচেটচ্ এণ্ড প্ৰ পাৰ্টি সদনত জনাম। ৰাজ হুৱাভাৱে হিচাপ নিকাচ হৈ যাওক। মই ৰাজহুৱা মানুহ গতিকে হিচাব বিলাকো ৰাজহুৱাভাৱে হওক। ৰাইজে সিন্ধি খান্দি চাব পাৰে বা বেংক চাব পাৰে। মোৰ মাটি-বাৰী চাব পাৰে, সকলোখিনি চাব পাৰে। ৰাজহু ৱা কথা ৰাজহুৱা হোৱাই ভাল কিয়নো মইয়ো ৰাজহুৱা মানুহ।

অধ্যক্ষ ডাঙৰীয়া, তেখেতসকলে কৈছে মই কলেজলৈ গৈছো। কটন কলেজলৈ দুবাৰ গৈছো। কিন্তু মই নিজে যোৱা নাই। মোক মাতি নিছে। কলেজ স্কুলৰ কথা জানে। অধ্যক্ষ ডাঙৰীয়া, শিক্ষক গোটে সিদ্ধান্ত লয় সৰ্বসন্মতভাৱে কিন্তু তথাপিও মোক তেনেভাৱে মতাত যোৱা নাই কিন্তু ষ্টুডেন্টচ ইউনিয়নে যেতিয়া সৰ্বসন্মতিভাৱে মোক সেই কলেজ বা স্কুললৈ যাবলৈ মাতিছে মই গৈছো। কটন কলেজলৈ দুবাৰ গৈছো। ষ্টুডেন্টচ ইউনিয়নে আহি মোক জনতা ভৱনত লগ পাই মাতিছে, শিক্ষক ষ্টাফে মাতিছে কেৱল

---

* Speech not corrected

শিক্ষক ষ্টাফে মাতিলে নহব। সৰ্ব্ব সন্মত সিদ্ধান্ত লৈ মতাতহে গৈছো। অলপতে কটন কলেজত বোটানিকেল গাৰ্ডেনৰ কাৰণে অনুষ্ঠান পতাত কলেজৰ প্ৰিন্সিপাল আৰু শিক্ষক গোটে সৰ্ব্বসন্মত সিদ্ধান্ত লৈ মোক মাতিছে কিন্তু তিনিজন ষ্টুডেন্টচ আহিছিল সেইটো আপত্তি কৰিছিল সেই কাৰণে মই নগলো। স্কুল কলেজৰ ক্ষেত্ৰত অকল শিক্ষক গোট বা ষ্টুডেন্টচ ইউনিয়ন এটা হ'লে নহব দুয়ো ফালৰ পৰা সৰ্ব্বসন্মত সিদ্ধান্ত ললেহে আৰু সেই মতে মাতিলেহে গৈছো। অধ্যক্ষ ডাঙৰীয়া, আমি টকাবোৰ প্ৰতিশ্ৰুতি দিয়া মতে দিয়া নাই বুলি তেখেতসকলে কৈছে। কিমান টকা দিছো সেইটোৰ হিচাব দি এখন তালিকা সদনৰ মেজত দিছো। গুৱাহাটীত প্ৰায় দেৰ কোটি টকা দিছো। তেখেতে পোৱা নাই বুলি কৈছে কিন্তু এই পোন্ধৰ দিন চোৱা নাই চিঠি বহুত আছে।

* ***শ্ৰীনগেন শৰ্ম্মা*** **ঃ** যিবিলাক কলেজলৈ গৈছে দিছে, যিবিলাকলৈ যোৱা নাই নিদিয়ে নেকি?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)*** **ঃ** মই অনুভৱ কৰিব লাগিব ৰিলিফ লাগে বুলি। মই নেদেখিলে কেনেকৈ ৰিলিফ লাগে বুলি অনুভৱ কৰিম। গ'লে দেখিম আৰু অনুভৱ কৰিলে দিছো।

অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই কেইটামান কথা উত্থাপন কৰিছে। তেখেত এতিয়া সদনত নাই। মই তেখেতৰ এটা কথাৰ উত্তৰ দিব খুজিছো যে জয় সাগৰ কলেজলৈ মই ৩৯ লাখ টকা দিয়া বুলি কৈছে। কিন্তু ৩৯ লাখ টকা তাত দিয়া নাই।

অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্ম্মা ডাঙৰীয়া অসম চুক্তিখন কৰা সময়ত আছিল নে নাই মই নাজানো। অসম চুক্তিখন কৰা হয় ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখে। সেইদিনা আবেলি ৫ টা বজাত মই তেতিয়াৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ বাস ভৱনত আছিলো। তেতিয়া তেওঁ মোক কলে যে আপুনি অলপ সময় বহক, আচুৰ প্ৰতিনিধি সকল আহিব। মই তাত বহি থকাৰ কিছু সময় পিছত ৰাজীৱ গান্ধী আকৌ আহিল আৰু মোক আৰু অলপ সময় তাত বহিবলৈ কৈ তেখেত ৰাষ্ট্ৰপতি ভৱনলৈ গ'ল। ৬ বজাত গৃহ মন্ত্ৰী শ্ৰীচৱন আৰু আছুৰ প্ৰতিনিধি সকল তালৈ আহিল। তাৰ পিচত তেওঁলোকৰ আলোচনা আৰম্ভ হ'ল আৰু মাজে মাজে প্ৰধান মন্ত্ৰী মোৰ ওচৰলৈ আহি কলে যে সকলো আলোচনা প্ৰায় শেষ হৈছে কিন্তু তেওঁলোকে এটা কথা কৈ আছে যে বিধান সভাখন ভাঙি ব লাগে।

---

* Speech not corrected

তেতিয়া মই কলো যে বিধান সভাখনত কোনো বিদেশী নাই। গতিকে সেইখন কিয় ভাঙিব লাগে? তাৰ পিচত ৰাজেশ পাইলটো আহিল। ৰাজীৱ গান্ধী মোৰ ওচৰলৈ তিনিবাৰ আহিল আৰু মোক কলে যে তেওঁলোকে বিধান সভাৰ ভঙাৰ কাৰণে মোৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছে। গতিকে সেইখন ভঙা নভঙাটো শইকীয়াইহে কব পাৰিব। তেতিয়া মই ৰাজীৱ গান্ধীক ক'লো যে বিধান সভাখন ভাঙি দিলে যদি সমস্যাৰ সমাধান হৈ যায় আৰু এখন চুক্তি স্বাক্ষৰিত হয় তেনেহ'লে সেইখন ভাঙি দিয়াত মোৰ কোনো আপত্তি নাই। সেইদৰে এতিয়াও বৰা ডাঙৰীয়াই কৈছে যে এই বিধান সভাখন ভাঙিব লাগে। গতিকে এতিয়াও যদি কিবা কাৰণত প্ৰয়োজন হয় তেনেহ'লে এইখন ভাঙি দিম। যদিহে আনবোৰ সমস্যা সমাধান হয়। এই আলোচনা প্ৰসঙ্গত পুলিচৰ কথাও কোৱা হৈছে। সেই আটাইবোৰ কথা চাব লাগিব। প্ৰাগ বছিমিৰ কথাও ইয়াত কোৱা হৈছে। এতিয়া কথা হৈছে প্ৰাগ বছিমিৰ অংশীদাৰ সকল বেচিভাগ বাহিৰৰ মানুহ। ইয়াৰ লগত জড়িত মানুহ কেইজনৰ কেলেংকাৰী বহুত। তেওঁলোকৰ ইণ্ডিয়া মাৰ্কেটত যথেষ্ট হ'ল্ড আছে। তেওঁলোকে আমাৰ যথেষ্ট ক্ষতি কৰিব। কিন্তু তেওঁলোকৰ লগত আমাৰ কোনো সম্পৰ্ক নাই। এইটো মোৰ দিনত হোৱা নাই। মই মাত্ৰ তাৰ ফিটাহে কাটিছো। এইটোৱে আজি আমাৰ মানুহ বিলাকক বিভ্ৰান্ত কৰিছে। প্ৰাগ বছিমিত ইনভেষ্ট কৰা টকা শতকৰা ৯০ ভাগ অসমৰ বাহিৰৰ মানুহৰ। অসমলৈ বাহিৰৰ মানুহ আহিবৰ কাৰণে তেওঁলোকেই বাট মোকলাই দিছে। আজি স্কুলীয়া ল'ৰা ছোৱালী খিনিক পঢ়াৰ কাৰণেই পাৰাৰ যোগান ধৰিব পৰা নাই। সেই কাৰণে বাহিৰৰ মানুহ আহি আমাৰ পৰা যাতে অন্যায় ভাৱে টকা উলিয়াই নিব নোৱাৰে তাৰ কাৰণে চিন্তা কৰিব লগা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, ইয়াত আৰু এটা কথা উত্থাপিত হৈছে যে উন্নয়নৰ সকলো টকা হেনো নাজিৰালৈ গ'ল। কিন্তু সকলো টকা নাজিৰালৈ নিয়া নাই। তাৰ কাৰণে মই সদনক ইয়াৰ এটা হিচাব দিব খুজিছো।

Statement showing the Divisionwise allotment of fund under State Plan Road works (MNP & OMNP) during the year 1992-93.

* Speech not corrected

| Name of Division | | Amount alloted in lakhs |
|---|---|---|
| 1. Barpeta Road | - | Rs. 116.00 (1) |
| 2. Bongaigaon Road | - | Rs. 57.23 (1) |
| 3. Chariali Road | - | Rs. 49.62 (1) |
| 4. Charaideo Road | - | Rs. 45.45 (1) |
| 5. Dhubri Road | - | Rs. 47.62 (1) |
| 6. Dibrugarh Road | - | Rs. 82.29 (1) |
| 7. Ghalimara Road | - | Rs. 63.96 91) |
| 8. Goalpara Road | - | Rs. 48.40 (1) |
| 9. Golaghat Road | - | Rs. 96.35 91) |
| 10. Guwahati City -I | - | Rs. 127.00 (1) |
| 11. Guwahati City -II | - | Rs. 143.96 (1) |
| 12. Guwahati Road | - | Rs. 174.54 (1) |
| 13. Hailakandi Road | - | Rs. 56.00 (1) |
| 14. Jorhat Road | - | Rs. 66.00 (1) |
| 15. Jorhat West Road | - | Rs. 44.00 (1) |
| 16. Kaliabor Road | - | Rs. 34.15 (1) |
| 17. Karimganj Road | - | Rs. 54.00 (1) |
| 18. Kokrajhar Road | - | Rs. 94.47 (1) |
| 19. Mangoldoi Road | - | Rs. 76.25 (1) |
| 20. Morigaon Rod | - | Rs. 106.57 (1) |
| 21. Nagaon East | - | Rs. 63.00 (1) |
| 22. Nagaon West | - | Rs. 54.00 (1) |
| 23. Nalbari Road | - | Rs. 71.00 (1) |
| 24. Nazira Road | - | Rs. 49.00 (1) |
| 25. North Lakhimpur Road | - | Rs. 45.96 (1) |
| 26. Rangia Road | - | Rs. 67.26 (1) |
| 27. Sibsagar Road | - | Rs. 72.60 (1) |
| 28. Silchar Road | - | Rs. 81.26 (1) |
| 29. Tezpur Road | - | Rs. 79.00 (1) |
| 30. Tinsukia Road | - | Rs. 43.41 (1) |
| 31. Chaulkhowaghat N. H. | - | Rs. 12.00 (1) |
| 32. Mangaldoi N. T. | - | Rs. 14.64 (1) |
| 33. Guwahati Mechanical | - | Rs. 70.55 (1) |
| 34. Fly over construction, Guwahati | | Rs. 12.00 (1) |
| 35. Sarupathar Road Division | | Rs. 43.98 (1) |

✱ Speech not corrected

* এইখিনি মোক দিছে পি. ডব্লিউ. দি. বিভাগে।

Statement showing the divisionwise allotment of Fund under State Plan Road works "MNP and OMNP" during the year 1992-93.

(সদনত গণ্ডগোল)

ৰব, ৰব গোটেইখিনি পঢ়ি দি আছো। এইখিনি হৈছে এম. এন. পি. আৰু ও. এম. এন. পি।

* State Roads Repairing

| | | | | | |
|---|---|---|---|---|---|
| 1. Bongaigaon Road | 33.00 | lakhs | 2. Goalpara | 36.00 | lakhs |
| 3. Dhubri | 36.00 | " | 4. Kokrajhar | 40.00 | " |
| 5. Silchar | 42.00 | " | 6. Karimganj | 36.00 | " |
| 7. Hailakandi | 27.00 | " | 8. Barpeta | 35.00 | " |
| 9. Nalbari | 48.00 | " | 10. Rangia | 30.00 | " |
| 11. Dibrugarh | 41.00 | " | 12. Tinsukia | 41.00 | " |
| 13. Tinsukia | 36.00 | " | 14. Sibsagar | 36.40 | " |
| 15. Charaideo | 39.84 | " | 16. Sarupathar | 21.90 | " |
| 17. Jorhat (West) | 33.70 | " | 18. Jorhat (East) | 33.38 | " |
| 19. Golaghat | 46.38 | " | 20. Kaliabor | 29.01 | " |
| 21. Nawgaon (West) | 35.51 | " | 22. Nagaon (East) | 43.54 | " |
| 23. Marigaon | 38.48 | " | 24. Guwahati | 1,07,31 | " |
| 25. Guwahati City | 12.50 | " | 26. Guwahati City | 12.29 | " |
| 27. Fly over construction | 10.44 | " | 28. Mangoldoi Road | 48.08 | " |
| 29. Chariali | 38.40 | " | 30. Tezpur | 48.80 | " |
| 31. North Lakhimpur Road | 27.20 | " | 32. Nazira Road | 61.70 | " |
| 33. Ghalimara Road | 25.35 | " | 34.Guwahati North (NEC) | 16.50 | " |
| 35. Kamrup NEC | 8.36 | " | 36. Jorhat NEC | 12.05 | " |
| 37. Dhodar Ali NEC | 5.87 | " | 38. Silchar NEC-I | 9.18 | " |
| 39. Silchar NEC-II | 7.14 | " | 40. Tinsukia NEC | 11.67 | " |
| 41. Omrangsu NEC | 3.94 | " | 42. Haflong NEC | 8.31 | " |
| 43. Mangoldoi NT Rd. | 7.60 | " | 44. Tezpur NH | 2.09 | " |
| 45. Norht Lakhimpur NB | 6.05 | " | 46. Chaldhuwaghat NH | 5.23 | " |
| 47. Rangia NH | 5.82 | " | 48. Chapaguri NH | 5.77 | " |
| 49. Nagaon NH Works | 5.29 | " | 50. Nagaon NH-II | 4.61 | " |
| 51. Dibrugarh NH | 11.27 | " | 52. Guwahati NH | 7.94 | " |
| 53. Jorhat NH | 2.38 | " | 54. Golaghat NH | 2.20 | " |
| 55. Sibsagar NH | 2.85 | " | 56. Bakulia NH | 2.65 | " |
| 57. Abhayapuri Construction | 3.41 | (Non Plan)...... | | | |

* Speech not corrected

মই ইয়াত কৈ দিছো। মোৰ কথা হ'ল সকলো টকা নাজিৰালৈ উঠাই নিলে বুলি কৈছে। সকলো ঠাইলৈ গৈছে, নাজিৰালৈ ক'ত উঠাই নিলে। আজি ৫ বছৰৰ ভিতৰত নাজিৰাৰ ৰাষ্টাত এটা শিলো পৰা নাই। আপোনালোকে মোক কেন্দ্ৰ কৰি যিখিনি কথা কৈছে সেইখিনিহে মই কৈছো। জলসিঞ্চনৰ কথা কৈছিল, যি এক্সকুলেচন হৈছিল সেইটো বন্ধ হৈছে। মই চমুকৈ কব বিচাৰিছো।

* ***শ্ৰীযতীন মালী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ওলাইছে যে এতিয়ালৈকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিত ৮ শ লবাৰ নিযুক্তি হৈছে। এই কথাটো সচাঁনে?

* ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ*** অধ্যক্ষ ডাঙৰীয়া, বিপদ শাসক দলৰেই। মই মুখ্য মন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ পৰা টকা দিছো। কলেজ বিলাকৰ ক'ত ক'ত দিছো দেখুৱাইছো। আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়া যোৱা ২৪ মাৰ্চ তাৰিখে আজিৰ বাতৰিত উল্লেখ কৰি কৈছে। তাত এটা লাইন আছে। ১০ জন বিধায়কে মেম'ৰেণ্ডাম দিছিল। তাত কৈছিল এই কেইটা বছৰ আমি কাম কৰিব পৰা নাই। তাত চৰকাৰৰে ক্ষতি হৈছে। এতিয়া মই প্ৰধান মন্ত্ৰীৰ ভাষণেৰে সামৰিব খুজিছো। তেখেতৰ ভাষণৰ গোটেইখিনি কথা নকও। On 2nd February Prime Minister wrote, "I once again compliment Shri Hiteswar Saikia, Chief Minister, Assam, personally for the excellence works done. I desire he would continue to take upworks for peace and prosperity of the state. এইটো হৈছে প্ৰধান মন্ত্ৰীৰ ২ ফেব্ৰুৱাৰীৰ মন্তব্য। এইখিনি কৈয়ে মই কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ বাবে অনুৰোধ কৰি সামৰণী মাৰিছো।

* ***শ্ৰীদিলীপ শইকীয়া ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে যে চৰকাৰে কিমানবোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা হেলিকাপ্তাৰ ব্যৱহাৰ কৰিছে। ইয়াত ৬৯ বাৰ ব্যৱহাৰ কৰিছে বুলি দেখুৱাইছে। ১.৭ কোটি টকা ১০৬১ চনৰ পৰা ১৯৭১ চনলৈ এৰিয়াৰ হৈ আছে। এখন হেলিকাপ্তাৰত প্ৰতি ঘন্টাত চেটক ১৮৮৯৮ টকা আৰু এ. এম. আই ৩৫ হেজাৰ ১০ টকা পাই। বিশেষভাৱে হেলিকাপ্তাৰ বানপানী, আইন শৃঙ্খলা আদিত ব্যৱহাৰ কৰা হয়। আমি বানপানী, ৰিলিফ আদিত এইবোৰত ব্যৱহাৰ কৰা দেখা নাই। অকল আইন শৃঙ্খলাতে ব্যৱহাৰ কৰা হৈছে। যিবিলাক টকা দিবলৈ বাকী আছে সেইবিলাক টকা দিব নেকি? মোৰ আৰু এটা স্পষ্টিকৰণ আছে। ইতিমধ্যে হাউচত ২০০ কোটি টকাৰ সংক্ৰান্তত বিতং আলোচনা হৈছে আৰু মুখ্য মন্ত্ৰীয়ে এপ্ৰুভ কৰিছিল। ২২ তাৰিখে এডিচনেল চি. এচ. য়ে নোট দিছিল। তাত ৯ টা বিভাগ দেখুৱা হৈছে। এই মতে গম পাইছো ভেটেনাৰী বিভাগত অনুসন্ধান কৰিছে আৰু বাকী ৯

---

* Speech not corrected

টা বিভাগত অনুসন্ধান কৰিব নে নকৰে? অনুসন্ধান ৰিপ'ৰ্ট দিছে। হেলিকাপ্তাৰৰ বাবদ যি বেচি খৰচ হৈছে সেইটো কমোৱাৰ ব্যৱস্থা কৰিব নেকি?

* ***শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই স্থানীয় বিধায়কৰ লগত পৰামৰ্শ কৰি খালি পদ বিলাক পূৰণ কৰা হ'ব বুলি নিৰ্দ্দেশ দিছিল এইটো নিৰ্দ্দেশ কেতিয়া দিয়া হৈছে। এই নিৰ্দ্দেশ প্ৰতিটো বিভাগত লগত প্ৰযোজ্য হ'ব নেকি? দ্বিতীয়তে তেখেতে এটা ভাল কথা কৈছে তাৰ কাৰণে মই তেখেতক আদৰণী জনাইছো। তেখেতে কৈছে যে ব্যক্তিগত সম্পত্তি বিৱৰণ সদনত দাঙি ধৰিব। এইটো ভাল কথা লগতে মই সুধিব খুজিছো অকল মাননীয় মুখ্য মন্ত্ৰীৰে নহয় সকলো মন্ত্ৰী, বৰ্ত্তমান মন্ত্ৰী, বৰ্খাস্ত হোৱা মন্ত্ৰী, বিধায়ক সকল, অকল চৰকাৰী পক্ষৰ বিধায়কে নহয় বিৰোধী পক্ষৰ বিধায়ক সকলৰ নিজৰ সা-সম্পত্তিৰ বিৱৰণ এই সদনত দখিল কৰিব নেকি। লগতে মুখ্য মন্ত্ৰী বা প্ৰাক্তন মন্ত্ৰী বা বৰ্খাস্ত হোৱা মন্ত্ৰীৰ ব্যক্তিগত পৰিয়ালৰ নামত কি কি সম্পত্তি আছে তাৰ বিৱৰণ সদনত দাখিল কৰাৰ ব্যৱস্থা কৰিব নেকি?

* ***দেৱান জয়নাল আবেদিন ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই যি হেতু কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰখা নাই সেয়ে দুটা স্পষ্টিকৰণ বিচাৰিছো। তেখেতে এটা কথা উত্তৰত কৈছে কিছুকথা আমাৰ গন পৰিষদ চৰকাৰে বৈষম্য কৰিছিল। এইটো সঁচা। সঁচা কথা স্বীকাৰ কৰি লোৱাটো ভাল। মই আগৰ পৰাই বিধান সভাৰ সদস্য আছিলো। আমি পৰম্পৰাগত ভাৱে দেখিছিলো কিছুমান এডভাইচৰি কমিটি বিধায়কক লৈ নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত হৈছিল। সেই পৰম্পৰাটো এ. জি. পি.ৰ দিনত ভন্দ কৰা হয়। মুখ্য মন্ত্ৰী মহোদয়ে এই কথা কলেও সকলো কথা ফ'লো কৰা নাই। কোনোৱা কামৰ কাৰণে বিধায়ক সকলৰ নেতৃত্ব দিবলৈ কোৱাত ভাল পাইছিলো। লগতে এটা কথা জানিব বিচাৰিছো সুস্থ গণতান্ত্ৰিক পৰম্পৰা হিচাবে এলিমেন্টৰী এডভাইচৰী গঠন কৰাৰ ক্ষেত্ৰত পৰম্পৰা চলি আহিছে। কিন্তু এ. জি. পি. চৰকাৰৰ দিনত সেইটো ভন্দ কৰা হৈছে। এ. জি. পিক অনুসৰণ নকৰি সকলো বিধায়ককে এই এলিমেন্টৰী বৰ্ডৰ সদস্য কৰা হ'ব এই বিষয়ে সদস্য সকলক জনাব নেকি? লগতে গিয়াচুদ্দিন চাহাবে যি কথা কৈছে, চাকৰি বাকৰিৰ ক্ষেত্ৰত শিক্ষা বিভাগে এলিমেন্টৰী এডুকেচন বৰ্ডক বিধায়ক সকলে পৰামৰ্শ দি আহিছিল। এই কথাটো বেলেগ ধৰণে বাহিৰত শুনিবলৈ পাইছো। চৰকাৰী চিঠি পত্ৰ পোৱা নাই। এই নিৰ্দ্দেশৰ কথা কংগ্ৰেছ বিধায়কৰ ক্ষেত্ৰত থাকিব এই কথা সঁচা নেকি? এইটো পৰিস্কাৰ কৰি দিব লাগে। মই দুখেৰে সৈতে কৈছো যে ৩ টা বিধান সভাৰ সদস্য হৈ আছিলো তাৰ মাজতে ৮৩ চনত নাছিলো। এই সময়ছোৱাত কেইবাজনো মুখ্য মন্ত্ৰী পাইছিলো আৰু

---

* Speech not corrected

তেখেত সকলৰ প্ৰতি মোৰ ব্যক্তিগত শ্ৰদ্ধা আছে। আমি ৰাইজৰ প্ৰতিনিধি। চৰকাৰৰ লগত আমাৰ কাম থাকে। মুখ্য মন্ত্ৰীৰ লগটো আমাৰ কাম থাকে। আমি মুখ্য মন্ত্ৰীক লগ নেপাও বুলি অভিযোগ কৰিছিলো। তেখেতে বিধায়ক সকলক ২-৩ তাৰ ভিতৰত লগ কৰিম বুলি কৈছিল। আমি ভাল পাইছিলো। ৰাজহুৱা প্ৰয়োজন লৈ ২-৩ বজাৰ ভিতৰত আমি তালৈ যাওঁ। কিন্তু তেখেতক কাৰ্যালয়ত নেপাও। সেয়ে আজি কালি মুখ্য মন্ত্ৰীৰ কাৰ্যালয়লৈ যাবলৈ এৰি দিছো। বহুটো বিৰোধী দলৰ সদস্যই যাবলৈ এৰি দিছে। কাৰণ মুখ্যমন্ত্ৰী মহোদয়ক ২-৩ টাৰ ভিতৰত অফিচত নেপাই। ইয়াতকৈ মাৰাত্মক কথা হৈছে মুখ্য মন্ত্ৰী মহোদয়ৰ কাৰ্য্যালয়ৰ যিসলক পি. এচ., পি. এ. আছে লগ কৰিবলৈ চেষ্টা কৰিও নেপাও। ধুবুৰীৰ শিক্ষিত নিবনুৱা সন্থাক লগত লৈ এমাহ চেষ্টা কৰিও এদিনো লগ নেপালো। মুখ্য মন্ত্ৰীক লগ ধৰিব নোৱাৰিলো, এই কথাটোকে অনুমান কৰকচোন। এই কাৰণে বহু মাননীয় বিৰোধী পক্ষৰ বিধায়কে মুখ্য মন্ত্ৰীক লগ ধৰিবলৈ বাদ দিছে। তেখেতৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছে তেখেতে যি নিৰ্দ্দেশ দিছিল সেই নিৰ্দ্দেশ পালন কৰক বা উঠাই লওঁক। তেখেতে তেখেতৰ অফিচটো ঠিক কৰক। এজন নিৰ্বাচিত বিধায়ক মুখ্য মন্ত্ৰীক লগ ধৰাৰ অধিকাৰ তেওঁলোকে বিৰোধী দলৰ বিধায়কক মুখেৰে মাতিব নোখোজে। বহক বুলি নকয়। বিধায়ক সকলৰ যি খিনি সাংবিধানিক অধিকাৰ তাৰ পৰা আমি বঞ্চিত হৈছো। অধ্যক্ষ মহোদয়, এই দুটা কথা কৈয়ে মই মোৰ বক্তব্য সামৰণী মাৰিলো।

* ***শ্ৰীৰেণুপমা ৰাজখোৱা :*** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত বহতো বিষয়ত আলোচনা হৈছে। আমাৰ আবেদিন চাহাবেও এটা কথা কৈছে, মন্ত্ৰী, বিধায়কৰ যিটো আচৰণৰ কথা কৈছে আজি এই সদনৰ মজিয়াত আমি মন্ত্ৰী বিধায়কৰ আচৰণ সম্পৰ্কত কেনেকুৱা হব লাগে এই বিষয়ে জনাব বিচাৰিছো। দুখৰ বিষয় বিধান সভাৰ এজন গণ্য মান্য সদস্য তেখেত মন্ত্ৰী, এম. এল. এ. হোষ্টেলৰ ভিতৰত যোৱা ৰাতি তেখেতৰ পত্নীক অশালীন ব্যৱহাৰ কৰিছে। আমাক ন্যায় বিচাৰ লাগে।

* ***মাননীয় অধ্যক্ষ :*** আপোনালোকে পিটিচন দিছে। আপোনালোকৰ লগত আলোচনা কৰি মই কিবা এটা ব্যৱস্থা কৰিম বুলি আপোনালোকক কৈছো। এইটো বেলেগ কথা এই বিষয়ে সদনত আলোচনা কৰিব নালাগে।

(ভইচ)

* ***Shri Giasuddin Ahmed :*** Sir, subject for discussion in the House is 'Council of Minister', where the conduct of a Minister is a relevent topic to be raised or not during the discussion of this subject, there should be clear ruling from the Hon'ble Speaker.

* *Mr. Speaker* : For the voting on demands for grants no other business shall be taken up before 1.30 P.M. or at 11.30 A.M. if it a Friday except with the consent of the Hon'ble.

সমাজৰ মানুহখিনিৰ স্বাস্থ্য ৰক্ষাৰ কথা চিন্তা কৰিব লাগে আৰু উঠি অহা ল'ৰা-ছোৱালী বিলাকৰ কথাও চিন্তা কৰিব লাগে। আজি আমি দেখিছো যে, ড্ৰাগছ সেৱনত উত্তৰ পূৰ্বাঞ্চলটো, ড্ৰাগছ বিয়পি পৰিছে। বহুতো চেমনীয়া ল'ৰা ইয়াৰ কবলত পৰি প্ৰাণ হেৰুৱাইছে। প্ৰাক্তন অসমৰ মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈ দেৱৰ ২২ বছৰীয়া ল'ৰা জন সিদিনা ২২ তাৰিখৰ ক্ৰিকেট খেলা চাই ৰাতি ঘৰলৈ ঘূৰি যোৱা নাই। ড্ৰাগছ সেৱন কৰি ইনজেকচন পুছ কৰি ৰাতি মৃত্যুৰ মুখত পৰিল। অসমৰ সমাজৰ কাৰণে, অসমত উঠি অহা যুৱক সকলৰ কাৰণে লক্ষ্য ৰাখি এই ড্ৰাগছৰ সেৱন বন্ধ কৰিব লাগে। আমাৰ স্বাস্থ্য বিভাগৰ সমাজখনৰ প্ৰতি দায়িত্ব আছে। চৰকাৰৰ পুলিচ প্ৰশাসন আছে। পুলিচ প্ৰশাসন বিভিন্ন সময়ত নিস্ক্ৰীয় হৈ পৰে। সন্দিকৈ, কটন আদি হোষ্টেললৈ গৈ বিভিন্ন সময়ত চেক কৰিব লাগে। সিদিনা এজনী পজিচন পোৱা ছোৱালীয়ে ড্ৰাগছ খাই ব্ৰহ্মপুত্ৰত জপিয়াই পৰিছিল। আমাৰ সমাজখন এনে দৰে আগবাঢ়িলে আমাৰ সমাজ বুলি পিছত একো নাথাকিব। সেয়েহে উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে, ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰাৰ বাবে মাজে মাজে চেমিনাৰ আদি পাতিব লাগে। বিভিন্ন সময়ত ষ্ট্ৰিক ৰুল কৰি নিৰাময়ৰ ব্যৱস্থাৰ বিষয়ে চিন্তা কৰিব লাগে। আমাৰ ল'ৰা বিলাকে চুৰটৰ ভিতৰত ড্ৰাগছ ভৰাই সেৱন কৰাৰ ফলত নিৰুদ্দেশ হয়। আজি বহুতো মাক বাপেকে ল'ৰা ছোৱালী দিল্লী আদি হোষ্টেলত পঢ়াবলৈ ইচ্ছা নকৰে। আজি আমাৰ ইয়াতো একে অৱস্থা হৈছে। আমি আজি বিধান সভাত আলোচনা কৰিলেই নহব আমি কোৱা কথা বিলাক আখৰে আখৰে পালন কৰিব লাগিব। সমাজখনক আগুৱাই নিয়াৰ বাবে আমি চেষ্টা কৰিব লাগিব। যিসকল ড্ৰাগছ এদিক্টৰ বাবে এৰেষ্ট হয়, তেওঁলোকৰ বাবে আমাৰ ৰাজনৈতিক নেতা সকলে ইন্টাৰফেয়াৰ কৰিব নালাগে। আজি বি. বৰুৱা কেন্সাৰ ইন্সটিটিউটৰ অৱস্থা আমি কেনেকৈ ভাল কৰো আমি সেইটো চাব লাগিব। উপাধ্যক্ষ মহোদয়, যিবিলাক অঞ্চলত ডাক্টৰ নাই, হস্পিটালত ঔষধ নাই, সেই বিলাক অঞ্চলত এইবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে আমাৰ বাজেটত বিত্তমন্ত্ৰী মহোদয়ে কিছুমান ঔষধৰ ওপৰত দাম বৃদ্ধি কৰিছে। আয়ুবেৰ্দিক, হোমিওপেথিক আদি ঔষধৰ ওপৰতো কৰ বৃদ্ধি কৰিছে। দুখীয়া জনসাধাৰণে বহুতো অসুবিধাৰ সন্মুখীন হৈছে। বহুতো মানুহে হোমিওপেথিক ঔষধ খায়। গতিকে এই বাজেটত যিটো টকা ধৰা হৈছে এইটো অতি কম টকা ধৰা হৈছে। মই আশা কৰিছো টকা আৰু বৃদ্ধি কৰিব লাগে। ইতিমধ্যে ইয়াৰ প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। গতিকে টকা বৃদ্ধি কৰাৰ বাবে এটা পলিচি কৰিব লাগে। প্ৰাইভেট নাচিং হোম বিলাকলৈ সাধাৰণতে দুখীয়া মানুহ নাযায়, ধনী মানুহহে যায়। তেওঁলোকে সৰু হস্পিতালতে চিকিৎসা কৰে। গতিকে মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন

* Speech not corrected

কৰিছো আৰু এই শিতানত টকা বৃদ্ধি কৰাৰ বাবে অনুৰোধ কৰিলো। যিসকল ডাক্তৰ বাহিৰত আছে তেওঁলোকৰ পৰা অভিযোগ পোৱা হয় যে, অসমত আহিলে সুবিধা নাপায়। আমেৰিকা বা আৰব্ব ৰাজ্যত যিবিলাক ডাক্তৰ আছে তেওঁলোকে যিবিলাক সুবিধা পোৱা নাই সেই সুবিধা বিলাক প্ৰদান কৰিব লাগে। তেতিয়াহে আমাৰ সমাজখন উপকৃত হ'ব আৰু চিকিৎসাৰ বাবে বাহিৰলৈ যোৱা খৰচৰ টকা অসমতে ৰৈ যাব। গতিকে এই প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***শ্ৰীশশকমল সন্দিকৈ ঃ*** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি স্বাস্থ্য বিভাগৰ কথা কেইটামান কব বিচাৰিছো। স্বাস্থ্য বিভাগৰ কথা কবলৈ হলে অস্বাস্থ্যকৰ কথাহি কব লাগিব। চাৰ, আমি যেতিয়া পঢ়ি আছিলো তেতিয়া আমি অসম মেডিকেল কলেজলৈ ফুৰিব গৈছিলো, তালৈ গলে মনটো ভাল লাগে, চাফ চিকুন পৰিস্কাৰ পৰিচন্নতা ইত্যাদিৰ কাৰণে। কিন্তু আজি কালি তাৰ বিপৰীত। কিছুদিনৰ আগতে মেডিকেল কলেজৰ এজন প্ৰফেচাৰৰ লগত বহি আছিলো। চকৰ আগতে হঠাৎ এটা কুকুৰে মানুহৰ হাত এখন কামুৰী দৌৰ মাৰিলে। প্ৰফেচৰ জনে কলে চাওকচোন হাতখন লৈ কেনেকৈ কুকুৰটো লৰ মাৰিলে। হয়তো কৰবাত মৰাশ ওচৰতে পুতি থৈছিল কুকুৰে খান্দি আনিছে। ৰোগীৰ হাত লৈ যোৱা শুনিলে ল'ৰা ছোৱালী বা ৰোগী সকলৰ মাজত নিশ্চয় হৈ চৈ লাগিব কিন্তু তাৰ পৰা কি লাভ হব সমস্যাটোৰ সমাধানহে কৰিব লাগে। তেতিয়া তেখেতে কৈছিল যে আলোচনা কৰি কিবা ইয়াৰ এটা সমস্যাৰ পথ উলিয়াব লাগিব। অসম মেডিকেল কলেজৰ যিটো অপাৰেচন থিয়েটাৰ আছে তাত ৰোগী চিকিৎসা কৰাতকৈ তাত সোমোৱা ডাক্তৰ নাৰ্চ সকল কেতিয়া ৰোগী হবলগীয়া হয় তাৰহে চিন্তা, কাৰণ ঘৰটোৰ কোনো নিশ্চয়তা নাই কেতিয়া ভাঙি পৰে। গুৱাহাটী মেডিকেল কলেজৰ অৱস্থাও একে। অৱস্থা বেয়া। আমাৰ মাননীয় সদস্য শ্ৰীনিজামুদ্দিন খান তাত চিকিৎসাধীন হৈ আছে, আমি চাবলৈ গৈছিলো, আমাৰ স্বাস্থ্য মন্ত্ৰীও চাবলৈ গৈছিল, তেওঁ সকলো ঔষধ কিনি আনিব লাগে। তাত যোগাৰ পাতি একো নাই। সাধাৰণ ৰোগী হলেতো বিপদেই। তেওঁক এতিয়া ফাৰদাৰ ইনভেষ্টিগেচনৰ কাৰণে বাহিৰলৈ ৰেফাৰ কৰিছে । মেডিকেল কলেজৰ পৰা। কিন্তু মেডিকেল সঞ্চালকে হেনো ৩/৪ দিন তেওঁৰ Financial Advice ৰ কাগজখন ৰাখি থোৱাৰ পাছত ৰিজেক্ট কৰি দিছে। আমাৰ বয়োজেষ্ঠ সদস্য শ্ৰীকৃষ্ণ লহকৰ ডাঙৰীয়াকো একে অৱস্থা কৰিছিল। মাননীয় সদস্য, মন্ত্ৰী সকলে এটা প্ৰিভিলেজ তেওঁলোকৰ ভ্ৰমণ চিকিৎসা বানচ আদি প্ৰস্তাৱ কোনো কথা নোচোৱাকৈ ৰিজেক্ট কৰাটো জানো উচিৎ হৈছে? তাৰ পিছত হেনো আমাৰ সচিবৰ কোনোবা কেৰাণী গৈ আইন কানুন বুজাই দি

---

* Speech not corrected

এনেকৈ ৰিজেক্ট কৰাটো ভাল হোৱা নাই বুলি কোৱাতহে আকৌ ফাইলটো মাতি নি ৰিভিউ কৰিছে। এনেকৈ চলি আছে স্বাস্থ্য বিভাগ। মাননীয় সদস্য লহকৰৰ ক্ষেত্ৰত সঞ্চালকে তেনেকুৱা কৰিলে তেখেতৰ যেনিবা অৱস্থা ভাল আছিল কিন্তু মাননীয় সদস্য নিজামুদ্দিনৰ আৰ্থিক অৱস্থা বৰ বেয়া। কোনো নিয়মনীতি নোহোৱাকৈ এনেকৈ সঞ্চালক অফিচ চলে। মেডিকেল কলেজৰ নাম ভৰ্ত্তিৰ অনিয়মৰ ওপৰত অনুসন্ধানৰ বাবে এটা কমিটি গঠন কৰা হৈছিল। প্ৰতিবেদনো দিলে হেনো। ১৯৯২-৯৩ চনৰ কাৰণে কিন্তু আগত এই ভৰ্ত্তি হবলৈ ৪০ জন লৰাৰ নাম হেনো ১৯৯৩-৯৪ চনৰ শিক্ষা বৰ্ষত নাম ভৰাই দিছে। এয়ে হ'ল অৱস্থা। এ. জি. পি. চৰকাৰৰ দিনত অসমত বহুতবিলাক হস্পিতালৰ গৃহ নিৰ্মাণ হৈছিল তাৰ কৰাণে তেওঁলোকক ধন্যবাদ দিছো। ঠিকাদাৰে টকা পালে কমিচন পোৱাই কমিচন পালে কিন্তু সেই বিলাক হস্পিতালত আজিলৈ ডাক্তৰ নাৰ্চ নাই, মেডিচিন নাই। সেইবিলাক ঘৰ দখল কৰিছে মিলিটেৰী বিলাকে নতুবা পেৰা মিলিটেৰী বিলাকে। মোৰ সমষ্টিত এখনৰো একে অৱস্থা। মোৰ সমষ্টিৰ এখন ডিচপিনচেৰী আছে, এখন জয়পুৰত আছে। এজন ডাক্তৰো নায়েই যিজন আছে তেওঁ তাত সোমাব ভয় কৰে কাৰণ কেতিয়া ঘৰটো ভাঙি পৰে ঠিকনা নাই। ৰাজ্যখনত ৰোগী ভাল হওঁক বা নহওঁক কিন্তু ডাক্তৰৰ ফিজ কিন্তু কমা নাই। অলপতে ইনকাম টেক্স Vigilance Cell ৰেইদ কৰিলে। ৰেইদ কৰিব লাগিছিল কোনোবা ব্যৱসায়ীৰ ওচৰত কিন্তু ৰেইদ কৰিলে মেডিকেল কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ বা প্ৰফেচৰ সকলৰ ঘৰত। তেওঁলোকৰ ঘৰ ৰেইদ কৰি বহুত টকা উলিয়ালে। এই কলা টকা কৰা পৰা আহিল ? চিকিৎসাৰ অভাৱ হলেও চিকিৎসৰ পইচাৰ অভাৱ হোৱা নাই। পইচা নহলে ডাক্তৰ সকলৰ লগত কোনো কথাই নহয়। আজি কালি বিষয়টো পাঠ্যক্ৰমত অৱশ্যে আছে নে নাই নাজানো কিন্তু বেছিভাগ ডাক্তৰৰ হলে একেবাৰে সাধাৰণ চিভিক চেঞ্চ বা ইথিক্স জ্ঞানখিনিও নাই। ডাক্তৰখানাত ঔষধ পাতি নাই বুজিছো আনকি কিছু ডাক্তৰে গামোছাৰে বেণ্ডেজ কৰাও দেখিছো। কিছুমানৰ তেওঁলোকৰ কাণসাৰ নাই। ৰোগী সকল গলে অকল শুনে আৰু লগে লগে প্ৰেচক্ৰিপচন লিখে, দায়োগ্নিচিচৰ বাবে অকনো সময় খৰচ নকৰে।

গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে যিখিনি সামান্য ঔষধ পাতিৰ যোগান ধৰিছে সেইখিনিৰ সদ্ব্যৱহাৰ হব লাগে। মই গোটেই বিলাক ডাক্তৰৰ ক্ষেত্ৰত কোৱা নাই, কিন্তু বহুতো ডাক্তৰ আছে, বহুতো প্ৰফেচৰ আছে ৰোগীক বেয়া ব্যৱহাৰ কৰে। চিকিৎসাৰ নামত এনে ধৰণৰ কিছুমান ডাক্তৰ আছে যাৰ ব্যৱহাৰত ৰোগীৰ ৰোগ বৃদ্ধি পোৱাই স্বাভাবিক। আচলতে ডাক্তৰে ভয় দেখুওৱাৰ পৰিবৰ্ত্তে

---

* Speech not corrected

নির্ভয় দি চিকিৎসাত হাত দিব লাগে। কিন্তু তেওঁলোকে ভয় দেখুৱাই ৰেমাৰহে বৃদ্ধি কৰায়।

আমাৰ যিবিলাক মেডিকেল কলেজৰ প্ৰফেচাৰ আছে তেওঁলোকে কেৱল গুৱাহাটীতে থাকিব বিচাৰে চিলচৰলৈ নাযায় কিয়? ডিব্ৰুগড়লৈ নাযায় কিয়? ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়খন বিখ্যাত চিকিৎসালয় আছিল তালৈ নাযায় কিয়? তাত সকলোৰে বিশ্বৰ সকলোবোৰ ল'ৰা এসময়ত পঢ়িছিল। আফ্ৰিকাৰ ল'ৰাও পঢ়ে, মধ্য প্ৰাচ্যৰ ল'ৰাও পঢ়ে। আমাৰ ৰাজ্যৰ ল'ৰাও পঢ়ে কিন্তু তালৈ আজি প্ৰফেচাৰ সকল নাযায় কিয়? এই চিকিৎসালয়ৰ ঘৰ বিলাকৰ যি জৰাজীৰ্ণ অৱস্থা সেইটো তালৈ গলেহে ধৰিব পাৰিব যে কেনে অৱস্থাত আছে? আজি কিন্তু মেডিকেল চিকিৎসালয়ত যন্ত্ৰ পাতি নাই, ঔষধ পাতি নাই, চাব্ ষ্টেণ্ডাৰ্ডৰ ঔষধ দিয়ে বহুতে মেডিকেল কলেজলৈ নাযায়েই; গলেও তাত যি দুৰ্গন্ধ ওলায় সেইবিলাক ঔষধৰ দুৰ্গন্ধ নহয়। এই দুৰ্গন্ধসমূহ চুইপাৰ লগাই কোনেও পৰিস্কাৰ কৰিব নিবিচাৰে। ডাক্টৰ আছে, নাৰ্চ আছে, কম্পাউণ্ডাৰ আছে, Supdt. আছে কিন্তু কোনেও চুইপাৰৰ হতুৱাই পৰিস্কাৰ নকৰে। কোনে কৰিব? তাত প্ৰিন্সিপাল সততে নাথাকে, চুপাৰিনটেণ্ডেন্ট সততে নাথাকে। নগৰ এলেকাতেই এনেকুৱা, ৰুৰেল এৰিয়াৰ কথাই নাই। দুৰ্গন্ধৰ কাৰণে বহুতে মেডিকেল কলেজত চিকিৎসা কৰিবলৈকে নাহে। আপুনি যদি যায় আপুনিও দুৰ্গন্ধত বিপদত পৰিব। ৰোমাল নহলে তালৈ নাযাব। গতিকে মই মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে যি সকলে চিকিৎসালয় বিলাকত কাম কৰে, যিসকলে হাস্পাতালত কাম কৰে সেইসকলে যাতে হাস্পাতালৰ নিয়মানুবৰ্ত্তিতা বজাই ৰাখে তাৰ প্ৰতি লক্ষ্য ৰাখি বিহিত ব্যৱস্থা লব লাগে। পৰ্য্যাপ্ত যন্ত্ৰ পাতি যোগান ধৰিব দিব লাগে। ঔষধ পাতি দিব লাগে। যিখিনি টকা চিকিৎসালয়ৰ বাবে খৰচ কৰিছে সেইবিলাকৰ সদব্যৱহাৰ হব লাগে। মেডিকেল কলেজেই হওক বা হাস্পাতালেই হওক বা চাব চেন্টাৰেই হওক ঘৰ দুৱাৰ যদি ভাঙিছে তেন্তে সেই বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰি দিব লাগে। ৰাজ্যখনৰ পি. এইচ্. চি. বা চি. এইচ. চি. ঘৰৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। চৰকাৰে টকা দিছে কিন্তু মেৰামতি কৰা নাই। ৰাজহৰ ধন অপচয় হৈছে। সেইবিলাকত তাৰোপৰি আজি পৰ্য্যন্ত ডাক্টৰ নাই, পৰ্য্যাপ্ত ঔষধ নাই। এনেয়ে চলি আছে। গতিকে সেইবিলাক অপচয় বন্ধ কৰিব পৰা যায়। মন্ত্ৰী মহোদয়ে স্বাস্থ্যৰ শিতানত যি ধন আৱন্টনৰ প্ৰস্তাৱ আনিছে তাৰ দ্বাৰা নতুন পি. এইচ. চি. বা চি. এইচ. চি. চিকিৎসাৰ বাবে ঘৰ নিমাৰ্ণ কৰিছে সেইবিলাক মেৰামতি কৰাৰ ওপৰিও ডাক্টৰ, যন্ত্ৰপাতি আৰু ঔষধ দিয়াৰ দাবী জনাই মোৰ বক্তৃতা সামৰিলোঁ।

---

* Speech not corrected

***শ্ৰীডেৰহোগ্ৰা মোছাহাৰী ঃ*** অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ গ্ৰান্টৰ সম্পৰ্কত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে তাত মই কব বিচাৰিছো যে - এই ক্ষেত্ৰত আমাৰ সকলোৰে অভিজ্ঞতা আছে যে অসমত স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত চৰকাৰে কেনে ধৰণৰ গুৰুত্ব দিছে। আজিলৈকে আমি দেখিছো যে নগৰ এলেকাতেই স্বাস্থ্য ৰক্ষা হৈ আছে। অসমত কিছুমান লোকৰ কাৰণে স্বাস্থ্য ৰক্ষাৰ ওপৰত চৰকাৰে গুৰুত্ব দিয়া নাই। অসমত এনেকুৱা কিছুমান অঞ্চল আছে যিবিলাকত ৰোগী চোৱাৰ কাৰণে চৰকাৰে ডিচপেনচেৰী পাতি দিছে - কেৱল ঘৰটোহে তাত আছে। তাত ষ্টাফ থাকিবৰ কাৰণে কোনো ব্যৱস্থা নাই। তাত স্বাস্থ্য কেন্দ্ৰ হৈছে কিন্তু ডাক্তৰ নাই, নাৰ্চ নাই, কম্পাণ্ডাৰ নাই। কেৱল চকীদাৰে স্বাস্থ্য কেন্দ্ৰটো পৰিচালনা কৰি আছে। সেইবিলাক অঞ্চলত ডাক্তৰ নিযুক্তি দিছে - কিন্তু ডাক্তৰে গুৱাহাটী বা নলবাৰী বা চহৰ অঞ্চলত নাৰ্চিং হোমক প্ৰেক্টিচ্ কৰে, ভিতৰুৱা ঠাইত কাম কৰিবলৈ নাযায়। কিন্তু দৰ্ম্মহা লয় ভিতৰুৱা জেগাত থকা স্বাস্থ্য কেন্দ্ৰৰ নামত। তাৰ ফলত সেই ভিতৰুৱা ঠাইৰ দুখীয়া ৰাইজে কষ্ট ভোগ কৰি আছে। অন্ততঃ এইটো দৰ্কাৰী বুলি ভাবি চৰকাৰে এতিয়ালৈ সেই স্বাস্থ্য কেন্দ্ৰ সমূহৰ প্ৰতি কোনো মনোযোগ দিয়া নাই। তাৰোপৰি আৰু কিছুমান দেখিবলৈ পাব যে - স্বাস্থ্য কেন্দ্ৰ সমূহত ঘৰৰ বেৰা নাই। তেনে ধৰণে বেৰা নোহোৱা স্বাস্থ্য কেন্দ্ৰ অসমৰ বিভিন্ন জেগাত আছে আৰু সেইবিলাকত ঔষধ বুলিবলৈ একোৱেই দেখা নাযায়। মই ভাৱো চৰকাৰে কিছুমান স্বাস্থ্য কেন্দ্ৰ বেমাৰ জমা হবৰ কাৰণে বিভিন্ন জেগাত পাতি দিছে। চৰকাৰে বেমাৰ নিমূৰ্ল কৰিবৰ কাৰণে স্বাস্থ্য কেন্দ্ৰ পাতি দিছে যেতিয়া সেইবিলাক পৰিচালনা কৰিবৰ কাৰণেও গুৰুত্ব দিব লাগে। এনে ধৰণৰ কিছুমান জেগা আছে আছে য'ত কেৱল বেমাৰহে জমা হোৱা দেখা যায়। উদাহৰণ হিচাবে কব বিচাৰিছো যে অসমৰ ভূটান সীমান্তত দৰঙ্গা অঞ্চলত এনেকুৱা ঠাই আছে তাৰ কথা সকলোৰে জানে। তালৈ মন্ত্ৰী সকলেও যায় আৰু অফিচাৰ সকলেও যায় আৰু পুলিচ বিষয়া সকলেও সেইবিলাক জেগা পৰিদৰ্শন কৰিছে। কিন্তু মই ভাৱো চৰকাৰে সেইবিলাক ঠাই দেখিও নেদেখাৰ নিচিনা কিয় থাকে। যত বিশেষকৈ ইলিচিত ব্যৱসায় চলি থাকে - সেইবিলাক চৰকাৰে নিৰ্ম্মুল কৰাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আজিলৈ কিয় নিৰ্ম্মূল কৰাৰ ব্যৱস্থা কৰা নাই ? সেই বিলাক যদি নিৰ্ম্মূল কৰাৰ কাৰণে চেষ্টা নকৰো - তেতিয়াহ'লে সেইবিলাক জেগাত মানুহৰ সদায় বেমাৰেই হৈ থাকিব আৰু সেইবিলাক বেলেগ ঠাইলৈকো বিয়পিব পাৰে। সেইবিলাক যাতে বিয়পিব নোৱাৰে তাৰ কাৰণে বিহিত ব্যৱস্থা লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কিন্তু এইডচৰ নিচিনা আজিকালি যিটো বেমাৰ ওলাইছে - সেইটোৰ কথা চিন্তা কৰি কোনো লাভ নাই। দেখিবলৈ

---

* Speech not corrected

পাইছো - সেইটো নির্মূল কৰাৰ কাৰণেও বা তাৰ প্ৰতিকাৰৰ কাৰণে কোনো চেষ্টা কৰা নাই।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো আমাৰ গুৱাহাটীৰ ভিতৰত মেন্টেল আৰু হেণ্ডিকেপ লোকক চিকিৎসাৰ যিটো চিকিৎসালয় আছে তাৰ অৱস্থা অতি দূৰ্ভাগ্যজনক, শোচনীয়। এনে ধৰণৰ বিষয়বোৰৰ ওপৰত যদি আমি কোনো গুৰুত্ব নিদিও তেন্তে আমাৰ উঠি অহা ল'ৰা-ছোৱালীবোৰ চিকিৎসা নোহোৱাকৈয়ে সমাজৰ, পৰিয়ালৰ বোজা হৈ থাকি যাব। আজি আমাৰ বিশেষকৈ জনজাতি বসতি প্ৰধান অঞ্চলবোৰত আৰু চৰ অঞ্চলবোৰত এনে ধৰণৰ স্বাস্থ্য কেন্দ্ৰ বহুত কম। কৰবাত চিকিৎসালয় আছে যদিও তালৈ যাবলৈ ডাক্তৰ আৰু নাৰ্চ সকলে অসুবিধা পায়, যাবলৈ ইচ্চা নকৰে, কোনোবা গলেও জইন কৰিয়েই ছুটি লৈ গুছি আহে। অধ্যক্ষ মহোদয়, এই জনজাতি অঞ্চলবোৰত বা চৰ অঞ্চলত যদি কোনো ডাক্তৰ, নাৰ্চ, কৰ্ম্মচাৰী কৰ্তব্যত যোৱাত গাফিলতি কৰে তেন্তে তেওঁলোকৰ ওপৰত বিভাগে চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। এনে ক্ষেত্ৰত ৰাজনৈতিক ভাৱে চিন্তা নকৰি, সকলো ঠাইতে সকলো নাগৰিকৰ সমান সা-সুবিধা পোৱাৰ অধিকাৰ আছে - এইটো বিবেচনা কৰি চৰকাৰে চাব লাগে। আজি আমাৰ ভিতৰুৱা অঞ্চলবোৰলৈ ডাক্তৰ বা অন্যান্য কৰ্মচাৰী যাব নোখোজে, সকলোৱে চহৰত চাকৰি কৰিবলৈ বিচাৰে - এই বিষয়টোৰ ওপৰত চৰকাৰে চিন্তা কৰিব লাগে। আজি আমাৰ হস্পিতালবোৰত ঔষধ পাতি নাই। ডেলিভাৰী কেচ এটা লৈ গলেও ডাক্তৰ, নাৰ্চৰ পৰা সহায় পোৱা নেযায়। এনে অৱস্থাত ৰাইজে বেজৰ সহায় লবলগীয়া অৱস্থাত পৰে। এনে অৱস্থা হব নালাগে। যিবোৰ ঠাইত চিকিৎসা কেন্দ্ৰ আছে তাৰ পৰা ৰাইজে সহায় পাব লাগে। আমাৰ চৰকাৰে এইবোৰ দিশৰ প্ৰতি গুৰুত্ব দিব লাগে। মই আৰু বেছি নকও - আমাৰ চৰকাৰে স্বাস্থ্যৰ ক্ষেত্ৰত বেছি গুৰুত্ব দিব লাগে। নহলে আমাৰ উঠি অহা ডেকা-গাভৰু, ল'ৰা-ছোৱালীবোৰৰ কি অৱস্থা হব? এইখিনি বক্তব্য ৰাখিয়েই মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* ***শ্ৰীকালীৰঞ্জন দেব*** : মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগের কথা বলতে গিয়ে প্রথমেই বলতে হয় যে এই বিভাগের সেবা সাদের সবচেয়ে বেশী প্রয়োজন, সেই দরিদ্র জনসাধারন, গ্রামের জনসাধারন এর থেকে সম্পূর্ণভাবে বঞ্চিত হচ্চে। এই ব্যাপারে এমএই সদনে যথেষ্ট আলোচনা হয়চে। প্রশ্নত্তোর কালেও আলোচনা হয়ছে এবং এইসব আলোচনায় দেখা যায় যে গ্রামের পাব্লিক হেল্‌থ সেন্টারেই বলন আর ষ্টেট ডিসপেন্সারীতেই বলুন-ঘর আছে তো ডাক্তার নেই, ডাক্তার আচে তো ঔষধ নেই। ব্যাণ্ডেজ

---

* Speech not corrected

নেই। কোনও কোনও যায়গাই ডাক্তার নেই, ঔষধ নেই। এইতো গ্রামে গঞ্জে স্বাস্থ্য সেবার চেহেরা। আর শহরের কিছু লোক যদিও বা পয়সা খরচ করে নার্সিং হোম চিকিৎসা করাতে পারে, গ্রামের লোক প্রকৃততে বিনা চিকিৎসায় মরছে। আমার সমষ্টি কাটিগড়াতো বাংলাদেশ বর্ডারে রয়ছে, সেটা আপনারা জানেন। সেখানে কতকগুলি গ্রাম রয়ছে একেবারে বাংলাদেশ বর্ডারের, সংলগ্ন কোনও রাষ্টাঘাট নেই। যোগাযোগর কোনও ব্যবস্থা নেই। ২০/২২ মাইলের মধ্যে কোনও চিকিৎসা কেন্দ্র নেই। এইসব অঞ্চলের বিপন্ন লোকরা রোগগ্রস্থ হলে বি. এস. এফ., বি. ডি. আরর সাহায্য নিয়ে কোনক্রমে ওপারে গিয়ে বাংলাদেশ চিকিৎসা করিয়ে আসে। কি লজ্জার ব্যপার যে আমাদের দেশের লোকরা বিপন্ন হয়ে বাংলাদেশে গিয়ে ডাক্তারদের দিয়ে ডেলিভারী কেস করায়। আর তাও যারা পারে না। তারা ঘরছে। এটা অত্যন্ত দুঃখের ব্যপার। আমি আগেও উল্লেখ করেছি যে ১৯৮৩ ইংতে স্বাস্থ্য বিভাগ প্রমিজ করেছিল যে জমি দিলে চন্দিনগরে, সৈদপুর গ্রামে পি. এইস. সি. স্থাপন করবে। এরা ৮ বিঘা জমি সরকারের নামে রেজিষ্ট্রি করে দিয়েছে ১৯৮৩ ইংতে। তারপর অনেক আবেদন নিবেদনর পর কাছার জেলার সি. এম. এণ্ড এইচ. ও এই প্রপোজেল রিকমেণ্ড করে হেল্থ বিভাগে পাঠায়েছেন যে সেই অঞ্চলে একটা স্বাস্থ্য কেন্দ্র হওৱা একান্ত প্রয়োজন। কিন্তু দুঃখের ব্যপার এই ব্যপারে আজ পর্যন্ত একটা রি প্লাই সরকারের তরফ থেকে আসে নি। এমন কি দাবীটা অগ্রাহ্য করেও একটা চিঠি পাঠায় নি। আমি নিজেও লিখেছি কিন্তু জন প্রতিনিধি হিসাবে একটা যাওরও পাইনি। এই যদি বিভাগের অৱস্থা হয় তাহলে জনসাধারণ কি ভাবে চিকিৎসা করারে ভেবে পাই না। তারপর কথা হলো, যেগুলো কেন্দ্র রয়েছে তাদের অৱস্থাও অবর্ণনীয়। কাটিগড়ায় একটা ষ্টেট ডিসপেন্সারী আছে - সেটা ৫০ বছর পুরনো। তখন সেটা গ্রাম ছিল - এখন সেমি টাউন হয়েসে। এই পুরনো ঘরে বৃষ্টির জল পড়ে। ডাক্তার বেচারা বসার যায়গা পায় না। অথচ সরকার এসব দিকে নজর দেওৱা কোনও প্রয়োজন মনে করে না। তাছাড়া কালাইনে যে ১০০ শয্য বিশিষ্ট হাস্পাতাল রয়েসে তা নামে মাত্র। প্রকৃতপক্ষে ১০/১২ টা বেঙ রয়েসে। রোগীদেরে পথ্য দেওৱা হয় না। ঔষধ কিনতে হয় বাইরে থেকে। আর তারাছা থার্টি বেডেড নতুন য়েগুলু হাস্পাতাল রয়েসে - এ গুলোতেও ঔষধ পত্র নাই। যন্ত্র পাতি নাই।

আমাদের শিলচর মেডিকেল কলেজের ব্যপারে এই সদনে অনেক প্রশ্ন উৎথাপন করা হয়েছে। সেখানে এডিকুয়েট ষ্টাফ নাই, প্রফেসর নাই, ডেমনেষ্ট্রেটর নাই। অনেক বিভাগেই নাই শিলচর মেডিকেল কলেজে। এই ব্যপারে আমার এক প্রশ্নের উত্তরে মন্ত্রী

---

✳ Speech not corrected

মহোদয় বলেছিলেন যে শিলচর মেডিকেল কলেজের কার্ডিওলজি বিভাগে ইন্টেনসিফ কেয়ার ইউনিট নাই। অথচ ১৭/১৮ বৎসর হয়েয়ে এই মেডিকেল কলেজের কেন্সার ইউনিটের জন্য কোবাল্ট মেশ্চিন নাই। টাকা পয়সা নয়, কেৱল অবহেলার জন্য এই মেডিকেল কলেজের দূরবস্থা।

তাছাড়া, আমি পুনবার অনুরোধ করব যে রাজনৈতিক চাপে না পড়ে নীড় বেজড় কন্সিদারেশনে গ্রামাঞ্চলে পাবলিক হেল্থ সেন্টার যেন দেওয়া হয়। তাছাড়া মাননীয় সদস্য স্বর্গীয়ারী মহাশয় সেদিন বলেছিলেন যে গ্রামাঞ্চলে যাওয়ার জন্য আসামে ডাক্তার না থাকলে বাইরে থেকে আনা দরকার। আর গ্রামে যারা কাজ করবে সে সব ডাক্তারকে বিশেষ ইনসেটিভ দেওয়া দরকার। তাছাড়া, গৌহাটী ছেড়ে যে কোনও ডাক্তার যেতে চায় না সেটা দেখা দরকার Government should be strict. তাছাড়া গ্রামাঞ্চলের ডাক্তারদের সব রকম চিকিৎসার সুযোগ সুবিধা দিতে হবে। তখন নিশ্চয়ই তারা যাবে। এই ব্যাপারে মন্ত্রী মহোদয় নিশ্চয়ই বিশেষ নজর দিবেন। তাছাড়া রোগীরা যাতে ঠিকমতো ঔষধ পত্র পায় সেটা দেখবেন। নতুবা সরকারের সম্পূর্ণ পারপাস ফ্রাষ্ট্রেটেড হবে। এই বলে কাটমোশান সমর্থণ করে আমার বক্তব্য শেষ করছি।

✳ ***শ্রীদেবান জয়নাল আবেদিন ঃ*** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাৰ শিতানত অহা কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰি দুআষাৰ কবলৈ মই ঠিয় হৈছো। অধ্যক্ষ মহোদয়, ইতিমধ্যে কোৱা হৈছে যে, এই শিতানত বাজেটত ধাৰ্য্য কৰা টকা পৰিমান অতি কম হৈছে। এইটো বঢ়াব লাগিছিল। ইয়াত মই দেখিছো বাজেটত এই বছৰ ১৩৭ কোটি ২৯ লাখ ২ হেজাৰ টকা মঞ্জুৰী বিচৰা হৈছে। এই টকা যোৱা বাৰৰ টকাতকৈ কম নহয়। কিন্তু ১৯৯১-৯২ চনৰ যিটো প্ৰকৃত ব্যয় তাত কৰি ৫০ লাখ টকা কম। সেইটো ডাঙৰ কথা নহয়। আজি মই এই কৰ্ত্তন প্ৰস্তাৱটোত কবলৈ উঠিছো। এটা পলিচিৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱটো মোভ কৰিছে। এই টকা জন স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা বিভাগৰ বাবে কম হৈছে। আজি অন্যান্য অলাগতিয়াল বিভাগৰ টকা স্বাস্থ্য বিভাগৰ টকাত কৰি বহুতো গুণে বেছি। সেই হিচাবে টকা কম হৈছে আৰু টকা ধৰিব লাগে। এই কথাটো মই কিয় কৈছো সেইটো অৱগত কৰিব খুজিছো। স্বাস্থ্য বিভাগৰ কিছুমান নৰ্মচ আছে। প্ৰতি ১০ হেজাৰ মানুহৰ কাৰণে একোটা চেণ্টাৰ, ২০ হেজাৰ মানুহৰ কাৰণে বা ৩০ হেজাৰ মানুহৰ কাৰণে ৩০ খন বিচনাযুক্ত হস্পিতাল থাকিব লাগে। যিবিলাক নৰ্মচ আছে সেইবিলাক কাগজ পত্ৰতহে আছে। ব্যৱস্থা কি হৈছে। মই যি অঞ্চলৰ পৰা প্ৰতিনিধিত্ব কৰিছো সেই অঞ্চল বিলাকত দেখা যায় যে এনেকুৱা দুখলগা

---

✳ Speech not corrected

অৱস্থা যে প্ৰায় ২ লাখ মানুহৰ কাৰণে আজিলৈকে এটা ভাল পি. এইচ. চি. নাই। আগতে যিটো আছিল তাকো ব্ৰহ্মপুত্ৰই খহাই নিলে। তাৰ পিচত যিটো সম্পূৰ্ণ কৰা হৈছে সেইটো এতিয়ালৈকে কমিচন কৰা হোৱা নাই। ডাক্তৰ যি কেইজন দিব লাগে দিয়া হোৱা নাই। এইটো চেহেৰা হৈছে। আজি ২ লাখ মানুহৰ মাজত এটা সু-সুজ্জিত পি. এইচ. চি. নাই। এই মানুহ বিলাকে কত চিকিৎসা লব? শুনিলে আচৰিত হব যে গোৱালপাৰাৰ পৰা মান কাছাৰলৈ ১৫০ কিলোমিটাৰৰ ভিতৰত ভাল হস্পিতাল নাই। দেলিভাৰি কেচৰ বাবে ধুবুৰীলৈ যাব লাগে। নদী পাৰ হওঁতেই কেতিয়াবা মৃত্যু মুখত পৰে। এনেকুৱা এটা দুখলগা অৱস্থা। অধ্যক্ষ মহোদয়, যিবিলাক ঠাইত পি. এইচ. চি. বা চাব চেন্টাৰ বা প্ৰাইমাৰী হেলথ ইউনিট আছে তাত ডাক্তৰ নাথাকে। ঔষধৰ কোনো ব্যৱস্থা নাই। তেনেহলে এই বিভাগ থকাৰ যুক্তি কত? অন্তঃত প্ৰাণ ৰক্ষা কৰাৰ বাবে হস্পিতাল, ঔষধ আদি দিব লাগে। তাৰ কাৰণে প্ৰয়োজনীয় লাগতিয়াল ধন যোগান ধৰিব লাগে। নহলে চৰকাৰ থকাৰ কোনো যুক্তি নাই। অধ্যক্ষ মহোদয়, এফালে হস্পিতাল বিলাকত ডাক্তৰ নাই আনহাতে পাচ কৰা ডাক্তৰ বিলাক বহি আছে, তেওঁলোকৰ নিযুক্তি নাই। এইটো বাস্তৱ ছবি। যিবিলাক ডাক্তৰক নিযুক্তি দিয়ে, সেইবিলাকো চহৰত থাকিব বিচাৰে। গাৱলৈ যাব নিবিচাৰে। বদলি হৈ চহৰলৈ আহিব বিচাৰে। একো কৰিব নোৱাৰে। ডাক্তৰ বিলাকৰ ওপৰত বিভাগৰ কোনো কতৃত্ব নাই। বিভাগৰ বিষয়া কৰ্ম্মচাৰী সকলৰ কতৃত্ব থাকিব লাগে। নহলে বিভাগটো থকাৰ কোনো অথৰিটি নাই, যুক্তি নাই। অসমত ৩ খন মেডিকেল কলেজ আছে মেডিকেল শিক্ষা বা চিকিৎসাৰ প্ৰয়োজন পুৰাবৰ কাৰণে এই ৩ খন মেডিকেল কলেজ যথেষ্ট নহয়। সেইকাৰণে যিবিলাক হস্পিতাল বেলেগ বেলেগ ঠাইত আছে সেইবিলাকো প্ৰয়োজন পুৰাবৰ বাবে যথেষ্ট নহয়।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি এটা কথা কব খুজিছো যে অসমত আৰু কমেও দুখন মেডিকেল কলেজ স্থাপন কৰিব লাগে। সেই ক্ষেত্ৰত মই আৰু এটা কথা কব খুজিছো যে গুৱাহাটীৰ পশ্চিম অঞ্চলক সামৰি কামৰূপকে আদি কৰি গোৱালপাৰা, ধুবুৰী, বঙাইগাওঁ, কোকৰাঝাৰ আৰু মেঘালয়ৰ এটা বিস্তৃত অঞ্চল লৈ এখন মেডিকেল কলেজ হস্পিতাল আৰু এখন চিকিৎসা শিক্ষাৰ কাৰণে মেডিকেল কলেজৰ অত্যন্ত প্ৰয়োজন হৈ পৰিছে। অধ্যক্ষ মহোদয়, এই বিষয়টো মই আজিয়েই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি কৈ থব খুজিছো যে এই অঞ্চলটোৰ মানুহ খিনিৰ কাৰণে চৰকাৰে যদি এখন মেডিকেল কলেজ স্থাপন কৰাৰ দায়িত্ব নলয় তেনেহলে অতি কম সময়ৰ ভিতৰতে সেই অঞ্চলৰ মানুহে গোৱালপাৰাত এখন মেডিকেল কলেজ

---

* Speech not corrected

স্থাপন কৰাৰ কাৰণে আন্দোলন কৰিবলৈ বাধ্য হব। গতিকে এই বিষয়টোৰ প্ৰতি আজিয়েই মই চৰকাৰক এক ওৱাৰ্নিং দি থলো। অধ্যক্ষ মহোদয়, আমাৰ ইয়াত যি কেইখন মেডিকেল কলেজ আছে সেই কেইখনৰ অৱস্থা অতি শোচনীয়। অলপতে মই মোৰ পৰিবাৰৰ এটা অপাৰেচনৰ কাৰণে গুৱাহাটী মেডিকেল কলেজত থাকিব লগা হৈছিল। তাত থকা দিন কেইটাত মোৰ তিক্ত অভিজ্ঞতা হৈ গ'ল। তাত যিবোৰ অসুবিধা আছে সেইবোৰ কতৃপক্ষই দুৰ কৰিব পাৰে। কিন্তু এইটো চৰকাৰী প্ৰতিষ্ঠান হোৱা কাৰণে তাৰ কতৃপক্ষই বহুতো কৰিব লগীয়া কাম নকৰে আৰু ইফালে চৰকাৰেও বহুতো কথা দেখিও নেদেখা হৈ থাকে। এই ক্ষেত্ৰত মই প্ৰথমতে কব খোজো যে তাত পানী জমা হৈ থকাৰ কাৰণে যিটো অৱস্থা হৈছে সেইটোৱে এটা মাৰাত্মক ৰূপ ধাৰণ কৰিছে। আজি কিছু দিন আগতে গুৱাহাটী মেডিকেল কলেজৰ চৌহদ পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিবৰ কাৰণে তিনি কোটি টকা ব্যয় কৰি এখন চিওৱাৰেজ প্লেন হাতত লোৱা হৈছিল। কিন্তু সেইটো চুপাৰিটেণ্ডন্টদকে আদি কৰি কিছুমান মানুহে কাম কৰাৰ কিছু দিন পিছতে সেইটো বন্ধ হৈ গল। ইয়াৰ কাৰণ হল- তাত এজন কাৰিকৰী লোকৰ প্ৰয়োজন। কিন্তু সেই ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত মানুহ নথকাৰ কাৰণে উত্তৰ পূৱ অঞ্চলতে থকা একমাত্ৰ এই প্লেনটো বন্ধ হৈ থাকিব লগা হৈছে। এইটো চৰকাৰৰ হেমাহীৰ কাৰণে বন্ধ আছে আৰু তাৰ ফলত তাত যিটো অৱস্থা হৈছে সেইটোৱে হেলথ হেজাৰদৰ সৃষ্টি কৰিছে। North East Times dated 19th February 1993, thus posing a severe health hazard for the residents. As it is well known every day, thousands of litres of sewage water full of disease carryings germs comes out of the hospitals. এইখনত এতিয়া যিটো অৱস্থা হৈছে তাৰ ফলত এইখন বেমাৰ ভাল কৰা ঠাইৰ পৰিবৰ্ত্তে বেমাৰ কঢ়িওৱা ঠাইতহে পৰিণত হব। Hospital may soon cease to be a centre for medical treatment and become a comtributor to deadly disease among the citi zen (Quote from the paper) সেইকাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই তিনি কোটি টকীয়া প্লেনটো এনেদৰে পৰি থাকিলে এই কলেজ খনৰ অৱস্থা আৰু অতি শোচনীয় হৈ পৰিব আৰু তাৰ হাজাৰ হাজাৰ মানুহে জীয়াতু ভুগিব লাগিব।

দ্বিতীয় কথা হৈছে মেডিকেল কলেজখন পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিবলৈ হ'লে পানী অতি প্ৰয়োজন। কিন্তু এই কলেজ খনত গোটেই দিনতো পানী যোগানৰ কোনো ব্যৱস্থা নাথাকে। এই বিষয়ে মই এদিন খবৰ কৰাত তাৰ কিছুমান কৰ্ম্মচাৰীয়ে জনালে যে

* Speech not corrected

পানী যোগানৰ যি ব্যৱস্থা তাত আছে তাৰ শতকৰা ৫০ ভাগ পানী তল ফালে লিকেজ থকা কাৰণে ওলাই যায় আৰু শতকৰা ৫০ ভাগ ওপৰত থকা লিকেজেৰে ওলাই যোৱাৰ ফলত বৰষুণ দিয়াৰ দৰে শব্দ হৈ থাকে। প্ৰথমতে মই এই শব্দটো শুনি বৰষুণ দিয়া বুলি ভাবিছিলো। কিন্তু সেইটো বৰষুণ নহয় - টেপৰ পৰা ওলোৱা পানী পৰিহে তেনে শব্দ হৈছিল। ইয়াৰ ফলত ওপৰ মহলালৈ পানী কোনো দিলে নাযায়। সেই কাৰণে হস্পিতাল খনত পানী যোগান ব্যৱস্থাটো ঠিক কৰিব লাগে। পানী অবিহনে হস্পিতেল খন চাফ চিকুন কৰি কেতিয়াও ৰাখিব নোৱাৰে। আন এটা কথা হ'ল - মই তাত থকা গম পাই এম. এল. এ জৰিয়তে কিবা কাম হব পাৰে বুলি ভাবি কেই গৰাকীমান নাৰ্চে মোক এদিন লগ ধৰি দি এম. ই লৈ দিয়া এখন দৰখাস্তৰ কপি এটা দিলে। তাত তেওঁলোকে এটা কথা উল্লেখ কৰিছে যে তেওঁলোকৰ আজি ১৫/১৬ বছৰে কোনো প্ৰমোচন হোৱা নাই। চাকৰিত সোমায়ে যিটো চাৰ্জ হ'ল কৰি আছে আজিও তেনে অৱস্থাতে আছে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল— চৰকাৰে নাৰ্চৰ পদ সৃষ্টি নকৰে আৰু এটা কথা গম পালো যে যোৱা দুই তিনিটা টাৰ্মত নাৰ্চৰ কোনো ট্ৰেইনিং হোৱা নাই। এইবিলাক খেলি মেলিৰ কাৰণে যিসকল নাৰ্চ আছে তেওঁলোক একে অৱস্থাতে থাকিব লগা হৈছে আৰু ইফালে নাৰ্চৰ অভাৱত বহুতো ঠাইত নাৰ্চ দিব পৰা নাই। গতিকে কি কাৰণত নাৰ্চৰ ট্ৰেইনিং হোৱা নাই সেই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক এটা এচুৰেঞ্চ দিব লাগে আৰু নিয়মিত ভাৱে নাৰ্চৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি তেওঁলোকক নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। তাৰ লগে লগে যি সকল নাৰ্চ আজি ১৫/১৬ বছৰে একেটা পদতে আছে তেওঁলোককো প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ প্ৰায়বোৰ হস্পিতালতে দৰৱ পাতি নাই। গাৱঁৰ দুখীয়া লোক সকলে দৰৱ পাতি কিনিবলৈও তেওঁলোকৰ অৱস্থা নাই। অলপতে মই নিজেও এটা অপাৰেচনৰ ক্ষেত্ৰত প্ৰায় তিনি হাজাৰ টকা ভৰিব লগা হৈছে। গতিকে চৰকাৰে এইবোৰ বিষয়ৰ প্ৰতি দৃষ্টি দিব লাগে।

অধ্যক্ষ মহোদয়, ইতিমধ্যে কোৱা হৈছে যে দৰৱ পাতি হস্পিতালতে নাই। দুখৰ কথা দুখীয়া মানুহে দৰৱ কিনা নাই। তিনি হেজাৰৰ ওপৰত দৰৱ কিনিব লগা হৈছে। বাকী খৰচ বেলেগ। সৰ্ব্বসাধাৰণ মানুহে তিনি হেজাৰ টকাৰ দৰৱ কিনিব পাৰে কেইজনে। মইও বাহিৰা মানুহৰ পৰা সহায় লৈ চিকিৎসা কৰিব লগা হৈছে। তেতিয়া হলে চাওঁক সৰ্ব্বসাধাৰণ মানুহৰ কি অৱস্থা হব পাৰে। চৰকাৰে আমাৰ আয়ুৰ্বেদিক, হেমিওপাথিক

---

✳ Speech not corrected

দৰৱত নতুনকৈ টেক্স লগাইছে। আমাৰ ধুবুৰীৰ ফালে এটা কথা আছে, সেইটো বাৰু এতিয়া নকওঁ। (ভইচ অৰ্থটো কি হব কওঁক)। সেইটোৰ অৰ্থ এনেকুৱা যে গিৰিয়েকে ভাত দিব নোৱাৰে আৰু গৃহিনীক কিলাব পাৰে। আমাৰ ৰাইজৰ কাৰণেও নুন্যতম চিকিৎসাৰ প্ৰয়োজন, কিন্তু চৰকাৰে এই প্ৰয়োজন পুৰাৱ নোৱাৰে। দেখা যায় ঔষধৰ ক্ষেত্ৰত টেক্স লগাইছে, এই ক্ষেত্ৰত হেমিওপেথিক ঔষধৰ ওপৰত কেইবছৰ মান আগতে নাছিল। আয়ুৰ্বেদিকো নাছিল। এই বিলাক সংঘবদ্ধভাৱে উন্নয়ণ কৰাৰ কোনো আগ্ৰহ নাই। কিন্তু টেক্স লগোৱাৰ ক্ষেত্ৰত যথেষ্ট আগ্ৰহ আছে। এই ক্ষেত্ৰত টেক্স প্ৰযোজ্য হব নেলাগে। এই বিলাকৰ কোনো উন্নতি হোৱা নাই। এইবিলাক যথেষ্ট উন্নত কৰি লওক। স্বাস্থ্যৰ কাৰণে চৰকাৰে এনেকুৱা দৃষ্টি ভঙ্গী লোৱাটো ঠিক নহব।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা কথা জানিবলৈ পাই ভাল পাইছো যে বাজেটত ১০ লাখ টকা এইডচৰ কাৰণে ধাৰ্য্য কৰা হৈছে। এই বেমাৰ চাৰিওফলে বিয়পিছে। এইটো মাৰাত্মক ব্যাধি, ইয়াক বিয়পিব দিব নোৱাৰি। এই ক্ষেত্ৰত যি টকা ধাৰ্য্য কৰা হৈছে সেইটো যাতে সদব্যৱহাৰ হয় আৰু কাৰ্যকৰী ব্যৱস্থা লব পৰা যায় তাৰ কাৰণে আশা ৰাখিছো। ইয়াৰ উপৰিও ড্ৰাগছৰ সম্পৰ্কে কোৱা হৈছে ইও মাৰাত্মক, এইটো বিশেষকৈ গুৱাহাটী চহৰত বৈয়াকৈ বিয়পিছে। সিদিনা গোপীনাথ বৰদলৈৰ নাতি ল'ৰা ৰাজেশ বৰদলৈৰ ড্ৰাগছ সেৱন কৰি মৃত্যু হ'ল। এই ধৰণে ড্ৰাগছৰ চিকাৰ হৈ পৰিছে। এইটো এটা মাৰাত্মক ব্যাধি। ইয়াৰ ভিতৰত সোমাবলৈ সহজ, কিন্তু উলাবলৈ টান। এই ক্ষেত্ৰত চৰকাৰৰ চাইন বোৰ্ড অভিযান চলাব লাগে। এনেকুৱাকৈ আমি গম নোপোৱাকৈ বহুতো ছাত্ৰ-ছাত্ৰী নষ্ট হৈছে। ইয়াৰ অন্তৰালত লুকাই আছে বিদেশী শক্তি। পূজিপতি সাম্ৰাজ্যবাদী শক্তি লুকাই আছে। আমাৰ যুৱক সকল যাতে গভীৰ ভাৱে চিন্তা কৰিব নোৱাৰে, তেওঁলোকৰ চিন্তা শক্তি নষ্ট কৰিবৰ কাৰণে এইটো সোমোৱাই দিছে। ইয়াৰ পৰা কোনো উজ্বল ভৱিষ্যত নাই, ই চৰম হতাশা। এই ব্যাধি সমাজৰ মাজৰ পৰা বন্ধ কৰিব লাগিব। চৰকাৰে ড্ৰাগছ লুপ্ত কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। পূজিপতি সাম্ৰাজ্যবাদী দেশে তৃতীয় বিশ্বৰ দেশ বিলাকত ভাৰতবৰ্ষ, বাংলাদেশ, সিংহল এই দেশ বিলাকত সোমোৱাই দিয়াৰ চেষ্টা কৰিছে। ইয়াক ৰোধ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। শেষত মই কবলৈ বিচাৰিছো যে আমাৰ এই যে জিলা মহকুমা আৰু গাওঁ পৰ্য্যায়ত কিছুমান হস্পিতাল আছে, এই হস্পিতালত সময় মতে নিৰ্ম্মাণ হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ধুবুৰী আৰু গোৱালপাৰাত দুশ বেডেদ

* Speech not corrected

হস্পিতাল অনতি বিলম্বে কৰিব লাগে। গোৱালপাৰা হস্পিতালত মেলেটাৰীহে থাকে। মেলেট্যাৰী ৰাখিবলৈ হস্পিতাল খোলা হৈছে নেকি ? মোৰ সমষ্টিৰ ফকিৰগঞ্জ চৰ অঞ্চলত লাখ লাখ মানুহ বাস কৰে, তাত বিমনতলা প্ৰাইমাৰী হস্পিতাল কৰাৰ প্ৰস্তাৱ আছে। ধুবুৰী পুৰণা বজাৰত চিকিৎসাৰ ব্যৱস্থা নাই। তাত ঘৰ বিলাক অবিলম্বে নিৰ্ম্মাণ কৰিব লাগে। আনফালে চাউথ শালমাৰাত ৬ জন ডাক্তৰ থাকিব লাগে কিন্তু তাত মাত্ৰ এজনহে ডাক্তৰ আছে। কোৱাৰ্টাৰৰ ব্যৱস্থা নাই। তাত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ডাক্তৰৰ অভাৱ নাই, এ. পি. এচ. চি.য়ে কিছু ডাক্তৰ নিযুক্তি দিয়া বুলি শুনিছো, তেওঁলোকক গাওঁৰ হস্পিতালবিলাকত দিব লাগে। তাত যাতে এটাও পোষ্ট খালি নাথাকে।

অধ্যক্ষ মহোদয়, মই আশা ৰাখিছো চৰকাৰে এই ক্ষেত্ৰত অবিলম্বে কাৰ্যকৰী ব্যৱস্থা লব, এই খিনি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

*Mr. Speaker :* Now, Hon'ble Chief Minister will make a statement.

* *Shri Hiteswar Saikia (Chief Minister) :* On 28-3-93 while a patrol party of Assam Protection Force belonging to Diplonga Beat Office under Sootia Police Station were patrolling the Joysiddi area of the forest, they saw encroachers in to the reserves forest. The party arrested 10 of the encroachers, brought them into the camp and than challan them to Sootia P.S.

In the meantime, about 2 thousand to 3 thousand villagers who are all encroachers gatthered around the Beat Office and demanded unconditional release of the arrested persons. They also attacked the sentry post and pelted stone at the Beat Office. Incharge of the Beat Office was injured. The Police personnel warned the crowd to disperse and fired in the air. But the crowd became villent and tried to ransack the Beat Office and take away the arms. Finding no other alternative and for self defence, the Assam Forest Protection Force had to open 35 rounds of fire, as a result of which 5 persons belonging to the crowd died on the spot and 3 were injured. The names of the persons who died are as below :

1. Shri Lakhya Basumatary
2. Shri Bijoy Basumatary
3. Shri Nirmal Basumatary
4. Shrimati Nibasi Islari

---

* Speech not corrected

5. Wife of Havel Basumatary

The injured persons have been removed to hospital.

The Deputy Commissioner and the Addl. S.P. Sonitpur visited the place of occurance. The D.C. Sonitpur has already ordered a Magistrial enquiry. Police re-inforcement has been rushed to the area.

* ***Shri Holiram Terang :*** Sir, how many women were killed in that incident.

***Shri Hiteswar Saikia (Chief Minister) :***

1. Shri Lakhya Basumatary 2. Shri Bijoy Basumatary
3. Shri Nirmal Basumatary 4. Shrimati Nibasi Islari
5. Wife of Havel Basumatary

i.e. two women and three man.

* ***শ্ৰীদেবহোগ্ৰা মুছাহাৰী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিটো কৈছে সেইটো নহয়, সেইটো তদন্ত কৰিবৰ কাৰণে তদন্ত কমিটি পাতি দিব লাগে।

**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সেইটো কৰি দিয়া হব।

***Mr. Speaker :*** I would like to inform you that adjacant to the Assembly House in the Shamiana a dinner has been arranged. I would coordially invite Hon'ble Chief Minister, Hon'ble Minister, Hon'ble Members, Members of the Press, Officials, Reporters and others to attend in the dinner at 8-30 P.M. The House stands adjourn till 9 A.M. tomorrow i.e. 30th March, 1993.

# Adjournment

The House then rose at 7 P.M. and stood adjourned till 9 A.M. tomorrow, the 30th March, 1993.

*Dispur*
*The 29th March, 1993*

**D. Talukdar**
*Secretary,*
*Assam Legislative Assembly*

* Speech not corrected

*Annexure I*

## Sports goods distributed Constituency wise through M.L.A./ Ministers during 1991-92

| | | | |
|---|---|---|---|
| 1. Football | - 2880 Nos @ Rs. 135/- | Rs. | 3,88,800.00 |
| | 300 Nos @ Rs. 175/- | Rs. | 52,500.00 |
| | 600 Nos @ Rs. 140/- | Rs. | 84,000.00 |
| 2. Volleyball | - 2880 Nos @ Rs. 115/- | Rs. | 3,31,200.00 |
| | 300 Nos. @ Rs. 138/- | Rs. | 41,400.00 |
| | 600 Nos @ Rs. 125/- | Rs. | 75,000.00 |
| 3. Volleyball net | - 3780 Nos @ Rs. 90/- | Rs. | 3,40,200.00 |

## Sports goods supplied to various clubs/Associations and Coaching purposes

| | | | |
|---|---|---|---|
| 1. Football | - 459 Nos @ Rs. 135/- | Rs. | 61,965.00 |
| 2. Volleyball | - 456 Nos @ Rs. 115/- | Rs. | 52,440.00 |
| 3. Volleyball net | - 352 Nos @ Rs. 90/- | Rs. | 31,680.00 |
| 4. Cricket bat | - 116 Nos @ Rs. 220/- | Rs. | 25,520.00 |
| 5. Bating Glove | - 133 Pairs @ Rs. 40/- | Rs. | 5,320.00 |
| 6. Batting pat | - 56 pairs @ Rs. 135/- | Rs. | 18,630.00 |
| 7. Wicket Keeping Glove | 56 pairs 2 Rs. 40/- | Rs. | 2,240.00 |
| 8. Wicket pad | - 48 pairs @ Rs. 127/- | Rs. | 6,096.00 |
| 9. Abdomen Guard | 58 Nos @ Rs. 30/- | Rs. | 1,740.00 |
| 10. Cricket ball | - 180 Nos @ Rs. 65/- | Rs. | 11,700.00 |
| 11. Stamp | - 44 sets @ Rs. 105/- | Rs. | 4,620.00 |
| 12. Cricket net | - 1 No. @ Rs. 600/- | Rs. | 600.00 |
| 13. Cricket mat | - 3 Nos @ Rs.2685/- | Rs. | 8,055.00 |
| 14. Inner Glove | - 10 Nos @ Rs. 22/- | Rs. | 220.00 |
| 15. Badminton Racket | 158 Nos @ Rs. 98/- | Rs. | 15,485.00 |

| | | | |
|---|---|---|---|
| 16. Badminton net | 48 Nos @ Rs. 38/- | Rs. | 1,794.00 |
| 17. Shuttle cock - | 95 Packet @ Rs. 64/- | Rs. | 6,080.00 |
| 18. Handball - | 18 Nos @ Rs. 120/- | Rs. | 2,160.00 |
| 19. Handball net - | 2 pairs @ Rs. 155/- | Rs. | 310.00 |
| 20. Lawn Tennis Ball | 27 Dozen @ Rs. 375/- | Rs. | 10,125.00 |
| 21. Track Suit - | 125 Nos @ Rs. 293/- | Rs. | 36,625.00 |
| 22. Table Tennis Bat | 24 Nos @ Rs. 30/- | Rs. | 720.00 |
| 23. T.T. Ball - | 42 Nos @ Rs. 5/- | Rs. | 210.00 |
| 24. Hockey Stick | 91 Nos @ Rs. 75/- | Rs. | 6,815.00 |
| 25. Hockey ball - | 106 Nos @ Rs. 35/- | Rs. | 3,710.00 |
| 26. Hockey net - | 9 pairs @ Rs. 400/- | Rs. | 3,600.00 |
| 27. Jersey - | 170 Nos @ Rs. 55/- | Rs. | 9,350.00 |
| 28. Pants - | 96 Nos @ Rs. 35/- | Rs. | 3,360.00 |
| 29. Socks - | 53 pairs @ Rs. 37/- | Rs. | 1,961.00 |
| 30. Football Boots | 18 pairs @ Rs. 190/- | Rs. | 3,420.00 |
| 31. Wrist Band - | 3 Nos @ Rs. 20/- | Rs. | 60.00 |
| 32. Chest Guard - | 3 Nos @ Rs. 190/- | Rs. | 570.00 |
| 33. Helmet - | 2 Nos @ Rs. 340/- | Rs. | 680.00 |
| 34. Football Goal Net | 10 pairs @ Rs. 290/- | Rs. | 2,900.00 |
| 35. Basket ball - | 10 Nos @ Rs. 135/- | Rs. | 1,350.00 |
| 36. Basketball net | 20 pairs @ Rs. 20/- | Rs. | 400.00 |
| 37. Discuss - | 18 Nos @ Rs. 220/- | Rs. | 3,960.00 |
| 38. Jevelline - | 8 Nos @ Rs. 320/- | Rs. | 5,760.00 |
| 39. Cricket Shoe - | 10 pairs @ Rs. 370/- | Rs. | 3,700.00 |
| 40. Bike - | 16 Nos @ Rs. 40/- | Rs. | 640.00 |
| 41. Sporting - | 37 Nos @ Rs. 55/- | Rs. | 2,035.00 |
| 42. Half Pant - | 12 Nos @ Rs. 45/- | Rs. | 540.00 |
| 43. Shotput - | 12 Nos @ Rs. 375/- | Rs. | 4,500.00 |
| | Total | Rs. | 16,76,735.00 |

## NAMES OF CLUBS AND ASSOCIATIONS ETC. WHERE SPORTS MATERIALS ARE SUPPLIES DURING 1991-92

1. Civil Audit & Accounts & Sports Club.
2. Sarikat Gaon Sevak Sangha.
3. Club Yuva Diganta & Library, (Padmapara).
4. S.O.S. Children's Villages.
5. Sonitpur District Tennis Association.
6. Deaf & Dum School Team.
7. Raj Bhavan.
8. Anurag Sanskritic Chora, Maligaon.
9. Guwahati University A.T. 6 Boys Hall.
10. Biswnath District Sports Association.
11. D. S. O. Sonitpur.
12. D. S. O. Jorhat.
13. Pacific Unit, Mongaldoi.
14. One Star Club, Senimari, Barpeta.
15. Universal United Cricket Club, Dispur.
16. Capital Youth Club, Dispur.
17. Netaji Sporting Club, Guwahati.
18. D. C. Golaghat.
19. District Handball Association, Guwahati.
20. Assam Volleyball Association.
21. D. C. Kokrajhar.
22. Padmajyoti Silpi Sangha.
23. Chamata Anchalik Krira Sangha.
24. Dipjyoti Sangha, Kharghooli.
25. Luitpar Kristi Bikash Kendra, Kalipur, Guwahati.
26. Assam Small Industries Development Corporation.
27. Heaven Blue Athletic Club, Haflong.

28. Dangdhara Sports Association, Titabar.
29. Association of Body Builders Assam, Jorhat.
30. Assam Students Union, Madras.
31. Udayan Uttar Pokowa, Nalbari.
32. Silghat Unnyansil Yuva Samaj.
33. Universal United Cricket Club, Guwahati.
34. Assam Public Health Engineers Association.
35. Morigaon Sports Association.
36. Luit par Mukti Sangha.
37. Hazariakpara Sports Association.
38. Moran Khatkhati Sports Assaociation.
39. Volleyball Coaching Centre, Tezpur (D. Bhagabati, Coach).
40. D. S. O. Golaghat.
41. All Assam Lawn Tennis Association (Coaching purpose).
42. Nagaon District Sports Association.
43. Basfor Mitrata Cup, Harizan Community, Guwhati.
44. Secreteriate Officers Team.
45. Kanya Mahavidyalaya, Guwahati.
46. Tangla Regional Tribal Youth Club.
47. Sutarkuchi Bita Dayini Yubak Club.
48. Assam Football Association.
49. St. Agnes High School, Haflong.
50. Rangia Kabaddi Association.
51. Sporting Union Club.
52. Hawraghat Sports Association.
53. Agyathuri Sports Association.
54. Smriti Sangha, Pandu.
55. Balijar Navajyoti Yubak Sangha.
56. Volleyball Coaching Centre, Nagaon, (Abdul Jabbar, Coach).
57. S. S. C. A. for any Team.

58. Istantic Club, Sonitpur.
59. Assam Carrom Association.
60. Dhentaghat Sports Association, Karbi-Anglong.
61. G. K. Memorial Handball Taurnament Organizing Commitee.
62. Golaghat District Sporting Association.
63. Dispur Abahik Sangha.
64. Assam Hockey Association.
65. Kaziranga Forest Lodge.
66. Khudra Bhaluki Pragati Sangha.
67. Karmachari Manch.
68. Zuria New Milan Club, Nagaon.
69. Assam Secretariat Soprts & Cultural Orgainisation.
70. Guwahati Sports Association.
71. Rangia District Kabaddi, Handball Association.
72. Uttar Lakhimpur Govt. H. S. School Students Union.
73. Bhalukguri Arunodoi Yubak Sangha, Sibsagar.
74. Nalbari District Handball & Kho-Kho Association.
75. Panigaon Yubak Sangha.
76. Brithattar Guwahati Karmachari Manch.
77. Assam Secretariat Sports & Cultural Organisation, (Volley Team).
78. Assam Secretariat Sports & Cultural Organisation, (Athletic Team).
79. Independence Day Finalist Team.
80. Nipjyoti Baruah T. T. Championship.
81. D. C. Sonitpur.
82. Assam Women Hockey Association.
83. Jayanta Bhavan Football Team.
84. Assam Hockey Association.

85. NCC Group Commandar, Guwahati for NCC Day Celebration.
86. Mossokha Development Team, Karbi-Anglong.
87. Assam Secretariat Football Eleven.
88. Basapathar Binapani Hindi M. E. School.
89. Dakhin Salmara Alokjyoti Sangha.
90. Rhino Club, Barpeta.
91. Mongaldoi Club.
92. Tangla Agradoot Sangha.
93. Tangla Agragami Sangha.
94. Assam Handball Association.
95. Secretariat Sports Club.
96. Rising Eleven Club.
97. Bishwanath District Sports Association.
98. Sarikat Gaon Sevek Sangha.
99. D. S. O. Kamrup.
100. Dampur Yubak Sangha.
101. Hajo Sports Club.
102. D. C. Nagaon.
103. Khanapara Officer's Tennis Centre.
104. Pragati Sangha, Dhubri.
105. North East Tennis Foundation.
106. Kamrup Vyam Samiti.
107. Chandi Medhi Valika Vidyalaya.
108. Sibsagar District Sports Association.
109. Amranga Kala Mandir.
110. Pachim Darrang Anchalik Jyoti Sangha.
111. Chan Chang Yubak Sangha.
112. Chamata Anchalik Bikash Sangha.

**Sports goods purchased during the year, 1991-92**

| | | | | |
|---|---|---|---|---|
| 1. Football | - | 1000 Nos. @ Rs. 145/- | Rs. | 1,45,000.00 |
| | | 1500 Nos. @ Rs. 155/- | Rs. | 2,32,500.00 |
| 2. Volleyball | - | 2300 Nos. @ Rs. 135/- | Rs. | 3,10,500.00 |
| 3. Volleyball net | - | 1890 Nos. @ Rs. 120/- | Rs. | 2,16,000.00 |
| 4. Football Goal net | | 600 Nos. @ Rs. 350/- | Rs. | 2,10,000.00 |
| 5. Handball | - | 100 Nos. @ Rs. 128/- | Rs. | 12,800.00 |
| 6. Handball net | - | 80 Nos. @ Rs. 155/- | Rs. | 12,400.00 |
| 7. Basketball | - | 100 Nos. @ Rs. 120/- | Rs. | 12,000.00 |
| 8. Basketball net | - | 100 Nos. @ Rs. 20/- | Rs. | 2,000.00 |
| 9. Hockey Stick | - | 100 Nos. @ Rs. 116/- | Rs. | 11,600.00 |
| 10. Hockey ball | - | 100 Nos. @ Rs. 45/- | Rs. | 4,500.00 |
| 11. Hockey Goal Net | | 20 Pairs @ Rs. 290/- | Rs. | 5,800.00 |
| 12. Badminton Racket. | | 200 Nos. @ Rs. 158/- | Rs. | 31,600.00 |
| 13. Badminton Net | | 100 Nos. @ Rs. 40/- | Rs. | 4,000.00 |
| 14. Shuttle Cock | - | 200 Nos. @ Rs. 125/- | Rs. | 25,000.00 |
| 15. Lawn Tennis Ball | | 30 Dozen @ Rs. 487/- | Rs. | 14,610.00 |
| 16. Table Tennis Ball | | 50 Dizen @ Rs. 60/- | Rs. | 3,000.00 |
| 17. Discuss | - | 50 Nos. @ Rs. 145/- | Rs. | 7,250.00 |
| 18. Shotput | - | 40 Nos. @ Rs. 640/- | Rs. | 25,600.00 |
| 19. Jevelling | - | 40 Nos. @ Rs. 172/- | Rs. | 6,880.00 |
| 20. Cricket Bat | - | 150 Nos. @ Rs. 345/- | Rs. | 51,750.00 |
| 21. Batting Glove | | 140 Pairs @ Rs. 125/- | Rs. | 17,500.00 |
| 22. Batting Pad | - | 140 Pairs @ Rs. 245/- | Rs. | 34,300.00 |
| 23. Wicket Keeping Glove | | 60 Pairs @ Rs. 225/- | Rs. | 13,500.00 |
| 24. Wicket Keeping Pad | | 60 Pairs @ Rs. 150/- | Rs. | 9,000.00 |
| 25. Cricket Stump | | 50 Set @ Rs. 120/- | Rs. | 6,000.00 |
| 26. Cricket Ball | - | 200 Nos. @ Rs. 40/- | Rs. | 8,000.00 |

**Sport goods supplied tothe following Clubs/Association etc.**

1. Guwahati Bline School.
2. SOS Childern Village.
3. Nilachal Sports Club.
4. Shimlia Mayur Sangha.
5. Saledal Navajyoti Sanskritik Club.
6. Dhekiajuli Soprts Association.
7. Boko Block Congress I.
8. Kalaigaon Sports Association.
9. All Assam Lawn Tennis Association.
10. Sanjarang Club, Simla Bazar.
11. New Star Club.
12. Nagaon Sports Association.
13. Assam Secretariat Sports & Cultural Association.
14. Guwahati Sports Association.
15. Deputy Commissioner, Kokrajhar.
16. Sakuntala Pukhuripar Development Committee.
17. Banting Nagar Yubak Samaj, Sibsagar.
18. Bikash Baruah.
19. Balichandra Miri Girls M.E. School.
20. Assam Chah Sramik Labour Kalyan Parishad.
21. Assam T. T. Association.
22. Pachim Chapara Navajyoti Sangha.
23. Assam Textile Student Union.
24. Pragati Sangha & Puthimari, Kamrup.
25. Bangsar Byam Samittee.
26. Central Tea Academy Parishad, Sibsagar.
27. Dhakuakhana College.
28. Madhupur Nabadeep Club.

29. Evergreen Club, Silapathar.
30. Kamrup College.
31. Khirode Baruah, Marioni.
32. Goge Sports Association & Prabin Library, Kamrup.
33. Yuva Unnayan Sangha, Kharghooli.
34. Guwahati Basketball Club.
35. Burinagar Nabadeep Sangha, Nalbari.
36. Assam Secretariat Football Eleven.
37. Gasarguri United Club, Marigaon.
38. Maheripur Navaratna Puthibharal O Uzzal Club.
39. Jalukbari Milan Sangha.
40. Bhatipara Akadakh Club.
41. Bhaskar Club O Puthibharal, Lakhimpur.
42. Jeuti Puthibharal.
43. Gerakhowa Sankari Chowali Sangha.
44. Deuri Kristi Sangha, Guwahati.
45. Dalaitola Nayanjyoti Sports Club, Kamrup.
46. Assam Handball Association.
47. Chawdang Pathar Dijaypur Navarup Club, Merapani.
48. J. B. Law College.
49. North Guwahati Cricket Association.
50. Panara Tarun Puthibharal.
51. Assembly Secretariat Sports & Cultural Association.
52. Assam Women Hockey Association.
53. Dhemaji Sports Association.
54. Nalbari Sports Association.
55. Silapathar College Student Union.
56. Assam Badminton Association.
57. Dakhin Kumarika Anchalik Puthibharal.

58. Prayash Sangha, Mangaldoi.
59. Bokakhat District Sports Association.
60. Kamrup District Mahila Cricket Santha.
61. Pragati Puthibharal Sibsagar.
62. Heaven Blue Athletic Club, Haflong.
63. Balikuchi Bhaitee Club, Nalbari.
64. Golaghat District Boxing Association.
65. Moran Sports Association.
66. Dandua Sports Club, Morigaon.
67. District Sports Association, Silchar.
68. Dhemaji District Cricket Association.
69. Bar Luit Club.
70. Saru Nardi Yuba Bikas Sangha.
71. Morigaon District Sports Association.
72. Assam Secretariat Service Association.
73. Secretariat Sports Team.
74. NCC Cadet, 48 Assam.
75. Sport, Cultural and Recereation Club.
76. Pilik Choudhury Championship.
77. Naharkatia Sports Association.
78. Swahid Tapan Haloi Volleyball Competition.
79. Nabarang Club.
80. Charaidew District Sports Association.
81. Mangoldoi Indoor Stadim.
82. Assam Hockey Association.
83. Simaluguri Club.
84. Madhuban Club.
85. Bharalumukh Club.
86. Dispur Club.

87. Rangia Carrom Association.
88. Rangia Handball Association.
89. Tezpur Tennis Association.
90. Tezpur Tennis Club.
91. Rupjyoti Milan Sangha.
92. Secretariat Sports Association.
93. Deputy Commissioner, Sonitpur.
94. Cotton College Union Society.
95. James Hanse, Vice President, Diphu Govt. College Student Union Society.
96. Guwahati I nter Technical College & Institute Cricket Tournament.
97. Kachupathar Navajyoti Anchalik Krira Sangha.
98. Game Secreatry, Guwahati University.
99. Abahan Krira Sangha.
100. All Assam Drivers Association.
101. Law College Guwahati.
102. Janata Bhawan Team.
103. Senior Inter District Championship.
104. Nazira Yubak Club.
105. Butalikhowa Gaon.
106. Khumtai Clooege Student Union.
107. N. E. Meet.
108. Azara Hatkhowapara Azad Club.
109. Annual Sports Meet, Nazira Jyoktali M. E. School.
110. Bokakhat District Sports Association.
111. Assam Student Union, Madras.
112. Late Jogai Bharali Jagrita Mahila Anath Vidyalaya.

**Sports Goods Distributed to the following Constituencies during the year 199 -92**

1. Hojai
2. South Karimganj
3. Hailakandi
4. Dholai
5. Sonai
6. Teok
7. Raha
8. Golaghat
9. Laharighat
10. Patacharkuchi
11. Panery
12. Nalbari
13. Dhakuakhana
14. Katlicherra
15. Jaleswar
16. Lumding
17. Nagaon
18. Batadrava
19. Patharkandi
20. Dhubri
21. Sidli
22. Kokrajhar
23. Jamunamukh
24. Bhawanipur
25. Tamulpur
26. Bijni
27. Kokrajhar
28. Nowboisha
29. Lakhimpur
30. Barama
31. Kalaigaon
32. Rangapara
33. Gohpur
34. Moran
35. Sorbhog
36. Hajo
37. Gossaigaon
38. Bihali
39. Biswanath Chariali
40. Guwahati West
41. Kamalpur
42. Mangaldoi
43. Samaguri
44. Dalgaon
45. Jagiroad
46. South Salmara

| | |
|---|---|
| 47. Goalpara West | 48. Jorhat |
| 49. Degaon | 50. Rupahi |
| 51. Naharkatiya | 52. Dhemaji |
| 53. Bilashipara West | 54. Bihpuria |
| 55. Duliajan | 56. Barchala |
| 57. Badarpur | 58. Ratabari |
| 59. Marigaon | 60. Mariani |
| 61. Abhayapuri | 62. Bongaigaon |
| 63. Tingkhong | 64. Dharmapur |
| 65. Juria | 66. Thowrah |
| 67. Goalpara East | 68. Boko |
| 69. Barkhetri | 70. Udarbond |
| 71. Mahamara | 72. Bokakhat |
| 73. Dispur | 74. Sarupathar |
| 75. Abhayapuri South | 76. Sipajhar |
| 77. Barhampur | 78. Jalukbari |
| 79. Majuli | 80. Dhing |
| 81. Dhing | 82. Chapaguri |
| 83. Palasbari | 84. Tinsukia |
| 85. Karimganj | 86. Chenga |
| 87. Sadiya | 88. Katigora |
| 89. Silchar | 90. Algapur |
| 91. Kaliabor | 92. Bilashipara East |
| 93. Baghbar | 94. Nazira |
| 95. North Lakhimpur | 96. Sonari |
| 97. Tezpur | 98. Khumtai |

*ANNEXURE - II*

## CATEGORY-WISE STRENGTH OF THE ASSAM POLICE

Back Log Position

| Rank | Sanctioned strength | Actual strength | Vacancy | S.C. | ST (P) | ST (H) |
|---|---|---|---|---|---|---|
| 1. Inspector UB | 417 | 394 | 23 | 2 | 3 | 1 |
| 2. Inspector AB | 185 | 165 | 20 | 4 | 2 | 3 |
| 3. S.I. of Police UB | 2104 | 2039 | 65 | 13 | 13 | 37 |
| 4. S.I. of Police AB | 622 | 601 | 21 | 7 | - | 4 |
| 5. ASI of Police | 1782 | 1777 | 5 | 15 | 101 | 74 |
| 6. Head Constable | 1320 | 1265 | 55 | 61 | 171 | 119 |
| 7. Havildar | 3165 | 3165 | 30 | 20 | - | 9 |
| 8. Naik | 1361 | 1204 | 157 | 12 | - | 6 |
| 9. Lance Naik | 1514 | 1444 | 70 | 29 | 6 | 18 |
| 10. Constable | 29557 | 28460 | 1097 | 53 | 75 | 527 |
| 11. Havildar (PSO) | 1500 | 1382 | 118 | - | - | - |
| TOTAL | 43;527 | 41,866 | 1,661 | 216 | 371 | 798 |

## STATE FIRE SERVICE ORGANISATION

Back Log Position

| Rank | Sanctioned strength | Actual strength | Vacancy | S.C. | ST (P) | ST (H) |
|---|---|---|---|---|---|---|
| 1. Inspector (SSO) | 7 | 7 | - | - | - | - |
| 2. S.I. (S. F. P. O.) | 49 | 48 | 1 | - | - | - |
| 3. A. S. I. (S. O.) | 67 | 63 | 4 | - | - | - |
| 4. Havildar (LF) | 172 | 163 | 9 | - | - | - |
| 5. Fireman | 843 | 821 | 22 | - | - | 16 |
| 6. Driver | 223 | 222 | 1 | - | - | - |
| TOTAL | 1,361 | 1,324 | 37 | - | - | 16 |

## ASSAM POLICE RADIO ORGANISATION

Back Log Position

| Rank | Sanctioned strength | Actual strength | Vacancy | S.C. | ST (P) | ST (H) |
|---|---|---|---|---|---|---|
| 1. Inspector | 59 | 48 | 11 | | 6 | 4 |
| 2. S.I. of Police | 323 | 272 | 51 | 10 | 24 | 12 |
| 3. A.S.I. of Police | 1326 | 1241 | 85 | 7 | 20 | 48 |
| 4. Havildar | 4 | 4 | - | - | - | - |
| 5. Constable (Opr.) | 2119 | 2117 | 2 | - | - | - |
| 6. Driver/Msgr/H. Man Carpenter | 150 | 148 | 2 | - | - | - |
| TOTAL | 3,981 | 3,830 | 151 | 18 | 50 | 56 |

## STRENGTH OF ASSAM POLICE GAZETTED OFFICER

Representation of Reservedcast/ community against actual strength

| Rank | Sanctioned strength | Actual strength | Vacancy | S.C. | ST (P) | ST (H) |
|---|---|---|---|---|---|---|
| 1. D. G. P. | 3 | 3 | - | - | - | - |
| 2. I.G.P. | 8 | 8 | - | 1 | - | - |
| 3. Dy. I.G.P. | 15 | 11 | 4 | - | 2 | - |
| 4. A.I.G.P. | 3 | 3 | - | - | 1 | - |
| 5. S.P. | 45 | 45 | - | 4 | 6 | 1 |
| 6. F. R. R. O. | 18 | 8 | 10 | 2 | - | - |
| 7. Commandant | 22 | 21 | 1 | 1 | 6 | - |
| 8. Addl S. P. | 50 | 42 | 8 | 1 | - | - |
| 9. 2 I/C | 18 | 13 | 5 | 3 | - | 1 |
| 10. Dy. S. P. | 161 | 127 | 34 | 5 | 2 | 2 |
| 11. Asstt. Commandant | 120 | 47 | 73 | - | 1 | 1 |
| TOTAL | 463 | 328 | 135 | 17 | 18 | 5 |